# STUDENT CHARTER

## A) Institution's Responsibilities towards its Students

- Communicate the goals & objectives of the institution systematically & clearly to all students
- Offer programmes that are consistent with institutional goals and objectives
- Offer a wide range of programmes with adequate academic flexibility
- Use feedback from students in the inititation, review and redesign of programmes
- Facilitate effective running of the teaching - learning programmes
- Implement a well - conceived plan for monitoring student progress continuously
- Ensure that the student assessment procedures and systems are reliable and valid
- Provide clear information to students about the admission and completion requirements for all programmes, the fee structure and refund policies, financial aid and student support services
- Ensure sufficient and well-run support services to all students
- Promote values, social responsibilities and good citizenry in all students

## B) Students' Responsibilities of Learning

- Appreciate the institutional goals and objectives and contribute to their realisation by participating in relevant intitutional activities
- Have a clear knowledge of the programmes, admission policies, rules and regula ions of the institution
- Understand teaching - learning strategies and Evaluation systems of the institution
- Follow the time sehedules , rules and regulations of the institution
- Undertake regular and intense study of learning materials
- Make optimum use of the learning resources and other support services available in the institution
- Prepare for continuous internal assignments and term - end examinations
- Give feedback for system improvment
- Have faith and ability to pursue lifelong learning
- Live as worthy alumni of the institution

तमसो मा ज्योतिर्गमय

শিৱসাগৰ ছোৱালী কলেজ

# প্ৰৱাহিনী



# প্ৰবাহিনী

## শিৱসাগৰ ছোৱালী কলেজ আলোচনী

২০১১-১২

### সম্পাদনা সমিতি

<u>সভাপতি</u>
ড° হেমন্ত ফুকন

<u>উপ সভাপতি</u>
কুসুম ফুকন

<u>শিক্ষক উপদেষ্টা মণ্ডলী</u>
সঞ্জয় দাস
জাকিৰ হুছেইন
কাকলি সোণোৱাল
সংগীতা হাজৰীকা

<u>সম্পাদিকাদ্বয়</u>
নয়না দাস
সুস্মিতা গগৈ

***Sibsagar Girls' College Annual Magazine, edited by Nayana Das published by Sibsagar Girls' College on behalf of College Students Union.***

**অংগ সজ্জা**
পলাশ বুঢ়াগোহাঁই

**অক্ষৰ বিন্যাস**
পলাশ বুঢ়াগোহাঁই
পংকজ গগৈ

**মুদ্ৰণ**
বিনায়ক অফচেট
শংকৰ মন্দিৰ পথ, শিৱসাগৰ
ফোন ঃ ৯৮৫৪০ ৩২৮১৪

# উছৰ্গা

যিসকল ব্যক্তিৰ দূৰদশীতা,

নিৰলস প্ৰচেষ্টা, ত্যাগ

আৰু

বদান্যতাৰ ফলশ্ৰুতিত

এই মহাবিদ্যালয়খনি গঢ় লৈ উঠি

বৃহত্তৰ শিৱসাগৰবাসীৰ

মাজত জ্ঞানৰ আলোক বিলাইছে.....

তেখেতসকললৈ এই আলোচনীখন

উছৰ্গা কৰা হ'ল।

# শ্ৰদ্ধাঞ্জলি



২০১১-১২ বৰ্ষত ধৰিত্ৰী আইৰ যিসকল
সু-সন্তানক আমি হেৰুৱালো।

# কৃতজ্ঞতা

মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি আৰু অধ্যক্ষ মহোদয়লৈ।

আলোচনী বিভাগৰ সম্পাদনা সমিতিৰ সমূহ সদস্য সকললৈ।

মহাবিদ্যালয়ৰ শুভাকাংক্ষীসকললৈ।

Prof. K.K. Deka, M.Sc., M.Ed.,Ph.D. 'Stazorovka' (USSR)
*Vice-Chancellor*

**DIBRUGARH UNIVERSITY**
**DIBRUGARH-786 004**
**ASSAM, INDIA**
**Phone: 0373-2370239(O)**
**Fax : 0373-2370323**
**e.Mail: kkdekadu@yahoo.com**

No.DU/VC/073/12/1138 Date:26.09.2012

**Message**

To

Nayana Das
Editor, College Magazine
Sibsagar Girls' College
Sibsagar

Dear Nayana,

It has given me immense pleasure to know that the annual magazine of the Sibsagar Girls' College Students' Union is going to be published.

The college magazines are providing ample scope to the students of the colleges to nurture their literary abilities and have helped to give foundation to the future writers and thinkers. They have also served as record keepers of the students' activities, specially in co-curricular areas.

I hope that this issue of the annual magazine of the Sibsagar Girls' College Students' Union shall be an excellent one in all aspects.

With best wishes,

(K.K. Deka)
Vice-Chancellor
Dibrugarh University

# অধ্যক্ষৰ মনৰ কথাৰে....



সময় সলনি হৈছে। প্ৰতিযোগিতা বাঢ়িছে। ছাত্ৰ-ছাত্ৰীৰ চিন্তাধাৰা সলনি হৈছে — হ'বও লাগিব। সা-সুবিধা বাঢ়িছে। গ্ৰহণ কৰিব লাগিব। উচ্চ শিক্ষাৰ ধাৰা দ্ৰুতগতিত সলনি হৈছে। নিতে নতুন বিষয় সংযোজিত হৈছে। এইবোৰৰ খবৰ ৰখাটো নিতান্তই জৰুৰী। ৰক্ষণশীল মনোভাৱ পৰিহাৰ কৰাৰ প্ৰয়োজনীয়তা আহিছে। কঠিন বাস্তৱৰে মোকাবিলা কৰিবলৈ কঠোৰ পৰিশ্ৰম আৰু অনুশীলন কৰিব লাগিব।

শিৱসাগৰ ছোৱালী কলেজে সময়ৰ লগত খাপ খাব পৰাকৈ যো-জা অব্যাহত ৰাখিছে — ছাত্ৰীসকলক যথা সম্ভৱ সা-সুবিধা প্ৰদানৰ চেষ্টা কৰিছে। ছাত্ৰীসকলে নিজৰ মানসিকতাৰ পৰিৱৰ্তন সাধিব লাগিব — সুবিধাবোৰ গ্ৰহণ কৰিব লাগিব। প্ৰতিযোগিতাৰ জগতখনত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সংগ্ৰামত ব্ৰতী হ'ব লাগিব। জগতখনত নিজকে প্ৰতিষ্ঠা কৰিবলৈ সংগ্ৰামত ব্ৰতী হ'ব লাগিব। এই চোৱা সময়েই শিক্ষা আহৰণৰ সময়, ব্যক্তিত্ব গঠনৰ সময়, সমাজৰ বাবে একোগৰাকী সম্পদ হিচাবে গঢ় লোৱাৰ সময়। এতিয়া 'জ্ঞানেই শক্তিৰ আধাৰ'। বহু ক্ষেত্ৰত এই ধাৰণাও সলনি হৈ 'সংবাদেই শক্তিৰ আধাৰ' বুলিও পৰিগণিত হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগ, চৰকাৰ, বিভিন্ন সংস্থা সকলোৱেই নাৰী শিক্ষা আৰু নাৰী সবলিকৰণৰ হেতু বিভিন্ন কাৰ্যসূচী হাতত লৈছে, শিক্ষানুষ্ঠান সমূহলৈও অৰ্থ, সা-সুবিধা আগবঢ়াইছে। ছাত্ৰীসকলে এইবোৰৰ সুযোগ গ্ৰহণ কৰিব লাগিব।

ছাত্ৰীসকলে হাতত কলম তুলি লোৱাৰ এক উপযুক্ত মাধ্যম হৈছে কলেজৰ পৰা প্ৰকাশিত বাৰ্ষিক আলোচনীখন। শিৱসাগৰ ছোৱালী কলেজে লেখাৰিকৈ এই আলোচনী প্ৰকাশ কৰি আহিছে। এইখন 'প্ৰৱাহিনী', ইয়াৰ যোগেদি বহুতে ইতিমধ্যেই সু-লেখিকা হিচাবে স্বীকৃত হৈছে। আলোচনীখনে কলেজখনৰ সম্যক প্ৰতিচ্ছবি দাঙি ধৰে — এখন দাপোনৰ দৰে। চৰকাৰে শেহতীয়াকৈ আগবঢ়োৱা অনুদান এই 'প্ৰৱাহিনী' প্ৰকাশ কৰাৰ সহায়ক হৈছে। এই অনুদান পৰ্য্যাপ্তকৈ আগলৈও থাকক, এই আশা।

আলোচনীখনৰ লগত জড়িত প্ৰতিগৰাকী ছাত্ৰী, শিক্ষক, কৰ্মচাৰী সকলোকে শুভেচ্ছা যাঁচিছো। আগন্তুক বছৰবোৰত অধিক ছাত্ৰীক এই দিশেৰে বাট বুলিবলৈ আহ্বান জনালোঁ।

ড° হেমন্ত কুমাৰ ফুকন
অধ্যক্ষ, শিৱসাগৰ ছোৱালী কলেজ



**উপাধ্যক্ষা**

**শ্ৰীযুতা কুসুম ফুকন**

## সম্পাদনা সমিতি 'প্ৰৱাহিনী'
### শিৱসাগৰ ছোৱালী কলেজ আলোচনী ২০১১-১২



ড° হেমন্ত কুমাৰ ফুকন
অধ্যক্ষ



শ্ৰীযুতা কুসুম ফুকন
উপাধ্যক্ষা



জাকিৰ হুছেইন
উপদেষ্টা



সংগীতা হাজৰিকা বৰা
উপদেষ্টা



কাকলি সোণোৱাল
উপদেষ্টা



সঞ্জয় দাস
উপদেষ্টা



শিৱপ্ৰসাদ মিলি
উপদেষ্টা



ড ৰণ্টু গোহাঁই
উপদেষ্টা



নয়না দাস
সম্পাদিকা

# সম্পাদকীয়

অনাকাঙ্খিত যিকোনো ঘটনা-পৰিঘটনাই আচৰ্যজনক। আমাৰ ক্ষেত্ৰতো ঘটিল। ২০১১-১২ চনৰ আলোচনা বিভাগৰ সম্পাদিকাৰ দায়িত্বটো আমাৰ ওপৰতেই পৰিল। সময়ৰ পাকচক্ৰত পৰি এই গধুৰ দায়িত্ব আমি বহন কৰিব লগা হোৱাত সুখ-সুখৰ মিশ্ৰিত এক অজান আশংকাত ভূগিছিলো প্ৰথমে। কিন্তু এই দায়িত্বই আমাৰ ঠেক পৰিসৰৰ জীৱন বৃত্তত আনি দিয়া গতিশীলতাই আমাক গভীৰভাৱে চুই থৈ গ'ল, হয়তো এই জনমলৈ!

এতিয়া ক্ৰমাত আমি বুজি উঠিছো গতিশীল জীৱনৰ আনন্দ। জীৱনে গতিশীলতা লাভ কৰিব পাৰে যিকোনো এটা নিকায় বা তন্ত্ৰৰ মাধ্যমেৰে। এই গতিশীলতাৰ প্ৰাৱল্যতা আৰু মানদণ্ড কোনো এটা জীৱনৰ জন্মগত আৰু আৰ্জিত সৃষ্টিশীলতাৰ ওপৰত নিৰ্ভৰ কৰে। চূড়ান্ত পৰ্যায়ত এই গতিশীলতাই লাভ কৰে এটা স্বীকৃতি, হয়তোবা এটা গল্পৰ ৰূপত, এটা কবিতাৰ ৰূপত, এটা প্ৰৱন্ধৰ ৰূপত বা এক বহনক্ষম উৎপাদনৰ ৰূপত। ছাত্ৰ জীৱনত সৃষ্টিশীলতাই এক অনন্য ৰূপ লয় বা ল'ব পাৰে। দৰকাৰ মাথোন, এক যোগাত্মক চিন্তা, এখিলা শুভ্ৰ সস্তিয়া কাগজ আৰু কাগজখনৰ ওপৰত চলি যাব পৰা মস্তিস্ক আৰু মন নিয়ন্ত্ৰিত এখন হাত। এনে অজস্ৰ মনৰ ছাত্ৰই এখন সমাজ গঢ়িব পাৰে। এনে এখন সমাজ এক বহনক্ষম নিকায় বা তন্ত্ৰ হ'ব পাৰে।

মহাবিদ্যালয় এখনৰ আলোচনীখনো ছাত্ৰ জীৱনৰ 'সৃষ্টি' সৃষ্টিকাৰী অমোঘ অস্ত্ৰ হ'ব পাৰে। ই সহস্ৰাধিক ছাত্ৰ-ছাত্ৰীৰ বক্তব্য বহন কাৰী এক জাতীয় সত্বা হ'ব পাৰে। কিন্তু এনেধৰণৰ জানো দৰকাৰী 'ঘটনা' বা 'চাঞ্চল্য'ৰ সৃষ্টি কাহানিবা হৈছে? প্ৰশ্ন হয়, আলোচনী এখনত ১০০ শতাংশই অংশগ্ৰহণ কৰেনে, নে এক নিৰ্দিষ্ট বিভাগ বা ছাত্ৰ-ছাত্ৰীৰ মাজতেই সীমাবদ্ধ থাকে? প্ৰতি বছৰে প্ৰায় দুই শতাধিক মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী মুদ্ৰিত হয়, কিন্তু ছাত্ৰ-ছাত্ৰী গঠনত বা দেশ আৰু জাতিৰ স্বাৰ্থ ৰক্ষাত এই আলোচনী সমূহৰ দায়িত্ব কিমান, এয়া পুনঃ বিচাৰ্যৰ বিষয়।

আমাৰ (নৱপ্ৰজন্ম) বিৰুদ্ধে সদায় এক অভিযোগ উঠে, আমি উচ্ছৃংখল বুলি। জ্যেষ্ঠজনে এনে মন্তব্যৰে দায় সাৰে। কিন্তু আমাৰ দোষ ক'ত? আমাৰ শৈশৱকাল উটি-ভাহি গ'ল টিফিন বক্স, কিতাপৰ টোপোলা আৰু নিৰ্মম হম-ৰ্কবোৰৰ মাজত। আমাৰ বৌদ্ধিক ভৰণ-পোষণৰ দায়িত্ব আনে ল'লে, তাকো টকাৰ বিনিময়ত। আমাৰ পিতৃ-মাতৃৰ সময় নাই, দুয়ো হাতেৰে আৰ্জি আছে, আমাৰ মাহেকীয়া মাচুলবোৰ দিবলৈ। আমাৰ শৈশৱকালটোক পূৰ্ণাংগ জীৱন শৃংখলটোৰ পৰা আতঁৰাই লৈ আমাক একধৰণৰ পূৰ্ণাংগ ব্যক্তিত্ব প্ৰদান কৰিব বিচৰাটো হাস্যজনক নহয়নে? যিসময়ত জ্যেষ্ঠসকল আমাৰ বাবে ৰোল মডেল হ'ব লাগে, সেই সময়ত আমাৰ শুৰনি কোঠা ভৰি পৰে বিকৃত মানসিকতাৰ ব্যক্তিত্বৰ অধিকাৰীসকল। তাতেই আমি বিচাৰি ফুৰো আমাৰ মুখ, আমাৰ পৰিচয়। তাতেই হেৰুৱাও আমাৰ মুখ, কলা হয় আমাৰ পৰিচয়। — এইবোৰ হ'ল আমাৰ অব্যক্ত বেদনা।

কলেজীয়া জীৱনত যিমান আনন্দৰ পথ আছে, সিমানেই নিৰানন্দৰ বিভিষিকাও আছে। পঢ়ি থকা সময়খিনিত পাঠ্যক্ৰমৰ সহজবোধ বা জটিলতা, সমনিয়াৰ লগত পাৰ কৰা মধুৰ মুহূৰ্ত, পুৰস্কাৰ-শাস্তি, উছৱ-মুখৰ অনুষ্ঠান ইত্যাদিবোৰে ছাত্ৰ জীৱনক ৰঙীয়াল কৰি ৰাখে। এই খিনি সময়তেই যদি কোনোবাই সোধে, তোমাৰ জীৱনৰ লক্ষ্য কি? লাগি যায় খেলিমেলি। প্ৰশ্নটো সোধাজনেই পিছত উপদেশবাণী শুনাব "বি,এ পাছ কৰি বি, এড, কৰিবা", "টেটত চাকৰি খাটাং"! এয়াই হ'ল আমাৰ কেৰিয়াৰ কাউন্সেলিং। কাউন্সিলৰ জনে ১০+২ শ্ৰেণী উত্তীৰ্ণ হোৱাৰ পিছত কয় "ফেশ্বন ডিজাইনিং, মাৰ্কেটিং, বি, পি, অ, পি, আৰ, অ, মাছ কম ইত্যাদি মধ্যমীয়া মেধাৰ ছাত্ৰৰ বাবে", তেনেদৰে প্ৰত্যেক জনকে কিবা অদ্ভুত

উপদেশ দি বাহিৰলৈ পঠিয়ায়। পিছত শিক্ষা সাঙুৰি ঘৰলৈ উভটিব নোৱাৰা হয় কাৰণ নামটি, ডিমৌ বা নিতাইপুখুৰী বা শিৱসাগৰ চহৰখনেই চিনি নাপায় এই শিক্ষা। ফলত মেধাৰ প্ৰব্ৰজন ঘটি আছে আৰু যি ঠাইৰ পৰা প্ৰব্ৰজন হৈ থাকে, সেই ঠাইখন ভৰি পৰে বহিৰাগত মানুহেৰে আৰু তাৰ লগত মোকামিলা কৰিব নোৱাৰা থলুৱা ব্যক্তিসকল। প্ৰশ্ন হয় — অতি মেধাৱী ছাত্ৰ এজনে নিজৰ মেধা অনুশীলন কৰিবলৈ স্ব-জাতি বৰ্জন কৰিব লগা হয় কিয়? বদনাম এটা আছে, স্ব-জাতিয়ে হেনো কম পৰিমাণৰ দা-দৰমহাহে দিব পাৰে, সেয়ে মেধাৰ বিস্তাপন ঘটিছে। কিন্তু এই মেধাৰ প্ৰয়োজন আছিল অসমৰ বনাঞ্চল অধ্যয়নত, বসতি অধ্যয়নত, বানপানী অধ্যয়নত, সম্পদ অধ্যয়নত, বন্য জন্তু অধ্যয়নত; এই মেধাই উদ্যমীতাৰ পৰিচয় দিব লাগিছিল, এজন জাতীয় বিজ্ঞানীৰ পৰিচয় দিব লাগিছিল, এজন উদ্যোগী প্ৰযুক্তিবিদ হ'ব পাৰিব লাগিছিল, কম খৰচী স্বাস্থ্য বিভাগ গঢ়িব পৰা ডাক্তৰ-বিজ্ঞানী হ'ব পাৰিব লাগিছিল আৰু বহুতো ........। কিন্তু অদ্ভুট কেৰিয়াৰ কাউন্সেলিঙৰ নাগ-পাশত বন্দি মেধাৱী ছাত্ৰই সুখ্যাতিৰে উত্তীৰ্ণ হৈ পুনৰ বহুজাতিক কোম্পানিত গেৱাৰি খাটিবলৈ ধাপলি মেলে। উল্লেখ্য যে আমাৰ শৰীৰৰ বৃদ্ধি আৰু বিকাশ ঘটিবলৈ সম্পূৰ্ণ প্ৰাকৃতিক অৱস্থাত প্ৰয়োজনীয় প্ৰতি সাজ খাদ্যত কেৱল মাত্ৰ ১০-১৫ টকা ভৰিব লগা হয়। কিন্তু আমাৰ ব্যস্ততা এনেকুৱা যেন আমি কেৱল খাবলৈ আৰু বেমাৰ আৰ্জিবলৈহে জীয়াই আছো। এই সমস্যাবোৰ আমি এতিয়াই বুজি পাবলৈ আমাক ৰোল মডেলৰ দৰকাৰ।

সমস্যাৰে ভৰপুৰ আমাৰ সমাজখন কিবা এটা লিখিবলৈ ল'লেই ঋণাত্মক ভাৱ এটাই ক্ৰিয়া কৰিবলৈ লয়। গল্প, কবিতা, উপন্যাস সকলোবোৰতেই কেৱল নিগেটিভ ফিলোছফি। তথাপি সেয়াও এক কলা। 'নিগেটিভ' আগেয়ে চিনি পালেহে 'পজিটিভ'ৰ সম্পূৰ্ণ পৰিসৰ জানিব পৰা যায়। আশাত বন্দী আমি। শিক্ষাগুৰুসকল আছে, বিশ্বাসী কলমডাল আছে, পাত এখিলা পাব পৰা যায়, আৰু এখন আলোচনী আছে — তেন্তে সৃষ্টিত কিহৰ বিলম্ব?

জয়তু প্ৰৱাহিনী
জয়তু শিৱসাগৰ ছোৱালী কলেজ

নয়না দাস
সুস্মিতা গগৈ
সম্পাদিকাদ্বয়
আলোচনী বিভাগ
শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভা

# সূচীপত্ৰ

পৃষ্ঠা নং

**বিবিধ চিন্তা ঃ**


- “যোগ” অনুশীলন-বৰ্তমান সময়ত ইয়াৰ শৈক্ষিক তাৎপৰ্য্য — গৈৰিকা ভট্টাচাৰ্য্য ১৫
- ‘ৰাংপতা’ বেনুধৰ শৰ্ম্মাৰ এক অনুপম সৃষ্টি — শান্তনা দুৱৰা সন্দিকৈ ১৭
- সৌম্য আৰু গৰিমাময় ব্যক্তিত্বৰ গৰাকী এটি পাৰ্চী পৰিয়াল — সঙ্গীতা দাস বৰুৱা ১৯
- দীপশিখা — স্বৰ্ণজ্যোতি বৰুৱা বৰবৰা ৩২
- মাৰ্ক্সবাদী বিষ্ণুৰাভা — দীপাঞ্জলী নাথ ৩৪
- বি.বি.চি. — লক্ষ্যহীৰা গগৈ ৩৭
- বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰ — পিংকি বৰা ৩৮
- মাধৱদেৱৰ বৰগীতত শিশু কৃষ্ণ — প্ৰীতিশ্ৰী নেওগ ৪০
- লোকপাল বিল আৰু ভাৰতীয় প্ৰেক্ষাপটত ইয়াৰ ভূমিকা — ভাগ্যশ্ৰী নেওগ ৪৪
- যুৱ উশৃংখলতা আৰু আমাৰ সমাজ ব্যৱস্থাৰ পৰিণতি — মঞ্জুশ্ৰী দত্ত ৪৭
- নিচাযুক্ত দ্ৰব্যৰ ভয়াবহতা আৰু ছাত্ৰ সমাজ — লাকীমণি গগৈ ৪৮
- প্ৰাণীৰ প্ৰাণ পানী আৰু কিছু প্ৰাসংগিক চিন্তা — প্ৰিয়ংকা ভূএগ ৫১
- বন্ধুত্ব ঃ বিশ্বাস আৰু স্নেহৰ বন্ধন — কংকনা বৰগোহাঁই ৫৩
- শ্ৰেণীকোঠা বনাম কলেজীয়া শিক্ষাৰ্থী — ৰ'দালি চেতিয়া ৫৫
- স্নাতক শাখাত ছেমিষ্টাৰ পদ্ধতিৰ প্ৰয়োগত উদ্ভাৱিত সমস্যাৰ সমাধান বিচাৰি — মৃদুস্মিতা ফুকন ৫৮
- শিক্ষাৰ অঙ্গ হিচাপে খেল-ধেমালি — দীপা বৰুৱা ৬০
- ২০১০ বৰ্ষৰ বিশ্বকাপ ফুটবলৰ শুভংকৰ আৰু বলটো — জয়ালক্ষী বড়ো ৬২


**অনুভৱৰ কৰণি ঃ**


- ভালপোৱা.......... মাথো এটি বিষাদৰ নাম — কাব্যশ্ৰী কোঁৱৰ ৬৫
- আশাৰ সফলতাৰ আঁৰত অনুভৱৰ শিহৰণ...... —পাপৰি গগৈ ৬৭
- মোৰ খেলুৱৈ জীৱনত এভুমুকি..... — মৃদুস্মিতা ফুকন ৭০
- ৰংপুৰ ছাত্ৰী নিবাস আৰু দুটোপালমান অনুভৱৰ বৰষুণ......... — সুস্মিতা মহন ৭২
- সাক্ষাৎকাৰ — শ্ৰীযুত দুৰ্লভ বড়া ৭৩


**কবিতাৰ আকাশ ঃ**

৭৫-৯০

**পত্ৰ শিল্প ঃ**


- প্ৰিয় কবি, হীৰুদালৈ — চুমী চুতীয়া ৯৩
- মৰমৰ ভাস্বতী ঃ ৯৫


**ভ্ৰমণ কাহিনী ঃ**


- মোৰ দাৰ্জিলিং, গেংটক ভ্ৰমণৰ অভিজ্ঞতা — জয়শ্ৰী বড়া ৯৭

**নাটক ঃ**


- ❑ ধুমুহাৰ শেষত — ৰাজশ্ৰী বড়া ১০৩


**English Section :**


- ❑ The Role of College Teacher in Promoting Academic Environment - Kritanjali Konwar ১০৯
- ❑ Global food security and role of women - Dr. Rajashree Phukon ১১৩
- ❑ Thyroid Gland & Disorders of Thyroid Secretion - Dipsikha Dutta Bhuyan ১১৫
- ❑ Culture and education - Kusum Phukan ১১৭
- ❑ Books - Our Companions and Guides - Arundhati Baruah ১১৯
- ❑ Our Many Splendoured Heritage - Arundhati Baruah ১২০
- ❑ The Features of NER in NCC - Papori Gogoi ১২১
- ❑ Satyamev Jayate - Neha Sharma ১২৩
- ❑ Greens - The Neglected Gold Mine - Daisy Kameng Baruah ১২৪
- ❑ Eve - Teasing - Devipriya Phukon ১২৫
- ❑ Our future, hidden in the hands of God - Jahnabi Chetia ১২৬
- ❑ The Interesting page of a Note Book - Jahnabi Chetia ১২৭
- ❑ I am America : But I too have a tragedy - Sabiha Nahid ১২৮
- ❑ Sibsagar Girls' College - A Great Bestower - Mrs. Pranami Handique Gohain ১২৯
- ❑ E-Resources and role of UGC on promoting of E-Resources in Academic Libraries - Abhijit Borpuzari ১৩০
- ❑ Someone Broke Your Heart - Kabita Borah ১৩৫
- ❑ My Funny Dream - Shweta Sur ১৩৫
- ❑ Defination of my Pride - Mr. Ranjit Ranjan Tamuli ১৩৬



**সম্পাদকীয় প্ৰতিবেদন ঃ** ১৩৭-১৪৮



# বিবিধ চিন্তা

# "যোগ" অনুশীলন- বৰ্তমান সময়ত ইয়াৰ শৈক্ষিক তাৎপৰ্য্য

**গৈৰিকা ভট্টাচাৰ্য্য**
অধ্যাপিকা, শিক্ষা বিভাগ

ভাৰতীয় সংস্কৃতি ঐতিহ্যময় আমাৰ দেশৰ অতীত গৌৰৱময়, বিশাল আৰু বহু মহান গুণেৰে পৰিপুষ্ট। কাৰণ ভাৰতীয় সংস্কৃতিৰ মূল ভেটি শক্তিশালী দাৰ্শনিক দৃষ্টিভংগীৰ ওপৰত প্ৰতিষ্ঠিত। কিন্তু বৰ্তমান আধুনিকতাৰ অনুকৰণৰ নামত পাশ্চাত্য দৰ্শনৰ মাত্ৰাধিক অনুৰাগিতাই আমাৰ যুব প্ৰজন্মক নিজৰ সংস্কৃতিক গ্ৰহণ কৰাৰ প্ৰতি উদাসীন মনোভাৱৰ সৃষ্টি কৰিছে।

"শিক্ষা" (Education) বিষয় অধ্যয়ন কৰোতে দৰ্শন বিষয়টো অংগকীভাৱে জড়িত কৰিব লগীয়া হয়। শিক্ষাৰ প্ৰধান ভেটি হৈছে দৰ্শন। প্ৰাচ্য আৰু পাশ্চাত্য দৰ্শনৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে জনাৰ সুযোগ পায়। ভাৰতীয় দৰ্শন সমন্ধে অধ্যয়ন কৰোতে বৈদিক দৰ্শন, বেদান্ত দৰ্শন, যোগ দৰ্শন আদিৰ মাজত থকা গভীৰ মৰ্মাৰ্থৰ বিষয়ে উপলব্ধি কৰিব পৰা যায়।

বৰ্তমান সময়ত শিক্ষাৰ দ্বাৰা শৰীৰ আৰু মন উভয়ৰে উন্নতি অনাৰ প্ৰয়োজনীয়তাৰ বিষয়ে কোৱা হৈছে। মহান দাৰ্শনিক প্লেটো, এৰিষ্টটলৰ চিন্তাত শাৰীৰিক শিক্ষাক, শিক্ষা আচঁনিৰ গুৰুত্বপূৰ্ণ দিশ হিচাপে স্বীকৃতি দিয়া হৈছে Platoৰ "Academy" ব্যায়ামগাৰ ৰখা হৈছিল। Aristotleৰ শিক্ষাৰ সংজ্ঞা "A healthy mind can exist only in a healthy body." সৰ্বজন বিদিত।

ভাৰতীয় "যোগ দৰ্শন"তো শৰীৰ আৰু মন উভয়ৰে শিক্ষাৰ ক্ষেত্ৰত থকা সমান গুৰুত্বক স্বীকৃতি দিয়া হৈছে। যোগ দৰ্শনৰ উদ্ভাৱক আছিল ঋষি পতঞ্জলি। "যোগ"এক বিশেষ ধৰণৰ শাৰীৰিক অনুশীলন যাৰ দ্বাৰা মনক অন্তৰত থিতাপি লগাব পৰা যায়। ঋষি পতঞ্জলিৰ মত অনুযায়ী যোগ শব্দৰ অৰ্থ হৈছে "লগ লগোৱা অৰ্থাৎ যোগ কৰা" অৰ্থাৎ ভগৱানৰ লগত ব্যক্তিৰ আধ্যাত্মিক সংযোগ বা মিলন, ভাৰতীয় আন আদৰ্শবাদী দাৰ্শনিক সকলৰ দৰে, পতঞ্জলি ঋষিয়ে পৰমাত্মাৰ অস্তিত্বত বিশ্বাস কৰিছিল, অৱশ্যে এনে ধৰণৰ চিন্তাৰ অন্তৰালত বৈজ্ঞানিক দৃষ্টিভংগীও নথকা নহয়। যোগ সাধনাৰ দ্বাৰা চিত্ত (মন)ক সম্পূৰ্ণ নিজৰ বশলৈ আনিব পাৰি। চিত্তক আভ্যন্তৰীণ চেতনা বুলি ক'ব পাৰি। ব্যাসদেৱে কৈছিল, মন আৰু বুদ্ধি লগ লাগি চিত্ত গঠন হয়। এই দিশৰ পৰা চিত্তক বিবেক বুলিও ক'ব পাৰি। এই কাৰ্যৰ বাবে (মনক নিয়ন্ত্ৰণলৈ অনা) ঋষি পতঞ্জলিয়ে আঠ ধৰণৰ শাৰীৰিক অনুশীলনীৰ উল্লেখ কৰিছে। এই আঠ ধৰণৰ যোগ সাধনাক অষ্টাংগ যোগ বুলি কোৱা হয়। প্ৰথম অনুশীলন হৈছে যম (yama) ইয়াৰ অৰ্থ হৈছে মনক বেয়া চিন্তাৰ পৰা আতঁৰাই অনা। কিছুমান নেতিবাচক গুণেহে মানুহক অসৎ কামৰ বাবে প্ৰৰোচিত কৰে। যেনে- হিংসা, মিছা কথা কোৱা, আনৰ পৰা অপ্ৰয়োজনীয় উপহাৰ লোৱা ইত্যাদি। সেয়ে যোগ অনুশীলনীৰ প্ৰথম স্তৰত এই সমূহ বেয়া চিন্তাৰ পৰা মন আঁতৰাই, ইন্দ্ৰিয়গত সুখৰ বিপৰীতে মহান চিন্তাৰ প্ৰতি মনক আকৰ্ষিত কৰিবলৈ চেষ্টা কৰা হয়।

**নিয়ম** ঃ- যোগ সাধনাৰ দ্বিতীয় পৰ্য্যায়ত শৰীৰ আৰু মন পৰিচ্ছন্নকৈ ৰখাৰ অনুশীলন কৰা হয়। নিয়মিত গা ধোৱা, পৰিস্কাৰকৈ শৰীৰ ৰখাৰ উপৰিও মনকো সন্তুষ্ট অৱস্থাত ৰখাৰ প্ৰশিক্ষণ দিয়া হয়। অধিক প্ৰয়োজনীয়তাই মানুহৰ মনত

অসন্তুষ্টিৰ ভাব আনে। মনক নিয়ন্ত্ৰণলৈ আনিবলৈ হ'লে, এনে ধৰণৰ নিয়ম মানি চলাটো বাঞ্চনীয়।

**আসন** ঃ- আসন হৈছে কিছুমান শাৰীৰিক ভঙ্গী। যিবিলাক ভঙ্গীয়ে মনোযোগ অনাত সহায় কৰে। এই ভঙ্গীসমূহ দৃঢ়, সহজ, ভাল লগা আৰু আৰামদায়ক ধৰণৰ। পতঞ্জলিৰ মতে মন আৰু শৰীৰ যিহেতু আন্তসম্পৰ্কিত। সেয়েহে শৰীৰ নিয়ন্ত্ৰণ কৰিলেহে মন নিয়ন্ত্ৰণ কৰিব পাৰি। নিয়মিত আসন অনুশীলন কৰিলে বহুতো ৰোগৰ পৰাও মুক্ত হ'ব পাৰি।

**প্ৰাণায়াম** ঃ- প্ৰাণায়াম অনুশীলনত উশাহ-নিশাহৰ নিয়ন্ত্ৰণ কৰিবলৈ প্ৰশিক্ষণ দিয়া হয়। এক নিৰ্দিষ্ট নিয়মত প্ৰাকৃতিক উশাহ-নিশাহ প্ৰক্ৰিয়াত নিয়ন্ত্ৰণ কৰা হয়। মনক নিয়ন্ত্ৰণৰ বাবে প্ৰাণায়ম অতি উপযোগী অনুশীলন।

**প্ৰত্যাহাৰ** ঃ- এই স্তৰত ইন্দ্ৰিয় সমূহক বাহ্য জগতৰ আন বস্তু বা চিন্তাৰ পৰা আতঁৰাই আনি নিৰ্দিষ্ট বিষয়ত মন কেন্দ্ৰীভূত কৰিবলৈ শিকোৱা হয় চকু, কাণ আদি ইন্দ্ৰিয়ৰ কেন্দ্ৰ এক নিৰ্দিষ্ট বিষয়ত আৰোপ কৰি তাতে গভীৰ মনঃ সংযোগ ঘটাব বিচৰা হয়।

**ধাৰণা** ঃ- এই পৰ্য্যায়ত মনোযোগ দিয়া বিষয়বস্তুত অধিক সময়ৰ কাৰণে মনৰ গভীৰ স্তৰত ধৰি ৰখা হয়। আন সকলো চিন্তাৰ পৰা মনক আতঁৰাই মগজু আৰু অন্তৰৰ সংযোগ ঘটাই প্ৰয়োজনীয় বিষয়ত মন দিয়াকে ধাৰণা বোলা হয়।

**ধ্যান** ঃ- যোগৰ সপ্তম অনুশীলন হৈছে ধ্যান। ইয়াৰ অৰ্থ হৈছে একান্তচিত্তে চিন্তা কৰা। সাধাৰণ চিন্তাত আমাৰ মনলৈ ভাব আহে আৰু যায়। কিন্তু ধ্যানত কোনো ধৰণৰ নোহোৱাকৈ মনোযোগ নিবিষ্ট কৰি ৰাখিব পাৰি। নিৰবিছিন্ন মনোযোগৰ অৱস্থাই হৈছে ধ্যান।

**সমাধি** ঃ- যোগ সাধনাৰ শেষ অনুশীলন হৈছে সমাধি। এই স্তৰত ব্যক্তিয়ে নিজৰ অস্তিতকো পাহৰি যায়। এই স্তৰত চিন্তা গভীৰ পৰ্য্যায়ত উপনীত হয়। প্ৰকৃত সত্যৰ সন্ধান লাভ কৰিব পৰা ক্ষমতা অৰ্জন হয়।

মহৰ্ষি পতঞ্জলিয়ে এই আঠ ধৰণৰ যোগ অনুশীলন পৰমব্ৰহ্মাৰ লগত মিলনৰ উপায় হিচাবে প্ৰদান কৰিছে, যদিও বৰ্তমানৰ সময়ত এনে ধৰণৰ চিন্তাৰ বৈজ্ঞানিক যুক্তিযুক্ততা বিচাৰি পোৱা নাযায়, কিন্তু -মূলক দৃষ্টিভংগীৰে বিচাৰ কৰিলে এই অনুশীলন সমূহৰ শিক্ষাগত মূল্য অধিক। বৰ্তমান সময়ত বহুত কাৰণত শিক্ষাৰ্থীৰ মনোযোগ ব্যাহত হোৱা দেখা যায়। অথচ সফল জীৱনৰ বাবে প্ৰস্তুতি চলাবলৈ অত্যাধিক প্ৰতিযোগিতাৰ সন্মুখীন হ'ব লগীয়া হয়। পঢ়াৰ বিষয়বস্তুত পূৰ্বতকৈ অধিক আৰু কঠিন হৈ আহিছে। দুৰদৰ্শন, computer, mobile phone আদিৰ প্ৰভাৱত তেওঁলোকে পঢ়াত মনঃ সংযোগ কৰিব নোৱাৰে। এনে পৰিস্থিতিত তেওঁলোকে যদি অষ্টাংগ যোগ অনুশীলন কৰে অধ্যয়নত অধিক মনোনিবেশ কৰিব পাৰিব আৰু সুফলাফল দেখুৱাবলৈ সক্ষম হ'ব। পৰমাত্মাৰ লগত মিলনৰ প্ৰকৃত অৰ্থ হৈছে অন্তৰৰ দ্বাৰা জ্ঞান উপলব্ধি কৰা। আইনষ্টাইন, নিউটন আদি মহান বৈজ্ঞানিক সকলে একান্ত মনঃ সংযোগৰ দ্বাৰাহে নতুন নতুন বৈজ্ঞানিক সত্যসমূহৰ সন্ধান পাইছিল। সমাধি স্তৰৰ অনুশীলন, যত নিজকে পাহৰি কেৱল জ্ঞানক উপলব্ধি কৰিব পাৰি, তেনে অৱস্থাতহে নতুন জ্ঞান জন্ম হ'ব পাৰে।



যোগ অনুশীলনে পঢ়া কাৰ্য্যত মনোযোগ দিয়াৰ উপৰিও শাৰীৰিক উন্নতিও সাধন কৰে। প্ৰাণায়াম, নিয়ম, আসন আদিৰ অনুশীলনে শৰীৰৰ জড়তা দূৰ কৰে। সুস্থ আৰু সতেজ মন সৃষ্টি কৰে। এনে মনতহে ধ্যান দিয়াটো সম্ভৱ। ৰোগ বিহীন জীৱনহে প্ৰকৃত সুখৰ চাবিকাঠি। এয়াও সম্ভৱ কৰি তোলে যোগসাধনাই।

আমাৰ ছাত্ৰ-ছাত্ৰীসকলে যোগ দৰ্শনৰ অন্তগত অষ্টাংগ যোগৰ অনুশীলন কৰিলে সুফল পাব। অৱশ্যে এনে অনুশীলন দক্ষ যোগগুৰু অৰ্থাৎ প্ৰশিক্ষকৰ ওচৰত শিকি লোৱাটো প্ৰয়োজন। কিছুদিনৰ পৰা বাবা ৰামদেৱে যোগৰ বৈজ্ঞানিক প্ৰচাৰ চলোৱাৰ পৰা দেশে-বিদেশে এই অনুশীলন সমূহ সমাদৃত হৈছে। যোগ দৰ্শন, যোগৰ অনুশীলনৰ বিষয়ে কিছুমান কিতাপো ওলাইছে। এই সমূহ পঢ়িলেও প্ৰশিক্ষকৰ অভাব হ'লে ছাত্ৰ-ছাত্ৰীসকলে সহজ অনুশীলন সমূহ কৰিব পাৰিব যাৰ দ্বাৰা ভাল ফলাফল দেখুৱাবলৈ যি মনঃ সংযোগৰ প্ৰয়োজন। সেয়া আয়ত্ব কৰিব পাৰিব।ঃঃঃ

# 'ৰাংপতা'

## বেনুধৰ শৰ্ম্মাৰ এক অনুপম সৃষ্টি

**শান্ত্বনা দুৱৰা সন্দিকৈ**
সহঃ অধ্যাপিকা, অসমীয়া বিভাগ

'জোনাকী' কাকতৰ যোগেদি অসমীয়া ভাষা-সাহিত্যক শক্তিশালী কৰি তোলা লেখকসকলৰ ভিতৰত বেণুধৰ শৰ্ম্মা অন্যতম। বিশেষকৈ বুৰঞ্জীবিদ ৰূপে খ্যাত বেণুধৰ শৰ্ম্মাই অসমীয়া শিশু সাহিত্যৰ ক্ষেত্ৰখনো জীপাল কৰি গৈছে। শৰ্ম্মাই শিৱসাগৰৰ হাইস্কুলৰ থাৰ্ড ক্লাচ তথা অষ্টম মান শ্ৰেণীত পঢ়ি থাকোতেই ইংৰাজী সাহিত্যৰ বিখ্যাত পুথি ৰবিনচন ক্ৰুচ'ৰ এছোৱা অসমীয়াত লিখি ৰাখিছিল। পৰৱৰ্তী কালত কলিকতাত পঢ়িবলৈ যাওঁতে গোৱালপাৰাৰ গিৰীন্দ্ৰ নাথৰ সৈতে লগ লাগি অসমীয়ালৈ অনুবাদ কৰে। বিশেষকৈ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগীকৈ ভাঙনি কৰা এইখনেই শৰ্ম্মাৰ প্ৰথম ছপা পুথি। ৰবিঞ্ছন ক্ৰুচ'ৰ অনুবাদেৰে শৰ্ম্মাই অসমীয়া শিশু সাহিত্যৰ ক্ষেত্ৰখনলৈ প্ৰৱেশ কৰিলে। ইয়াৰ উপৰিও হেমচন্দ্ৰ গোস্বামীৰ সম্পাদিত 'অকন' আৰু মহাদেৱ শৰ্ম্মাৰ দুই-এখন পুথিৰ বাহিৰে অসমীয়াত শিশু সাহিত্য নথকা সময়ছোৱাতে শৰ্ম্মাই (১৯৫৫ চনত) 'অসমীয়া বঙ্গযাত্ৰাৰ অমঙ্গলীয়া কাহিনী'ৰ অনুবাদ 'বাঁহী' আলোচনীত প্ৰকাশ কৰে। শৰ্ম্মাই আন আন শিশু সাহিত্যৰাজিৰ ভিতৰত ৰাংপতা (১৯৪৩), লাতুমণি (১৯৫৯), মৰমৰ কাৰেং (১৯৫৯), জৱাহৰলাল নেহেৰুৰ আত্মজীৱনী (১৯৩৫), সীমান্ত কেশৰী আব্দুল গফুৰ খাঁ (১৯৪৫), গঙ্গাগোবিন্দ ফুকন (১৯৪৮), গোবিন্দ বেজবৰুৱা আদি উল্লেখযোগ্য।

আজিৰ শিশু ভৱিষ্যতে দেশৰ, জাতিৰ কৰ্ণধাৰ। গতিকে শিশু অৱস্থাৰ পৰাই সিহঁতক সুস্থ ভাৱে গঢ়ি তুলিবলৈ চেষ্টা কৰিব লাগিব। শিশু মন স্বাভাৱিকতে চঞ্চল প্ৰকৃতিৰ। সেয়েহে কোনো এটা কামতে বা বস্তুতে এটি শিশুৱে কেতিয়াও বহু সময় মনোযোগ দিব নোৱাৰে। এনে কাৰণতে সাহিত্যিক সকলে শিশুৰ বয়স অনুসৰি বুদ্ধি-বৃত্তি বিকাশৰ বাবে তথা চিন্তাৰ খোৰাক যোগাব পৰা সাহিত্য সৃষ্টিত হাত দিছিল। শৰ্ম্মায়ো শিশু মনৰ সংগতিবিহীন কল্পনা আৰু অপৰিপক্ক বিচিত্ৰ বিস্ময়ানুভূতিৰ লগত সঙ্গতি ৰাখি মানুহৰ মুখে মুখে প্ৰচলিত কিছুমান সাধুকথা আৰু বুৰঞ্জী প্ৰসিদ্ধ অসমৰ বীৰ-বীৰাঙ্গনা সকলৰ কাহিনীক লৈ অনুপম শিশু সাহিত্য ৰচনা কৰিছিল।

শৰ্ম্মাৰ শিশু সাহিত্যৰাজিৰ ভিতৰত 'ৰাংপতা' বিশেষভাৱে উল্লেখযোগ্য। কথাৰ ছলেৰে শিশুক নীতি-শিক্ষা দিয়াৰ উদ্দেশ্য এই পুথিখন ৰচনা কৰিছিল। ৰাংপতাৰ পাতনিত লেখকে নিজেই সেই কথা স্বীকাৰ কৰিছে এনেদৰে- :

"জন্মভূমিক কেউফালে নদন-বদন কৰি পৃথিৱী পূজিতা কৰিবলৈ হ'লে তেওঁৰ সন্তানসকলক অন্তৰখন চেমনীয়া কালতে চহাই মাতৃভূমিলৈ ওপজা মৰমৰ কঠীয়া সিঁচিব লাগিব। তেহে কালত, সি গুটি লখিমীত পৰিণত হ'বগৈ। মাজ বতৰত লোকে ঠেলি-হেঁচি গুজি যোৱা কঠীয়াৰ পৰাৰ মাতৃভূমি ভাল পোৱাৰ যি গজালি ওলায়, সি হয় ঠিৰিহা লাগে নহয়, আদ বতৰতে মৰি থাকে। গতিকেই, আমি দঁতাল হাতীৰ পূৰ দিও, বতৰৰ সুৰত, দেশ সেৱাৰ ফলস্বৰূপে মেত মৰা লখিমী ভড়াল বান্ধিবলৈ নোৱাৰোহঁক। চেমনীয়া, ল'ৰা-ছোৱালীক মাতৃভূমিক ভাল পাবলৈ শিকোৱাটোৱেই 'ৰাংপতা'ত দিয়া আখ্যান কেইটাৰ প্ৰধান উদ্দেশ্য।

'ৰাংপতা'ত মুঠ দহটা গল্প সন্নিবিষ্ট কৰিছে। সেইকেইটা হ'ল আলহী কেইবিধ, লাচিত বৰফুকন, ফুলমতী কুঁৱৰী (১), ফুলমতী কুঁৱৰী (২), সিও এক ইও এক, জয়মতী কুঁৱৰী, সাগৰ দুষ্ট মণিৰাম দেৱান, বাঁহী মাতৰ গছ, ভেকো ককা মোকো নিয়া আৰু মণিছালৰ বেহা।

ইয়াৰে আলহী কেইবিধ, বাঁহী মাতৰ গছ, ভেকো

ককা মোকো নিয়া, মণিছালৰ বেহা আদি কোমলমতীয়া শিশুহঁতৰ মনত খোৰাক যোগাব পৰা একোটাহঁত আমোদজনক সাধুকথা। এই সাধুবোৰ সৰ্ব সাধাৰণৰ মাজৰ পৰা বুটলি আনি শৰ্ম্মাই ইমান সহজ সৰল ঘৰুৱা যে বহু সময়ত পাঠকৰ মনত এনে ভাৱ হ'ব যেন শৰ্ম্মাই চোতালত বা জুহালত বহি মইনাহঁতৰ আগত সাধুবোৰ কৈ আছে। উদাহৰণস্বৰূপে 'আলহি কেইবিধ' শীৰ্ষক সাধুটিৰ পৰা এটি উদ্ধৃতি তলত উল্লেখ কৰা হ'ল-

ককা ঃ বাৰু তইঁত ভাল ল'ৰা।

আমি ঃ পিছে এতিয়া কওক, আপুনি নো ওফোৰাজেং বুলি কেলেই কৈছিল?

ককা ঃ তইঁতৰ পৰা উপাই নাই। বাৰু শুন। এনেতে এটাই মাত লগালে, "তাৰ পিছত এটা সাধুও দেই ককা।"

ককা ঃ তইঁতে দেখিছো শুকান জেওৰাৰো ৰস উলিয়াবিহঁক, শুন, ওফোৰা জেং কেলেই বুলিলো।" (পৃঃ ৪)

এনেধৰণৰ ঘৰুৱা কথোপকথনমূলক প্ৰকাশভঙ্গীয়ে সাধুটো শিশুহঁতৰ বাবে আকৰ্ষণীয় কৰি তোলাৰ লগতে সাধুবোৰৰ জৰিয়তে শিশুহঁতক কিছুমান নীতি-শিক্ষাও প্ৰদান কৰিছে।

ইয়াৰোপৰি শৰ্ম্মাই অসমৰ বুৰঞ্জীৰ পৰা কিছুমান উল্লেখযোগ্য চৰিত্ৰক সুন্দৰকৈ সাধুৰূপত উপস্থাপন কৰিছে। অসম বুৰঞ্জীত লাচিত বৰফুকন, ফুলমতী কুঁৱৰী, জয়মতী কুঁৱৰীৰ কথা নজনা বা নুশুনা লোক সম্ভৱত অসমৰ ক'তো পোৱা নাযাব। অথচ শৰ্ম্মাই তেনে কিছুমান চিৰপৰিচিত চৰিত্ৰ ইমান ৰসাল কৰি বৰ্ণনা কৰিছে যে বহুসময়ত সিবোৰ বুৰঞ্জীৰ পৰা যে বুটলি অনা সেই কথা মনলৈ নাহে। এনে মনোৰম তথা ৰসাল কাহিনীবোৰ আমাৰ ফুলকুমলীয়া শিশুহঁতৰ মনত অসমৰ বীৰ-বীৰঙ্গনাসকলৰ আদৰ্শৰ প্ৰতি মনত শ্ৰদ্ধাৰ মনোভাৱ জগাই তোলাৰ লগতে বুৰঞ্জী অধ্যয়নৰ প্ৰতি আকৰ্ষিত কৰিব বুলি ভাবিবৰ থল আছে।

'ফুলমতী কুঁৱৰী' (১) নামৰ সাধুটিত বৃত্তি পৰীক্ষা দিবলৈ ৰংপুৰলৈ যোৱা কণমানি নোমলৰ মাজেদি পাঠকে সমগ্ৰ ৰংপুৰ (বৰ্তমান শিৱসাগৰ) ছবিখন দেখিবলৈ পাব। নোমলে ৰংপুৰত আহোম স্বৰ্গদেউ সকলৰ কীৰ্তি চিহ্নসমূহ যেনে- দৌল-দেৱালয়, বৰপুখুৰী আদি দেখি তবধ মানিছে। তাৰ কণমানি মনটোত অজস্ৰ প্ৰশ্নই দোলা দি গৈছে। নোমল আৰু পিতাকৰ মাজৰ কথোপকথনৰ জৰিয়তে শৰ্মাই শিশু পাঠকসকলক ঐতিহাসিক ৰংপুৰৰ অজস্ৰ প্ৰশ্নই দোলা দি গৈছে। নোমল আৰু পিতাকৰ মাজৰ কথোপকথনৰ জৰিয়তে শৰ্মাই শিশু পাঠকসকলক ঐতিহাসিক ৰংপুৰৰ বিষয়ে জানিবলৈ বা চাবলৈ আকৰ্ষিত নকৰাকৈ নাথাকে। আকৌ 'সাগৰ দুষ্ট মণিৰাম দেৱান' নামৰ আখ্যানটিত অসমৰ বীৰ পুৰুষ মণিৰাম দেৱানৰ ল'ৰালি কালছোৱাৰ এক মনোৰম বৰ্ণনা দাঙি ধৰিছে। তেওঁ আনৰ তলতীয়া হ'বলৈ নিবিচাৰিছিল। "মই বুঢ়াগোহাঁই হওঁ বাৰু" বোলা কথাষাৰে তেওঁৰ স্বাধীনচিতীয়া মনৰ পৰিচয় দিয়ে।

'ৰাংপতা'ৰ সাধুবোৰ যিদৰে চিত্ৰময়, ঠিক তেনেদৰে ইয়াৰ ভাষাও তেনেই সহজ-সৰল আৰু পোনপটীয়া। আজীৱন অসমীয়া ভাষা সাহিত্য চৰ্চা কথা শৰ্মাই অসমীয়া ভাষাৰ বিশুদ্ধতা আৰু পৱিত্ৰতা ৰক্ষাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিছিল। সেয়েহে শৰ্মাৰ অন্যান্য ৰচনাৰাজিৰ লগতে শিশু সাহিত্যসমূহতো সহজ-সৰল গ্ৰাম্য কথন ভঙ্গীৰ ঠাঁচ এটা পৰিলক্ষিত হয় লগতে অসমীয়া ভাষাৰ চালিকা স্বৰূপ খণ্ডবাক্য, ফকৰা যোজনা, জতুৱা ঠাঁচ আদিৰ ব্যৱহাৰে ৰাংপতাৰ ভাষাক অনন্য মাত্ৰা প্ৰদান কৰিছে। এই প্ৰসঙ্গতে জ্ঞানদাভিৰাম বৰুৱাৰ এষাৰ মন্তব্য প্ৰণিধানযোগ্য—

'ইয়াৰ ভাষা সৰল, নিভাঁজ, নিখুঁত। 'খাছ', 'অশ্লি' অসমীয়া। আমি যেনেকৈ দিনৌ কথা-কওঁ সেই ভাষাই। ইয়াৰ বিশেষত্ব এই যে ইয়াত কোনো আন অসমীয়া কথা নাই।[৩]

মুঠৰ ওপৰত 'ৰাংপতা'ই অসমীয়া ভাষা সাহিত্যক চহকী কৰিছে। তদুপৰি কোমলমতীয়া শিশুহঁতক ধেমালিৰ ছলেৰে অজস্ৰ নীতি-শিক্ষা, বুৰঞ্জী শিক্ষা আৰু সাধাৰণ জ্ঞান প্ৰদান কৰাত শৰ্মা সাৰ্থক হৈছে।ঃঃ

পাদটীকা

১। যজ্ঞেশ্বৰ শৰ্ম্মা, বেণুধৰী ৰচনাৰ গুৰি কথা, মজিয়াৰ পৰা মেজলৈ, পৃষ্ঠা- ২

২। বেণুধৰ শৰ্ম্মা, ৰাংপতা, পাতনি পৃষ্ঠা- ১

৩। উপেন্দ্ৰ বৰকটকী, বেণুধৰ শৰ্ম্মা, অভিনন্দন গ্ৰন্থ, পৃষ্ঠা -১১৭।

# সৌম্য আৰু গৰিমাময় ব্যক্তিত্বৰ গৰাকী এটি পাৰ্চী পৰিয়াল

**সঙ্গীতা দাস বৰুৱা**
গ্ৰন্থাগাৰ সহায়িকা

একোজন মহান ব্যক্তি, এটি, পৰিয়াল, এটা জাতি নাইবা একোখন দেশৰ সবিশেষ দাঙি ধৰাটো বৰ কঠিন কাম। তেওঁলোকৰ গৰিমাময় ব্যক্তিত্ব, পূৰ্ণাঙ্গ জীৱন-কৃতি, ইমান ক্ষুদ্ৰ পৰিসৰত দাঙি ধৰাটো সম্ভৱ নহয়। পাৰস্পৰিক সহযোগিতাৰ মাজেদি, খোৱা-পিন্ধা, থকা-ফুৰাৰ, নিত্য ব্যৱহাৰ্য আহিলা-পাতিৰ যোগাৰ আৰু উৎপাদনৰ মাজেদি মানুহেই একোটা পৰম্পৰাৰ জন্ম দিয়ে। মানুহেই বুৰঞ্জী বা ইতিহাস ৰচনা কৰাত সমল যোগায়। পৃথিৱীত জন্ম হোৱাৰ পিছত বহুত মানুহেই নিজৰ চেষ্টা আৰু কষ্টৰ ফলত বিভিন্ন ক্ষেত্ৰত যেনে- সাহিত্য-সংস্কৃতি, খেল-ধেমালি, বেপাৰ বাণিজ্য আদিত পাৰদৰ্শিতা দেখুৱাই নিজৰ লগতে সেই দেশৰ নাম উজ্বলাই গৈছে। অন্যান্য ক্ষেত্ৰৰ দৰে ব্যৱসায় বাণিজ্য কৰি নাম উজ্বলোৱা মানুহো কম নহয়— তেওঁলোকৰ ভিতৰত টাটা-বিৰলা, বিল গেটছ, অভি গডৰেজ, উদয় কটাক, ৰাহুল বাজাজ, ছাগেই বিন-লেৰী পেজ (গুগল), আজিম প্ৰেমজী (উইপ্ৰ'), মাইকেল ডেল (ডেল প্ৰতিষ্ঠান) আদিৰ নাম উল্লেখযোগ্য। কিন্তু ইয়াত টাটাৰ দৰে এটা পাৰ্চী পৰিয়ালৰ বিষয়েহে ক'ব খোজা হৈছে।

পৃথিৱীৰ আন আন জাতিৰ দৰে পাৰ্চী জাতিৰ জাতীয় জীৱন গঢ় উঠিছে এচাম মুষ্টিমেয় বিখ্যাত ব্যক্তিৰ আৰু অখ্যাত-অনতিখ্যাত অগনন কৰ্ম্মীৰ অক্লান্ত চেষ্টাৰ ফলত, অতীজৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে (বিভিন্ন ক্ষেত্ৰত) নিজৰ জাতীয় জীৱন আৰু বিশ্ববাসীলৈ দি যোৱা বৰঙণি অতি উল্লেখনীয়। তেখেতসকল প্ৰত্যেক ক্ষেত্ৰতে অতি সচেতন বুলিব পাৰি। ভাৰতীয় উদ্যোগিক সাম্ৰাজ্যৰ সৰ্বেসৰ্বা "টাটা পৰিয়াল"ৰ বিশ্ব উদ্যোগ জগতত নিজৰ এক বিশিষ্ট স্থান আছে। তাৰে থুলমূল বিৱৰণ দাঙি ধৰা হৈছে।

জনা যায় যে- পাৰ্চী জাতি ডেৰশ বছৰৰো আগতে পূৰ্ব-প্ৰাৰ্চীয় (বৰ্তমান ইৰাণ)ত বসবাস কৰিছিল। তাৰ পৰা তেওঁলোকে লাহে লাহে পৃথিৱীৰ বিভিন্ন ঠাইত থাকিবলৈ লয়। এইদৰেই এওঁলোকৰ ভাৰতলৈও আগমণ ঘটে। বিশ্বৰ কিছু নিৰ্দিষ্ট ঠাইত বসবাস কৰিবলৈ লোৱাৰ বাবে তেওঁলোকৰ

সংখ্যা বহুত কম বুলিব পাৰি। এওঁলোকক অগ্নিপূজক বুলি জনা যায়। লগতে চন্দ্ৰ-সূৰ্য-বায়ু দেৱতাকো পূজা কৰে। পুৰণি দিনত পাৰ্চী সম্প্ৰদায়ৰ লোকসকলে ঘোঁৰা-চালনা, তৰোৱাল চলোৱা, ধনু-কাড় মৰা আৰু চৰিত্ৰ গঠনত বিশেষ গুৰুত্ব দিছিল। সময়ৰ লগে লগে কিছুমান ক্ষেত্ৰত সালসলনিৰ আৱশ্যক হৈ পৰিল। তথাপিও জাতিৰ শুদ্ধতা আৰু সুচৰিত্ৰ গঠনৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ এতিয়াও বৰ্ত্তি আছে। বদনামী আৰু অপৰাধীসকলক বাদ দি এওঁলোকে নিজৰ জাতিৰ অলপ ওচৰ/ দূৰ সম্বন্ধৰ মাজতে বিবাহ কাৰ্য সম্পন্ন কৰিছিল। অন্য জাতি বা সমাজৰ লগত বৈবাহিক সম্বন্ধ নেৰাখিছিল। ইয়াৰ দ্বাৰা যাতে পাৰ্চী জাতিৰ বিশুদ্ধতা, নীতি নিয়মখিনি তেওঁলোকৰ মাজত সদায় বৰ্ত্তাই ৰাখিব পাৰে তাৰ চেষ্টা কৰিছিল। মাজে মাজে তাৰতম্য ঘটিলেও এই নিয়ম এওঁলোকৰ মাজত এতিয়াও চলি আছে। ভাৰতীয় সমাজত টাটা পৰিয়ালে এক বিশিষ্ট স্থান দখল কৰি আহিছে। মানসিক ৰূপত এই পৰিয়ালটো সুদৃঢ় আৰু গৰিমাময় ব্যক্তিত্বৰ অধিকাৰী। অকল উদ্যোগ জগততে নহয়, সম-সাময়িক গতি বিধিত এওঁলোকে মহত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। দেশৰ আৰ্থিক বিকাশত মহত্বপূৰ্ণ যোগদান কৰাৰ লগতে ৰাষ্ট্ৰীয় আৰু সামাজিক প্ৰতিবন্ধতাখিনি আঁতৰোৱাৰ চেষ্টাও তেওঁলোকে নিষ্ঠাৰে কৰি আহিছে। অকল ৰাজনৈতিক আৰু আৰ্থিক লাভৰ প্ৰতি চিন্তা নকৰি, পৰিশ্ৰম আৰু সময়ৰ সৈতে খোজ মিলাই কাম কৰাতহে তেওঁলোকে ধ্যান দিছিল। ই এওঁলোকৰ চাৰিত্ৰিক বৈশিষ্ট্যতা বুলিব পাৰি। টাটা গ্ৰুপে আজি যি পৰ্যায়ত থিয় দিছেহি তাক আৰম্ভণিৰ পৰাই জানো আহক।

১। **ন'সৰৱাঞ্জী টাটা** (Nusserwanji R. Tata) ঃ- গুজৰাটৰ দক্ষিণফালে এখন সৰু নগৰ নৱসাৰী (Navsari)। পূৰ্বপ্ৰাচীয় (বৰ্তমান ইৰান)ৰ পৰা টাটা গ্ৰুপৰ পূৰ্বৰ বংশধৰসকল ইয়াতে থিতাপি লৈছিলহি। কিছুদিনলৈকে এই ঠাই প্ৰাচীয় সকলৰ অন্তৰ্গত আছিল পিছত মুছলমান আক্ৰমণকাৰীয়ে ইয়াক নিজৰ দখললৈ নিয়ে। দেশৰ স্বাধীনতাৰ সময়ত অৰ্থাৎ ১৯৪৭ চনত এই ঠাই দেশীয় ৰাজ্য বৰোডাৰ অন্তৰ্গত আছিল। টাটা গ্ৰুপৰ প্ৰতিষ্ঠাপক জামছেদজী ন'সৰৱাঞ্জী টাটাৰ পিতৃ ন'সৰৱাঞ্জী টাটাৰ জন্ম এই নৱসাৰীতে হৈছিল। তেখেতৰ পত্নীৰ নাম আছিল জীৱন বাই টাটা (Jeevanbai Tata) আৰু তেওঁলোকৰ পাঁচোটা সন্তান আছিল- Jamsedji N. Tata, Ratanbhai Tata, Manecbai Tata, Virbaiji Tata আৰু Jerbai Tata। ন'সৰৱাঞ্জী টাটাই পাৰ্চী পৰিয়াল বিলাকৰ মাজত পুৰোহিতৰ কাৰ্য সম্পন্ন কৰিছিল আৰু বহু আগৰপৰাই পুৰোহিতৰ কাৰ্যৰ পৰম্পৰা লৈ আহিছিল। ন'সৰৱাঞ্জী টাটাই একমাত্ৰ প্ৰথম পুৰুষ যি সৰ্বপ্ৰথম লৈ অহা পৰম্পৰা তথা সংস্কাৰৰ মাজত সোমাই নাথাকি আগবাঢ়ি যাবৰ বাবে নতুন চিন্তা-চৰ্চা কৰে। ফলত ব্যৱসায়ক নিজৰ কৰ্ম্ম ক্ষেত্ৰত তথা জীৱিকাৰ উপায় হিচাপে গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈ বম্বেলৈ গুচি আহে আৰু বেপাৰ বাণিজ্য তথা বেকিং কাৰ্যত নিজৰ কাম আৰম্ভ কৰে। "নৱসাৰী"- য'ত এখেতৰ জন্ম স্থান, আজি তাত এক স্মাৰক ৰূপত সংৰক্ষিত হৈ আছে।

২। **জামছেদজী ন'সৰৱাঞ্জী টাটা** (Jamsedji Nusserwanji Tata) ঃ- যুগ দ্ৰষ্টা, ভাৰতীয় উদ্যোগ জগতৰ অগ্ৰগণীয় পুৰুষ জামছেদজীৰ জন্ম ১৮৩৯ চনৰ ৩ মাৰ্চত নৱসাৰীতেই হয়। তেখেতক "উদ্যোগ জগতৰ জনক" বুলি কোৱা হয়। ১৪ বছৰ বয়সতেই তেখেতে পিতৃয়ে আৰম্ভ কৰা ব্যৱসায়ত পৰ্দ্দাপন কৰে। পাৰ্চী পৰম্পৰা অনুসৰি ১৬ বছৰ বয়সত তেখেতে ১০ বছৰীয়া হীৰাবাইক (Hirabai Daboo)ক বিয়া কৰায়। তেখেতৰ তিনিজন পুত্ৰ আছিল- Sir Dorabji Tata, Shunbai Tata আৰু Sir Ratan Tata। তেখেতে এলফিংষ্টন কলেজত শিক্ষা গ্ৰহণ কৰি "Green Scholar" হৈ (স্নাতক পৰ্যায়ৰ সমান) শিক্ষা জীৱন সমাপ্ত কৰে। কিতাপ আৰু সাহিত্যৰ প্ৰতি যথেষ্ট আগ্ৰহ আছিল তেখেতৰ। ১৮৫৯-১৮৬৩ চনলৈকে তেখেতে ব্যৱসায়ীক কাৰ্যৰ বাবে হংকংঙত থাকি লয়। তেখেতেই টাটা গ্ৰুপৰ জন্ম দিয়ে আৰু ১৮৮৭-১৯০৪ চনলৈকে তাৰ অধ্যক্ষ হৈ থাকে। ১৯৬৮ চনত তেখেতে (২৯ বছৰ বয়সত) ২১,০০০ টকাৰে এক ব্যৱসায় আৰম্ভ কৰে। জামছেদজী আৰু সতীৰ্থ কেইজনমানে মিলি বিদেশত সৈনিকৰ সাজ-পোছাক আৰু অন্য সামগ্ৰী যোগানৰ ঠিকা লাভ কৰে। ইয়াত লাভৰ মাত্ৰা বহুত আছিল যাৰ বাবে তেখেতে "Textile"ক্ষেত্ৰত নিজৰ কাম কৰিবলৈ প্ৰেৰণা লাভ কৰে। ১৮৬৯ চনত বম্বেত এক পুৰণা তেলৰ মিল কিনি লয়

আৰু ইয়াক বস্ত্ৰ নিৰ্ম্মাণ কাৰখানলৈ পৰিবৰ্ত্তন কৰে। ইয়াৰ নাম "আলেকজেণ্ডাৰ কটন মিল" ৰাখে। দুবছৰৰ পিছত এজন কাপোৰৰ ব্যৱসায়িক বিক্ৰী কৰি দিয়ে। ১৮৭২ চনত তেখেতে উদ্যোগৰ অধ্যয়ন, বিশেষকৈ লংকাছায়াৰ কাপোৰৰ ব্যৱসায়ৰ অধ্যয়ন আদিৰ বাবে ইংলেণ্ডলৈ যায়। সেই সময়ত বম্বেত বহুত কাপোৰৰ মিল আৰু ব্যৱসায়ীক সুবিধা আছিল যদিও জামছেদজীয়ে নাগপুৰতহে কাৰখানা স্থাপনৰ স্থান বাছনি কৰে কাৰণ নাগপুৰৰ সেই ঠাইত কপাহ উৎপাদন, ৰেলৰ সুবিধা, ইন্ধন আদিৰ বাবে সুচল আছিল। ১৮৭৪ চনত তেখেতে ১৫,০০,০০০ টকাৰে "The central India Spining- wiving and manufacturing company" আৰম্ভ কৰে। ১৯০৭ চনত কলিকতাৰ পৰা ১৫০ মাইল দূৰৰ পশ্চিমৰ ফালে "সাক্সি" নামে ঠাইত "Tata Iron & Steel Company" জামছেদজীয়ে স্থাপন কৰে যি আজিও দেশৰ ভিতৰতে এক প্ৰমুখ্য কোম্পানী হিচাপে পৰিগণিত হৈ আছে। ইয়াৰো আগতে অৰ্থাৎ ১৯০৩ চনত "Tajmohal Hotel, Bombay"ত উদঘাটন হয়, যি আজিও ভাৰতৰ ভিতৰতে সৰ্বোত্তম হোটেল হৈয়ে আছে। এই হোটেল নিৰ্ম্মাণৰ উদ্দেশ্য হৈছে- ভাৰতলৈ, বম্বেলৈ যাত্ৰী তথা পৰ্যটকৰ আকৰ্ষণ বৃদ্ধি কৰা, এই হোটেলত সেই সময়ত ইউৰোপীয় মানদণ্ডৰ সকলো সা-সুবিধা উপলব্ধ কৰিবলৈ বহুত টকা-পইচা খৰচ কৰি নিজে ইয়াৰ লাগতীয়াল সা-সৰঞ্জাম কিনি আনিছিল। ইয়াত Soda & Ice Factory, washing and polishing Machine, Laundry, Elevator তথা Electric Generator সহিতে সকলো জৰুৰী সুবিধা তেতিয়াৰ দিনতে উপলব্ধ কৰা হৈছিল। জামছেদজীৰ ভিতৰত পৰোপকাৰৰ সংস্কাৰ যেন শিৰে শিৰে বৈ আছিল। সেইবাবে ১৮৯২ চনত "J.N. Tata Trust" স্থাপন কৰে। তেখেতে উচ্চ শিক্ষা লবলৈ সুবিধা হ'বৰ বাবে এক ফাউণ্ডেছন স্থাপন কৰে আৰু ইয়াৰ অন্তৰ্গত যোগ্য ছাত্ৰ-ছাত্ৰীক বিদেশত উচ্চ শিক্ষা লবলৈ সুবিধা কৰি দিয়ে। এই যোজনাৰ বাবে তেতিয়াৰ দিনতে ভাৰতে বহুত "Engineer, Surgeon, Physician, Barriester তথা ICS অধিকাৰী লাভ কৰিবলৈ সক্ষম হয়। ১৮৯৮ চনত তেখেতে নিজৰ চৌহদ ভৰনতে বহুত টকা খৰচ কৰি "Post Graduate Institute for scientific Research" স্থাপনৰ চেষ্টা কৰিছিল। কিন্তু তেখেতৰ মৃত্যুৰ পিছতহে তেখেতৰ পুত্ৰই ১৯১১ চনত এই Institute, Bangaloreত স্থাপন কৰে। যিটো Tata Group, ভাৰত চৰকাৰ আৰু Mysore চৰকাৰৰ co-operation তহে সম্ভৱ হৈছিল, প্ৰথমে ইয়াত তিনিটা ডাঙৰ বিভাগ যেনে- General & Applied Chemistry, Electro-Technology, Chemistry & organic chemistry আছিল কিন্তু পিছত অন্য বিভাগো ইয়াত অন্তৰ্ভূক্ত কৰা হয়। Tata Steel, Jamsedpurৰ নিচিনাকৈ Indian Institute, Bangalore ও এক এনেকুৱা কেন্দ্ৰৰূপে কাৰ্য কৰে যি পিছত অন্য শাখা যেনে- Central Food & Technology Research Institute, Mysore, National Aeronautical Laboratory, Bangalore আদিৰ প্ৰস্ফুটন হয়। লগতে অন্য অনুষ্ঠান স্থাপন আৰু বিকাশৰ বাবেও চেষ্টা কৰে। তেখেত দূৰদৃষ্টি, অন্তঃজ্ঞান তথা নবীন উপায় তথা কল্পনাক সাকাৰ ৰূপ দিয়াৰ বাবে সদায় স্মৰণীয় হৈ থাকিব। তেখেত উদ্যোগক কেৱল নিজৰ ব্যৱসায় বিকশিত কৰিবৰ বাবেই নহয়, দেশবাসীৰ জীৱন সু-ধাৰণৰ বাবেও কৰিছিল। তেখেতেই প্ৰথম ব্যক্তি যি বাগী-গাড়ীত ৰবৰ টায়াৰ লগাইছিল। বম্বেত প্ৰথম Auto Mobile চালক আছিল। দান বৰঙণিও তেখেতে উদাৰ মনেৰে দিছিল। শ্ৰম আৰু শ্ৰমিকৰ সুবিধাৰ বাবে তেখেতে নতুন ব্যৱস্থা তথা নিয়ম কৰিছিল যিটো হয়তু সেই সময়ৰ অন্য মানুহৰ মনলৈ অহা নাছিল। উদ্যোগীকৰণত তেখেতে আগবঢ়োৱা সেৱাৰ বাবে কৃতজ্ঞতা জনাই ১৯৬৫ চনৰ ৭ জানুৱাৰীত ভাৰতীয় ডাক বিভাগে তেখেতৰ প্ৰতি শ্ৰদ্ধা জনাই এক ডাক- টিকট প্ৰচলন কৰিছিল।

৩। **ছাৰ দৌৰাবজী টাটা** (Sir Dorabji Tata) ঃ- জামছেদজীৰ মৃত্যুৰ পিছত তেখেতৰ বৰপুত্ৰ ছাৰ দৌৰাবজী টাটাই তেখেতৰ ব্যৱসায় চম্ভালে আৰু ইয়াক উচ্চ স্থানলৈ নিবলৈ সক্ষম হয়। তেখেতৰ জন্ম ১৮৫৯ চনত হয় আৰু বম্বেৰ পৰাই শিক্ষা-দীক্ষা আৰম্ভ হয়। তেখেতে "Tata Steel"ৰ আধুনিকীকৰণ কৰে, লগতে "Tata Power" ও স্থাপন কৰে। এই দুয়োটা উদ্যোগেই এতিয়া "Tata Group" ৰ অভিন্ন অঙ্গ হৈ আছে। দৌৰাবজীৰ নেতৃত্বত টাটা গ্ৰুপৰ অনুপম বিস্তাৰ হয়। J.R.D. Tataৰ জীৱনকাল মাত্ৰ তিনিটা কাপোৰৰ

কাৰখানা তথা তাজ হোটেলতে বৈ যোৱা ব্যৱসায় দৌৰাবজীয়ে কম সময়ৰ ভিতৰতে বিভিন্ন ক্ষেত্ৰলৈ বিস্তাৰ কৰে। তেখেতে সকলোতকৈ ডাঙৰ ইস্পাত কোম্পানী- Integrated Steel Plan, Teen, Hydro-Electric Power Company, খোৱা তেল তথা চাবোন কাৰখানা, দুটা চিমেণ্ট কাৰখানা আদিক নিজৰ ব্যৱসায়ত অন্তৰ্ভুক্ত কৰে। তেখেতৰ কাৰ্যকালত Bangaloreত "Indian Institute of Science" স্থাপন হয়। ১৯১০ চনত ইংলেণ্ডৰ ৰজাই দৌৰাবজীক (Knight hood) "Sir" উপাধিৰে বিভূষিত কৰে। কেমব্ৰিজৰ গোৱেন এণ্ড কেঅ'ছ কলেজত অধ্যয়নৰত হৈ থাকোতে তেখেতৰ খেলৰ প্ৰতি আগ্ৰহ ওপজে। তেখেতে তাত ক্ৰিকেট আৰু ফুটবল খেলি বহু পুৰস্কাৰো লাভ কৰে। ভাৰতত খেলৰ প্ৰতি আগ্ৰহ বঢ়োৱা আৰু ইয়াৰ স্তৰ উন্নত কৰাৰ বাবে তেখেতে "Olympic Movement" আৰম্ভ কৰে। ১৯২৪ চনত "Indian Olympic Association"ৰ অধ্যক্ষ হৈ থাকোতে তেখেতে "Parish Olymic"ত ভাগ লোৱা ভাৰতীয় খেলুৱৈৰ সমস্ত খৰচৰ ভাৰ বহন কৰে। তেখেত আন্তঃৰাষ্ট্ৰীয় অলিম্পিকৰো সদস্য আছিল। ১৮৭৯ চনত তেখেত ভাৰতলৈ আহি বম্বেৰ চেণ্ট জেভিয়াৰ কলেজত শিক্ষা লয় আৰু পিছত "Bombay Gazette"ত পত্ৰকাৰ ৰূপত কাম আৰম্ভ কৰে। পিছলৈ পিতৃৰ ব্যৱসায়ৰ প্ৰতি আকৃষ্ট হৈ টাটা গ্ৰুপত পদাৰ্পন কৰে। দৌৰাবজীৰ মাজত পাৰ্চী সম্প্ৰদায়ৰ অগ্ৰনীয় ব্যক্তিত্ব, নেতৃত্ব আৰু উদ্দেশ্যপূৰ্ণ কৰাৰ সকলো গুণেই আছিল। তেখেতৰ পত্নীৰ নাম আছিল লেডী মেহেৰবাই।

৪। **লেডী মেহেৰবাই** (Lady Meherbai) ঃ- ১৮৯৭ চনত ৩৮ বছৰ বয়সত ছাৰ দৌৰাবজীৰ ডাঃ এচ.জে. ভাৱাৰ জীয়ৰী মেহেৰবাইৰ (১৮ বছৰ) সৈতে বিবাহ সম্পন্ন হয়। মেহেৰবায়ে ভাৰতীয় মহিলা আন্দোলনত অন্য এক স্থান দখল কৰিছিল। তেখেত "Bombay presidency women's council" তথা পিছলৈ "National council of women"ৰ সংস্থাপক সদস্যা আছিল। তেখেতে ভাৰতীয় মহিলাক উচ্চ শিক্ষা দিয়া, পৰ্দা প্ৰথা উঠোৱা, সমাজৰ পৰা অস্পৃশ্যতা দূৰ কৰিবলৈ আন্দোলন কৰিছিল। এইক্ষেত্ৰত মেহেৰবায়ে দৌৰাবজীৰ পৰা পূৰ্ণ সমৰ্থন লাভ কৰিছিল, বাৰ্টল ক্লিফ কলেজ, আমেৰিকাত ভাৰত তথা ভাৰতীয় জীৱন আৰু সমাজৰ প্ৰত্যেক ক্ষেত্ৰ সামৰি সি সাৰগৰ্ভ ভাষণ দিলে সেইয়া সদায় প্ৰেৰণাদায়ক হৈ থাকিব। খেল-ধেমালিৰ প্ৰতি মেহেৰবাইৰো আগ্ৰহ আছিল। তেখেত "টেনিছৰ" ভাল খেলুৱৈ আছিল আৰু বহুতো পুৰস্কাৰ লাভ কৰিছিল। দৌৰাবজী আৰু মেহেৰবায়ে মিলি "All India Tennis Championship"ত ভাগলৈ সফলতা লাভ কৰিছিল। লেডী মেহেৰবাই "ভাৰতীয় ৰেডক্ৰছ চছাইটি"ৰো সদস্যা আছিল। যুদ্ধৰ সময়ত চান্দা আদি তুলি সহায়ো কৰিছিল। তেখেতৰ যুদ্ধক্ষেত্ৰত যোগদান সহায় আদিত মান্যতা দিয়াৰ বাবে "ৰজা জৰ্জ পশ্চমে" নিজেই তেখেতক সন্মানিত কৰিছিল। ১৯৩১ চনৰ ১৮ জুনত "লিউকোমিয়া" ৰোগত আক্ৰান্ত হৈ তেখেতৰ মৃত্যু হয়। দৌৰাবজীয়ে তেখেতৰ মৃত্যুৰ পিছত "Lady Tata Memorial Trust" স্থাপন কৰে। এই Trustৰ গঠন ৰক্ত সম্বন্ধীয় বিভিন্ন বেমাৰৰ অধ্যয়নৰ বাবে কৰা হৈছিল। ১৯৩২ চনত তেখেতে "ট্ৰাষ্ট ফাউণ্ড" গঠন কৰে যাতে ইয়াৰ দ্বাৰা অনুসন্ধান ক্ষেত্ৰত কাম কৰিবলৈ, জৰুৰীকালীন সাহাৰ্য তথা অন্য মানৱীয় উদ্দেশ্য সাধন কৰিব পাৰি। এই ফাউণ্ডৰ নাম "Sir Dorabji Trust" ৰখা হৈছিল। দৌৰাবজীয়ে শিক্ষাৰ ক্ষেত্ৰতো বহুত সহায় কৰিছিল। কেমব্ৰিজ ইউনিভাৰ্ছিটিৰ এক Laboratory Equipmentৰ বাবে যথেষ্ট আৰ্থিকভাৱে সহায় কৰিছিল। লগতে পুনেৰ "Bhanderkar Oriental Research Institute"ৰ সংস্কৃত অধ্যয়নৰ বাবে আৰ্থিক সাহাৰ্য দিছিল। ১৯৩২ চনৰ ৩ জুনত তেখেতৰ মৃত্যু হয়। ইংলেণ্ডৰ "Brook Wood Cemetry"ত থকা পত্নীৰ কাষতে তেখেতৰ সমাধি দিয়া হয়।

৫। **ৰতন দাদাভাই টাটা বা আৰ.ডি** (Ratan Dadabhai Tata) ঃ- R.D.ৰ নামেৰে প্ৰসিদ্ধ ৰতন দাদা ভাই টাটাৰ জন্ম ১৮৫৬ চনত নৱসাৰীতে হৈছিল আৰু তাতে প্ৰাথমিক শিক্ষা সমাপ্ত কৰিছিল। পিছত এলফিংষ্টন কলেজত উচ্চ শিক্ষা লাভ কৰি মাদ্ৰাজত কৃষি বিজ্ঞানত অধ্যয়ন কৰে। তেখেতৰ পিতৃৰ নাম আছিল Dadabhai Tata আৰু মাতৃৰ নাম আছিল Bhikhibhai, এই Dadabhai Tataই আছিল ন'সৰৱাঞ্জী টাটাৰ পত্নী জীৱনবাই টাটাৰ ককায়েক। শিক্ষা-দীক্ষা শেষ কৰি R.D.য়ে দেউতাকৰ মৃত্যুৰ পিছত "Tata & Co." কাৰ্যত

যোগদান কৰে। তেতিয়া কোম্পানীৰ অৱস্থা ভাল নাছিল আৰু ব্যৱসায় বেয়াৰ ফালেহে গতি কৰিছিল। শেষত কোম্পানীৰ কাৰ্যৰ হেতু তেখেতক হংকঙলৈ পঠোৱা হয়। ১৮৮৩ চনত তেখেতে বহুত কষ্ট কৰি বিত্তীয় যোগ্যতা প্ৰদৰ্শন কৰি "Tata & Co."ক বহুত সমস্যাৰ পৰা ৰক্ষা কৰে। জামছেদজীয়ে R.D.ৰ কাৰ্যত প্ৰভাৱিত হৈ ১৮৮৭ চনত নিজৰ নৱগঠিত "Tata & Sons" ৰ অংশীদাৰ ৰূপে অন্তৰ্ভূক্ত কৰি লয়। ১৯০৭ চনত জামছেদজীৰ মৃত্যুৰ পিছত ইয়াৰ তিনিজন অংশীদাৰ হয়। সেইয়া হ'ল— Sir Dorabji Tata, Sir Ratan Tata আৰু Ratan Dadabhai Tata. ন'সৰৱাঞ্জী টাটা আৰু জামছেদজীৰ দ্বাৰা স্থাপিত কোম্পানীৰ ব্যৱসায় বেলেগ বেলেগ আছিল। শেষত পূৰ্বৰ শাখাটো জামছেদজীয়ে তেখেতৰ খুৰাক সম্বন্ধীয় ল'ৰা R.D.ক গতাই দিয়ে। R.D. কিছু বছৰৰ বাবে হংকঙলৈ যায়। হংকং, ছাংহাই আদি ঠাইত চাউল আৰু ৰেচম (Silk) কাপোৰৰ ব্যৱসায় কৰে। ১৯০২ চনত তেখেতে পেৰিছ চহৰৰ "Suzane (Sooni) Briere"ক বিয়া কৰায়। মূখ্যালয় বম্বেত যদিও ব্যৱসায় তথা বিত্তীয় কাৰ্যৰ চোৱাচিতা কৰাই R.D.ৰ মুখ্য কাম আছিল। ইয়াত থাকি তেখেতে জামছেদজীৰ দ্বাৰা পৰিকল্পিত পৰিযোজনা- Steel & Ispat co, Hydro-Electronic company তথা Indian Institute of Scienceক পূৰ্ণতা প্ৰদান কৰা কাৰ্যত নিজে মূখ্য ভূমিকা লয়। ১৯১৮ চনত Sir Ratan Tataৰ মৃত্যুৰ পিছত R.D.য়ে কোম্পানীৰ মহত্বপূৰ্ণ বিভাগবোৰৰ কাৰ্যভাৰ চম্ভালিবলগীয়া হয় যেতিয়া প্ৰথম বিশ্বযুদ্ধৰ বাবে কোম্পানীয়ে সঙ্কটৰ মাজেদি পাৰ কৰিছিল, তেতিয়া সেই কঠিন সময়বোৰত কোম্পানীক দুৰ্যোগৰপৰা উদ্ধাৰ কৰিবলৈ R.D.ৰ কাৰ্য কুশলতা সকলোতকৈ পুষ্ট প্ৰমাণ আছিল। সেইয়া তেখেতৰ পৰিপক্ক অনুভৱ তথা অপ্ৰতীম-মাৰ্গ দৰ্শনৰ বাবেহে সম্ভৱ হৈছিল। তেখেতে কিছুদিন "Emperial Legislative Council"ৰো সদস্য আছিল। ১৮৯০ চনত তেখেতৰ জাপান যাত্ৰাত "ভাৰত-জাপান ব্যৱসায় সম্বন্ধ" বিকশিত হোৱাত বহুত সহায় হৈছিল। জাপানী সম্ৰাটে তেখেতৰ কাৰ্যত মান্যতা প্ৰদান কৰি "থাৰ্ড অৰ্ডাৰ অৱ ৰাইজিং ইয়েৰ" উপাধিৰে বিভূষিত কৰে। ১৯২৬ চনত ২৬ আগষ্টত তেখেতে এই সংসাৰৰ পৰা মহাপ্ৰয়ান কৰে।

৬। **ছাৰ ৰতন টাটা** (Sir Ratan Tata) ঃ- জামছেদজীৰ সৰুপুত্ৰ ছাৰ ৰতন টাটাৰ জন্ম হয় ১৮৭১ চনৰ ২০ জানুৱাৰীত। তেখেত ককায়েক দৌৰাবজীতকৈ ১২ বছৰ সৰু আছিল। চেন্ট জেভিয়াৰ কলেজ, বম্বেত তেখেতে শিক্ষা সম্পন্ন কৰে। ১৮৯২ চনত নৱাজবাইৰ (Navajbai Selt) লগত বিবাহ সম্পন্ন কৰে। বিবাহৰ পাছত পিতৃ-মাতৃ-পত্নী সহিতে "Explanide House"ত থাকিবলৈ লয়। পিতৃ জামছেদজীৰ মৃত্যুৰ পিছত তেখেতে "Marine Line"1 Bright Landৰ নিজা ঘৰত থাকিবলৈ লয়। ছাৰ ৰতন টাটাৰ কৰ্ম্মজীৱন ব্যস্ততাৰে ভৰা আছিল যদিও তেখেতৰ ফুৰা-চকাতহে বেছি আগ্ৰহ আছিল। তেখেতে জীৱনৰ অধিকাংশ সময় ইংলেণ্ডতে কটায়। ছাৰ ৰতন টাটাৰ শিৰে-শিৰে যেন সামাজিক চেতনা ভৰি আছিল। মহাত্মা গান্ধীৰ নেতৃত্বত যেতিয়া দক্ষিণ আফ্ৰিকাত ইংৰাজৰ অত্যাচাৰৰ বিৰুদ্ধে কৰা সংগ্ৰামৰ মহত্বৰ বিষয়ে ছাৰ ৰতন টাটাই গম পাই তেতিয়া তেওঁ কেৱল নৈতিক ভাৱেই নহয় আৰ্থিকভাৱেও সহায় কৰিছিল। এই সংগ্ৰামক নিজৰ যোগদানৰ ৰূপ হিচাপে তেখেতে গান্ধীজীলৈ পাঁচোটা কিস্তিত ১,২৫,০০০ টকা পঠিয়াইছিল। ইফালে স্বদেশত গোপালকৃষ্ণ গোখলে আৰু তেখেতৰ সহযোগীৰ "Sarbatrust of Indian Society"ৰ দ্বাৰা চলাই যোৱা উৎকৃষ্ট কাৰ্যবো তেখেতে পৰ্যাপ্ত সমৰ্থন আৰু সহযোগ দিয়ে। নিজৰ উদাৰ সহায়তা হিচাপে এই আন্দোলনৰ বাবেও তেখেতে সকলো মিলাই ১,১০,০০০ টকাৰ আৰ্থিক সাহাৰ্য আগবঢ়ায়। ভাৰতৰ দৰিদ্ৰ-দুৰ্দ্দশাগ্ৰস্ত মানুহৰ অৱস্থা দেখি ব্যাকুল হৈ পৰিছিল আৰু ইয়াৰ সংশোধনৰ বাবেও বহুত চেষ্টা কৰিছিল। পিতৃ জামছেদজীৰ মৃত্যুৰ পিছত তেখেতে ফ্ৰান্সত এক বীমা কোম্পানীৰ চাকৰিত যোগদান কৰে। য'ত Tata & Sons ভাৰতৰ এজেণ্ট আছিল। তেখেতে Tata & Co., য'ত কাপোৰ, ৰেচম, মণি মুকুটা, চাৰৈ আদি ব্যৱসায় আছিল সকলো চম্ভালিবলগা হয়। এইবোৰৰ পেৰিছ, ছাংহাই, নিউইয়ৰ্ক, ৰেংগুণ আদিত শাখা বিস্তাৰিত হৈ আছিল। ছাৰ ৰতন টাটাই "London School of Economics"1 "Social Science" অধ্যয়নৰ বাবে বিভাগটো খুলিবৰ বাবেও আৰ্থিক সাহাৰ্য আগবঢ়ায়। এই নতুন

বিভাগক ১৯১৯ চনৰ পৰা Ratan Tata Department of School Sciences" বুলি কোৱা হৈছিল। পিছত "London School of Economics"য়ে ইয়াৰ সম্পূৰ্ণ দায়িত্ব গ্ৰহণ কৰে আৰু ইয়াৰ নামৰো পৰিবৰ্ত্তন কৰে। ভাৰতৰ অতীতৰ প্ৰতি ৰতন টাটাৰ বহুত আগ্ৰহ আছিল। ১৯১২ চনত বিহাৰ তথা উৰিষ্যাৰ পুৰাতাত্বিক সংৰক্ষণ আৰু খননৰ বাবে আৰ্থিক সাহাৰ্য আগবঢ়োৱাৰ প্ৰস্তাৱ লয়। তদানুৰূপত পাতলিপুত্ৰ উদ্যান খনৰ বাবে Dr. A.B. Spunnerক দায়িত্ব দিয়া হয়। ১৯৩১-১৯৪৭ চনলৈকে এই কাৰ্যৰ বাবে ছাৰ ৰতন টাটাই ৭৫,০০০ হাজাৰ টকাৰ সাহাৰ্য আগবঢ়ায়। এই খনন কাৰ্যত পুৰণি মুদ্ৰা, মোহৰ, টেৰাকোটাকে ধৰি অন্যান্য বহুমূল্য সামগ্ৰী পোৱা যায়, যিবোৰ এতিয়া পাটনা মিউজিয়ামত সংৰক্ষিত হৈ আছে। ছাৰ ৰতন টাটা উদাৰমনৰ লোক আছিল, যিকোনো কামৰ বাবে মুক্তহস্তে দান-বৰঙণি দিব পাৰিছিল। প্ৰাকৃতিক দুৰ্যোগ যেনে- বানপানী, আকাল অথবা ভূমিকম্প আদিত সম্পূৰ্ণ সহায় কৰিছিল। ইয়াৰোপৰিও সাৰ্বজনীক স্মাৰক, স্কুল অথবা হস্পিতেল আদিৰ বাবেও যথেষ্ট আৰ্থিক সহায় প্ৰদান কৰিছিল। "George-V, Anti-Tuberculasis League"ত দহ বছৰৰ বাবে ১০,০০০ হাজাৰ টকাৰ প্ৰতি বছৰ আৰ্থিক সাহাৰ্য আগবঢ়াইছিল। এই সংস্থাৰ দ্বাৰা সঞ্চালিত সংস্থাই দুখীয়া কুষ্ঠৰোগীৰ চিকিৎসা-শুশ্ৰূষা আগবঢ়ায়। তেখেতৰ বিভিন্ন সেৱা কাৰ্যৰ বাবে ১৯১৬ চনত (Knight hood) "Sir" উপাধি লাভ কৰে। কলা-সংস্কৃতিৰ প্ৰতি তেখেতৰ বহুত আগ্ৰহ আছিল। নিজৰ দেশ-বিদেশৰ যাত্ৰাত বিভিন্ন ফটো, তৈলচিত্ৰ, বন্দুক, তৰোৱাল, ৰূপৰ পাত্ৰ, হস্তলিপি, ডাঙৰ দলিচা আদি সংগ্ৰহ কৰিছিল, যিবোৰ শিক্ষাৰ দিশৰ পৰা মহত্বপূৰ্ণ আছিল। পিছত সেইবোৰ "Prince of Welce Museum, Bombay"ত দি দিয়া হয়। ১৯১৮ চনত চেণ্ট এবছ, কৰ্ণবেল, লণ্ডনত তেখেতৰ মৃত্যু হয়। লণ্ডনৰ Brook Wood Cemetryত থকা দেউতাকৰ সমাধিৰ ওচৰতে তেখেতক সমাধি দিয়া হয়। তেখেত নিঃসন্তান আছিল। নিজৰ বহু সম্পত্তি তেখেতে নিজৰ ইচ্ছাপত্ৰত পৰোপকাৰ কাৰ্যৰ বাবে দান দি গৈছে।

৭। **লেডী নৱাজবাই** (Lady Navajbai Selt) ঃ- ছাৰ ৰতন টাটাৰ পত্নী লেডী নৱাজবাইৰ জন্ম ১৮৭৭ চনত হয়। ১৮৯০ চনত ছাৰ ৰতন টাটাৰ লগত বিবাহ সম্পন্ন হয়। তেখেত ঘোঁৰা চলোৱা আৰু প'ল' খেলত পাৰ্গত আছিল। লণ্ডনত জীৱনৰ এটা যুগ কটোৱাৰ বাবে সম্ভ্ৰান্ত পৰিয়ালৰ মাজত তাত এই দম্পত্তিহালৰ এক বেলেগ স্থান আছিল। ছাৰ ৰতন টাটাৰ দৰে লেডী নৱাজবাইৰো ফাইন আৰ্টৰ প্ৰতি মোহ আছিল। ৪১ বছৰ বয়সত তেখেত বিধৱা হৈছিল। তেখেতৰ ওপৰত ছাৰ ৰতন টাটা ইষ্টেটৰ দেশ ভাল কৰাৰ সম্পূৰ্ণ দায়িত্বভাৰ পৰিছিল। ১৯১৮ চনত ছাৰ ৰতন টাটাৰ অকাল মৃত্যুৰ পিছত লেডী নৱাজবাইক "Tata Sons"ৰ সঞ্চালক মণ্ডলত অন্তৰ্ভূক্ত কৰি লোৱা হয়। এই পদত তেখেতে নিজৰ মৃত্যু পৰ্যন্ত অধিষ্ঠিত হৈ আছিল। ১৯৬৫ চনৰ আগষ্ট মাহত তেখেতৰ মৃত্যু হয়। তেখেতেই একমাত্ৰ মহিলা সদস্যা যি Tata Sonsৰ সঞ্চালক পদত অধিষ্ঠিত হৈছিল। জামছেদপুৰত থকা "নেচনেল মেটালৰ্জিকেল ৰিচাৰ্চ ইনষ্টিটিউট"ত তেখেতে উদাৰতাপূৰ্বক দিয়া দান বিশাল হৃদয়ৰ পৰিচায়ক আছিল। ১৯২৮ চনত "Ratan Tata Institute" স্থাপনত প্ৰমূখ্য ভূমিকা প্ৰদৰ্শন কৰে। ইয়াৰ দ্বাৰা মানুহক নগদ ধনৰাশিৰে সহায় কৰাৰ সলনি দুখীয়া, জৰুৰীলোকক প্ৰশিক্ষণ আৰু ব্যক্তিগত সংস্থাপনৰ দ্বাৰা উপাৰ্জ্জনৰ পথ মুকলি কৰাতহে জোৰ দিছিল। Sir Ratan Tata Trustৰ অধ্যক্ষ হৈ থাকোতে তেখেতে "Parsi Samudai Ki Samashyayo ke Adhyayan" তথা তাৰ ওপৰত এক ৰিৰ্পোট প্ৰস্তুত কৰিবলৈ "কাৰ্ণেজ ট্ৰাষ্টৰ" এচ.জে.আই মাৰখমক আমন্ত্ৰিত কৰিছিল যাতে এই কাৰ্যৰ দ্বাৰা পাৰ্চী চেৰিটেজত নিজকে সংগঠিত কৰি ৰাখিব পাৰে তাৰ বাবে নিজৰ সমৰ্থন বজাই ৰাখিবলৈ চেষ্টা কৰিছিল। এই নিঃসন্তান দম্পত্তিহালে নিজৰ উত্তৰাধিকাৰী হিচাপে হৰমুখজী টাটাৰ পুত্ৰ Naval Harmukhji Tataক নিজৰ তোলনীয়া (Adopted) পুত্ৰ হিচাপে গ্ৰহণ কৰে। এই পুত্ৰই Tata Sonsৰ কাম-কাজ চন্তালিবলগা হয়।

৮। **নৱল হৰমুখজী টাটা** (Naval H. Tata) ঃ- নৱল হৰমুখজী টাটাৰ জন্ম ১৯০৪ চনৰ ৩০ আগষ্টত বম্বেত এক মধ্যবিত্ত পাৰ্চী পৰিয়ালত হয়। তেখেতৰ পিতৃ হৰমুখজী টাটাই আহমেদাবাদৰ এক মিলৰ "Spinin Master" আছিল। নৱলৰ ৪ বছৰ বয়সতেই পিতৃৰ মৃত্যু হোৱাত আৰ্থিক অভাৱৰ বাবে

মাকে নৱলসহ বাকী কেইটা ল'ৰাক "J.N. Petit Anathaloy"ত থৈ আহে য'ত দৌৰাবজীয়ে সহায় কৰে। তেতিয়া অনাথালয়ত প্ৰায় ৩০০ মান ল'ৰা-ছোৱালী আছিল আৰু সিহঁতৰ বাবে কাপোৰ, খাদ্য, চিকিৎসাৰ বাবে সীমিত ধনৰাশি খৰচ কৰা হৈছিল। পিছলৈ এই বালকেই টাটা সংস্থানত এক গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হয়। সেইয়া তেখেতৰ দৃঢ় নিশ্চয়তা আৰু ব্যক্তিগত গুণৰ সমন্বয় আছিল যিয়ে সফলতাৰ শিখৰত উঠিবলৈ সহায়ক হৈছিল। এটা সৰ্বজন বিদিত কথা হ'ল যে— জামছেদজীৰ বিবাহ হীৰাবাই দাব্বোৰ লগত হৈছিল। তেওঁলোকৰ তিনিজন পুত্ৰ- ছাৰ দৌৰাজী টাটা, ধুন ভাই টাটা আৰু ছাৰ ৰতন টাটা তেওঁলোকৰ কোনো উত্তৰাধিকাৰী নাছিল। তেওঁলোকৰ ভিতৰৰে ছাৰ ৰতন টাটাৰ পৰিবাৰ লেডী নৱাজ বাই শেঠে নৱল হৰমূখজী টাটাক তোলনীয় পুত্ৰ হিচাপে তুলি লয় তেতিয়া নৱলে অনাথালয়ত দিন কটাইছিল। যেতিয়া নবাজবায়ে তেখেতক লৈ আহিলে নৱল হৰমূখজীৰ ভাগ্য আকাশ মুকলি হৈ গ'ল। হঠাতে তেখেত দেশৰ এক প্ৰভাৰশালী পৰিয়ালৰ সদস্য হৈ গ'ল। কিন্তু তেখেতে অতীতক সদায় স্মৰণ কৰিছিল আৰু ভগৱানৰ প্ৰতি সদায় সদয়/কৃতজ্ঞ হৈ আছিল যে ভগৱানে তেখেতক কষ্টকৰ জীৱনৰ পৰা তুলি আনি নিজৰ ব্যক্তিত্ব বিকাশত সহায় কৰিলে। নৱল হৰমূখজী টাটাই বম্বে বিশ্ববিদ্যালয়ত অৰ্থশাস্ত্ৰৰ স্নাতক হৈ একাউণ্টেছীৰ এক লঘু পাঠ্যক্ৰমৰ বাবে ইংলেণ্ডলৈ যায়। তাৰ পৰা ঘূৰি আহি ১৯৩০ চনত "Dispence Block Assistant Secretary"হিচাপে টাটা গ্ৰুপত প্ৰৱেশ কৰে। অতি সোনকালে তেখেতে Assistant Secretary পদত অধিষ্ঠিত হয়। ১৯৩৩ চনত তেখেত বৈমানিক বিভাগৰ সচিব পদত অধিষ্ঠিত হয়। পিছত বস্ত্ৰ বিভাগৰ Executive হিচাপে স্থানান্তৰিত কৰা। হয়। তেখেতৰ যোগ্যতা দেখি ১৯৩৯ চনত টাটাৰ দ্বাৰা সঞ্চালিত বস্ত্ৰ কাৰখানাৰ সংযুক্ত প্ৰৱন্ধ নিৰ্দ্দেশক পদত অধিষ্ঠিত হয়। ১৯৪১ চনত তেখেতক Tata Sonsৰ এক ডাইৰেক্টৰৰূপে পদোন্নতি দিয়া হয়। ১৯৪৮ চনত প্ৰৱন্ধ নিৰ্দেশক হিচাপেই টাটা অইল মিলচ লিমিটেডৰ কাৰ্যভাৰ চম্ভালে। ইয়াৰ আগতেই তেখেত টাটা মিলচৰ চেয়াৰমেন নিযুক্ত হৈছিল। এইদৰে তেখেতৰ ওপৰত ৪ টা Textile Mills, ৩টা Power Company আৰু Sir Ratan Tata Trust সম্বন্ধীয় সকলো দায়িত্ব দিয়া হয়। ইয়াৰোপৰিও গ্ৰুপৰ অন্য কোম্পানীৰ আৰু Trustৰ মাৰ্গ দৰ্শনৰো উত্তৰ দায়িত্ব তেখেতৰ ওপৰতে পৰে। ইমান কাৰ্য ব্যৱস্থাই ঘেৰি ৰাখিলেও তেখেতে শান্ত স্বভাৱ, সদ্ ব্যৱহাৰ তথা নম্ৰতা গুণৰ ব্যক্তিত্ব বজাই ৰাখে আৰু কেতিয়াও নিজৰ অতীতক পাহৰি নগ'ল। পিছত তেখেতে কেইবাটাও ক্ষেত্ৰত পদোন্নতি লাভ কৰে। তেখেতক অন্য বস্ত্ৰ-কাৰখানা তথা ৩টা Electric Companyৰ অধ্যক্ষ তথা পিছত Tata Sonsৰ উপাধ্যক্ষ নিযুক্তি দিয়া হয়। টাটাৰ নাম সংচালিত বিভিন্ন Trustৰ প্ৰতি তেখেতৰ বহুত আগ্ৰহ আছিল। কিয়নো এই Trustৰ কাৰ্য কলাপ পৰোপকাৰৰ বাবে অৱধাৰিত আছিল। তেখেত "Cancer Society"ৰ প্ৰায় ৩০ বছৰ ধৰি অধ্যক্ষ আছিল। খেল জগতৰ প্ৰতি থকা টানৰ বাবে ১৯৪৬-১৯৬১ চনলৈকে "Indian Hockey Fedaration"তো সেৱা আগবঢ়ায়। তেখেতৰ কাৰ্যকালত ভাৰতে "Olympic Hockey"ত তিনিবাৰ স্বৰ্ণপদক লাভ কৰে। Tata Sports Clubয়ে Indian Hockeyত মহত্বপূৰ্ণ সেৱা আগবঢ়াইছিল। ১৯৪৬ চনত আন্তঃ ৰাষ্ট্ৰীয় শ্ৰমিক সংঘত তেখেতে ভাৰতীয় টেক্সটাইল উদ্যোগত প্ৰতিনিধিত্ব কৰিছিল। ১৯৫৭ চনত আন্তঃ ৰাষ্ট্ৰীয় শ্ৰমিক সংঘৰ নিয়ন্ত্ৰক (Controller) সমিতিৰ সদস্য নিৰ্বাচিত হয় আৰু ১৯৮৯ চনলৈকে অৰ্থাৎ মৃত্যুৰ সময়লৈকে তাৰ সদস্য হৈ আছিল। ১৯৬৬ চনত তেখেত দেশৰ “যোজনা আয়োগ”ৰ শ্ৰম পেনেলৰ সদস্যা নিৰ্বাচিত হয়। তেখেতৰ দ্বাৰা "National Institute of Labour Management" স্থাপিত হয়, যাক আজি "National Institute of Personnel Management" নামেৰে জনা যায়। ১৯৫১-১৯৮১ চনলৈকে তেখেত তাৰ অধ্যক্ষ হৈ থাকে। তেখেত এক সৰ্বমূখী প্ৰতিভাধৰ আছিল। কেইবাবাৰো একে সময়তে বহু সংস্থাত সেৱা আগবঢ়াইছিল। যেনে- Indian Institute of Science, Swadeshi League, Bombay Rajya Samaj Kalyan Parishad, National Safety Councilআদি। তেখেত কেইবাটাও জনকল্যাণকাৰী "Trust"ৰো অধ্যক্ষ আছিল। ১৯৬৯ চনত গণতন্ত্ৰ দিৱসত ৰাষ্ট্ৰপতিয়ে তেখেতক “পদ্ম বিভূষণ” বঁটাৰে সন্মানিত কৰে। উদ্যোগিক শান্তি বজাই ৰখাত তেখেতৰ

যোগদানৰ বাবে এই সন্মান প্ৰদান কৰা হয়। ১৯৮৯ চনৰ ৫ মে'ত তেখেতৰ মৃত্যু হয়। তেখেতৰ বিবাহ Soonoo Commisariatৰ লগত হৈছিল যদিও জীৱন সুখদায়ক নাছিল বাবে বিবাহ বিচ্ছেদ হয় আৰু তেখেতৰ দুই পত্ৰ ৰতন নৱল টাটা (বৰ্তমান-টাটা গ্ৰুপৰ চেয়াৰমেন) আৰু তেখেতৰ ভাতৃ জিম্মী টাটাৰ (Jimmy Tata) দায়িত্ব আইতাক নৱাজবায়ে লয়। তেখেতে পিছত পুনৰ Simone Dunoyerক বিয়া কৰায় আৰু পুত্ৰ Noel Tataৰ জন্ম হয়। এই Noel Tataৰ পত্নীৰ নামেই হ'ল Allo Mistry. তেখেতৰ ককায়েকৰ নাম হ'ল Cyrus Pallonji Mistry.

৯। **জে.আৰ.ডি.টাটা** (Jahangir Ratan Dadabhoy Tata) ঃ- জে. আৰ. ডি. টাটাৰ জন্ম ১৯০৪ চনৰ ২৯ জুলাইত পেৰিচত হয়। তেখেতৰ মাকৰ নাম Suzane (Sooni) Briere. তেখেত ফ্ৰান্সৰ মহিলা আছিল। পিতৃৰ নাম আছিল Ratan Dadabhoy Tata. তেখেত জামছেদজীৰ খুৰাকৰ পুতেক। জে.আৰ.ডি. টাটাৰ শিক্ষা ফ্ৰান্স, জাপান আদি দেশত সম্পন্ন হয়। তেখেতে এবছৰ ফ্ৰান্সৰ সেনা বিভাগতো কাম কৰিছিল। তেখেতে পিতাকৰ নিৰ্দেশত ভাৰতলৈ উভতি আহি Tata Sonsত সহায়ক হিচাপে কাম আৰম্ভ কৰে। পিতৃৰ মৃত্যুৰ পিছত ১৯২৬ চনত Tata Co.ত এক নিৰ্দেশক হিচাপে অন্তৰ্ভুক্ত হয়। ১৯৩৮ চনত তাৰ চেয়াৰমেন নিযুক্ত হয়। প্ৰায় ৫৩ বছৰ তেখেতে ভাৰতৰ উদ্যোগিক বিকাশৰ বাবে কাম কৰি যায়। ১৯৯১ চনৰ ২৫ মাৰ্চত তেখেত কনিষ্ঠ সঙ্গী আৰু খুৰাকৰ ল'ৰা Ratan Naval Tata (বৰ্তমানৰ)ক Tata Sonsৰ কাৰ্যভাৰ গতাই দিয়ে। Tata Sonsৰ Boardয়ে তেখেতক একমত সহ আজীৱন অধ্যক্ষ (অৱকাশ-প্ৰাপ্ত) নিৰ্বাচিত কৰে। জে.আৰ.ডি. টাটাক ভাৰতৰ নাগৰিক বিমানৰ সংস্থাপক বুলিও কোৱা হয়। তেখেতে ভাৰতৰ প্ৰথম "Pilot" হিচাপে স্বীকৃতি লাভ কৰিছিল। ১৯৩২ চনত তেখেতে ভাৰতৰ প্ৰথম ৰাষ্ট্ৰীয় বাহক "Tata Airlines" আৰম্ভ কৰিছিল। পিচত ১৯৪৬ চনত ইয়াৰ নাম "Air India Limited" কৰা হয়। Tata Airlinesৰ উদঘাটনৰ বাবে উৰণ প্ৰক্ৰিয়া কৰাচীৰ পৰা বম্বেলৈ হয়, যাৰ নিয়ন্ত্ৰণ জে.আৰ.ডি. টাটাৰ হাততহে আছিল। পিছত তেখেতে দূৰ-দূৰণিলৈকে যাত্ৰা কৰাৰ সুবিধা হোৱাকৈ আন্তঃৰাষ্ট্ৰীয় উৰনৰ বাবে ভাৰত চৰকাৰৰ লগত সংযুক্ত উপক্ৰমৰ ৰূপত Air India International Limited স্থাপন কৰে। ১৯৫৩ চনত ইয়াৰ ৰাষ্ট্ৰীয়কৰণ হোৱালৈকে তাৰ কাৰ্যকৰী অধ্যক্ষ হৈ থাকে। তেখেতৰ পৰামৰ্শমতে ভাৰত চৰকাৰে দুখন উৰান ক'ৰপৰেচন- Air India আৰু Indian Airlines স্থাপন কৰে, যি ক্ৰমশ আন্তঃ ৰাষ্ট্ৰীয় তথা ঘৰুৱা (Domestic) উৰনৰ বাবে গঠিত কৰা হয় আৰু তেখেতক Air Indiaৰ চেয়াৰমেন নিযুক্তি দিয়া হয়। তেখেতে ১৯৭৮ চনলৈকে এই পদ চম্ভালে। বৈমানিক ক্ষেত্ৰত তেখেতৰ যোগদানৰ বাবে বহুতো পুৰস্কাৰ (আন্তঃৰাষ্ট্ৰীয়) লাভ কৰে। ১৯৪৮ চনত তেখেত ভাৰতীয় বায়ু সেনা বিভাগত "Honorary Group Captain" তথা ১৯৬৬ চনত তেখেত "Air Commander" (Honorary) ৰূপত অধিষ্ঠিত হয়। তেখেতে Tata Airlinesৰ কল্পনা, ৰূপৰেখাৰ পৰা আৰম্ভ কৰি ইয়াৰ ব্যৱহাৰিক ধৰাতলত (Aerodrome)ত বিমান উঠা-নমা আৰু ইয়াৰ বিকাশ তথা চোৱা-চিতাৰ বাবে বহুত পৰিশ্ৰম কৰিছিল। সেইবাবে ১৯৫৩ চনত জৱাহৰলাল নেহেৰুৰ দ্বাৰা Air Indiaৰ ৰাষ্ট্ৰীয়কৰণৰ তেখেতে সম্পূৰ্ণ বিৰোধিতা কৰিছিল। নেহেৰুজীয়ে তেখেতক ইয়াৰ পৰা ৰেহাই দিয়ে যাতে মালবাহী বিমানৰ নিয়ন্ত্ৰণ তথা প্ৰৱন্ধন চম্ভালিব পাৰে। তেতিয়াৰ পৰা ১৯৭৭ চনত চৰকাৰৰ দ্বাৰা এক কানুন বনাই ইয়াক বেলেগ কৰি দিয়া হয়। Air Indiaৰ পৰিচালনাত জে.আৰ.ডি.টাটাৰ উৎকৃষ্ট কাৰ্য কুশলতা এক নমুনা/আৰ্হি আছিল এটা কথা স্পষ্ট যে- জে.আৰ.ডি.টাটাই যেতিয়াৰ পৰা Tata Sonsৰ চেয়াৰমেন পদ চম্ভালে তেতিয়া টাটা গ্ৰুপৰ নিয়ন্ত্ৰণাধীন ১৪টা কোম্পানী আছিল, তেখেতৰ ৫০ বছৰীয়া কাৰ্যকালত অৰ্থাৎ ১৯৮৮ চনৰ জুলাইলৈকে ৯৫ কোম্পানী হৈছিলগৈ, যিবিলাক টাটা গ্ৰুপে আৰম্ভ কৰিছিল আৰু টাটাৰ দ্বাৰাহে নিয়ন্ত্ৰণ হৈছিল। তেখেতৰ পৰিপক্ক নেতৃত্বত বিস্তাৰ হোৱা কোম্পানীবিলাক হ'ল— বিজুলী, ইঞ্জিনিয়াৰিং, হোটেল, কনচাল্টেন্টেচি চাৰ্ভিছ, সূচনা প্ৰয়োগ, দৈনন্দিন ব্যৱহৃত সামগ্ৰী, তথা অন্য উদ্যোগিক উৎপাদন, বিজ্ঞান আৰু চিকিৎসা ক্ষেত্ৰতো তেখেতৰ যোগদান অপূৰ্ব আছিল। তেখেতৰ কাৰ্যকালত- "Tata Institute of Social Science, Tata Institute of Fundamental Research,

National Institute of Advanced Sciences, Tata Memorial Hospital আদি ক্ষেত্ৰত উচ্চ স্থান লাভ কৰিবলৈ সক্ষম হয়। চিৰস্থায়ী কাম হিচাপে ১৯৪৪ চনত "Tata Trust" গঠন কৰে। জে.আৰ.ডি.টাটাই নিজৰ share বিক্ৰী কৰাৰ ধনেৰে বম্বেত Thelma (vicaji) Tata Trust" গঠন কৰে। ইয়াৰ উদ্দেশ্য হ'ল- বঞ্চিত মহিলাৰ স্থিতি সবলীকৰণ-সুধাৰতা আৰু তেওঁলোকক উন্নতিৰ প্ৰতি অগ্ৰসৰ কৰোৱা। তেখেতে দেশৰ হিতৰ বাবে পৰিয়াল-নিয়োজন তথা জনসংখ্যা নিয়ন্ত্ৰণৰ প্ৰতিও ধ্যান দিছিল। যাৰ বাবে ১৯৯২ চনত "U.N. Population Award"ৰে সন্মানিত কৰা হয়। তেখেত "পৰিয়াল নিয়োজন সংস্থা"ৰো সদস্যা আছিল। তেখেত "Tata Institute of Fundamental Research"ৰ গৰ্ভৰনিং ব'ডিৰ চেয়াৰমেন, Atomic Energy Commissionৰ সদস্যা, Indian Institute of Science, Bangaloreৰ Court President আছিল। তেখেত "J.N. Tata Endowment for the Higher Education of Indians, তথা "Hamee Bhaba Fellowship coucil"ৰ চেয়াৰমেন আছিল। ইয়াৰোপৰিও তেখেতে Sir Dorabji Tata Trust, J.R.D. Tata Trust আৰু Jamsedji Tata Trustৰো চেয়াৰমেন পদ চম্ভালিব লগা হয়। তেখেতে বহুতো ৰাষ্ট্ৰীয় আৰু আন্তঃ ৰাষ্ট্ৰীয় সন্মানো লাভ কৰিছিল। ইয়াৰ প্ৰমূখ্য ৰূপে "পদ্ম বিভূষণ", "ফ্ৰান্সৰ "লেজেণ্ড অৱ অনাৰ," "অৰ্ডাৰ অৱ মেৰিট অৱ দি ফেডাৰেল ৰিপাবলিক অৱ জাৰ্মান" তথা "ডক্টৰেট" উপাধি এলাহাবাদ, বম্বে, ৰুৰকী, বেনাৰস বিশ্ববিদ্যালয়ৰ পৰা লাভ কৰে। ১৯৯২ চনত তেখেতে দেশৰ সৰ্বোচ্চ নাগৰিক সন্মান "ভাৰত ৰত্ন" লাভ কৰে। ১৯৯৩ চনৰ নবেম্বৰ মাহত জেনেভাত তেখেতৰ মৃত্যু হয়। যদিও পাৰ্চী সম্প্ৰদায়ৰ নিজৰ মাজতে সাধাৰণতে বিবাহ সম্পন্ন হয় মাজে-মাজে তাৰো তাৰতম্য হয়। জে. আৰ. ডি. টাটাই Ms. Thelma Vicaji ক ফ্ৰান্সত লগ পায় আৰু ১৯৩০ চনত বিবাহ সম্পন্ন হয়। তেখেত সকলো নিঃসন্তান আছিল, যাৰ বাবে ৰতন নৱল টাটাক উত্তৰাধিকাৰী স্বীকাৰ কৰে।

১০। **ৰতন নৱল টাটা** (Ratan Naval Tata) ঃ- ৰতন নৱল টাটাৰ জন্ম ১৯৩৭ চনৰ ২৪ ডিচেম্বৰত বম্বেত হয়। পিতৃৰ নাম নৱল হৰমুখজী টাটা আৰু মাতৃৰ নাম আছিল Soono Commisariat. ৰতন টাটাৰ সাত বছৰ বয়সতে পিতৃ-মাতৃৰ মাজত বিচ্ছেদ হয়। ৰতন টাটা আৰু ভাতৃ জিম্মী টাটাক আইতাক নৱাজ বায়ে তুলি-তালি ডাঙৰ কৰে। নৱল হৰমূখজী টাটাই Simone Dunoyerক দ্বিতীয় বিবাহ কৰে। তেওঁলোকৰ পুত্ৰৰ নাম হ'ল- নোৱেল টাটা (Noel Tata) আৰু এই নোৱেল টাটাৰ পত্নীৰ নাম হ'ল Aloo Mistry. ৰতন টাটাৰ প্ৰাৰম্ভিক শিক্ষা বম্বেৰ কেম্পিয়ন স্কুলৰ পৰাই আৰম্ভ হয়। মাত্ৰ পোন্ধৰ বছৰ বয়সতেই উন্নত শিক্ষাৰ বাবে ৰতন টাটাক আমেৰিকালৈ পঠোৱা হয়। আমেৰিকাৰ কাৰ্ণেল বিশ্ববিদ্যালয়ৰ পৰা ১৯৬২ চনত তেখেতে Architecture তথা Structural Engineeringত স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ পাছত তেখেতে ১৯৭৫ চনত বষ্টনৰ হাৰ্ভাড বিজিনেছ স্কুলৰ পৰা Advanced Management Programmeৰ শিক্ষা লাভ কৰে। দৈনিক বাতৰি কাকত "অসমীয়া প্ৰতিদিন" ৫ মাৰ্চ, ২০১২ তাৰিখত প্ৰকাশিত তথ্য মতে- "বষ্টনস্থিত হাৰ্ভাড বিজিনেছ স্কুলৰ প্ৰাক্তন ছাত্ৰ তথা ভাৰতৰ উদ্যোগী ৰতন টাটাই তেওঁৰ মৰমৰ বিজিনেছ স্কুলখনলৈ বুলি আগবঢ়াইছে এটা অত্যাধুনিক শ্ৰেণীকোঠা মুম্বাইস্থিত "তাজ এণ্ড হোটেল"ৰ সমীপতে স্থাপন হবলগীয়া এই শ্ৰেণীকোঠাত থাকিব ৪২ জনীয়া আসনৰ সুবিধা আৰু বিজিনেছ স্কুলৰ দৰে অন্যান্য আন্তঃ গাঠনিমূলক সুবিধা। ইতিমধ্যে ভাৰতৰ পৰা এটা দল বষ্টন অভিমুখে ৰাওনা হৈছে— বিজিনেছ স্কুল পৰিদৰ্শনৰ অৰ্থে আৰু দলটো মুম্বাইলৈ উভতি অহাৰ পিছতেই আৰম্ভ হ'ব ৰতন টাটাৰ অত্যাধুনিক শ্ৰেণীকোঠাৰ নিৰ্ম্মাণ কাৰ্য।" ১৯৬২ চনত তেখেত ভাৰতলৈ উভতি আহি টাটা গ্ৰূপত ভৰি দিয়ে। তেতিয়া ককাক জে.আৰ.ডি. টাটা- "টাটা গ্ৰূপ"ৰ চেয়াৰমেন আছিল। তেখেতে ৰতন টাটাক Tata Steelত কাম কৰিবলৈ জামছেদপুৰলৈ পঠিয়াই যাতে ৰতন টাটাই তাৰ সম্পূৰ্ণ কাৰ্যপন্থা শিকিব পাৰে। তাত ৰতন টাটাই নীলা ইউনিৰ্ফম পিন্ধি সকলোৰে সৈতে মিলি কাম কৰে। টাটা পৰিয়ালৰ তেখেতেই একমাত্ৰ লোক যি অন্যান্য সাধাৰণ কৰ্ম্মচাৰীৰ দৰে কাম কৰিছিল। তেখেতৰ নিজৰ এখন "Flacon Jet" বিমান আছিল যিখন Pilot হিচাপে নিজে পৰিচালনা কৰিছিল। তেখেতৰ প্ৰথম নিজা পছন্দৰ গাড়ী- Metalic Blue Messerali

আৰু Ferrari California. ১৯৭১ চনত তেখেতক National Radio and Electronic Company (NELCO)ৰ কাৰ্যভাৰ অৰ্পণ কৰা হয়। ১৯৮৯ চনত দেউতাকৰ মৃত্যুৰ পাছত "Sir Ratan Rata Trust" কাৰ্যভাৰ চম্ভালে। ১৯৯১ চনৰ ২৫ মাৰ্চত জে.আৰ.ডি.টাটাই নিজৰ উত্তৰাধিকাৰী হিচাপে আৰু Tata Sonsৰ চেয়াৰমেন হিচাপে ৰতন টাটাৰ নাম প্ৰস্তাৱ কৰে আৰু নিজে সেই পদৰ পৰা অৱসৰ লয়। ৰতন টাটা কেইবাটাও মূখ্য/প্ৰধান ক্ষেত্ৰৰ চেয়াৰমেন নিযুক্ত হয়। সেইয়া হ'ল- Tata Motors, Tata Steel, Tata Consultancy Services, Tata Power, Tata Global Beverages, Tata Chemicals, Indian Hotels আৰু Tata Tele Services. 2010-11 চনলৈকে তেখেতৰ কাৰ্যকালত টাটা গ্ৰুপৰ বিভিন্ন ক্ষেত্ৰত ৰাজহৰ পৰিমাণ $83 বিলিয়ন হয়গৈ। শতিকাৰ শেষৰ ফালে ব্যৱসায়ৰ সফলতাৰ বাবে Lekme, Relish & Merind, Nerolac আদিৰ নিজৰ ব্যৱসায়ৰ অংশ বিক্ৰী কৰি দিয়ে। IBM, Timex আদিৰ দৰে সংযুক্ত ব্যৱসায়ৰ পৰাও আঁতৰি আহে। ১৯৯১-২০০২ চনৰ ভিতৰত ৰতন টাটাৰ মূখ্য ধ্যান-Car, Telecom, Insurance আৰু Fertilizer আদিৰ দৰেপ্ৰধান আৰু প্ৰয়োজনীয় ক্ষেত্ৰত পৰে আৰু সফলতা লাভ কৰে। আৰম্ভণিৰে পৰা বহুত কষ্টেৰে সফলতা লাভ কৰা টাটা গ্ৰুপৰ মূল ব্যৱসায় ক্ষেত্ৰখিনি হৈছে- (a) Materials- Steel & Plastic (2) Chemicals- Inorganic Fertilizer, Pesturised, etc. (3) Engineering- Automobiles, Auto- company, Air Conditing, Voltas- Refrigerator (4) Energy- Power (5) Goods for Daily Use- Tea, Coffee, Titan Clock,Tanishq Jewellery, etc. (6) Hotel, Retail, Finance Co. Insurance Co. (7) Advertisemental Method- Software Industries, Telephone, Automation, etc. etc. ৰতন টাটাই Fiat SPA আৰু ALCOAৰ Board of Director হিচাপে কাৰ্যৰত হয়। তেখেতে International Advisory Board of Mitsubishi Corporation, the American International Group, J.P. Morgan Chose Rolls Royce,



Temasek আৰু Singaporeত Monetary Authority হিচাপে কাৰ্যভাৰ চম্ভালে। ৰতন টাটাই ভাৰত আৰু বিদেশতো বিভিন্ন সংগঠনৰ লগত জড়িত হৈ আছে। He is the chairman of Two of the largest private sector-promoted phillanthropic trust in India. He is a member of Indian Prime Minister's Council on Trade and Industry. He also serves on the Board of Trustees of cornell university and the university of California. চৰকাৰৰ উদাৰীকৰণ নীতিৰ ফলস্বৰূপে পুৰণি ব্যৱস্থাৱলীৰ ঠাইত নতুন ব্যৱস্থা প্ৰৱৰ্ত্তন হয়। কেন্দ্ৰীয় উদ্যোগিক নীতিৰ ৰদ-বদলৰ ফলস্বৰূপে ব্যৱসায়-বাণিজ্যৰ বিসংগতিবোৰ দূৰ কৰাৰ লগতে বিকাশৰ বাবে উচিত বাতাবৰণ সৃষ্টি কৰিবলৈ চৰকাৰেও কিছু দূৰলৈকে প্ৰযত্নশীল আছিল। ফলস্বৰূপে কিছুমান পাবলিক চেক্টৰক প্ৰাইভেট চেক্টৰ কৰিবলৈ সুবিধা কৰি দিয়ে। এনেকুৱা পৰিস্থিতিত ভাৰত

চৰকাৰেও বুজিছিল যে— উন্নত মানৱ আৰ্থিক বিকাশৰ বাবে "উদাৰীকৰণ নীতি"ৰো প্ৰয়োজন আছে। "অসমীয়া প্ৰতিদিন", ৬ মাৰ্চ, ২০১২ত প্ৰকাশিত বাতৰি মতে "ৰক্ষণশীল মনোভাৱৰ ব্যৱসায়িক গোষ্ঠী টাটা গ্ৰুপে অৰ্থনৈতিক সংস্কাৰৰ পিচত ১০৯১ চনতহে নতুন পদক্ষেপ গ্ৰহণ কৰিছিল আৰু ১৯৯১ চনৰ পিছৰ পৰাহে বিভিন্ন বহুজাতিক প্ৰতিষ্ঠান অধিগ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। এই কথা ৰতন টাটাই জামছেদপুৰৰ সিংভুম চেম্বাৰ অৱ কৰ্মাচ এণ্ড ইণ্ডাষ্ট্ৰিৰ দ্বাৰা আয়োজিত অনুষ্ঠানত সদৰি কৰে। মুকলি বজাৰত অইন প্ৰতিষ্ঠানৰ তুলনাত টাটা গ্ৰুপৰ প্ৰদৰ্শন যথেষ্ট সন্তোষজনক আছিল। উল্লেখযোগ্য যে- ১৯৯২ চনত ৰতন টাটাই অধ্যক্ষৰূপে দায়িত্বভাৰ গ্ৰহণ কৰাৰ সময়ত টাটা গ্ৰুপত বাণিজ্যিক পৰিসৰ আছিল ৫ বিলিয়ন ডলাৰ। কিন্তু চলিত বছৰত এই পৰিমাণ আৰু বহু বিলিয়ন ডলাৰলৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। চৰকাৰৰ উদাৰীকৰণৰ নতুন চিন্তা-চৰ্চাৰ সুযোগ পিছত ৰতন টাটাই সম্পূৰ্ণভাৱে ললে আৰু উদ্যোগৰ নতুন-নতুন ক্ষেত্ৰত খোজ থৰলৈ সক্ষম হয় আৰু তেওঁলোকৰ দ্বাৰা প্ৰৱৰ্ন্ধিত কোম্পানীৰ নিজৰ শাখা বৃদ্ধিকৰা হয়। ২০০২ চনত Tata Steelৰ ৪ ৰ পৰা ছটা প্ৰতিষ্ঠান, Telcoত ১৭ ৰ পৰা ৩২ টা প্ৰতিষ্ঠান, Voltas ২ ২২ ৰ পৰা ২৬ টা প্ৰতিষ্ঠান বৃদ্ধি আৰু Tata Chemicals, Tata Tea আদি ৩০টা প্ৰতিষ্ঠান অপৰিবৰ্ত্তিত ৰখা হয়। কিছু নতুন কোম্পানী যেনে- Tata Infotecত ৭৪ টা প্ৰতিষ্ঠান, Trends ত ২৬ টা প্ৰতিষ্ঠান, Tata Info-Mediaত ৫০ টা প্ৰতিষ্ঠান ৰখা হয়। ১৯৯৩ চনৰ পৰা হাতত লোৱা সপোন ১৯৯৮ চনত ইণ্ডিকা গাড়ীয়ে পুৰা কৰিলে। ইয়াত এস্বেচাদৰ গাড়ীৰ সমান জেগা, জেন গাড়ীৰ দৰে বাহিৰৰ ৰূপৰেখা, ইঞ্জিন আদিৰ উপযুক্ত ব্যৱস্থা কৰি বজাৰত উলিয়াই দিয়ে যাতে ই ভাৰতীয় পৰিস্থিতিৰ বাবে উপযুক্ত হয়। টাটা কোম্পানীৰ অন্যান্য গাড়ী সমূহ হৈছে- Indica-V2, Indigo, Indica-Sedan, Tata Fiat, Tata Mini Truck, Tata Tourist Bus আদি আৰু গাড়ীৰ সকলো ধৰণৰ যন্ত্ৰপাতি। ২০০৪ চনৰ ২৬ মাৰ্চত টাটা মৰ্টৰছ যে Luxury Brand Land-Rover তথা Jaguar গাড়ী কোম্পানী অধিগ্ৰহণ কৰাত সফল হয়। এই বিজিনেছ ২.৩ আৰৱ, আমেৰিকান ডলাৰতহে সম্পন্ন হয়। ইয়াৰোপৰিও Tata Advanced Systemsয়ে আমেৰিকাৰ এক হেলিকপ্তাৰ নিৰ্ম্মাণ কোম্পানী "সিক'ৰস্কী"ৰ সৈতে মিলি হেলিকপ্তাৰ নিৰ্ম্মাণত চুক্তি কৰে। ২০০৪ চনত টাটা মৰ্টছে এক নিৰ্দিষ্ট দামত বজাৰত "Neno" গাড়ী উলিয়াই যাক People's Car বা লাখটকীয়া গাড়ী বুলি জনা যায়। টাটা মৰ্টছে দুখন নতুন বাহন "Tata Divo" নামৰ দীৰ্ঘ দূৰত্বৰ বিলাসী ইন্টাৰচিটি বাছ আৰু টাটা ষ্টাৰ বাছ আল্ট্ৰা নামৰ কলিকতাৰ ভিতৰতে চলাচল কৰিব পৰা আধুনিক কাৰ্যকৰী বাছ প্ৰৱৰ্ত্তন কৰিছে। যাত্ৰীবাহী পৰিবহন তথা বাণিজ্যিক বাহনৰ ক্ষেত্ৰত বৈপ্লৱিক পৰিৱৰ্ত্তন অনা টাটা মৰ্টছে সদায় অগ্ৰগণী ভূমিকা পালন কৰিছে। এই বাছ দুখনে পৰিবহন ব্যৱস্থাটোক নিশ্চিতভাৱে উন্নত প্ৰযুক্তি তথা আৰাম আৰু সুবিধাৰ পৃথিৱীলৈ লৈ যাব। "Tata Divo"ৰ বডি ডিজাইন স্পেইনৰ হিস্পাচনা কাৰ' চেৰা নামৰ সংস্থাই প্ৰস্তুত কৰিছে। এইটো সংস্থা টাটা মৰ্টছৰ এটা পূৰ্ণাঙ্গ ছাবছিডিয়েৰী"— (এই বাতৰি অসমীয়া প্ৰতিদিন, ৫ এপ্ৰিল, ২০১২ ত প্ৰকাশিত) লগতে টাটা মৰ্টছে নিজৰ মালিকাধীন জাগুৱাৰ লেণ্ড ৰ'ভাৰ প্ৰতিষ্ঠানে এছ.ইউ.ভি.চিৰিজৰ ৰেঞ্জ ৰ'ভাৰ ইভ'কৰ নতুন মডেল এটা জেনেভা মটৰ শ্ব'ত মুকলি কৰে। ইভ'ক কন ভাৰ্টিবল ধাৰণাটোৱে নতুন ধাৰাৰ সূচনা কৰিব। (অসমীয়া প্ৰতিদিন, ২৪ ফেব্ৰুৱাৰী, ২০১২)। শেহতীয়াকৈ দাখিল কৰা কেন্দ্ৰীয় বাজেটত আৱকাৰী শুল্কৰ পৰিমাণ বৃদ্ধি কৰাৰ পৰিপ্ৰেক্ষিতত অন্যান্য প্ৰতিষ্ঠানসমূহৰ দৰেই টাটা মৰ্টছেও ইয়াৰ বিভিন্ন মডেলৰ গাড়ীৰ দাম বঢ়াইছে। (ছাফাৰী, আলিয়া, ছুমুনেন' আদি) (অসমীয়া প্ৰতিদিন, ২০ মাৰ্চ, ২০১২)। টাটা কমিউনিকেশ্বন লিমিটেড (BSNL) আন্তঃ ৰাষ্ট্ৰীয় দূৰ সংযোগ, Enterprise Data, Internet Service ভাৰতৰ সকলোতকৈ বৃহৎ দূৰ সুযোগ কোম্পানী, Tata Skyৰ কথাও ইয়াত উল্লেখ কৰিব লাগিব। ২০০৬ চনৰ পৰা ১৪০টা channelৰ সৈতে কাৰ্যকৰী হৈ আছে। ২০০৪ চনত কোম্পানীয়ে Tata Sky Plusৰ নামত P.V.R. Service আৰম্ভ কৰিবলৈ ঘোষণা কৰে য'ত MPEG-4 সাপেক্ষে Set-Top-Boxত ৪৫ ঘণ্টা Recording উপলব্ধ হয়। ১৯৮৭ চনত Titan ঘড়ী বিভাগ আৰম্ভ হয়। সেই সময়ত HMT আৰু



আছে। এই ঘটনাত মৃত্যু হোৱা লোকৰ স্মৃতিত তাজ হোটেলৰ কাষতে "The Tree of life" নামৰ এক স্মাৰক বনোৱা হয় আৰু তাত ৩১ জন নিহতৰ লোকৰ নাম খোদিত কৰা হয় যাতে তেওঁলোকক সদায় স্মৰণ কৰা হয়। এই ঘটনাৰ পিছতে টাটা গ্ৰুপে "Taj Public Service Welfare Trust" স্থাপন কৰে। ইয়াৰ মূখ্য উদ্দেশ্য হৈছে- সন্ত্ৰাসৰ চিকাৰ হোৱা ব্যক্তি তথা মৃত্যু হোৱা লোক বা পৰিয়ালক তৎকালে সকাহ দিয়া। এই ঘটনাত আমাৰ অসমৰ স্বনামধন্য সাহিত্যিক চন্দ্ৰপ্ৰসাদ শইকীয়াৰ বোৱাৰী চঁবিনা শইকীয়াৰো মৃত্যু হৈছিল। সেই আক্ৰমণৰ কঠিনসময়ত ৰতন টাটাই বহু ধৈৰ্য্যৰে সিদ্ধান্ত

Allwinৰ বাদেই তৃতীয় স্থানত আছিল। ১৯৯৫ চনত "Tanishq Jewellery Brand" গহনাৰ কাৰখানা আৰু বজাৰ স্থাপন হয়। 22 Karat সোণ আৰু হীৰাৰে ইয়াত অলঙ্কাৰ তৈয়াৰ হয়। ১৯০৩ চনতে উদঘাটন হোৱা বম্বেৰ "Taj Mahal Hotel (Hotel Taj)" সেই সময়ৰ বম্বেৰ প্ৰথম ইমান ডাঙৰ ভৱন আছিল যিটো বিজুলী-বাতিৰে প্ৰকাশিত বা উজ্জ্বলি উঠিছিল। Kuwala lampur (Malayasia)ত সম্পন্ন হোৱা "World Travel Ceremony"ত Taj Hotel, Mumbaiক পৃথিৱীৰ সকলো Travel Agencyয়ে একেমুখে ইয়াক এচিয়া-প্ৰশান্ত ক্ষেত্ৰৰ সকলোতকৈ উচ্চ স্তৰৰ হোটেল ঘোষণা কৰে। ইয়াৰ ৫৬৫ টা কোঠা, ৪৬ চুইটছ আছে। তেতিয়াই তাত আমেৰিকান ডিজাইনৰ পাংখা আৰু তুৰ্কী ডিজাইনৰ বাথৰুম বনোৱা হৈছিল। ২০০৮ চনৰ ২৬ নবেম্বৰত পাকিস্থানী আতংকবাদীয়ে অন্যান্য ঠাইৰ লগতে বম্বেৰ এই হোটেলতো বিনাশলীলা চলাই। এই ঘটনাত মৃত্যু হোৱা ৩১ জন লোকৰ ভিতৰত অতিথি পৰ্যটক তথা হোটেলৰ কৰ্ম্মচাৰীও আছিল। ৫৯ ঘণ্টাৰো অধিক সময় গৃহবন্দী তথা সন্ত্ৰাস চলাই থকাৰ পাছত বহু কৌশলেৰে এই ঘটনাৰ সমাপ্ত হয়। এই আক্ৰমণত বম্বেৰ ১০ খন বিভিন্ন ঠাইত ১৮৩ জন নিহত আৰু ২৩৯ জন আহত হয়। এই ঘটনাৰ বাচি থকা একমূখ্য সন্ত্ৰাসবাদী "আব্দুল কাছৱ" আজিও চূড়ান্ত বিচাৰৰ বাবে কাৰাগাৰত বন্দী হৈ

হাতত লৈছিল, কিন্তু State Machineryৰ অৱহেলা, খৰখেদাৰ অভাৱ তথা চৰকাৰী এজেন্সীৰ সমন্বয়ৰ অভাৱত কিছু ক্ষুন্ন হৈ অসন্তোষ্টি স্পষ্ট তথা খোলা-খুলিকৈ ব্যক্ত কৰে আৰু সেই মূহুৰ্ত্তত স্বয়ং নিজে নিজৰ হোটেল, কৰ্ম্মচাৰী অতিথি আৰু সংস্থানৰ ৰক্ষাৰ দায়িত্ব নিজে চম্ভালিব বুলি স্পষ্ট ভাষাত ব্যক্ত কৰে। কাৰগিল যুদ্ধৰ সময়তো টাটা গ্ৰুপে যথেষ্ট ধনৰাশিৰে সহায়ৰ হাত আগবঢ়াইছিল। ৰতন টাটাই "ৰক্ষামন্ত্ৰণালয়ৰ" লগত আলোচনা কৰি এক Special Tata Defence Welfare Corps Fund" স্থাপন কৰে। ইয়াত টাটা গ্ৰুপৰ কোম্পানী তথা কৰ্ম্মচাৰীসকলো মিলি ১২ কোটি টকা প্ৰদান কৰে। লাখটকীয়া নেন' কাৰৰ নিৰ্ম্মাণৰ সময়তো ৰতন টাটাই বহুত সমস্যাৰ মুখামুখী হয়। নেন' গাড়ী পৰিযোজনাৰ বাবে পশ্চিমবঙ্গৰ "সিঙ্গুৰ ভূমি"ৰ ৯৯৭ একৰ মাটি অধিগ্ৰহণ কৰে। ভূমি অধিগ্ৰহণ শুদ্ধ প্ৰক্ৰিয়াৰে হৈছিল যদিও ভূ-স্বামীক উচতোৱা কিছু অশিক্ষিত খেতিয়ক শ্ৰেণীৰ মানুহ, ৰাজনৈতিক দল-তৃণমূল কংগ্ৰেছৰ কাৰ্যৰত কিছু মানুহে বিবাহ আৰম্ভ কৰে। ভূমি অধিগ্ৰহণত বিৰোধিতা কৰাত মমতা বেনাৰ্জীৰ তৃণমূল কংগ্ৰেছ তথা "Special Unit Centre" সকলোতকৈ আগত আছিল। নাগৰিক, মানৱাধিকাৰ গ্ৰুপৰ লগতে শাসক পাৰ্টি চি.পি.আই(এম)ৰ নেতাৰ আলোচনা তথা মৌখিক সাৰধানবাণী আৰু হুলস্থূল আৰম্ভ হয়। ফলত ৰাজ্য চৰকাৰে ভাৰতীয়

দণ্ডবিধি আইন ১৪৪ ধাৰাৰ দ্বাৰা এই অধিগ্ৰহণ বেআইনী ঘোষণা কৰে যদিও কলিকতা উচ্চ ন্যায়ালয়ে এই চৰকাৰী ঘোষণা "অবৈধ" বুলি ৰায় দিয়ে। এই ঘটনাত ৰতন টাটাই ২০০৭ চনত কাৰখানা আৰম্ভ কৰে যদিও বিভিন্ন অঘটনৰ ফলত ২০০৮ চনৰ ২ অক্টোবৰত ইয়াক বন্ধ কৰি দিয়ে যাৰফলত সময় আৰু বহুত ধনৰাশি অবাবত খৰচ হয়। শেষত গুজৰাটৰ সানন্দ নগৰত ১,১০০ একৰ ভূমি ৰাজ্যৰ মুখ্যমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ দ্বাৰা আৱণ্টন কৰি দিয়া হয়। আৰু নেন' গাড়ীৰ মডেল II, III আৰু IV অনুৰূপত বজাৰত উপলব্ধ হয় ২০০৯ চনত। ৰতন টাটাই জীৱনত লাভ কৰা মুখ্য বঁটা/সন্মান হ'ল- ২০০৪ চনত চীন দেশত "অনাৰেৰী ইক'ন'মিকছ এডভাইজাৰ টু হেংগজৱাও চিটি" পদবী লাভ কৰে। ২০০৬ চনত ক'নেল বিশ্ববিদ্যালয়ে তেখেতক '২৬ তম ৰৰ্বাট এছ, হেটেফিল্ড ফেল' ইন ইক'ন'মিকছ'ৰে সন্মানিত কৰে। ২০০৭ চনত টাটা পৰিয়ালৰ ফালৰ পৰা "কানে'গী মেডেল অৱ ফিলানথ্ৰ'ফী" বঁটা প্ৰদান কৰা হয়। ২০০৮ চনত ৰতন টাটাই 'নেচকাম গ্ল'বেল লিডাৰশ্বিপ এৱাৰ্ড- ২০০৮"ৰে সন্মানিত হয়। ২০০৮ চনৰ ২৯ আগষ্টত চিঙ্গাপুৰৰ বিকাশত তেখেতৰ যোগদানৰ বাবে দিয়া হয়। ২০০৮ চনৰ ২৬ জানুৱাৰীত তেখেতক ভাৰতৰ সৰ্বোচ্চ নাগৰিক বঁটা "পদ্ম বিভূষণেৰে" সন্মানিত কৰা হয়। লণ্ডন স্কুল অৱ ইক'ন'মিকছ তথা ইণ্ডিয়ান ইনষ্টিটিউট অৱ টেকন'লজী, খড়গপুৰে তেখেতক 'অনাৰেৰী ডক্টৰেট" উপাধি প্ৰদান কৰে। ২০০৮ চনত টাইম মেগাজিনে পৃথিৱীৰ ১০০ প্ৰভাৱশালী ব্যক্তি"ৰ ভিতৰত তেখেতক স্থান দিয়ে। টাটা গ্ৰুপৰ লগতে ইয়াৰ কৰ্ম্মচাৰীয়েও বহুত পুৰস্কাৰ লাভ কৰি ইয়াক ওপৰলৈ নিয়াত সহায় কৰিছে। তাৰে এটা উদাহৰণ হ'ল– "অসমীয়া প্ৰতিদিন, ৯ এপ্ৰিল, ২০১২ত প্ৰকাশিত বাতৰি মতে- "নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত যোৱা বুধবাৰে (০৪।০৪।২০১২) আয়োজিত এক অনুষ্ঠানত ভাৰতৰ ৰাষ্ট্ৰপতি প্ৰতিভা পাটিলে টাটা লিমিটেডৰ ভাইচ চেয়াৰমেন "বি. মুথুৰমণ"ক বাণিজ্য তথা উদ্যোগ শিতানত "পদ্মভূষণ" বঁটা প্ৰদান কৰে। ১৯৬৬ চনত টাটা ষ্টীলত যোগদান কৰা মুথুৰমণে ভাইচ প্ৰেচিডেণ্ট (মাৰ্কেটিং এণ্ড ছেলছ) তথা ভাইচ প্ৰেচিডেণ্ট (ক'লড ৰলিং মিলছ প্ৰজেক্ট) পদবীকে ধৰি বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰিছিল। ২০০০ চনত তেওঁক কোম্পানীৰ কাৰ্যবাহী সঞ্চালক, ২০০১ চনত পৰিচালন সঞ্চালক, ২০০৯ চনত নন-এক্সিকিউটিভ ভাইচ চেয়াৰমেন নিযুক্ত কৰা হয়। তেওঁৰ স্বপ্নদৰ্শী নেতৃত্বত টাটা ষ্টীলে গ্ল'বেল কোম্পানী হ'বলৈ সক্ষম হয়।"

**১১। চাইৰাচ পাল'নজী মিস্ত্ৰী ঃ-** ৰতন টাটা অবিবাহিত আছিল বাবে তেখেতৰ উত্তৰাধিকাৰীলৈ আকৌ চিন্তা-চৰ্চ্চা আৰম্ভ হয়। আয়াৰলেণ্ডৰ আটাইতকৈ ধনী ব্যক্তি ব্যৱসায়ী "Cyrus Pallonji Mistry"ক টাটা গ্ৰুপৰ উত্তৰাধিকাৰী তথা চেয়াৰমেন নিৰ্বাচিত কৰা হয়। তেখেত (পাল'নজী) ৱেষ্ট এচিয়া, চাউথ এচিয়াকে ধৰি অন্যান্য দেশৰ মেজৰ কনষ্ট্ৰাকছন কোম্পানী "চাপুৰজী পাল'নজী মিস্ত্ৰী" গ্ৰুপৰ মেনেজিং ডাইৰেক্টৰ হিচাপে কাৰ্যনিৰ্বাহ কৰিছে। পাল'নজীৰ ১৮.৫ শতাংশ চেয়াৰ টাটা গ্ৰুপত আছেই, পাল'নজীয়ে ২০১২ চনৰ ডিচেম্বৰ মাহত ৰতন টাটাই অৱসৰ লোৱাৰ পিছতেই ডেপুটি চেয়াৰমেন হিচাপে দায়িত্ব গ্ৰহণ কৰিব। পাল'নজীয়ে লণ্ডনৰ পৰা চিভিল ইঞ্জিনিয়াৰিঙত (MBA) স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। পাল'নজীৰ ভনীয়েককেই ৰতন টাটাই মাহী মাকৰ ল'ৰা নোৱেল টাটাই বিয়া কৰাইছে। দায়িত্ব লৈয়ে পাল'নজীয়ে 2G Scan আৰু সিঙ্গুৰ ভূমি বিবাদ মোকৰ্দ্দমাকে ধৰি বিভিন্ন সমস্যা সমাধান কিদৰে কৰিব তাকে সমগ্ৰ পৃথিৱীয়ে বাট চাইছে।

টাটা গ্ৰুপৰ কথা কৈ শেষ কৰিব নোৱাৰি। বিজিনেছ কহিনুৰ ৰতন টাটাই বিখ্যাত টাটা পৰিয়ালত জন্মগ্ৰহণ কৰি পাশ্চাত্যৰ আদৰ্শ, সভ্যতা আৰু শিক্ষাৰে শিক্ষিত হৈয়ো নিজৰ ব্যৱসায়ৰ লগতে জনসাধাৰণৰ অভাৱ অভিযোগ পূৰণতো সক্ষম হৈছিল। পৰিপূৰ্ণতা ৰতন টাটাৰ ৭৫ বছৰীয়া জীৱন কালৰ এক বৈশিষ্টতা। তেখেতৰ পূৰ্বপুৰুষৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে টাটা গ্ৰুপে যিমান কষ্ট তথা চেষ্টাৰে ব্যৱসায় কৰিলে তাৰে অধিকাংশ খিনিয়েই প্ৰত্যেক মানুহৰ জীৱনত অলপ হ'লেও অৰিহণা যোগাইছে। আজি টাটা গ্ৰুপে প্ৰায় ১০০ কোম্পানীৰ ৩০০ অনুসংগী ব্যৱসায়ৰ সৈতে ৪০টা ক্ষেত্ৰত- চাউল, তেল, নিমখ, গাড়ীকে ধৰি সফলতাৰ শিখৰ চুইছেগৈ।

ঃঃঃঃঃঃঃঃঃঃঃঃঃ

# দীপশিখা

স্বৰ্ণজ্যোতি বৰুৱা বৰবৰা
প্ৰাক্তন ছাত্ৰী

মানৱ সেৱাই হ'ল শ্ৰেষ্ঠ ধৰ্ম। যাৰ বাবে লাগে এখন কোমল হৃদয় আৰু কৰ্মৰ প্ৰতি আগ্ৰহ, এক নিস্বাৰ্থ মন। এনে এক সেৱাৰ মনোভাৱৰ বাবেই ২০০৪ চনত মুম্বাই অসম ভৱনৰ পুনৰ নিৰ্মাণৰ কামত ব্যস্ত হৈ পৰা উপ-আবাসিক আয়ুক্ত শ্ৰীযুত দেৱাশীষ শৰ্মাই উত্তৰ পূবৰ পৰা কেন্সাৰ ৰোগৰ চিকিৎসাৰ বাবে যোৱা ৰোগী সকলৰ দুৰৱস্থা দেখি সহায়ৰ হাত আগবঢ়াবৰ বাবে আৰম্ভ কৰে "দীপশিখা কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যন"। ২০০৭ চনত অসমৰ গুৱাহাটী চহৰত এই ফাউণ্ডেশ্যন গঢ় লৈ উঠিল। (Registered under Indian Trust Act Regd No. 13552/4135/07)

দীপশিখা কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ কাৰ্যৱলী সমূহ থুলমুলকৈ এনেধৰণৰ ঃ-

ক) উত্তৰ পূবৰ ৰাজ্যসমূহৰ গ্ৰাম্যাঞ্চলত সজাগতা সভা আৰু ৰোগ নিৰ্ণায়ক শিবিৰ অনুষ্ঠিত কৰা।

খ) সাধ্যানুসৰি কেন্সাৰ ৰোগীসকলক আৰ্থিক সহায় আগবঢ়োৱা (বিনামুলীয়া ৰক্ত আয়োজন আৰু চৰকাৰৰ ফালৰ পৰা পাব লগা অনুদানৰ সহায় কৰা)

গ) ধঁপাত বিৰোধী আৰু কেন্সাৰ বিৰোধী সজাগতা বৃদ্ধি। (মঙ্গলদৈ আৰু পাঠশালাত ধঁপাত বৰ্জন সহায়ক কেন্দ্ৰ আছে)

ঘ) কেন্সাৰ ৰোগী আৰু পৰিয়ালবৰ্গক মানসিক সমৰ্থন আৰু পৰামৰ্শ প্ৰদান।

ঙ) গুৱাহাটীৰ ডাঃ ভুৱনেশ্বৰ বৰুৱা কৰ্কট প্ৰতিষ্ঠানত কেন্সাৰ ৰোগীসকলক সকলো প্ৰকাৰৰ সহায় কৰিবৰ বাবে এখন সহায়ক মেজ আছে। ৰোগীক চিকিৎসালয়লৈ অনা-নিয়া কৰি সহায় কৰিবৰবাবে এখন এম্বুলেন্স আছে।

চ) উন্নত চিকিৎসাৰ বাবে মুম্বাইলৈ যোৱা কেন্সাৰ ৰোগীসকলক টাটা স্মাৰক চিকিৎসালয়, প্ৰিন্স আলি খান আদি চিকিৎসালয়ত চিকিৎসাৰ প্ৰাথমিক কামখিনিত সহায় কৰা। মচজিদ বন্দৰত থকা ৰতনলাল ডিডানীয়া আৰোগ্য ভৱনত থকাৰ সুবিধা প্ৰদান। ৰোগীক চিকিৎসালয়লৈ অনা-নিয়া কৰিবৰ বাবে এখন এম্বুলেন্স আছে।

**ভৱিষ্যৎ কাৰ্যপন্থা ঃ-**

ক) উত্তৰ পূবৰ ৰাজ্যসমূহৰ দুৰ্গম অঞ্চলত কেন্সাৰ ৰোগৰ সজাগতা বৃদ্ধি আৰু যত্ন।

খ) কেন্সাৰ ৰোগীসকলক চোৱা চিতা কৰিবৰ কাৰণে এখন ক্ষুদ্ৰ আবাসিক চিকিৎসালয় নিৰ্মাণৰ কাম আৰম্ভ হৈছে। (বাবুলাল জৈন দেৱে মিৰ্জাৰ সোণতলাত এটুকুৰা মাটি দান দিছে)

গ) আৰ্থিকভাৱে দুৰ্বল ৰোগী সকলক চিকিৎসাৰ অধিক সুবিধা প্ৰদানৰ ব্যৱস্থা।

"দীপশিখা কেন্সাৰ কেয়াৰ ফাউণ্ডেশ্যন"ৰ প্ৰতিজন সদস্য/সদস্যা ৰোগীসকলক সহায় কৰিবলৈ আগ্ৰহী। এগৰাকী আজীৱন সদস্যা হিচাপে আমিও কেন্সাৰ ৰোগী সকলক সকলো প্ৰকাৰে সহায় কৰিবলৈ আমি দৃঢ় প্ৰতিজ্ঞ। ফাউণ্ডেশ্যনৰ নীতি নিৰ্দ্দেশনা অনুসৰি ৰোগীৰ খবৰ কৰা, ৰোগীৰ মানসিক বল বৃদ্ধিত অৰিহণা যোগোৱা, পৰামৰ্শ প্ৰদান আদি কাৰ্যত নিজকে নিয়োজিত কৰিবলৈ

পাই ধন্য মানিছো। শিৱসাগৰ, সোণাৰী, নাজিৰা, ডিমৌ, ৰাজমাই, যোৰহাট, ডিব্ৰুগড়, মগৰাহাট, কোঁৱৰপুৰ আদি বিভিন্ন ঠাইত কেন্সাৰ সজাগতা সভা অনুষ্ঠিত কৰিছো। বহুতো বিদ্যালয়, মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ লগত অন্তৰঙ্গ আলাপেৰেও সজাগতা আনিবলৈ যত্ন কৰিছো। ধঁপাত জাতীয় দ্ৰব্যৰ অপকাৰিতা সম্পৰ্কে চৰিত্ৰাভিনয় (Role play) কৰাইও সজাগতা আনিবলৈ প্ৰয়াস কৰিছো।

তলত কেন্সাৰ ৰোগৰ কেইটামান প্ৰাথমিক লক্ষণ আপোনালোকৰ জ্ঞাতাৰ্থে আগবঢ়ালো।

১। কোনো ঘাঁ যদি দীৰ্ঘদিন ধৰি নুশুকায়।

২। মহিলাৰ ক্ষেত্ৰত অস্বাভাৱিক বা ঘনাই হোৱা ঋতুস্ৰাৱ।

৩। শৰীৰৰ যিকোনো স্থানত টেমুনা বিশেষকৈ ই যদি ক্ৰমবৰ্দ্ধমান হয়।

৪। আহাৰ খাওঁতে গিলিবলৈ অসুবিধা বা হজমত ব্যাঘাত।

৫। মাত ভঙা আৰু উপশম নোহোৱা বহুদিনীয়া কাঁহ।

৬। শৌচ-প্ৰসাৰৰ ব্যাঘাত আৰু অনিয়ম।

৭। শৰীৰত বহুদিনৰ পৰা থকা তিল বা মাহৰ আকাৰ আৰু ৰঙৰ পৰিৱৰ্তন।

৮। কোনো কাৰণ নোহোৱাকৈ দাঁতৰ পৰা তেজ ওলাই থকা।

ওপৰৰ লক্ষণ কেইটা হ'লেই যে কেন্সাৰ হ'ব ই নহয়। মাথো সজাগ হবৰ বাবেহে উল্লেখ কৰিলো। এই লক্ষণ সমূহ যদি পোন্ধৰ দিনৰ অধিক সময় ধৰি দেখা দিয়ে তেন্তে অতি সোনকালে চিকিৎসকৰ পৰামৰ্শ ল'ব লাগে। কেন্সাৰ যিহেতু প্ৰাথমিক পৰ্যায়ত ধৰা পৰিলে সোনকালে আৰোগ্য লাভ কৰিব পাৰি। মনৰ সাহস এই ৰোগৰ প্ৰধান আৰু প্ৰথম ঔষধ। গতিকে আমাৰ বিনম্ৰ অনুৰোধ কোনো লোক এনে ৰোগত আক্ৰান্ত হ'লে- আৱশ্যক অনুসৰি আমাৰ লগত যোগাযোগ কৰে যেন। আমাৰ যোগাযোগ নম্বৰসমূহ ঃ- 09819744446 (Mumbai) 09864037697 (Ghy) 9435487246 (Sivasagar)

আমাৰ মূখ্য কাৰ্যালয় গুৱাহাটী ঃ- হাউচ নং-২, আনন্দ পথ, অম্বিকাগিৰী নগৰ, গুৱাহাটী- ৭৮১০২৮, যোগাযোগ নং ঃ ০৩৬১-২৪১৭৪৭৬ Branch Office : Mumbai :- 87B Broach Street, Nuruddin Chambers, Masjid Barder (East) Mumbai- 400009, Website : www.deepsikha.org

E-mail :- deepsikhafoundation@rediffmail.com.

xxxx

## মহৎলোকৰ বাণী

*আনে যদি তোমাক প্ৰশংসা কৰিবলৈ অস্বীকাৰ কৰে তেনেহ'লে মনোকষ্ট নল'বা। মনোকষ্ট তেতিয়াহে পোৱা উচিত হ'ব যেতিয়া তুমি আনক তেওঁলোকৰ প্ৰশংসাখিনি নিদিয়াকৈ থাকিবা।*

*— কনফুছিয়াছ।*

*যি মানুহে সদায় মদ খায়, তেনে মানুহে কেতিয়াও মদৰ সোৱাদ পাব নোৱাৰে। একেদৰে যি মানুহে অবনৰতে কথা পাতি থাকে, তেনে মানুহে কেতিয়াও চিন্তা কৰিব নোৱাৰে।*

*— মেথিউ প্ৰিয়ৰ।*

*ধূৰ্ত মানুহে যি দেশত জ্ঞানী বুলি স্বীকৃত হয় সেই দেশেই আটাইতকৈ দুৰ্ভাগ্যৰ বোজা বহন কৰিব লগীয়া হয়।*

*— ফ্ৰান্সিক বেকন।*

# মাৰ্ক্সবাদী বিষ্ণুৰাভা

**দীপাঞ্জলী নাথ**
অংশকালীন অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ

অসমীয়া জাতি সত্ত্বাৰ প্ৰকৃত অৰ্থত ঐক্য-সংহতিৰ মাজেৰে উজ্জীৱিত কৰিব খোজা অসমীয়া মানুহ তেনেই তাকৰ। মধ্যযুগত এই দায়িত্ব এককভাৱে বহন কৰিছিল শঙ্কৰদেৱে। আধুনিক কালত একাধিক অসমীয়াৰ নাম এই ক্ষেত্ৰত ল'ব পাৰিলেও প্ৰথমচামৰ মুষ্টিমেয় মানুহখিনিৰ মাজত প্ৰথমেই নাম ল'ব পৰাজন কিন্তু বিষ্ণুপ্ৰসাদ ৰাভাহে। বিষ্ণু ৰাভাৰ একাংশ অনুৰাগীয়ে ৰাভাদেৱক কেৱল কলাগুৰু হিচাপেই মূল্যায়ন কৰিব খোজে। তেওঁলোকে এই কথা পাহৰি যাব খোজে যে ৰাভাদেৱৰ কলা-সংস্কৃতিমূলক প্ৰতিটো চিন্তা আৰু কৰ্মতে নতুনত্ব, ৰূপান্তৰৰ স্বপ্ন আৰু বৈপ্লৱিক জাগৰণ পৰিলক্ষিত হৈছিল। বিষ্ণুৰাভাই কলা-সংস্কৃতি, ৰাজনীতি আদিৰ বিচাৰ যে মানুহৰ আৰ্থ-সামাজিক অৱস্থাৰ আধাৰত কৰিছিল তাৰ একাধিক উদাহৰণ তেওঁৰ অনেক লেখা আৰু জীৱন কৰ্মৰ মাজেৰে প্ৰতিফলিত হৈছে।

ৰাভাদেৱৰ জীৱনৰ এক ব্যাপক অংশ ৰাজনীতিয়ে দখল কৰি আছে। তেওঁৰ এই ৰাজনীতিৰ দৰ্শন হ'ল মাৰ্ক্সবাদ। সৈনিক শিল্পী বিষ্ণুৰাভাই মাৰ্ক্সীয় বিশ্ববীক্ষাৰ পোহৰতে অসমীয়া জাতিসত্ত্বাৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ যত্ন কৰিছিল। অসমীয়া জাতিটোক ধনতন্ত্ৰবাদৰ শোষণৰ পৰা মুক্তি দিবৰ বাবে বিষ্ণুৰাভাই যি বিপ্লৱৰ কথা কৈছিল তাৰ বাবে তেওঁ শ্ৰেণী সংগ্ৰামৰ (Class Struggle) পোষকতা কৰিছিল আৰু তেওঁ এই শ্ৰেণী সংগ্ৰামৰ দীক্ষা লাভ কৰিছিল মাৰ্ক্সবাদৰ পৰা। মাৰ্ক্সবাদৰ মতে, ধনতন্ত্ৰবাদী বুৰ্জোৱা (Beurgeoisie : মধ্যম শ্ৰেণীৰ নাগৰিক, বণিক দল) আৰু সৰ্বহাৰাই (Proleterial) হ'ল সমাজৰ মূল শ্ৰেণী। বুৰ্জোৱাই সৰ্বহাৰাক শোষণ কৰে আৰু তাৰ ফলত ধনতন্ত্ৰবাদে বিকাশ লাভ কৰে। (The Bourgeoisie and the proleterial are the basic classes in Capitalist Society. In it's quest of profit the bourgeoisie exploits the proleterial and this exploitatian is intensified as capitalism develops - Marxist Philosophy) ধনতান্ত্ৰিক সমাজত সৰ্বহাৰাসকলেই হ'ল সমাজৰ একমাত্ৰ দৃঢ় আৰু সংগত বিপ্লৱী শ্ৰেণী (Consistantly revolutionary class)। বিষ্ণুৰাভাই এই বিপ্লৱী শ্ৰেণীৰ দ্বাৰা ধনী সকলৰ বিপক্ষে যুঁজি হালোৱাৰ মুক্তি, হজুৱাৰ মুক্তি, বনুৱাৰ মুক্তি' বিচাৰিছিল। ৰাজনৈতিক সংগ্ৰামৰ উপৰিও গান আৰু কবিতাৰ মাজেৰেও তেওঁ মুক্তিৰ কথা কৈছিল।



মাৰ্ক্সবাদ, লেলিনবাদত দীক্ষিত কমিউনিষ্ট পাৰ্টিৰ হৈ ৰাইজৰ বাবে সংগ্ৰাম কৰা বিষ্ণু ৰাভাই তেওঁৰ ৰাজনৈতিক ৰচনাৱলীৰ মাজেৰেও দেখুৱাব খুজিছে, যে কৃষক বনুৱাৰ যি মুক্তি তাৰ মূলমন্ত্ৰ আছে সাম্যবাদী দৰ্শনত। এই সাম্যবাদী দৰ্শনৰ প্ৰথম পদক্ষেপ হ'ল সমাজতন্ত্ৰবাদ। 'সমাজতন্ত্ৰবাদ হ'ল কি লাভ', 'মে দিৱস', 'ছেচিয়েলিষ্ট সমাজ আৰু কমিউনিষ্ট সমাজৰ পাৰ্থক্য', 'ডাইলেক্‌টিক', 'ৰাজনীতি', 'বিপ্লৱ', 'লেলিন', 'আৰ্ন্তজাতিক', 'মাৰ্ক্সীয় অৰ্থনীতি', 'নাবিক বিদ্ৰোহ' আদি ৰাভাদেৱৰ উল্লেখযোগ্য ৰাজনৈতিক ৰচনাৱলী।

ছাত্ৰাৱস্থাৰে পৰা বৃটিছৰ শাসন, শোষণ আৰু নিপীড়নৰ বিৰুদ্ধে বিষ্ণুৰাভাই পৰাধীন ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰিছিল। গান্ধীজীৰ নেতৃত্বত সৰ্বভাৰতত চলা অসহযোগ আন্দোলনত ৰাভাই কলেজ এৰি যোগ দিয়ে। লোক-সংস্কৃতিৰ উপাদান বিচাৰি জনসাধাৰণৰ সান্নিধ্যলৈ আহোতেই ৰাভাদেৱৰ পৰিচয় ঘটিছিল শোষণৰ কৰ্দয ৰূপটোৰ লগত। ইয়াৰ প্ৰতিকাৰৰ বাবে ৰাভাদেৱে মাৰ্ক্সবাদ গ্ৰহণ কৰিলে আৰু শান্তিপুৰৰ অধিবক্তা শ্ৰী উপেন শৰ্মাৰ যোগাযোগত তেওঁ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সভ্য হয়। ১৯৪৮ চনত দলৰ বীৰভূম থিছিচ গৃহীত হোৱাৰ পিচত বিষ্ণু ৰাভাই ক্ষমতা দখলৰ সংগ্ৰামত অসমক মুক্ত অঞ্চল হিচাপে গঢ়ি তুলিবলৈ অগ্ৰসৰ হয়। 'সমাজতান্ত্ৰিক বিপ্লৱ আজিয়ে নহয় কিয়?' সেই সময়ৰ এই মূল ৰাজনৈতিক প্ৰশ্ন লৈ তেখেতে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ প্ৰচাৰ অভিযানত ঘূৰিছিল। সেই সময়ছোৱাত বিপ্লৱী কমিউনিষ্ট পাৰ্টিয়ে গণতান্ত্ৰিক বিপ্লৱৰ অসম্পূৰ্ণ কাম সমাজতান্ত্ৰিক বিপ্লৱৰ মাজেৰেই সমাধানত গুৰুত্ব দিছিল। তেওঁৰ মতে কেৱল সামূহিক কল্যাণৰ প্ৰেৰণাৰে উদ্বুদ্ধ শ্ৰেণী সংগ্ৰামেহে এখন শোষণহীন সমাজ প্ৰতিষ্ঠা কৰিব পাৰে। ধনতন্ত্ৰবাদৰ বিৰুদ্ধে হোৱা সংগ্ৰামত যাতে ব্যক্তিস্বাৰ্থই ঠাই নাপায় সেই দিশটোৰ প্ৰতিও ৰাভাদেৱ সচেতন আছিল। হালোৱা-হজুৱা-বনুৱা সকলৰ মাজত প্ৰকৃত সমতা গঢ়ি তুলিবৰ বাবে তেওঁ নিজে গান, কবিতা, গল্প লিখিছিল আৰু আলোচনা বৈঠক পাতি জনসাধাৰণক নতুন পথৰ সন্ধান দিছিল। সমূহীয়া ভঁৰাল আদি পাতিও আদৰ্শ দাঙি ধৰিছিল।

বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ তেতিয়াৰ সংগ্ৰামী গণসংগঠন 'অসম কৃষক বনুৱা পঞ্চায়ত', 'নাৰী মুক্তি সংগ্ৰাম' আদি সংগঠনবোৰক ৰাভাদেৱে প্ৰাণময় কৰি তুলিছিল ষ্টেনগান আৰু কলমেৰে। তেওঁ শোষিত জনগণৰ পঞ্জীভূত বেদনাক, সুখ-অনুভূতিক ভাষা দিছিল আৰু গঞা ৰাইজেও গভীৰ আস্থা আৰু আন্তৰিকতাৰে তেওঁক গ্ৰহণ কৰিছিল। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল ৰাভাদেৱে কেৱল বৃটিছৰ বিৰুদ্ধেই যুঁজ দিয়া নাছিল, তেওঁ কংগ্ৰেছীৰ বিৰুদ্ধেও যুঁজ দি ভাৰতৰ স্বাধীনতা বিচাৰিছিল আৰু এই স্বাধীনতাৰ আধাৰ আছিল পঞ্চায়তীৰাজ। ছাত্ৰাৱস্থাতেই ৰাভাদেৱে সহপাঠী সকলক লগত লৈ কোচবিহাৰৰ দেৱালত ক'লা আৰু বগা ৰঙৰ দুটা পাঠা ছাগলীৰ ছবি আঁকি তাৰ তলত লিখিছিল —

'ৰাজ্যে আছে দুইটি পাঁঠা
একটি কালো একটি সাদা,
ৰাজ্যেৰ যদি মঙ্গল চাও
দুইটি পাঠাই বলি দাও।'

গান্ধীজীৰ নেতৃত্বত সৰ্বভাৰতত চলা অসহযোগ আন্দোলনত ৰাভাই কলেজ এৰি যোগ দিয়ে। লোক-সংস্কৃতিৰ উপাদান বিচাৰি জনসাধাৰণৰ সান্নিধ্যলৈ আহোতেই ৰাভাদেৱৰ পৰিচয় ঘটিছিল শোষণৰ কৰ্দয ৰূপটোৰ লগত। ইয়াৰ প্ৰতিকাৰৰ বাবে ৰাভাদেৱে মাৰ্ক্সবাদ গ্ৰহণ কৰিলে আৰু শান্তিপুৰৰ অধিবক্তা শ্ৰী উপেন শৰ্মাৰ যোগাযোগত তেওঁ বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ সভ্য হয়। ১৯৪৮ চনত দলৰ বীৰভূম থিছিচ গৃহীত হোৱাৰ পিচত বিষ্ণু ৰাভাই ক্ষমতা দখলৰ সংগ্ৰামত অসমত মুক্ত অঞ্চল হিচাপে গঢ়ি তুলিবলৈ অগ্ৰসৰ হয়।

(ইয়াত বগা পাঠাটি বৃটিছ আৰু ক'লা পাঠাই তেতিয়াৰ দেশীয় কংগ্ৰেছী সকলক বুজাইছে)

এই দুঃসাহসিক কাৰ্যৰ বাবে ৰাভাদেৰ বৃটিছৰ কু-নজৰত পৰিছিল আৰু ভিক্টোৰিয়া কলেজৰ পৰা বহিষ্কাৰ হ'ব লগীয়া হৈছিল। বৈপ্লৱিক শ্ৰেণী সংগ্ৰামৰ আধাৰত ভাৰতৰ স্বাধীনতা আন্দোলন চলাই নিব বিচৰা ৰাভাই ১৯৪৭ চনৰ ১৫ আগষ্টৰ স্বাধীনতাক এক পৰাধীনতা বুলিহে গণ্য কৰিছিল। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ গণতন্ত্ৰ দিৱসত দিয়েলীত ৰাভাদেৱে সহযোগী সকলৰ সৈতে 'ইয়ে আজাদী ঝুঠা হ্যায়' ধ্বনি দিছিল। এই 'পৰাধীন স্বাধীনতা'ৰ পিছতো বৃটিছৰ অপশাসনৰ বিপক্ষে আৰু আধিয়াৰৰ সপক্ষে সংগ্ৰাম কৰিবলৈ গৈ 'অজ্ঞাতবাসৰ কথা' শীৰ্ষক ৰচনাত ৰাভাই লিখিছে ঃ '১৯৪৭ চনৰ ১৫ আগষ্টত আমিয়েই ৰাইজক ক'লা পতাকা দেখুৱাই কৈছিলো - এই স্বাধীনতা দুখীয়া খেতিয়ক, বনুৱা আৰু তল মজলীয়া খলপৰ স্বাধীনতা নহয়। যদিও এই স্বাধীনতাৰ কাৰণে বৃটিছ প্ৰাক্ শাসনৰ পৰা ৰাইজে যুঁজিছিল, এই স্বাধীনতাৰ লাভ কৰিলে ধনকুবেৰসকলে মাজতে থাপ মাৰি। ... ইংৰাজ গ'ল, ধনৰাজ হ'ল। ... সাম্ৰাজ্যবাদী সকলৰ চক্ৰান্তত শাসনৰ পৰিবৰ্তে শোষণৰ বিধান চলিল। শোষক দেশীয় ধনকুবেৰসকলেও এই শোষণৰ ভাগ ল'লে। ... কংগ্ৰেছে কয়, - স্বাধীনতাৰ একমাত্ৰ অধিকাৰী কংগ্ৰেছেই। বুৰঞ্জীয়ে সাক্ষী দিয়ে — কংগ্ৰেছেই একমাত্ৰ অধিকাৰী নহয় - ৰাইজেই অধিকাৰী - আৰ, চি, পি, আইও অধিকাৰী। 'ন পৃথিৱীৰ নতুন যুগ' শীৰ্ষক গীতি-নৃত্য-নাটিকাত ভাৰতৰ স্বাধীনতাক 'ভুৱা স্বাধীনতা' বুলি কৈ ৰাভাই লিখিছে ঃ

"এমুঠি ধনীৰ হ'ল দুখ
কোটি কোটি ৰাইজৰ হ'ল
বিধে বিধে দুখ।
এয়ে হ'ল স্বাধীনতা, ভুৱা স্বাধীনতা
কোটি কোটি মানৱৰ ঘৃণ্য স্বাধীনতা।"

স্বাধীনতাৰ পিচত অসম চৰকাৰ সম্পৰ্কতো ৰাভাই লিখিছে—

'অসম চৰকাৰ ধনিকৰ ৰাজপাট,
ইংৰাজী পুংখনি, চাহ বাগিচাৰ মহা-মালিকৰ খাট,
ক'লা ধন ৰাজ, ধনী বগা ক'লা সাউদৰ মুনাফাৰ বাট
চোৰাং বেপাৰী ক'লা বাজাৰীৰ হাট
আমোলা বাবুহঁতৰ ঘুচ খোৱা উপায়ৰ জাঁত।'

স্বাধীনতাৰ পঞ্চাশ বছৰ পিছতো আমি যদি কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰৰ বিগত পঞ্চাশ বছৰীয়া খতিয়ান লওঁ তেনেহ'লে দেখিব যে চৰকাৰবোৰৰ চৰিত্ৰ অলপো সলনি হোৱা নাই, বৰঞ্চ চৰকাৰৰ শোষণ জনসাধাৰণৰ ওপৰত বৃদ্ধিহে পাইছে। 'সোণৰ অসম গঢ়াৰ যি স্বপ্ন সেয়াও ধুলিস্যাৎ হৈছে। চৰকাৰী শোষণ-নিৰ্যাতন আৰু আমোলা মন্ত্ৰীৰ দুৰ্নীতিয়ে আকণ্ঠ ডুবাই ৰাখিছে অসমৰ জনসাধাৰণক। গতিকে দেখা যায় ভৌগলিক আৰু ৰাজনৈতিক স্বাধীনতাৰ উপৰিও বিষ্ণুৰাভাই বিচাৰিছিল অৰ্থনৈতিক স্বাধীনতা।

বিষ্ণুৰাভাৰ আহ্বানে জনসাধাৰণক মুক্তি আন্দোলনক কিমানদূৰ আগবঢ়াই লৈ গ'ল তাৰ বিচাৰ কৰাৰ আগতে আমি এটা দিশত মন কৰিব লাগিব যে ধনতান্ত্ৰিক শোষণবাদী গোষ্ঠীৰ প্ৰলোভন আৰু প্ৰতাৰণাৰ বলি হৈ জনসাধাৰণ আজি নিৰুপায় হৈ পৰিছে। চৌদিশে ভোগবাদ, অৰাজকতাৰ আৰু দুৰ্নীতিৰ ৰাজত্ব চলিছে। এই মুহূৰ্তত বিষ্ণুৰাভাৰ আহ্বানৰ প্ৰাসংগিকতা নিশ্চয় আছে। বিষ্ণুৰাভাই যি সমাজবাদী আৰু সাম্যবাদী মতাদৰ্শক গুৰুত্ব দি সমাজ বিপ্লৱৰ আহ্বান দিছিল সেই মতাদৰ্শৰ ব্যক্তিসকল আজি বহুধা বিভক্ত। আৰ, চি, পি, আই, চি, পি, আই, চি, পি, আই (এম), চি, পি, আই (এম-এল) আদি অনেক নামেৰে বিষ্ণুৰাভাৰ কমিউনিষ্ট পাৰ্টি পৰিচিত হৈ পৰিছে। কমিউনিষ্ট আন্দোলনৰ এই বিভাজনৰ দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰি আজি ধনতন্ত্ৰবাদী আৰু সাম্প্ৰদায়িক ফেচীবাদী শক্তিবোৰে ভাৰতৰ ৰাজনীতিত আধিপত্য বিস্তাৰ কৰিছে। ভাৰতৰ সমাজবাদী আৰু সাম্যবাদী আন্দোলনৰ নেতৃবৃন্দই একত্ৰভাৱে কৃষক-বনুৱা-শ্ৰমিক-মজদুৰৰ স্বাধীনতা সংগ্ৰাম আগবঢ়াই নিলেহে চিৰকলীয়া শোষণ আৰু নিৰ্যাতনৰ পৰা জনসাধাৰণক মোকলাই আমি মুকুতিৰ পথ দেখুৱাব পাৰিব। ৰাভাদেৱৰ মাৰ্ক্সবাদী বিপ্লৱ নৱ-প্ৰজন্মৰ আদৰ্শ হওঁক ।ঃঃঃ

প্ৰসংগ পুথি ঃ

১। 'মুক্তি দেউলৰ ৰূপকাৰ' - সম্পাদনা ঃ ড° দিলীপ বৰা, ড° অনুৰাধা শৰ্মা।

২। বিষ্ণুৰাভাৰ জীৱন আৰু দৰ্শন — ইছমাইল হোছেইন।

৩। সৈনিক শিল্পী বিষ্ণুৰাভা, সম্পাদনা — ড° হীৰেন গোহাঁই।

# বি.বি.চি.

**লক্ষ্যহীৰা গগৈ**
স্নাতক প্ৰথম বৰ্ষ, ইংৰাজী বিভাগ

বি.বি.চি. অৰ্থাৎ 'ব্ৰিটিছ্ ব্ৰডকাষ্টিং কৰপোৰেচন' হৈছে সমগ্ৰ বিশ্বৰ বাবে পৰিচিত এটা ছেটেলাইট চেনেল। প্ৰথম বিশ্বযুদ্ধৰ সময়ত যোগাযোগৰ অন্যতম মাধ্যম আছিল অনাতাঁৰ। ১৯২২ চনত লণ্ডনত ব্যক্তিগত মালিকীস্বত্তত এটা অনাতাঁৰ কোম্পানী প্ৰতিষ্ঠিত হয়। প্ৰথম অৱস্থাত 'ব্ৰিটিছ্ ব্ৰডকাষ্টিং কোম্পানী' নামেৰে ইয়াক জনা গৈছিল। প্ৰথমতে অনুষ্ঠান প্ৰচাৰৰ সময়সীমা যথেষ্ট সীমাবদ্ধ আছিল। কিন্তু সেই নিৰ্দিষ্ট সময় সীমাৰ ভিতৰতেই ই বিপুল জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছিল। ১৯২৭ চনত ইয়াৰ নামকৰণ 'ব্ৰিটিছ্ ব্ৰডকাষ্টিং কোম্পানী'ৰ পৰা 'ব্ৰিটিচ ব্ৰডকাষ্টিং কৰপোৰেচন' কৰা হয়। বি.বি.চি.-এ টেলিভিছন প্ৰচাৰ আৰম্ভ কৰে ১৯৩৬ চনৰ পৰা। দ্বিতীয় মহাযুদ্ধৰ সময়ত ১০ বছৰৰ বাবে ইয়াৰ প্ৰচাৰ বন্ধ আছিল। ১৯৪৬ চনৰ পৰা ই পুনৰ প্ৰচাৰ কৰে। তেতিয়াৰে পৰা বৰ্তমানলৈকে সম্প্ৰচাৰ হৈ থকা 'বি.বি.চি'ৰ জন্ম হৈছে এখন ৰাজকীয় চনদ অনুসৰি। এই চনদত কোৱা হৈছে যে বি.বি.চি.ৰ মূল্য লক্ষ্য হ'ব লাগিব শ্ৰোতাৰ তথ্য, শিক্ষা আৰু আনন্দ দান। এই চনদৰ মতে বি.বি.চি-এ নিজস্ব কোনো সম্পাদকীয় ভাবধাৰা ক'তো উপস্থাপন কৰিব নোৱাৰে। উক্ত চনদৰ মতে সকলো বিষয়তে বি.বি.চি.ৰ প্ৰচাৰ হ'ব ন্যায়নিষ্ঠ আৰু ইয়াত সকলো মহলৰ মন্তব্যৰ মাজত ভাৰসাম্য ৰক্ষা কৰিব লাগিব। বি.বি.চি.ৰ নীতিৰ এটি মুল আদৰ্শ হৈছে বিৰ্তকমূলক বিষয়ত কৰ্পোৰেচনে সকলো পক্ষকে বক্তব্য ৰখাৰ সুযোগ দিব। এনেবোৰ কাৰণতে বৰ্তমান ছেটেলাইট চেনেলৰ ভিৰৰ মাজতো বি.বি.চি.এ এক সুকীয়া স্থান দখল কৰিছে।ঃঃ

# বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰ

**পিংকি বৰা**
স্নাতক দ্বিতীয় যান্মাসিক, অসমীয়া বিভাগ



অতীতৰ ৰংপুৰ আজিৰ শিৱসাগৰ। তাহানিৰ ৰংপুৰ অৰ্থাৎ আজিৰ শিৱসাগৰত থকা আহোম যুগৰ স্থাপত্য-ভাস্কৰ্য্য আৰু পুৰণি কীৰ্ত্তিচিহ্ন আৰু ইয়াৰ সৌন্দৰ্যই আমাৰ সকলোৰে মন প্ৰভাৱান্বিত কৰি ৰাখিছে।

বৰ অসমৰ ভিতৰত ৰংপুৰখনেই আছিল স্বৰ্গদেউ সকলৰ কেন্দ্ৰস্থল। শিৱসাগৰৰ চৰাইদেউতে প্ৰথম বাৰৰ বাবে স্বৰ্গদেউ চুকাফাই ৰাজধানী পাতিছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহই মেটেকাত (ৰংপুৰৰ আগৰ নাম) অৰ্থাৎ ৰূপহী পথাৰত ১৫-১৬ হতীয়া শালকাঠৰ খুটাৰে সজোৱা চাংঘৰত উঠি বহৰি শেনৰ মেল কৰি, চাই বৰ আনন্দ পাইছিল। তেতিয়াই তেওঁ ইয়াৰ নাম থলে 'ৰংপুৰ'। ৰংপুৰ নগৰখন কেৱল গড় কেইটাৰ মাজত থকা কাৰেং, ৰংঘৰকে আদি কৰি এই ক্ষুদ্ৰ ঠাইখনকে নুবুজায়। দৰাচলতে ৰাজগড়, মাজগড় আদিৰে বেৰি থকা ঠাইখনহে আছিল ৰজানগৰ। বৰ্তমান শিৱসাগৰখনৰ কেন্দ্ৰস্থল হৈছে এই ৰংপুৰ নগৰখন।

ৰংপুৰ নগৰৰ উত্তৰ সীমাত দিখৌ নৈ, দক্ষিণত নামদাং নৈ, পূবত বাঁহগড় আৰু পশ্চিমত দিখৌ আৰু নামদাং লগ লগা খণ্ড। সেই সময়ত গোটেই শিৱসাগৰ খনকে ৰংপুৰ বুলিছিল। ১৮৩৮ চনত বৃটিছ চাহাব লেফটেনেণ্ট ব্ৰডিয়ে শিৱসাগৰ পুখুৰী পাৰলৈ স্থানান্তৰ কৰে আৰু তেতিয়াৰ পৰা ৰংপুৰ নাম গুছি শিৱসাগৰ হয়।

ছশ বছৰীয়া আহোম ৰাজত্ব কালত বৰ অসমৰ ভিতৰত কেৱল শিৱসাগৰতহে দ'ল, দেৱালয়, পুখুৰী আদি স্বৰ্গদেউসকলে বেছি পৰিমানে নিৰ্মাণ কৰাইছিল। আহোম সকলে শিৱসাগৰত ৫০ত কৈও অধিক দ'ল আৰু ৩০০ তকৈও অধিক সৰু বৰ পুখুৰী খন্দাইছিল। ১৬০০ৰ পৰা ১৯৫০ চনলৈকে কেইবাটাও ডাঙৰ ডাঙৰ ভূমিকম্প হৈছিল। সেই ভূমিকম্পবোৰৰ ফলত বহুতো দ'ল, পুখুৰী আদিৰ অনিষ্ট হৈছিল আৰু বহুতো পুখুৰী পোট গৈছিল আৰু দ'ল খহি পৰিছিল আৰু শেষত সেইবোৰৰ ভগ্নাৱশেষ হিচাপে পোৱা গৈছিল বুলি বুৰঞ্জীবিদসকলে কয়। স্বৰ্গদেউ ৰুদ্ৰসিংহই ৰূপহী পথাৰত যি চাংঘৰত জন্তু যুঁজ চাইছিল, সেই ঠাইতে স্বৰ্গদেউ প্ৰমত্ত সিংহই ১৭৪৬ চনত দুমহলীয়াকৈ পকীকৈ বৰ্তমান আমি দেখা ৰংঘৰটো সজাইছিল। তাৰ পৰাই ৰূপহীত বাঘ, ঘোং, ম'হ-হাতী, শেন-কনুৰা আদিৰ যুঁজ চাই ৰং তামাছা কৰিছিল। ৰংঘৰৰ সন্মুখত নিৰ্মাণ কৰা উদ্যানখনে ইয়াৰ সৌন্দৰ্য বিকাশত সহায় কৰিছে। অসমীয়া জাতীয় এগৰাকী আদৰ্শ মহিলা তথা মহাসতী জয়মতীৰ স্মৃতি সাৰতি জয়সাগৰ পুখুৰী। এই পুখুৰীটো ৰুদ্ৰসিংহই তেওঁৰ মাতৃৰ স্মৃতি ৰক্ষাৰ্থে ১৬৯৭ খ্ৰীঃত জেৰেঙা পথাৰত ১১৭ পুৰা ১ বিঘা ১ লোচা মাটিত পুখুৰী খন্দাইছিল। এই পুখুৰীটো এছিয়াৰ ভিতৰত মানুহে খন্দা ডাঙৰ পুখুৰী। আহোমৰ স্থাপত্য আৰু ভাস্কৰ্য কলা নিদৰ্শন তলাতল ঘৰে আজিৰ খনিকৰ সকলৰ চকু স্থিৰ কৰি দিয়ে। স্বৰ্গদেউ ৰুদ্ৰসিংহই নিৰ্মাণ কৰোৱা সাতখলপীয়া তলাতল ঘৰটোক মাটিৰ তলৰ খলপাক

তলাতল আৰু ওপৰৰ খলপাক কাৰেং বুলিছিল। তলাতল ঘৰৰ পৰা দুটা সুৰংগ, এটা গড়গাঁৱৰ কাৰেঙৰ লগত আৰু আনটো দিখৌ নদীৰ লগত সংযোগ আছিল যদিও সুৰংগ কেইটাৰ চিনেই নাইকীয়া হৈ পৰিছে। জয়সাগৰৰ পুখুৰীৰ পশ্চিম পাৰত ঘনশ্যাম মন্দিৰ। ইয়াত তলাতল ঘৰ নিৰ্মাণ কৰা ঘনশ্যাম জন আছিল।

শিৱসাগৰ নগৰৰ মাজ ভাগত থকা শিৱদ'ল আৰু বৰপুখুৰী ইতিহাস বিখ্যাত। ১৭৩৪ খ্ৰীঃত ৰাণী অম্বিকা দেৱীয়ে ১৫০ একৰ মাটিত শিৱসাগৰ পুখুৰীটো খন্দাইছিল। ইয়াৰ পাৰতে শিৱদ'ল, বিষ্ণুদ'ল আৰু দেৱী দ'ল নামেৰে তিনিটা দ'ল নিৰ্মাণ কৰাইছিল। শিৱদ'লটো ১০৪ ফুট ওখ আৰু ১৯৫ ফুট পৰিধিৰ। ই ভাৰতৰ ভিতৰত সবাতোতকৈ ওখ শিৱ মন্দিৰ। মন্দিৰৰ কলচিটো সোণেৰে নিৰ্মিত। আহোম সকলো শিৱ ভক্ত আছিল। সেই কথা দ'লৰ ওপৰত থকা ত্ৰিশূলৰ পৰাই অনুমান কৰিব পৰা যায়। বৰ্তমান শিৱসাগৰৰ পুখুৰীৰ পাৰত থকা 'টাই যাদুঘৰ'ত ছশ বছৰীয়া আহোম ৰাজত্ব কালৰ স্মৃতি বিজড়িত ১৯৪ বিধ আপুৰুগীয়া সম্পদে ভৰপূৰ হৈ আছে।

*শিৱসাগৰ নগৰৰ মাজ ভাগত থকা শিৱদ'ল আৰু বৰপুখুৰী ইতিহাস বিখ্যাত। ১৭৩৪ খ্ৰীঃত ৰাণী অম্বিকা দেৱীয়ে ১২৯ একৰ মাটিত শিৱসাগৰ পুখুৰীটো খন্দাইছিল। ইয়াৰ পাৰতে শিৱদ'ল, বিষ্ণুদ'ল আৰু দেৱী দ'ল নামেৰে তিনিটা দ'ল নিৰ্মাণ কৰাইছিল।*

আহোমৰ পূৰ্ব ৰাজধানী গড়গাওঁ এতিয়া অৱহেলিত। গড়গাঁৱৰ সাতমহলীয়া ৰাজকাৰেঙে এতিয়া মাত্ৰ স্মৃতিহে বহন কৰি আছে। এই কাৰেঙৰ একেবাৰে ওপৰৰ মহলাত চন্তৰীৰ ব্যৱস্থা আছিল। গড়গাঁৱৰ ওচৰতে চৰাইদেউ। এই চৰাইদেউতে ৪২ জন ৰজাক সমাধিস্থ কৰা হৈছিল। বৰ্তমান চৰাইদেউখনক বৰ সুন্দৰকৈ সজাই তোলা দেখা গৈছে।

শিৱসাগৰৰ পৰা ১২ কিঃ মিঃ পশ্চিমত অৱস্থিত গৌৰীসাগৰ। এই গৌৰীসাগৰতো ১৭৩২ খ্ৰীঃত বৰৰজা ফুলেশ্বৰী কুঁৱৰীয়ে ১২৯ একৰ মাটিত এটা পুখুৰী খন্দাইছিল। যাক গৌৰীসাগৰ বৰ পুখুৰী বোলা হয়। এই পুখুৰীটো পাৰত শিৱদ'ল, বিষ্ণুদ'ল আৰু দেৱী দ'ল নামেৰে তিনিটা দ'ল আছে। পুখুৰীটোৰ কেইবাবাৰো পাৰ ভঙাত ইয়াত থকা বহুতো আপুৰুগীয়া সম্পদ কাষত মিতং নৈৰ পাৰত মিলি গৈছে। স্বৰ্গদেউ ৰুদ্ৰসিংহই সজোৱা নামদাং নৈৰ ওপৰত থকা শিলৰ সাঁকোৱে আজিও অতীতৰ স্মৃতি বহন কৰি আছে।

মুঠতে আহোকসকলে পাতি থৈ যোৱা এই ৰংপুৰ নগৰখনৰ মনোমোহা দৃশ্য লিখনিৰ দ্বাৰা প্ৰকাশ কৰিব নোৱাৰি। এই ৰংপুৰ নগৰখনক সদায় একেদৰেই ৰাখিবৰ কাৰণে চৰকাৰ তথা ৰাইজে বৰ্তমানতকৈ অধিক গুৰুত্ব দিব লাগে।

আমি প্ৰত্যেকজন সচেতন নাগৰিকে এই আপুৰুগীয়া কীৰ্তিচিহ্ন সমূহত সংৰক্ষণৰ ব্যৱস্থা কৰি এইবিলাক যাতে চিৰদিন একে ৰাখিব পাৰি তাৰ চেষ্টা কৰা উচিত। এনে ধৰণৰ সম্পদবোৰ সংৰক্ষণৰ ক্ষেত্ৰত চৰকাৰৰ লগতে সাধাৰণ ৰাইজৰ সহযোগিতা নিতান্তই প্ৰয়োজন।ঃঃ

# মাধৱদেৱৰ বৰগীতত শিশু কৃষ্ণ

**প্ৰীতিশ্ৰী নেওগ**
স্নাতক তৃতীয় ষাণ্মাষিক, অসমীয়া বিভাগ

'সৰ্বগুণাকৰ' মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সাগৰ সদৃশ পাণ্ডিত্য আৰু ব্যক্তিত্বই যিদিনা শাক্ত মাধৱদেৱক নতুন জীৱন দিলে, সিদিনাই ভৰ ডেকা বয়সত জোৰণ পিন্ধাৰা কন্যাও এৰি চিৰ কৌমাৰ্য্য ব্ৰত ধৰি মহাপুৰুষ শংকৰদেৱকে জীৱনৰ একমাত্ৰ আদৰ্শ গুৰু হিচাপে লৈ ধৰ্ম আৰু গুৰুৰ হকে, ভক্ত আৰু ভগৱন্তৰ হকে আধ্যাত্মিক আৰু সাহিত্যিক জীৱনৰ পাতনি মেলে।

দেশৰ কোনো আন্দোলনক বা বিপ্লৱক সাহিত্যই যথেষ্ট সহায় কৰে। সাহিত্যৰ ওপৰত প্ৰতিষ্ঠা হ'ব নোৱাৰা কোনো আন্দোলনেই যে যুগমীয়া হ'ব নোৱাৰে সেই কথা মহাপুৰুষ শংকৰদেৱে ভালদৰে জানিছিল। সেয়েহে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমৰ বৈষ্ণৱ আন্দোলনক চিৰযুগমীয়াকৈ ৰাখিবৰ বাবে কাব্য, নাট, ভটিমা, অনুবাদ কাব্য আদিৰ লগতে কিছুমান ভগৱত ভক্তিযুক্ত ধৰ্মীয় গীত ৰচনা কৰিছিল। জনসাধাৰণক ঈশ্বৰ তত্ব বিষয়ক জ্ঞান দান কৰি তেওঁলোকৰ অন্তৰত ভক্তিৰ নিজৰা প্ৰবাহিত কৰাত গীতেই যে প্ৰশস্তমান হ'ব, সেই কথা উপলব্ধি কৰিয়ে মহান জনশিল্পী শংকৰদেৱে এই অভিনৱ পন্থা হাতত লৈছিল।

গুৰুজনাৰ পদাংক অনুসৰণ কৰিয়ে মহাপুৰুষ মাধৱদেৱে তত্বমূলক কাব্য, গীত, ভটিমা আৰু শেষত নাট ৰচনা কৰিছিল। চৰিত্ৰ পুথিৰ মতে মাধৱদেৱে নকুৰি এঘাৰটা গীত ৰচনা কৰিছিল। কিন্তু সাহিত্যৰ বুৰঞ্জীত মাধৱদেৱৰ নামত এশ সাতাৱনটা গীত থকা বুলি উল্লেখ আছে। শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা এই গীতবোৰৰ ভাব, ভাষা, সুৰ আদি সাধাৰণ গীততকৈ সম্পূৰ্ণ সুকীয়া। এই গীতবোৰ বৈষয়িক জগতৰ প্ৰেম কাহিনীৰ পৰা সম্পূৰ্ণ মুক্ত। ইয়াৰ মাজেদি গভীৰ দাৰ্শনিক আৰু আধ্যাত্মিক তত্বৰ কথা প্ৰকাশ পাইছে। আনবোৰ গীততকৈ ইয়াৰ ভাব-ভাষা শ্ৰেষ্ঠ বুলি ভাবিয়েই 'বৰগীত' নাম পাইছে বুলি অনুমান কৰা হয়। গুৰুজনাই নিজে এই গীতবোৰ 'বুলি নামকৰণ কৰা নাছিল। পিছৰ কালৰ বৈষ্ণৱ ভক্তসকলেহে এই গীতবোৰক 'বৰগীত' আখ্যা দিছিল।

বৰগীতসমূহ ভক্তিমূলক গীত। ইয়াক গীতি কবিতা বা লিৰিকো বোলা হয়। ড° পৰীক্ষিত হাজৰিকাই কোৱাৰ দৰে- "- সুৰীয়া ভাষা আৰু অমৃত মধুৰ ভাবৰ মাজেৰে স্বৰ্গৰ পৰম ব্ৰহ্ম মৰ্ত্তলৈ নামি আহি কৃষ্ণ অৱতাৰেৰে বৰগীতত প্ৰতিভাত হৈছে। সেয়েহে গীতা ভাগৱতৰ বাণীতকৈও বৰগীতৰ সুৰে মানৱ প্ৰাণক সহজে চমৎকাৰ কৰিব পাৰিছে।" চৰিত্ৰ পুথিৰ মতে বৰগীতবোৰে ঠাকুৰ আতাৰ দৰে মুখ্য সেৱকবোৰক শংকদেৱৰ ওচৰলৈ আকৰ্ষণ কৰি টানি নিছিল। আনকি ভবানন্দ সাউদে - ভকত কিছুমানৰ মুখত শংকৰদেৱৰ "নাৰায়ণ কাহে ভকতি কৰো তেৰা..." ভণিতাযুক্ত বৰগীত শুনি শংকৰদেৱৰ ওচৰত শৰণ লৈ মাধৱদেৱৰ সখি হৈ পৰিছিল। ড° বাণীকান্ত কাকতিৰ ভাষাত- "পাখি লগা কাঁড়ৰ দৰে শংকৰদেৱ আৰু মাধৱদেৱৰ গীতবোৰ উৰি ফুৰি য'তে পৰিছিল ত'তে নৱ-আধ্যাত্মিক ভাৱৰ গুটি সিচিছিল।" মৰুভূমিত উটে পানীৰ গোন্ধ লৈ জলাশয় বিচৰাৰ দৰে, তৃষ্ণিত মানৱসকলেও বৰগীতৰ ধ্বনি-প্ৰতিধ্বনি লক্ষ্য কৰি গুৰু

দুজনাৰ ওচৰত উপস্থিত হৈছিল।

পৰম পুৰুষৰ লীলাসমূহকেই বিষয়বস্তু হিচাপে লৈ শংকৰদেৱ আৰু মাধৱদেৱে বৰগীতসমূহ ৰচনা কৰিছিল। এই লীলাসমূহ ভক্তিৰসেৰে পৰিপূৰ্ণ আছিল। মহাপুৰুষ মাধৱদেৱৰ বেছি সংখ্য গীতেই বাৎসল্য ভাৱৰ। অৱশ্যে তেওঁ দাস্য ভাৱৰ গীতো ৰচনা কৰিছিল। ড° কাকতিৰ মতে- "বাৎসল্য প্ৰেম মাধৱদেৱৰ ভক্তি জীৱনৰ সৰ্বত্ত।" গীত, পদ, নাট সকলোতেই তেওঁ শ্ৰীকৃষ্ণৰ শিশু চৰিত্ৰ সজীৱ কৰি তুলিছে। সন্তান কৃষ্ণ, ভক্ত মাতা-পিতা এই সম্পৰ্কৰ ভেটিত যিবোৰ বৰগীত ৰচনা কৰা হৈছে সেইবোৰ বৰগীতেই হৈছে বাৎসল্য ৰসৰ ভক্তি গীত।

"কথাগুৰু চৰিত্ৰ" মতে বৰগীতত ছয় ৰসৰ প্ৰয়োগ ঘটিছে আৰু এই ছয় ৰসৰ ভিত্তিতে বৰগীতক ছয় ভাগত ভগোৱা হৈছে।

(ক) লীলা (পৰমপুৰুষ ভগৱানৰ অৱতাৰী লীলা)।
(খ) বিৰহ (কৃষ্ণ বিদায়ত যশোদা আৰু গোপ-গোপীৰ বিৰহ)।
(গ) চাতুৰী (শিশু কৃষ্ণৰ চাতুৰী)।
(ঘ) চৌৰ্য (শিশু কৃষ্ণৰ চৌৰ্যক্ৰিয়া)।
(ঙ) পৰমাৰ্থ (পৰম পুৰুষৰ জ্ঞান)।
(চ) বিৰক্তি (সাংসাৰিক বস্তুৰ প্ৰতি উদাসীনতা বিষয়ৰ গীত)।

মাধৱদেৱৰ প্ৰায়ভাগ গীতেই লীলা, বিৰহ, চাতুৰী আৰু চৌৰ্য বিষয়ক। লীলা বিষয়ক গীতসমূহত জাগৰণ, চলন, নৃত্য, খেলন আৰু নানা অৱতাৰী কাৰ্য বৰ্ণনা কৰা হৈছে। মাধৱদেৱৰ এই গীতবোৰৰ মাজেৰেই শিশু কৃষ্ণৰ বালক জীৱনৰ ৰং-বিৰঙৰ চিত্ৰ ফুটি উঠিছে। মাধৱদেৱৰ জাগৰণৰ গীত কেইটাক মাক যশোদাই পুত্ৰৰূপী শিশু কৃষ্ণক টোপনিৰ পৰা জগোৱাৰ মনোৰম বৰ্ণনা প্ৰকাশ পাইছে।

"তেজৰে কমলাপতি পৰভাত নিন্দ"- এই গীতটোৰ মাজেৰে মাধৱদেৱে মাক যশোদাই পুত্ৰ কৃষ্ণক গৰু চৰাবলৈ জগোৱাৰ দৃশ্যৰে গোকুলৰ ৰাতিপুৱাৰ এটি সুন্দৰ পৰিবেশ ফুটাই তুলিছে। "উঠৰে উঠ বাপু, গোপালহে, নিশি পৰভাত ভৈল। কমল নয়ন, বুলি ঘনে ঘনে যশোদা ডাকিতে লৈল।" কেতিয়াবা শিশুৱে ৰাতিপুৱা উঠিবলৈ এলাহ কৰিলে মাক স্নেহ সনা মাতেৰে কিছুমান প্ৰশংসাসূচক কথা ক'বলগীয়া হয়। যশোদায়ো পুত্ৰ কৃষ্ণক জগাবলৈ তাকেই কৰিছে। "মোৰ প্ৰাণধন" বুলি যশোদাই পুত্ৰ কৃষ্ণক জগাইছে।

মাধৱদেৱক কিছুমান বৰগীতত ফুটি উঠা শিশু কৃষ্ণৰ চৰিত্ৰটি সৰ্বদেশৰ আৰু সৰ্বকালৰ উপযোগী চৰিত্ৰ। এই বৰগীতবোৰত ফুটি উঠা শিশু কৃষ্ণ চৰিত্ৰত 'কৃষ্ণ' নামটি



বাদ দিলে সেয়া যিকোনো শিশুৰ ক্ষেত্ৰত ঘটে। এটি পুৱাৰ গীতত মাক যশোদাই কান্দি থকা কৃষ্ণক স্তন পান কৰাবলৈ চেষ্টা কৰি কৈছে- "গোবিন্দ দুগ্ধ পিউ।" কিন্তু "দুগ্ধ নাখায় হৰি কান্দে উৱা উৱা।" কিন্তু মাকে গাখীৰ খুৱাবৰ বাবে পাৰে মানে চেষ্টা কৰিছে- "পাৰে ধৰো শিৰে কৰো দুগ্ধ পিউ হৰি।" তথাপি কৃষ্ণই "মুখে স্তন লৈয়ো কান্দে ফোঁকাৰি ফোঁকাৰি।" শেষত মাধৱদেৱে কৈছে-

"জগতৰ গুৰু, ভাও লৈয়া মানৱীৰ।
কান্দিতে আকুলমতি কোলে জননীৰ।"

মাধৱদেৱৰ কেইবাটাও বৰগীতত কৃষ্ণৰ ঐশ্বৰীক ৰূপটোতকৈ সাধাৰণ মানৱ শিশুৰ মোহনীয় ৰূপটোহে আকৰ্ষণীয় ৰূপত ফুটি উঠিছে। শিশু কৃষ্ণই যেতিয়া শান্ত মনে আনন্দচিত্তে মাকৰ কোলাত গাখীৰ খাই আছে তেতিয়া "যশোমতী পেখিতে নয়ন জুৰাই। জগ জন জীৱন ভকত

পৰম ধন।হাসি হাসি চৰণ ঘমায়।" ভকতৰ পৰম ধন কৃষ্ণই আনন্দতে মাকৰ কোলাত ভৰি মাৰি আছে আৰু যশোদায়ো কৃষ্ণক সাৰটি ধৰি স্তনপান কৰাই বাৰে বাৰে চুমা খাইছে। মাতৃ-পুত্ৰৰ ই এক চিৰন্ত চিত্ৰ।

যশোদাই কৃষ্ণক টোপনিৰ পৰা জগাই দিয়াৰ পাছতে মাকৰ কাম শেষ নহ'ল। তাৰ পিছত আহিল পুত্ৰক গৰু চৰাবলৈ পঠোৱাৰ কাম, তাৰবাবে লাগিল গৰখীয়াতলিত দুপৰীয়া সাজৰ যোগাৰ। সেয়ে মাক যশোদাই পুত্ৰ কৃষ্ণক দুপৰীয়া সাজৰ বাবে ক্ষীৰ, লৱণু, দৈ, ভাত সকলোখিনি খোৱাৰ বস্তু শিকীয়াত বান্ধি দিয়াৰ লগতে গৰখীয়াতলিত গোপ-বালকসকলৰ লগত খেলাৰ কাৰণে শিঙা, বেণু, বাঁহী, বেত আদি যোগাৰ কৰি দি পঠায়।

"শিঙা বান্ধি ছান্দি কান্দে লৈয়া দধি ভাত।
মাথায়ে ছান্দনী জৰি সাজে জগন্নাথ।।
বাম কৰে শিঙ্গা লৈয়া বেত নেত কৰু চেলি।
বহ ৰসে-লাসে বেসে কৰিয়া চলে কেলি।।
অসংখ্য সহস্ৰ শিশু ধেনু বৎসগন।
শিঙ্গা শঙ্খ বেণু ৰৱে পুৰয় গগন।।"

বৃন্দাবনত গৰু চৰাই থকা অৱস্থাত কৃষ্ণ আৰু গোৱালসকলে এনেয়ে বহি নাথাকে। কদম্বৰ তলত গোপ বালকসকলে কৃষ্ণৰ লগত নানা ধৰণৰ খেল খেলাৰ উপৰিও নানা ভাৱে নৃত্য-গীতৰ মাজেৰে বৃন্দাবন ৰজনজনাই থাকে। তদুপৰি নৃত্যৰত কৃষ্ণৰ ভুৱন ভুলোৱা ৰূপৰ বৰ্ণনাও মাধৱদেৱে সুন্দভাৱে প্ৰকাশ কৰিছে যাতে পাঠকে পাহৰি নাযায় এই মানৱ শিশুৱে কোটি ব্ৰহ্মাণ্ডৰ পতি।

"হাতে বংশী মুখে হাঁসি, গ'লে কদম্বেৰ মালা।
দেখা নাই শুনি নাই এমন বৰণ কালা।।
খেৰি খেলাইতে চলিয়া আছে মোহন কদম্বৰতলা।
ধায়া ধায়া মাৰে কানু গোপ ছৱালক ঠেলা।।
কদম্বতলে দখো সই সৱ ছৱালৰ মেলা।
নানাদ বিনোদ ৰসে পাতি আছে খেলা।।"

গৰু চৰাবলৈ নোযোৱা সময়ত শ্ৰীকৃষ্ণই কেতিয়াবা আনৰ ঘৰত দধি দুগ্ধ চোৰ কৰে। কেতিয়াবা নিজৰ ঘৰতো উদ্ভণ্ডালি কৰে। এদিন গোপাল মাধুৰী মাধুৰী হাঁহিৰে চৰণ চলাই নূপুৰ বজাই গোৱালীপাৰাত নাচিছে। ককালত 'পীতধুতি' পিন্ধি আগলৈ পিছলৈ লয়লাসে চাই 'বালকৰ ভাৰ। দেখিয়া কানাই। গোপীৰ মন ভুলাই' নৃত্য কৰিছে। কৃষ্ণৰ নাচোনৰ বাতৰি পাই দধি বেচি অহা গোৱালীসকলে পোহাৰ পেলাই দৌৰি আহি কৃষ্ণক 'সৱে গোপী মিলি।বাৰে হাতে তালি। বোলে ভাল কৰি নাচা' হাতে তাৰ খাৰু। দিব চিনি লাৰু। বাপু পুৰি চোৰ বাঞ্চা।' গোপীসকলৰ কথাত ভোল গৈ কৃষ্ণই নাচিবলৈ ধৰিলে।

টেটোন কানাই গোৱালীৰ ঘৰত সোমাই কেনেকৈ লৱণু চোৰ কৰি খাই শেষত আকৌ নিজে দোষৰ পৰা ৰক্ষা পাবলৈ দুষ্টালি বুদ্ধি পাতিছে তাৰ সুন্দৰ বিৱৰণ মাধৱদেৱে চুৰ-চাতুৰী গীতবোৰৰ মাজেৰে প্ৰকাশ কৰিছে। এই গীতখিনিৰ মাজেৰে শিশু কৃষ্ণৰ অভিমানৰীয় ৰূপটো প্ৰকট হৈ উঠিছে।

নিজৰ ঘৰত খোৱা বস্তু যিমানেই নাথাকক কিয় আনৰ ঘৰৰ বস্তুলৈ ল'ৰা-ছোৱালীৰ এটি লোভ থাকেই। যশোদাৰ ঘৰত দধি-দুগ্ধৰ অভাৱ নাই। তথাপি কৃষ্ণই গোপিনীৰ ওচৰত লৱণু খোজে।

'বোলত বাণী গোৱাৰীক চায়া"
নবীন লৱণু দেহ গোপ জায়া।।
যো হৰি দাতা পদাৰথ চাৰি।
মাগত লৱণু সাহি মুৰাৰি।।'

কেতিয়াবা গোপনে গোপিনীৰ ঘৰৰ পৰা লৱণু চুৰ কৰিও খায়। শূণ্য গৃহ দেখি এদিন কৃষ্ণই গোপিনীৰ ঘৰত লৱণু চুৰ কৰিবলৈ সোমাই গোপিনীৰ হাতত ধৰা পৰে। কিন্তু টেটোন কানাই নিজৰ হাতৰ দুগ্ধ গোপিনীৰ মুখত সানি দি ওলোতাই গোপিনীক চোৰ সাজি ৰাজপথলৈ টানি আনিছে।

'বোলত কানাই হামু কৈছে চোৰ।
তুহু চুৰুণী মুখহি সাখী চোৰ।।"

গোৱালীৰ ঘৰত কৃষ্ণই লৱণু চোৰ কৰি খাই অতপালিখন কৰাত গোৱালীয়ে কৃষ্ণৰ অতপালিত অতিষ্ঠ হৈ এদিন গোৱালীয়ে যশোদাই পুতেকক নানা ধৰণে গালি পাৰি "গোৱালীৰ পাৰালৈ নাযাবলৈ সাৱধান কৰি দিছে।"

'নাযায়ো নাযায়ো তুমি গোৱালীৰ পাৰা।
কতনো সহিবো মই তোমাৰ ঝগড়া।।
কেহো বোলে ভাঙ্গিলা জোখাৰ মোৰ ভণ্ড।
এমন বয়সে তুমি এতখান চণ্ড।।

আকৌ কৈছে যে নিজৰ ঘৰতে দধি-দুগ্ধৰ নৈ বোৱাই দিব পৰাকৈ আছে। তেনে অৱস্থাত ঘৰতে যিমান পৰা সিমানে পেট ভৰাই নাখাই দুখীয়া ল'ৰাৰ দৰে আনৰ ঘৰে ঘৰে চুৰ কৰি ফুৰাৰ প্ৰয়োজন কি?

এটা গীতত আছে কৃষ্ণই গোপনে ক্ষীৰ লৱণু খাই ক'ত বৰিষেৰ মথনি-মাথি ভাঙ্গি, পলাই ফুৰিছে। যশোদায়ো ধৰিবৰ কাৰণে কৃষ্ণক পাছে পাছে খেদিছে। মাকৰ ভয়ত কান্দি কান্দি ধৰা দিলে। যাৰ নাম কম্পিয়া অন্তক দূৰ হয়। সেই হৰি যশোদাৰ ভয়ত কঁপিছে। যশোদাই নানা তিৰস্কাৰ কৰি কৃষ্ণক বন্ধাত লৱণু চুৰক বান্ধা বুলি গোপীসকলৰ মনত বৰ আনন্দ। আন এটা গীতত 'লৱণু চুৰ বুলি যশোদা মাই। গোকণ্ঠ পাশে বান্ধয় যদুৰায়। যাৰ বাহিৰ ভিতৰ নাই তেওঁকেই আজি যশোদাই বান্ধে লৱণু চুৰ পাই।।' যশোদাই গাৰ জোৰোৰে যিমানেই জৰী আনি টানি টানি বান্ধে সিমানেই দুই আঙুল নোজোৰে। 'তাকে দেখি গোপ ৰমণীসৱ হাসে।' কাৰ শকতি আছে হৰিক বন্ধন কৰাৰ, যদিহে তেওঁ নিজে বন্ধন নহয়। ইয়াতেই শ্ৰীকৃষ্ণৰ পৰম পুৰুষত্ব প্ৰকাশ পাইছে। আচলতে মাতৃৰূপা যশোদা এগৰাকী পৰম ভক্তা আৰু পুত্ৰৰূপী কৃষ্ণ ভক্তৰ অধীন ভগৱান। এই গীতবোৰৰ মাজেৰে আচলতে মাধৱদেৱে সেই তত্ত্বহে প্ৰকাশ কৰিব খুজিছে।

মাক যশোদাই ইমানবোৰ শাস্তি দিয়াৰ পিচত পুত্ৰ কৃষ্ণয়ো কিন্তু মনে মনে থকা বিধৰ নহয়। মাক-বাপেকক নমনা দুষ্ট সন্তানৰ দৰে কৃষ্ণয়ো দুখ আৰু অভিমানত কান্দি কান্দি গালি পাৰি ভাবুকি দিছে। এটা গীতত আছে

'আলো আই গালি তুমি নাপাৰি মোৰে
য'ত অপমান মোৰে দিয়া আছা বাৰে বাৰে
ভালে আমি সৈয়া আছো তোৰে।'

এইদৰে কৃষ্ণই যশোদাক নানা তিৰস্কাৰ কৰিছে। শেষত মাধৱদেৱে কৈছে- "যাহাৰ মায়াৰ অন্ত ব্ৰহ্ম হৰে নাপাৱন্ত হেন হৰি চাতুৰী খেলায়।"

এই গীতবোৰৰ মাজেৰে মহাপুৰুষ মাধৱদেৱে শিশু কৃষ্ণক দুমুখীয়া ৰূপত চিত্ৰিত কৰিছে। এফালেদি তেওঁ চুৰ-চাতুৰি খেলি গোৱালী আৰু যশোদাক লটি ঘটি কৰি বিহগুটি মানৱ শিশু আৰু আনহাতেদি তেঁৱেই ভূমিৰ ভাৰ হৰণ কৰোঁতা ত্ৰিজগতৰ পতি। শিশু কৃষ্ণৰ চৰিত্ৰৰ মাজেৰে মহাপুৰুষ মাধৱদেৱে সাধাৰণ মানৱ শিশুৰ মনস্তৰ সুন্দৰভাৱে ফুটাই তুলিছে।

সৰ্বসাধাৰণ মন ঈশ্বৰাভিমুখী কৰাত সহায়ক হোৱাৰ কাৰণেই মহাপুৰুষ মাধৱদেৱে শ্ৰীকৃষ্ণৰ দুমুখীয়া ব্যক্তিত্বৰ এই বৰগীতবোৰ ৰচনা কৰিছে। তদুপৰি কেবাটাও গীতত শ্ৰীকৃষ্ণৰ অৱতাৰৰ কাৰণো নিৰ্ণয় কৰিছে। যদিও তেওঁ জন্মৰহিত তথাপি জীৱৰ মঙ্গলৰ কাৰণে জন্মগ্ৰহণ কৰে। কেবাটাও গীতত মাধৱদেৱে প্ৰশ্নোত্তৰভাৱে কৈছে, অনন্তৰ ব্ৰহ্মাণ্ডৰ পতি হৈয়ো তেওঁ কিয় লৱণু চুৰ কৰে? কিয় যশোদাৰ হাতত বন্দী হয়?

'যাৰ আজ্ঞা পালে চৰাচৰ নিৰন্তৰে।
কেনে ধনু ৰাখা তুমি গোৱালীৰ ঘৰে।।'
ইয়াৰ উত্তৰত মাধৱদেৱে কৈছে-
'জানিলো কেৱল তুমি ভকতিৰ বশ্য
সকল নিগমে প্ৰভু এ বৰ ৰহস্য।।'

মাধৱদেৱৰ বৰগীতসমূহ ভক্তি প্ৰাণৰ মৰ্মস্পৰ্শী প্ৰকাশ। তেওঁৰ বেছিভাগ বৰগীততেই শিশু কৃষ্ণৰ বাল্য জীৱনৰ ৰং-বিৰঙৰ চিত্ৰ ফুটি উঠিছে। মাধৱদেৱৰ বৰগীতত আছে 'বিশ্বৰম্ভৰ ভগৱান স্বয়ং শ্ৰীকৃষ্ণৰ বিশ্ব-বিমোহন বাল্যৰূপৰ বিৱৰণ জকমকীয়া শব্দৰ আধাৰ। ডঃ নেওগৰ কথাত 'মাধৱদেৱৰ পৰম তৃপ্তি ত্ৰিজগতৰ পতিৰ ৰাখোৱাল ৰূপত তেওঁৰ শিশু সুলভ ক্ৰীয়া কৌতুকত। ৰাস-ক্ৰিয়াৰ, ৰুক্মিণীহৰণৰ শ্ৰীকৃষ্ণ বৰগীতত নাই, আছে কোলাৰ কেঁচুৰা 'মাখন চুৰ' গৰখীয়াতলিত উনৈশত বা বলোৱা সাঁজৰ বেলিকা লালকাল হৈ যশোদাৰ কাষলৈ ঘূৰি অহা শ্ৰীকৃষ্ণ।ঃঃ

**প্ৰসংগ পুথি ঃ**

ক) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত ঃ ডঃ সত্যেন্দ্ৰনাথ শৰ্মা।

খ) অসমীয়া সাহিত্যৰ ৰূপৰেখা ঃ ডঃ মহেশ্বৰ নেওগ।

গ) পুৰণি অসমীয়া সাহিত্য ঃ ডঃ বাণীকান্ত কাকতি।

ঘ) শ্ৰীশ্ৰী শংকৰদেৱ ঃ ডঃ মহেশ্বৰ নেওগ।

ঙ) অসমীয়া সাহিত্য অধ্যয়ন ঃ লক্ষ্মীকান্ত মহন্ত।

চ) চৰ্যাপদ আৰু বৰগীত ঃ কৰবী ডেকা হাজৰিকা, মঞ্জু চক্ৰৱৰ্তী।

ছ) ভাষা সাহিত্যৰ সুবাস ঃ ডঃ লীলাৱতী শইকীয়া।

# লোকপাল বিল আৰু ভাৰতীয় প্ৰেক্ষাপটত ইয়াৰ ভূমিকা

● ভাগ্যশ্ৰী নেওগ
স্নাতক দ্বিতীয় বৰ্ষ, অৰ্থনীতি বিভাগ

ভাৰতৰ আকাশ বতাহ আজি দুনীৰ্তি ভ্ৰষ্টাচাৰৰ কলা ডাৱৰে আৱৰি পেলাইছে। বৰ্তমানৰ পৰিস্থিতি গধুৰ আৰু তমসাছন্ন কৰি তুলিছে। দুৰ্নীতি মুক্ত কলা তেজ এক বৃহৎ সংখ্যক জনগণৰ ধমনীৰ মাজেৰে প্ৰবাহিত হৈ মানুহৰ মন মোহাচ্ছন্ন কৰি তুলিছে।

ইংৰাজৰ ৰাজত্ব কালত দুৰ্নীতি নাছিল বুলি ক'ব নোৱাৰি। বৰ্তমান স্বাধীন ভাৰতবৰ্ষৰ গণতান্ত্ৰিক শাসন ব্যৱস্থাতো ৰাইজৰ প্ৰতিনিধিসকলে তেওঁলোকৰ প্ৰকৃত নগ্নৰূপৰ প্ৰতিফলন ঘটাই আহিছে। যি জনগণৰ ৰায়দ্বাৰা এই প্ৰতিনিধিসকলে ক্ষমতাত অধিষ্ঠিত হয় সেই জনগণক পিঠি দি তেওঁলোকে কলাধন আহৰণত আত্মনিয়োগ কৰিছে। ক্ৰমাগতভাৱে দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰে কদৰ্য ৰূপ ধাৰণ কৰি জনজীৱন কলুষিত কৰি তুলিছে।

এনে দুনীৰ্তিৰ অৱসান ঘটাবলৈ প্ৰখ্যাত গান্ধীবাদী নেতা আন্না হাজাৰেই দুৰ্নীতি ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে জন লোকপাল বিধেয়কৰ খচৰা প্ৰস্তুত কৰি তাক সংসদত উত্থাপন কৰাৰ দাবী জনাই ২০১১ চনৰ ৫ এপ্ৰিলত অনশন আৰম্ভ কৰে।

বিশ্ববিখ্যাত চিন্তাবিদ জে বি ষ্ট্ৰেনৰ এষাৰ বিখ্যাত বাক্য আছিল "Both optmists and pessimists contribute to our society. The optimists invents the airplane and (aeroplane) and the pessimists the parachute." এই কথাষাৰ গান্ধীবাদী সমাজকৰ্মী আন্না হাজাৰেৰ জন লোকপাল বিধেয়কৰ ক্ষেত্ৰত এশ শতাংশই প্ৰযোজ্য।

দুৰ্নীতিৰ বিৰুদ্ধে গঠিত বিধেয়কখনেই হৈছে জন লোকপাল বিধেয়ক। বৰ্তমান সময়ত দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে ব্যাপক জনজাগৰণৰ প্ৰয়োজন হৈছে। দেশৰ প্ৰতিজন নাগৰিকে যদি দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰ প্ৰতিহত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰে আৰু কলাধনৰ লেনদেন বন্ধ কৰাত তৎপৰ হয়, তেতিয়া সামাজিক স্থিতি পুনৰ নিয়ন্ত্ৰিত হ'ব বুলি আশা কৰিব পাৰি।

দুৰ্নীতি প্ৰতিৰোধৰ স্বাৰ্থত জনলোকপাল বিধেয়ক গৃহীতকৰণৰ বাবে আন্না হাজাৰেৰ নেতৃত্বত গঢ়ি উঠা আন্দোলন ভাৰতবৰ্ষৰ সাম্প্ৰতিক কালৰ ৰাজনীতিত এক গুৰুত্বপূৰ্ণ ঘটনা।

আন্না হাজাৰেৰে দুৰ্নীতি বিৰোধী জনলোকপাল বিধেয়কৰ খচৰা প্ৰস্তুত সমিতিখনৰ সদস্যসকলক লৈ বহুজনে বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰিছিল। তেওঁলোকৰ মতে,– সাধাৰণতে আইন প্ৰণয়ন কৰাটো সংসদ বা বিধানসভাৰ কাম। সেই আইনৰ খচৰা প্ৰস্তুত কৰাৰ দায়িত্বও চৰকাৰৰ। তেওঁলোকে কৰা এই বিৰোধিতাৰ কাৰণ হ'ল- যদিহে লোকপাল বিধেয়ক সংসদত গৃহীত হয় তেতিয়া আজিৰ দৰে তেওঁলোকে বৰ্ত্তি থকাটো অসম্ভৱ হৈ পৰিব। কিন্তু ১৬ আগষ্টৰ পৰা ২৪ আগষ্টলৈকে আন্নাই ৰাজহুৱাভাৱে দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে অনশন কৰাৰ সময়ছোৱাত ভাৰতবৰ্ষৰ সৰ্বত্ৰ যি হাৰত সাধাৰণ ৰাইজে তেখেতৰ সমৰ্থনত ওলাই আহিছিল, সি ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহ আৰু ১৯৪৭ চনৰ স্বাধীনতা আন্দোলনৰ কথা সোঁৱৰাই দিয়ে। কাৰণ নাগৰিক সমাজে এনে এখন আইন বিচাৰিছে যিখন আইনৰ জৰিয়তে দোষীক শাস্তি দিব পাৰিব, দুৰ্নীতিৰ জৰিয়তে গোটোৱা ধন পুনৰ উদ্ধাৰ কৰিব পাৰিব আৰু ন্যায়পালিকাক ইয়াৰ পৰিসীমাৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব পাৰিব।

কিন্তু নাগৰিক সমাজৰ এনে ইচ্ছাক গ্ৰহণ কৰাৰ আগ্ৰহ চৰকাৰৰ নাই। কাৰণ সকলোবিলাক ৰাজনৈতিক দলেই



দুৰ্নীতিত পোত খাই আছে।

আন্না হাজাৰেৰ দুৰ্নীতি বিৰোধী আন্দোলন হৈছে এক অৰাজনৈতিক আন্দোলন, যাৰ লক্ষ্য ব্যৱস্থাটোৰ সংস্কাৰ। ৬৩ বছৰীয়া গণতান্ত্ৰিক ভাৰতবৰ্ষৰ পৰা দুৰ্নীতি নিৰ্মূল কৰিবলৈ হ'লে সকলো নাগৰিক ঐক্যবদ্ধ হ'ব লাগিব আৰু সকলোৱে ঐক্যবদ্ধ প্ৰচেষ্টা হাতত ল'ব লাগিব। তাৰবাবে আমাক এখন শক্তিশালী আইনেই নহয় প্ৰচলিত আৰ্থ ৰাজনৈতিক ব্যৱস্থাৰো এক আমূল পৰিৱৰ্তন লাগিব।

কিন্তু কেৱল নিকা, আদৰ্শৱান, সৎ ৰাজনীতিবিদে নিজ দলৰ একক প্ৰচেষ্টাৰে কেতিয়াও এই সমস্যাৰ সমাধান দিব নোৱাৰে। মূলতঃ প্ৰত্যেকজন মানুহৰ মনত সুপ্ত হৈ থকা আধ্যাত্মিক ভাৱৰ উদ্ৰেক ঘটাই সততা, সামাজিক ন্যায় আৰু দেশপ্ৰেমেৰে কাম কৰি যায়, তেতিয়া দেশত দুৰ্নীতি আপোনা আপুনি নাইকিয়া হ'ব।

কঠোৰ জনলোকপাল বিধেয়কখনৰ সমৰ্থনত যি জনজাগৰণ প্ৰতিফলিত হৈছে তাত চৰকাৰ শংকিত হৈ পৰিছে। এই বিধেয়কখন সংসদত গৃহীত হ'লে দুৰ্নীতিগ্ৰস্ত লোকসকলে এজনী পাখি কটা চৰাইৰ ৰূপ ল'ব। বৰ্তমানৰ প্ৰেক্ষাপটত এটা কথা অতি স্পষ্টভাৱে দেখা গৈছে যে, একাংশ ৰাজনীতিকে জানে যে- নিৰ্বাচনত জয়লাভ কৰিবলৈ কেৱল ধনৰ ব্যৱহাৰ হয়। সেয়ে এইচামে লোকপাল বিধেয়কৰ কেৱল বিৰোধিতাহে কৰি আহিছে। তেওঁলোকৰ মনত এক আতংকৰ সৃষ্টি হৈছে আৰু ব্যৱসায়ী, কোম্পানী, আমোলাৰ লবী আদিৰ সৈতে মিলি লোকপাল বিধেয়কৰ খচৰা প্ৰস্তুত কৰা প্ৰক্ৰিয়াটোক বাধা দিয়াৰ সকলো প্ৰচেষ্টা চলাইছে।

দুৰ্নীতিৰ সৈতে মোকাবিলা কৰিবৰ বাবে প্ৰতিখন চৰকাৰে সম্পূৰ্ণৰূপে সহানুভূতিশীল আৰু ৰাজনৈতিক সদিচ্ছাৰ অভাৱ প্ৰদৰ্শন কৰি আহিছে। স্বাধীনতাৰ ৬৪ বছৰৰ পাছতো আমি প্ৰকৃত স্বাধীনতা লাভ কৰিবলৈ সক্ষম হোৱা নাই। লোকপাল বিধেয়কখন যোৱা ৪৩ বছৰে সংসদত কেইবাবাৰো উত্থাপন কৰা হৈছে কিন্তু আইনৰ পৰিণত নহ'ল। ইয়াৰ অৰ্থ এয়ে যে ৰাজনীতিবিদ আৰু আমোলাসকলে এনে কোনো আইন প্ৰণয়ন হোৱাটো নিবিচাৰে, যিসমূহে তেওঁলোকৰ কাৰ্যকলাপ ৰাজহুৱাভাৱে নিৰীক্ষণ কৰিব পাৰে।

লোকপাল বিধেয়কখন কেৱল দুৰ্নীতিকেই যে বাধা দিব এনে নহয়, ই ভাৰতৰ ৰাজনীতিৰ চৰিত্ৰও সলনি কৰিব। ধনবান ৰাজনীতিবিদৰ পৰিৱৰ্তে আমি প্ৰকৃত ৰাজনীতিবিদ দেখিবলৈ পাম যি সৎ পথেৰে আৰ্জিত ধনেৰেই জীৱন নিৰ্বাহ কৰিব।

জনমতৰ ওচৰত নতশিৰ হোৱা আৰু জনমতৰ প্ৰতি

শ্ৰদ্ধাশীল হোৱা দুয়োটা একে বিষয় নহয়। আন্নাৰ আন্দোলনৰ সময়ছোৱাত আমাৰ চৰকাৰে শেষলৈ জনমতৰ ওচৰত নতশিৰ হ'লেও সৰ্বান্তকৰণে শ্ৰদ্ধাশীল হোৱা যেন অনুভৱ নহয়। চৰকাৰী মুখপাত্ৰসকলে প্ৰথম অৱস্থাত এইবুলি প্ৰচাৰ চলাইছিল যে 'মাত্ৰ এজন মানুহে কোৱা এটা কথাৰ বাবে আমি সংসদীয় প্ৰথাৰ বিৰুদ্ধে যাব নোৱাৰো। আমি নিৰ্দিষ্ট নিয়মেৰে আইন প্ৰণয়ন কৰি যাম। মাজতে অসংসদীয় এজনে আহি ক'ব তেওঁ অনশন কৰিব। এইবোৰ অযুক্তিকৰ কথা। এইসকল ৰাজনীতিকে জনতাৰ হৃদয়ৰ ভাষশ পঢ়িব নোৱাৰে। সুস্থ জনমত সৃষ্টিৰ হোতাসকলক তেওঁলোকে মিছা অপবাদেৰে কলংকিত কৰিবলৈ বিচাৰে।

এনে সকলো কূট কৌশল আন্নাৰ ক্ষেত্ৰতো প্ৰয়োগ কৰা হৈছে। তেওঁক সৈন্যে বাহিনীৰ পৰা পলায়ন কৰা ব্যক্তি বুলি প্ৰচাৰ কৰা হ'ল। লাখ লাখ টকা খৰচ কৰি জন্মদিন পালন কৰা তেওঁ এজন বিলাসী ব্যক্তি বুলি প্ৰচাৰ চলোৱা হ'ল। এনে প্ৰচাৰৰ প্ৰতি সংসদে 'মৌনেন সন্মতি লক্ষণম' প্ৰথাৰে স্বীকৃতি আগবঢ়ালে। কিন্তু সময়ত এই সকলোবোৰ ভয়াৰ্ত ব্যক্তিৰ বিদ্বেষপূৰ্ণ উদ্‌গীৰণ বুলি প্ৰমাণিত হ'ল। তথাপিও আন্নাৰ সমৰ্থকৰ সংখ্যা হ্ৰাস পাই নগ'ল। বাঢ়িহে গ'ল। এইসকলোবোৰে মাথো এটাই ইংগিত দিয়ে- ভাৰতবৰ্ষত গণতন্ত্ৰই ক্ৰমাৎ অধিক পৰিপক্কতা লাভ কৰিছে। ভাৰতবৰ্ষৰ জনতাই গণতন্ত্ৰক কাৰো ওচৰত বন্ধকত থবলৈ ৰাজী নহয়। তেওঁলোকক লাগে মাথো ন্যায় প্ৰতিষ্ঠাৰ ক্ষেত্ৰত চৰম ত্যাগ কৰিবলৈ সদা প্ৰস্তুত, নিকা চৰিত্ৰৰ এজন নেতা। আন্নাৰ মাজত তেওঁলোকে এনে এজন নেতাৰ সন্ধান পাইছে। গতিকে আহক আমি সকলোৱে এখন দুৰ্নীতি মুক্ত সুস্থ সৱল দেশ গঢ়াৰ স্বাৰ্থত আন্নাৰ লোকপাল বিল/ বিধেয়কখন কাৰ্যকৰী হোৱাত সহায়ৰ আত আগবঢ়াওঁ।ঃঃ

## মহৎ লোকৰ বাণী

প্ৰত্যেক মানুহৰে সৎগুণ যেনেকৈ থাকে, অসৎ গুণো আছে। অসৎ গুণখিনি বাদদি সৎ গুণখিনি বাচি ল'ব পৰাটোতহে মানৱতাৰ কৃতিত্ব।

— সত্যনাথ বৰা।

কাল ৰাত্ৰিৰ বুকুতে নতুন প্ৰভাত লুকাই থাকে।

— ভূপেন হাজৰিকা

জীৱনৰ ৰূপ কেতিয়াবা সুন্দৰ, কেতিয়াবা ভয়ংকৰ। তাক সত্য ৰূপত গ্ৰহণ কৰিবলৈ হ'লে জীৱনৰ দৃষ্টি হ'ব লাগিব প্ৰখৰ আৰু নিৰ্ম্মল।

—হোমেন বৰগোহাঁই।

সংগ্ৰাহক ঃ শ্ৰী মঞ্জুশ্ৰী দত্ত, স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

# যুৱ উশৃংখলতা আৰু আমাৰ সমাজ ব্যৱস্থাৰ পৰিণতি

**মঞ্জুশ্ৰী দত্ত**
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

জীৱনৰ অসীম সম্ভাৱনা, সৃষ্টিৰ নিচা থকা যুৱ কালছোৱা ভৱিষ্যৎ গঢ়াৰ আটাইতকৈ গুৰুত্বপূৰ্ণ জীৱনৰ স্তৰ। মায়া আৰু সপোনৰ কুঁৱলীয়ে আচ্ছন্ন যুৱক-যুৱতী। এই সময়ছোৱাতেই অন্দিত ৰূপেৰে প্ৰকৃতিৰ কোলাত ৰঙা গোলাপ হৈ দিগন্ত ব্যাপি প্ৰসাৰিত হোৱাৰ মধুলগ্নত উপস্থিত হয়। জড় জগত, জীৱ জগত সকলোতে প্ৰত্যেক প্ৰাণীয়েই উক্ত সময়ছোৱাত জীৱনৰ মধুৰ স্বপ্নৰ কাৰেং সাজে। উপযুক্ত আৰ্হি, সামাজিক বাতাবৰণ, ঘৰুৱা পৰিবেশ, আৰ্থিক অৱস্থা, মনঃস্তাত্ত্বিক পৰিৱেশ আদিয়ে যুৱক-যুৱতীৰ সপোন বাস্তৱায়িত কৰাত বিশেষ ভূমিকা লয়। ভৱিষ্যৎ জীৱন গঢ়াৰ আচল সময়খিনিত উল্লিখিত অত্যাৱশ্যকীয় চৰ্তসমূহ যথাৰ্থভাৱে পূৰ্ণ নহ'লেই যুৱক-যুৱতীৰ ভৱিষ্যতৰ ৰঙীন সপোন তাচপাতৰ ঘৰৰ 'দৰে ভাগি থান-বান হৈ যায়। বৰ্তমান আমাৰ সমাজ জীৱনত এক মাৰাত্মক ব্যাপি হিচাপে উশৃংখল যুৱ মানসিকতাই দেশ আৰু জাতিৰ সন্মুখত প্ৰত্যাহ্বান হৈছে। চাৰিওফালে কেৱল হত্যা, লুণ্ঠন আৰু ধৰ্ষণ। ৰাতিপুৱা বাতৰি কাকতখন হাতত ল'লেই চকুত পৰে যুৱকৰ দ্বাৰা ধৰ্ষিতা নাৰীৰ মৃত্যুশীতল বিৱৰ্ণ আকৃতিৰ এখন স্বপ্নবিধস্ত মুখাবয়ৱ অথবা লাখ লাখ টকা বলপূৰ্বক ভাৱে কাঢ়ি নিয়াৰ চাঞ্চল্যকৰ তথ্য। দিনটোৰ শুভাৰম্ভ হোৱা মুহূৰ্তটোতে এনেকুৱা নিদাৰুণ খবৰ আজিকালি অতিকে সুলভ। প্ৰতিটো পলে মানুহৰ জীৱনলৈ কঢ়িয়াই আনে নতুন আশা আৰু উদ্দীপনাৰ মোহিনী বাণ। কিন্তু বৰ্তমানৰ প্ৰভাৱবোৰ ইমান উকা কিয় ? যুৱক-যুৱতীৰ ভৱিষ্যতৰ ৰঙীন স্বপ্ন থানবান হোৱাৰ গুৰিতে হ'ল আমাৰ সমাজ ব্যৱস্থা।

আজিৰ অগাধ বস্তুবাদী সমাজত মানুহে মূল্য, সৌন্দৰ্য, আনকি সুকুমাৰ অনুভূতিখিনিও অৰ্থৰে জোখ-মাখ কৰে। অৰ্থ সৰ্বস্ব জীৱনানুভূতিয়ে জীৱনৰ মহান প্ৰমূল্য আৰু আচল সত্যবোৰ ডুবাই ওপৰে ওপৰে জীৱনৰ ৰূপ-ৰসবোৰ পান কৰিবলৈ আতুৰ হৈ পৰে। আজিৰ সমাজ যিহেতু এক চূড়ান্ত ভোগবাদী ৰূপত থিয় দিছে। সেইবাবে মানুহে ভোগবাদী চৰিত্ৰৰ পূৰ্ণতৃপ্তিৰ বাবে জীৱনৰ প্ৰচলিত নীতি-নিয়ম আৰুপথৰ পৰা বিচ্ছিন্ন হৈ পৰিছে। সহজতে পোৱা টকা-পইচাই অনৰ্থক আজিৰ যুৱ চামক পংগু কৰি পেলাইছে। অধ্যয়নৰ দৰে জটিল অনুশীলন বাদ দি বাহিৰৰ ৰং-চংত বিভোৰ হৈ পৰে। সাধাৰণতে নিষিদ্ধ বুলি বিবেচিত বস্তুসমূহৰ প্ৰতি আজিৰ যুৱচামৰ অধিক আকৰ্ষণ দেখা যায়। কম বয়সতে বাহ্যিক বস্তুসমূহৰ প্ৰভাৱত যুৱক এজন ক্ৰমশঃ ভিতৰি ভিতৰি দুৰ্বল হৈ পৰে, বুদ্ধি-বৃত্তিৰ বিকাশ মন্থৰ হৈ পৰে। গতিকে এনেকুৱা অৱস্থাত তেওঁ দিক্-বিদিক শূণ্য হৈ অপৰাধ জগতৰ বাসিন্দা হৈ পৰে। এবাৰ এটা অপৰাধ কাৰ্যত জড়িত হ'লেই তেওঁৰ সেই অপৰাধ প্ৰৱণতা দ্ৰুত গতিত বাঢ়ি গৈ নিজে ধ্বংসৰ গৰাহত পতিত হয়।

আমাৰ বৰ্তমান দেশৰ সাংস্কৃতিক অৱস্থাও ভোগবাদী সমাজৰ অনুকূলে গঢ়ি উঠিছে। যদিও নিপীড়িত জনতাই বুকুৰ তেজ ঢালি যুগে যুগে মানৱ সংস্কৃতিৰ সৌধ নিৰ্মাণ কৰি আহিছে, তথাপি এইটো সত্য যে এই নিৰ্ভেজাল সংস্কৃতিৰ হতত ধৰি দুষ্কৃতিৰ পিৰামিড এটাও বাঢ়ি আহিছে। সম্প্ৰতি দুষ্কৃতিকাৰীৰ টিঘিলঘিলনিত প্ৰকৃত সংস্কৃতি ভাবুকিৰ সন্মুখীন হৈছে। ভোগবাদী ৰাষ্ট্ৰৰ স্বাৰ্থৰক্ষাৰ বাবে গঢ়ি উঠা মাধ্যমসমূহ যেনে- অনাতাঁৰ, টেলিভিছন, ভিডিঅ', আদিয়ে বৰ্তমান কোনো সুশৃংখ জীৱনবোধ গঢ়ি তোলাত সহায় কৰা নাই। তাৰোপৰি ম'বাইল, ফেচ'বুক, ইণ্টাৰনেট আদিৰ কথা উনুকিওৱাৰ কোনো প্ৰয়োজনেই নাই। এই মাধ্যমসমূহে বিকৃত ৰুচিবোধ সিক্ত জীৱনৰ ছবি দাঙি ধৰি অথবা প্ৰচাৰ কৰি যুৱ সমাজৰ তেজত বিষাক্ত বীজ ৰোপণ কৰাইছে। লেখক, সাহিত্যিক, শিল্পী, সাংবাদিক আৰু বুদ্ধিজীৱি সকলেও দ্বিধাগ্ৰস্ত হৈ সঠিক ভূমিকা পালনত ব্যৰ্থ হৈছে।

উল্লিখিত কাৰকসমূহৰ বাবে আজিৰ যুৱক-যুৱতীৰ উশৃংখল মানসিকতা গঢ়ি উঠিছে। এই মানসিকতা মানৱ সভ্যতা আৰু সংস্কৃতিৰ পৰিপন্থী। মানৱ সমাজক ভিতৰি ভিতৰি পংগু কৰা এই ব্যাধি নিৰ্মূল কৰাটো আমাৰ কৰ্তব্য। আমি প্ৰত্যেকেই গভীৰভাৱে চিন্তা কৰি এই ব্যাধি ধ্বংসৰ বাবে মাৰবান্ধি থিয় হোৱাটো সময়ৰ দাবী বুলি ভাবিবৰ হ'ল।

ঃঃঃঃঃঃঃঃঃঃঃঃ

# নিচাযুক্ত দ্ৰব্যৰ ভয়াবহতা আৰু ছাত্ৰ সমাজ

**লাকীমণি গগৈ**
স্নাতক দ্বিতীয় যান্মাসিক,
ৰাজনীতি বিজ্ঞান বিভাগ

মানৱ সংস্কৃতিত নিচাযুক্ত দ্ৰব্যৰ সেৱনৰ আসক্তি অতীজৰে পৰা চলি আহিছে। কিন্তু ইয়াৰ প্ৰৱেশৰ কথা একে আষাৰে কৈ দিয়া টান হ'ব। সাধুৰ পৰা ধৰ্মপুথিলৈকে সুৰাপানৰ পৰা হোৱা সৰ্বনাশীয় দৃশ্যৰ অৱতাৰণা কৰা পোৱা যায়। ভাগৱতৰ একাদশ স্কন্ধত সুৰাত মত্ত হৈ নিজৰ মাজতে দ্বন্দ-খৰিয়াল কৰি যদু বংশ ধ্বংস হোৱাৰ সুন্দৰ বৰ্ণনা আছে।

বহু অসৎ লোকে নিজৰ লাভৰ বাবে নানা ধৰণৰ নিষিদ্ধ নিচাযুক্ত দ্ৰব্যৰ প্ৰচলন কৰে। এনে দ্ৰব্যৰ বিক্ৰীৰ বাবে প্ৰধানকৈ কিশোৰ-কিশোৰীসকলকে বাচি লোৱা হয়। ছাত্ৰ-ছাত্ৰীসকলে কৈশোৰ অৱস্থাত আত্মনিৰ্ভৰশীল হৈ থকাৰ প্ৰৱণতা বেছি। গতিকে এই বয়সত যদি এবাৰ কেনেবাকৈ দুঃচিন্তা মগজুত সোমায় তেন্তে তাৰ পৰা হাত সৰা কঠিন। ইয়াৰ ফলস্বৰূপে বহুতো ছাত্ৰ-ছাত্ৰীয়ে হতাশাত ভোগে আৰু জীৱন অতিবাহিত কৰাত অনবৰত ব্যাঘাত জন্মে। এইটো বয়সত ছাত্ৰ-ছাত্ৰীসকলে ডাঙৰৰ কাষ চাপে কিন্তু কিছু লোকৰ বৈষম্য বেছি। সেইবাবে ছাত্ৰ-ছাত্ৰীৰ মন বিভ্ৰান্ত হৈ উঠে।

**ধপাত ঃ** ইংলেণ্ডত সৰ্বপ্ৰথম ৰাণী প্ৰথম এলিজাবেথৰ ৰাজত্ব কালতে চাৰ ৱাল্টাৰ ৰেলিয়ে আমেৰিকাৰ পৰা আনি ইংলেণ্ডত ধপাতৰ প্ৰচলন আৰম্ভ কৰে। ভাৰতত জাহাংগীৰৰ ৰাজত্ব কালত চাৰ থমাছ ৰোয়ে ইয়াৰ প্ৰচলন কৰে। বাণিজ্যিক ভিত্তিত পৃথিৱীৰ বিভিন্ন দেশত ধপাত উৎপাদন কৰি অহা হৈছে। ভাৰত, চীন, আমেৰিকা এই ক্ষেত্ৰত উল্লেখযোগ্য। ধপাতৰ বৈজ্ঞানিক নাম হ'ল- 'Nicotiana tobacum Linn. Family Solanaceae.'

ধপাত সেৱনৰ ফলত কৰ্কট ৰোগে আক্ৰান্ত কৰিব পাৰে। ধপাত সেৱনৰ ফলত ওঁঠত কৰ্কট ৰোগ, ডিঙিৰ কৰ্কট ৰোগ, হাওঁফাওঁৰ কৰ্কট ৰোগ, মুখ গহ্বৰৰ কৰ্কট ৰোগ, অগ্নাশয়ৰ কৰ্কট ৰোগ, বৃক্কৰ কৰ্কট ৰোগ আদিয়ে দেখা দিয়ে। এক সমীক্ষা মতে যুক্তৰাষ্ট্ৰত ৩০ শতাংশ কৰ্কট ৰোগৰ কাৰণ হৈছে ধপাত।

**চিগাৰেট ঃ** চিগাৰেটৰ জ্বলি থকা মূৰৰ তাপমান প্ৰায় ১০০° চেন্টিগ্ৰেড। এই উচ্চ তাপৰ কাৰণে ধপাতৰ সম্পূৰ্ণজ্বলন হৈ প্ৰচুৰ পৰিমাণে ধোঁৱা উৎপন্ন হয়। এই ধোঁৱাও ৪০০০ তকৈয়ো অধিক ৰাসায়নিক উপাদান থাকে। যেনে- আলকাতৰা, পলিনিউক্লিয়েৰ হাইড্ৰকাৰ্বন, নাইট্ৰোছেমহিন, হাইড্ৰেলেজাই আদি।

চিগাৰেটৰ ধোঁৱাত কাৰ্বন-ম'নক্সাইড থাকে। ই হাওঁফাওঁৰ পৰা ডিফিউজন (Difusion)ৰ দ্বাৰা তেজৰ লোহিত ৰক্ত কণিকাৰ লগত সংযুক্ত হয়। ফলত তেজত অক্সিজেনৰ পৰিমান কমি যায়। নিয়মীয়া ধূমপান কৰা মানুহৰ তেজত ১৫ শতাংশ এনে কাৰ্বন ম'নক্সাইড থাকিব পাৰে।

চিগাৰেটৰ ধোঁৱাই শ্বাসনলীত অস্বস্তিকৰ খচখচনিৰ সৃষ্টি কৰে।

ফলস্বৰূপে চিগাৰেট খোৱা মানুহ দীৰ্ঘদিনীয়া কাহত ভুগি থকা পৰিলক্ষিত হৈছে। চিগাৰেট সেৱনৰ ফলত হাওঁফাওঁৰ স্থিতিস্থাপক ক্ষমতা হ্ৰাস পায়। ফলত এমফাইছিমা আৰু হাপাঁনি নামৰ মাৰাত্মক ৰোগ হয়, যাক চিকিৎসাৰ দ্বাৰা আৰোগ্য কৰিব নোৱাৰি। চিগাৰেট সেৱন কৰিলে ধোঁৱা জৰিয়তে বা চাদা, জৰ্দা খালে ধপাতত থকা নিকটিন আৰু লবৈলিন প্ৰত্যেকত প্ৰৱেশ কৰে। নিকটিনে স্বয়ংচালিত স্নায়ুতন্ত্ৰ গেংলিয়ন সমূহক প্ৰথমে উত্তেজিত কৰি তোলে। কিন্তু পিছত সম্পূৰ্ণৰূপে নিষ্ক্ৰিয় কৰি পেলায়। ধপাত সেৱনৰ ফলত উচ্চ ৰক্তচাপ, ক'ৰনাৰী হাৰ্ট ডিজিজ, পেপটিক আলচাৰ, ক্ৰনিক ব্ৰংকাইটিছ, এসফাইছিমা আদি ৰোগৰ সৃষ্টি হয়। চিগাৰেটৰ ধোঁৱাই শ্বাসনলীৰ দেৱালত থকা চিলিয়া সমূহ ধ্বংস কৰি পেলায়, ফলত শ্বাসনলীৰ ৰোগ প্ৰতিৰোধ ক্ষমতা নোহোৱা হয়।

**সুৰাপান ঃ** নিচাযুক্ত দ্ৰব্য বুলিলে আন এটা কথা মনলৈ আহে সেয়া হৈছে সুৰা বা মদ। সুৰাই আঘাত হানে যদিও ই স্থায়ী নহয়। হ্ৰস্বম্যাদী এক মাতাল অৱস্থাৰহে সৃষ্টি কৰে। সুৰাৰ নিচাই এজন লোকক কেনে অপদস্থ কৰি তেওঁক অৱনমিত কৰিব পাৰে সেয়া সুৰা সেৱনকাৰীজনে উপলব্ধি কৰিব নোৱাৰে। সুৰাই মানুহৰ আভ্যন্তৰীণ প্ৰত্যংগ যেনে- মগজু, বৃক্ক, যৌনগ্ৰন্থি, যকৃৎ, হৃদপিণ্ড, মূত্ৰাশয়, মূত্ৰনলী, পৰিপাক প্ৰণালী আদি সকলোবোৰ ক্ৰমে ক্ৰমশ কৰি পেলায়। সেয়েহে সুস্থ জীৱন যাপন কৰিবলৈ হ'লে এনে এটা অৱস্থাৰ প্ৰাপ্ত হোৱাৰ আগতেই মদৰ গোলাপী নিচাৰ কথা পাহৰি পেলাব লাগিব।

*কেৱল যে মদ্য পান কৰিলেই ইথাইনেলৰ কবলত পৰিব লাগিব সেয়া নহয়। আমাৰ পাৰিপাৰ্শ্বিক ইমানেই প্ৰদূষিত যে যান-বাহনৰ পৰা নিৰ্গত হোৱা ধোঁৱা বিশেষকৈ নগৰ অঞ্চলত বিষাক্ত খাদ্য দ্ৰব্য আদিৰ পৰাও ইথাইনেলৰ দৰে বিষাক্ত দ্ৰব্যই আমাৰ শৰীৰত ক্ষতিসাধন কৰে। কেন্সাৰ, যকৃতৰ অসুখ আৰু আলঝাইমাৰৰ কাৰণে কিছু পৰিমাণে ইথাইনেল দায়ী।*



সুৰাৰ সক্ৰিয় উপাদানটো হ'ল-- এলক'হল ইথাইল। ইথাইলৰ মূল কাৰ্যকৰী মূলকটো এটা হাইড্ৰক্সিল গ্ৰুপ, যিটো সমঘেৰী বান্ধনিৰ দ্বাৰা মূল হাইড্ৰকাৰ্বনাংশৰ সংপৃক্ত কাৰ্বন এটাৰ লগত সংপৃক্ত হৈ থাকে। ইয়াৰ উতলাংক ৭৮.৪° ছেলছিয়াছ আৰু হিমাংক ১১৪° ছেলছিয়াচ। যদিও ইথাইলক সক্ৰিয় উপাদান বুলি ভবা হয় কিন্তু শৰীৰৰ অংগ-প্ৰত্যংগ পংগু কৰা আগভাগ লয় অন্য এটা বিষাক্ত দ্ৰব্যহে। যাৰ জন্মস্থান 'কেলিকেল ফেক্টৰী' অৰ্থাৎ যকৃৎ। যাৰ নাম হৈছে 'এচিটেলডিহাইড' (acctaldehyde) অথবা ইথানেল (ethanal)। উল্লেখযোগ্য যে ইথানেল ইথহিলতকৈ প্ৰায় ত্ৰিশ গুণ অধিক সক্ৰিয় আৰু অধিক বিষাক্ত।

কেৱল যে মদ্য পান কৰিলেই ইথাইনেলৰ কবলত পৰিব লাগিব সেয়া নহয়। আমাৰ পাৰিপাৰ্শ্বিক ইমানেই প্ৰদূষিত যে যান-বাহনৰ পৰা নিৰ্গত হোৱা ধোঁৱা বিশেষকৈ নগৰ অঞ্চলত বিষাক্ত খাদ্য দ্ৰব্য আদিৰ পৰাও ইথাইনেলৰ দৰে বিষাক্ত দ্ৰব্যই আমাৰ শৰীৰত ক্ষতিসাধন কৰে। কেন্সাৰ, যকৃতৰ অসুখ আৰু আলঝাইমাৰৰ কাৰণে কিছু পৰিমাণে ইথাইনেল দায়ী। প্ৰশ্ন হয় যদি ইথাইনেল ইমানেই বিষাক্ত তেতিয়াহ'লে পৃথিৱীত মদপী লোকৰ সংখ্যা ক্ৰমান্বয়ে বৃদ্ধি হ'বলৈ ধৰিছে কিয়? কাৰণ প্ৰকৃতিয়ে প্ৰতিবিধান সৃষ্টি কৰাটো স্বাভাৱিক। সেয়েহে হয়তু আমাৰ মানৱ শৰীৰত দিনে অপসাৰী এলানি অনুসেচক (detoxifying) থাকে। এইবোৰে শৰীৰত উৎপাদিত বিষাক্ত দ্ৰব্যবোৰৰ বিষদাঁত উঘালি পেলোৱাত সহায় কৰে।

সুৰাৰ গলাধকৰণ কৰাৰ লগে লগে যকৃতৰ কামো

আৰম্ভ হ'বলৈ ধৰে। প্ৰথমতে যকৃতৰ এলক'হল ডিহাইড্ৰজিনেক (alcohol dehydrogenare) নামৰ উৎসেচক বিধে ইমানলক জাৰিত কৰি ইথাইনেললৈ ৰূপান্তৰ ঘটায়। ইথাইনেল যকৃতত গঠন হোৱাৰ লগে লগে এলডিহাইড-ডিহাইড্ৰ'জিনেক নামৰ উৎসেচকবিধ সক্ৰিয় হয় আৰু ইথাইনেলক প্ৰায় লগে লগে ই এচিটিক এচিডলৈ পৰিবৰ্তন কৰে। এচিডিক এচিড শৰীৰৰ ক্ষতিকাৰক নহয়, বৰঞ্চ ই মাংসপেশীৰ শক্তিৰ ইন্ধন হিচাপেহে কাম কৰে। কিন্তু ইথাইনেলৰ পৰা উৎপাদিত হোৱা ইথাইনেলৰ যৎসামান্য ৰক্তপ্ৰবাহলৈ প্ৰৱাহিত হ'বলৈ পায় আৰু সেই সামান্যই শৰীৰৰ ক্ষতিসাধন কৰে।

**সুৰাৰ অপৰিবৰ্তনীয় ক্ষতিসাধন ঃ**

আমাৰ দেহটোৰ অংগ-প্ৰত্যংগবোৰ প্ৰটিনৰ দ্বাৰা গঠিত। প্ৰকৃততে প্ৰটিনবোৰ এমিন' এচিডৰ একোধাৰী মালা। এমিন' মূলকবোৰৰ লগত ইথাইনেলৰ ৰাসায়নিক বিক্ৰিয়াৰ ফলত সৃষ্টি হোৱা এডাক্ট (adduct) যৌগবোৰে শৰীৰৰ বিস্তৰ ক্ষতিসাধন কৰে। এজন সুৰাসেৱী লোকৰ মগজু আৰু যকৃতত‌কৈ মাংসপেশীৰহে ক্ষতি হয়। যিবোৰ মদপী ব্যক্তিৰ যকৃতৰ অসুখ হয় তেওঁলোকৰ ৰক্ত প্ৰবাহত ৭০ শতাংশ ইথাইনেল এণ্টিবডি পোৱা যায়। ইয়াৰ ফলত শৰীৰত জ্বলা-পোৰা, গাঁঠি-বাত, হাৰ্ট এটেক, আলঝাইমাৰ আৰু কেন্সাৰ সঞ্চাৰ হোৱা প্ৰবল সম্ভাৱনা থাকে।

ইথাইনেলে কোষস্থ জিনটো আঘাত হানে। ই DNA কো (Deoxyribo Nucleic acid) নুই কৰে। DNAৰ লগতো ইথাইনেলৰ সংযোজিত হৈ DNA Adduct সৃষ্টি কৰে আৰু এইবোৰে DNAৰ কাৰ্যক্ৰমত বাধা জন্মোৱাৰ উপৰিও DNAৰ ৰিপাটন ঘটায়। যাৰ ফলত DNAৰ উৎপৰিবৰ্তন, ঘটে পলিসৰ্ফিজিম সৃষ্টি কৰিব পাৰে।

মানুহৰ যকৃতত থকা এলক'হল ডিহাইড্ৰজিনেজে মদত থকা ইথাইনলক ইথাইনেললৈ জাৰণ প্ৰক্ৰিয়াৰে ৰূপান্তৰ ঘটোৰ ফলত মদ গলাধকৰণ হোৱাৰ লগে লগে শৰীৰৰ উত্তাপ বৃদ্ধি পায়। যিবিলাক জিনে এলডিহাইড ডিহাইড্ৰজিনেল উৎসেচক প্ৰস্তুত নকৰে বা কমকৈ কৰে তেন্তে ৰক্তপ্ৰবাহত ইথাইনেলৰ পৰিমান ৬ৰ পৰা ২০ গুণ পৰ্যন্ত বৃদ্ধি হোৱা দেখা যায়। যাৰ ফলত মুখমণ্ডললৈ তেজৰ সোঁত বৃদ্ধি পায়, হৃদপিণ্ডৰ সঞ্চালন বাঢ়ি যায়। এনে দোষযুক্ত জিন থকা লোকে সুৰাপান কৰিবলৈ নেৰিলে gastrointestinal tractত কেন্সাৰ হোৱাৰ সম্ভাৱণা অতি প্ৰবল। সুৰাপানৰ ফলত স্তনৰ কেন্সাৰো হ'ব পাৰে। যিবিলাকে লোকৰ এলডিহাইড ডিহাইড্ৰ'জিনেজ নিঃসৰণ কৰা জিনটো দোষযুক্ত হয় সেইবিলাক লোক মদপী হ'লে তেওঁলোকৰ আলঝাইমাৰ ৰোগত ভুগিবলগীয়া হয়।

সুৰা সেৱন ইমানেই ক্ষতিকাৰক যে সকলো পইচা জুৱা খেলি বা অন্য বিপদচালিত কামত খটুৱাই শেষলৈ নিজৰ সা-সম্পত্তিলৈও হাত দিয়ে। এনে অৱস্থাত নিজে ধ্বংস হোৱাৰ বাদেই পৰিয়াললৈও ইয়াৰ প্ৰভাৱ পৰিব পাৰে।

আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এই নিচাযুক্ত দ্ৰব্যৰ সেৱন প্ৰায়ে দেখা যায় বা শুনা যায়। দৈনিক বাতৰিখন মেলি চালেই ইয়াৰ প্ৰমান পোৱা যায়। মদ্যপান কৰি উন্মুক্ত হৈ বিভিন্ন ধৰণৰ অপ্ৰীতিকৰ কাৰ্য কৰা, চিগাৰেটৰ ধোঁৱা উৰুৱাই বাটৰুৱাক অশ্লীল বাক্যৰে অপদস্থ কৰা আদি প্ৰায়েই শুনা যায়। বাতৰি কাকত বা অনাতাঁৰৰ যোগেদি সঘনাই এইবোৰ কথা প্ৰচাৰ হোৱাৰ বাবেই কিছুমান ছাত্ৰ-ছাত্ৰীয়ে এই অভিজ্ঞতা নিজে ল'বলৈ কৌতুহলী হৈ পৰে। ছাত্ৰ-ছাত্ৰীসকলে আসক্ত সংগীৰ প্ৰৰোচনাত পৰি নিচাযুক্ত দ্ৰব্য সেৱন কৰিবলৈ বাধ্য হয়। ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰত যিসকলে অকলশৰীয়া, অনাদৃত, নিৰাপত্তাহীন অনুভৱ কৰে তেওঁলোকেও এই দ্ৰব্য সেৱন কৰিবলৈ বাধ্য। এজন মানুহে প্ৰত্যক্ষভাৱে ধূমপান নকৰিলেও পৰোক্ষভাৱে ধূমপানৰ বলি হয়। বৰ্তমান ভাৰতবৰ্ষত মাদক দ্ৰব্যৰ ব্যাপক প্ৰচলন হৈ আছে। এনেদৰে যদি ব্যাপক হাৰত এই মাদক দ্ৰব্যৰ প্ৰচলন হৈ থাকে তেতিয়া হ'লে আমাৰ নৱ-প্ৰজন্মৰ বিস্তৰ ক্ষতিসাধন কৰিব।

সুৰাপান আৰু ধূমপান দুয়োটাই যেতিয়া শৰীৰৰ আভ্যন্তৰীণ প্ৰত্যংগবোৰৰ ভীষণ ক্ষতিসাধন কৰে, সেয়ে আমি নিজে এইবিলাক সম্পূৰ্ণ বৰ্জন কৰাৰ লগতে যিসকল ব্যক্তিয়ে সুৰাপান আৰু ধূমপান কৰে তেওঁলোককো বুজাই-বঢ়াই এই সৰ্বনাশীয়া মাদক্য দ্ৰব্যবোৰৰ ব্যৱহাৰ কৰাৰ পৰা বিৰত থাকিবলৈ চেষ্টা চলাব লাগে। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে মূখ্য ভূমিকা গ্ৰহণ কৰিব লাগিব। শিশু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এনে চেতনা জগাই তুলিব লাগিব যাতে ইয়েই সময়ত অভ্যাসত পৰিণত হয়।ঃঃঃ

# প্ৰাণীৰ প্ৰাণ পানী আৰু কিছু প্ৰাসংগিক চিন্তা

**প্ৰিয়ংকা ভূঞা**
স্নাতক তৃতীয় বৰ্ষ, ভূগোল বিভাগ

আমাৰ পৃথিৱীপৃষ্ঠৰ প্ৰায় ৭১ শতাংশ জলৰাশিয়ে আৱৰি আছে। অৰ্থাৎ পৃথিৱীৰ মুঠ ৩৬,১১,৪৯,৭০০ বৰ্গ কিঃমিঃ জলভাগেৰে পৰিবেষ্টিত হৈ আছে। পৃথিৱীৰ স্থলভাগতকৈ জলভাগৰ পৰিমাণ বেছি হ'লেও উক্ত ৭১ শতাংশৰ মাত্ৰ ০.০০৩ শতাংশহে বিশুদ্ধ পানী।

বৰ্তমান পৃথিৱীৰ এটা জ্বলন্ত সমস্যা হৈছে পানীৰ সমস্যা। বৰ্ধিত জনসংখ্যাৰ ফলত পৃথিৱীত পানীৰ ব্যৱহাৰ বাঢ়িছে আৰু পানীৰ নাটনিয়ে দেখা দিছে। এতিয়া পৃথিৱীৰ জনসংখ্যা হৈছে প্ৰায় ৭২০ কোটি, গতিকে অনাগত দিনবোৰত যে পানীৰ সমস্যাটোৱে ভয়ংকৰ ৰূপ নল'ব সেইটো সন্দেহজনক। আনহাতে উদ্যোগৰ অপদ্ৰব্য নিৰ্গত হৈ আৰু কৃষি ৰাসায়নিক দ্ৰব্যৰ ব্যাপক প্ৰয়োগ কিম্বা অপপ্ৰয়োগৰ ফলত জলসম্পদ বিপদজনকভাৱে প্ৰদুষিত হৈছে। ইতিমধ্যে, ৰাষ্ট্ৰসংঘই ভৱিষ্যতবাণী কৰিছে যে আগন্তুক ২০২৫ চনত পৃথিৱীৰ জনসংখ্যাৰ তিনিভাগৰ এক অংশ পানীৰ নাটনিত ভুগিব আৰু ২০৫০ চনত বিশ্বৰ ৬০ খন দেশৰ মুঠ ৭ বিলিয়ন মানুহে পানীৰ সংকটত পৰিব।

বৰ্তমান পৃথিৱীৰ প্ৰতি ২০ জন মানুহৰ ৪জনেই পানীৰ নাটনিত ভুগিছে। তথ্যানুসৰি ১৯৫১ চনত ভাৰতত জনমুৰি ৫১৮০ ঘনমিটাৰ পানী পোৱা গৈছিল আৰু ২০০১ ত এই পৰিমাণ ১৮২০ ঘনমিটাৰলৈ হ্ৰাস হ'ল। বিজ্ঞানীসকলে ঠাৰৰ কৰিছে যে আগন্তুক ২০১৫ চনত জনমুৰি পোৱা পানীৰ পৰিমাণ ১১৪০ ঘনমিটাৰলৈ হ্ৰাস হৈ ভাৰতবাসী পানীৰ সংকটৰ দিশে অগ্ৰসৰ হ'ব। উল্লেখযোগ্য এখন দেশৰ জনসাধাৰণে জনমুৰি পোৱা পানীৰ পৰিমাণ ১০০০ ঘনমিটাৰতকৈ কম হ'লে সেই দেশক পানীৰ নাটনি (Water deficit)ৰ দেশ বোলে।

এটি বিশ্লেষণৰ পৰা দেখা গৈছে যে ১৯০০ ৰ পৰা ১৯৯৫ লৈকে পৃথিৱীত পানীৰ ব্যৱহাৰ ২ গুণ বৃদ্ধি পাইছে আৰু এই বৃদ্ধিৰ হাৰ জনসংখ্যা বৃদ্ধিৰ হাৰৰ প্ৰায় দুগুণ। বিশ্বৰ ২৫ শতাংশ জনতাই সম্প্ৰতি বিশুদ্ধ খোৱাপানীৰ সংকটত ভুগিছে আৰু ৪০ শতাংশই পৰ্যাপ্ত পানীৰ পৰা বঞ্চিত হ'ব লগা হৈছে। দুষিত পানী পান কৰি পৃথিৱীত বছৰি ২২ নিযুত মানুহ মৃত্যুমুখত পৰে। পানীৰ সংকটৰ বাবেই বিভিন্ন দেশ আনকি ৰাজ্যসমূহৰ (যেনে- কাবেৰী নদীক লৈ কৰ্ণাটক আৰু তামিলনাডুৰ মাজত আঁৰিয়াআঁৰি) মাজত হোৱা নানান আঁৰিয়াআঁৰিয়ালৈ লক্ষ্য কৰি অদূৰ ভৱিষ্যতে পানীৰ বাবে এখন বিশ্বযুদ্ধ হোৱাৰ পুৰ্ণ সম্ভাৱনা আছে।

ভাৰতবৰ্ষই বিশ্বৰ মুঠ ভূমিৰ মাত্ৰ ২.৪ শতাংশ আৰু জলসম্পদৰ ৪ শতাংশৰ গৰাকী হৈ বিশ্বৰ মুঠ জনসংখ্যাৰ ১৬ শতাংশৰ ভৰণ-পোষণ দিবলগীয়া হৈছে। সম্প্ৰতি বৰ্ধিত জনসংখ্যাৰ খাদ্য নিৰাপত্তাৰ (Food Security) বিষয়টোৱে যথোচিত গুৰুত্ব লাভ কৰিছে। যিহেতু, মানুহক দৈনিক প্ৰয়োজনীয় খাদ্যতকৈ বহুগুণে বেছি পানীৰ আৱশ্যক। গতিকে পানীৰ নিৰাপত্তাৰ বিষয়টোৱে সমগুৰুত্ব লাভ কৰা উচিত।

সাধাৰণতে, পানীক ২ ধৰণে পোৱা যায়- অন্তৰ্দেশীয় আৰু সমুদ্ৰীয় পানী। এই দুয়ো উৎসৰ পৰা

পানী ব্যৱহাৰ কৰা হয়। যদিও অন্তৰ্দেশীয় অৰ্থাৎ ভূজলৰ পানীৰ ওপৰত মানুহে বেছি নিৰ্ভৰ কৰে। কিন্তু, অবিৰতভাৱে ভূজলক ব্যৱহাৰ কৰাৰ ফলস্বৰূপে ভূ-ভাগৰ পানীৰ পৰিমাণ কমি গৈছে। বৰষুণৰ পানী ভূ-ভাগেৰে সোমাই গ'লে এই ভূ-তলৰ জলৰাশিৰ উদ্ভৱ ঘটে। উল্লেখযোগ্য, পানী হৈছে এবিধ অফুৰন্ত সম্পদ। তথাপি প্ৰদূষণ, ভূ-ভাগৰ পানীৰ অত্যাধিক ব্যৱহাৰে পানীৰ নাটনি সৃষ্টি কৰিছে। ভূ-তলৰ খালী ঠাইসমূহ স্বভাৱিকতে পৰিপূৰ্ণ থাকিলেহে পানীৰ নাটনি নহয়।

বৰষুণৰ পানী ভূ-তললৈ নিগৰি গৈ জলধাৰাত সংযোজিত হোৱা প্ৰক্ৰিয়াটোক ভূ-জল সজীৱকৰণ (Ground Water Recharge) বুলি কোৱা হয়। ভাৰতবৰ্ষৰ ২৫ শতাংশতকৈ অধিক উন্নয়ন খণ্ডত ভূ-জলৰ আহৰণৰ পৰিমাণ পুনৰ সজীৱকৰণতকৈ বহু বেছি। পৃথিৱীৰ ভিতৰত ভাৰততে সৰ্বাধিক ভূজল ব্যৱহাৰ কৰা হয়।

ভূজলৰ আহৰণ আৰু পুনৰ সজীৱকৰণৰ মাজত দেখা দিয়া অ-ভাৰসাম্যৰ বাবে বহু ঠাইত জলস্তম্ভ তললৈ বহি গৈ পূৰ্বৰ সুজলা খ্যাতি হেৰুৱাই নিৰ্জলা হৈ পানীৰ বাবে হাহাকাৰ কৰিবলগীয়া হৈছে। বিশ্ব বেংকে এখন প্ৰতিবেদনৰ যোগেদি সকিয়াই দিছে যে, বৰ্তমানৰ ধাৰাতে যদি ভূজলৰ নিৰ্বিচাৰ আহৰণ চলি থাকে, তেন্তে আগন্তুক ২০ বছৰৰ ভিতৰত ভাৰতৰ ৬০ শতাংশতকৈও অধিক ভূজলৰ জলধাৰ সংকটৰ সন্মুখীন হ'ব। ভূজলৰ এই অভাৰসাম্যতাই ভাৰতীয় অৰ্থনীতিত ব্যাপক প্ৰতিকূলতাৰ সৃষ্টি কৰিব। বৰ্তমান ভূতলৰ জলধাৰা পুনৰ সজীৱকৰণৰ সময় আহি পৰিছে। ভূতলৰ জলধাৰা সদা সজীৱ কৰি ৰাখিবলৈ হ'লে বাৰিষাৰ পৰ্য্যাপ্ত বৰষুণৰ পানীভাগ বৈ গৈ নৈ, সাগৰৰ পাৰত বাধা প্ৰদান কৰি যথাস্থানত সংৰক্ষণ কৰি ৰাখি ভূতললৈ নিগৰি সোমাই যোৱাৰ দিহা কৰিব লাগিব। ভাৰতৰ মুঠ মাটিকালিৰ ৩২,৮৭,৭৬৩ বৰ্গ কিঃমিঃৰ ভিতৰত ৪,৪৮,৭৬০ বৰ্গ কিঃমিঃ মাটিকালিত স্থানিক ভূজল পুনৰ সজীৱকৰণ ব্যৱস্থা কৰিব পৰা যাব। সামগ্ৰিক উন্নয়নৰ লক্ষ্য আগত ৰাখি সংহত জলচ্ছেদ উন্নয়ন কাৰ্য্যসূচী নামৰ আঁচনি সমগ্ৰ দেশ জুৰি ৰূপায়িত হৈ আছে। অন্ধ্ৰপ্ৰদেশ, গুজৰাট, মধ্যপ্ৰদেশ, ৰাজস্থান আৰু তালিনাডুত কৃষকৰ পথাৰত কৃত্ৰিমভাৱে পুনৰ সজীৱকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ভূ-ভাগৰ পানীক ব্যৱহাৰৰ পৰা বিৰত থাকিবলৈ হ'লে বৰষুণৰ পানীক সদ্ ব্যৱহাৰ কৰিব লাগিব। সমীক্ষা অনুসৰি ভাৰতবৰ্ষত সৰ্বমুঠ বৰষুণৰ পানীৰ মাত্ৰ ২৯ শতাংশহে সদ্ ব্যৱহাৰ কৰা হয়, বাকী অধিকাংশ পানীৰে অপব্যয় ঘটে। বাসগৃহৰ চালৰ পৰা বাগৰি অহা বৰষুণৰ পানী পাইপ সংযোগৰ দ্বাৰা ৰিজাৰ্ভাৰ বা টেংকীত জমা ৰখা পদ্ধতিটোৱেই বৰ্তমান সৰ্বাধিক মনোযোগ আকৰ্ষণ কৰিছে। এই ব্যৱস্থাৰ দ্বাৰা ফলপ্ৰসূভাৱে কম খৰচতে বৰষুণৰ পানী সংগ্ৰহ কৰি দৈনন্দিন প্ৰয়োজন ব্যৱহাৰ কৰিব পাৰি। বিশেষকৈ নগৰীয়া জীৱনযাত্ৰাত এই ব্যৱস্থাৰ পানীৰ নাটনিৰ পৰা সকাহ পাব পাৰি। এজাক মজলীয়া বৰষুণতে যথেষ্ট পানী সংগ্ৰহ কৰিব পাৰি আৰু উপযুক্ত ফিল্টাৰ কৰাৰ পাছত এই পানীৰ খোৱাৰ বাবেও উপযুক্ত হয়। অৱশ্যে প্ৰথমজাক বৰষুণত বায়ুমণ্ডলৰ যথেষ্ট প্ৰদূষণ মিশ্ৰিত হৈ থাকে। গতিকে প্ৰথমজাক বৰষুণৰ পানী ব্যৱহাৰৰ অনুপযুক্ত।

পানী ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত আমি প্ৰতিজন ব্যক্তিয়ে সজাগ হোৱা উচিত। সকলো চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানে ঘৰৰ চালৰ পৰা পানী সংগ্ৰহৰ আদৰ্শ ব্যৱস্থা কাৰ্য্যকৰী কৰিলে বৰষুণৰ পানী সংৰক্ষণ আৰু সদ্ ব্যৱহাৰৰ আৱশ্যকতাৰ বিষয়ে সামাজিক সজাগতাৰ সৃষ্টি কৰাত সহায়ক হ'ব। আনহাতে, আইনগত ব্যৱস্থাৰ যোগেদি নগৰপালিকা আৰু পৌৰ নিগম সমূহে বাসগৃহ নিৰ্মাণ কৰিব খোজা নাগৰিকক বৰষুণৰ পানীৰ সংৰক্ষণ আৰু সদ্ ব্যৱহাৰৰ স্পষ্ট নিৰ্দেশনা জাৰি কৰা উচিত। অৱশেষত, ক'ব লাগিব আমি প্ৰতিজন ব্যক্তিয়ে জানো পানী থাকিলেহে আমাৰ জীৱিত হৈ থাকিব। আমি প্ৰতিজন ব্যক্তিয়ে যদি পানী অকণো অপচয় নকৰাকৈ ইয়াক উপযুক্ত তথা পৰ্যাপ্ত ব্যৱহাৰ কৰো, তেন্তে কিছু পৰিমাণে হ'লেও পানীৰ নাটনিৰ সমস্যা লাঘৱ হ'ব। ঃঃঃ

# বন্ধুত্ব ঃ বিশ্বাস আৰু স্নেহৰ বন্ধন

**কংকনা বৰগোহাঁই**
স্নাতক দ্বিতীয় ষান্মাষিক, অসমীয়া বিভাগ

আবেগ অনুভূতি, মৰম-স্নেহ, বিশ্বাস আৰু ত্যাগৰ বন্ধনেই হৈছে বন্ধুত্ব। সাধাৰণতে একে ৰুচি, একে ভাৱধাৰাৰ আধাৰত দুই ব্যক্তিৰ মাজত সহৃদয়তাৰে বন্ধুত্ব গঢ়ি উঠে। বয়স, লিংগ, সম্প্ৰদায়, সময় বা কোনো ভৌগলিক সীমাৰেখাই বন্ধুত্বক ভাগ নকৰে। জীৱনৰ যিকোনো সময়ত যিকোনো ব্যক্তিৰ সৈতে ৰুচিভেদে আন্তৰিকতাৰ মৰ্মে বন্ধুত্বই গা কৰে। ল'ৰালিৰ বালিঘৰ সাজি ওমলা দিনৰ লগৰীয়াৰ মাজ গঢ়ি উঠা বন্ধুত্বৰ পৰা বৃদ্ধ বয়সৰ দুজন নিঃসংগ ব্যক্তিৰ মাজতো বন্ধুত্ব গঢ়ি উঠিব পাৰে। বন্ধুত্ব মানে দুজন ব্যক্তিৰ অভিন্ন হৃদয়, সুখ-দুখৰ সমভাগী, বিপদৰ সাহস, সৃষ্টিৰ প্ৰেৰণা। এনে বিশেষত্বৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতি বছৰৰ পহিলা আগষ্ট তাৰিখে এই দিৱস পালন কৰা হয়। অৱশ্যে প্ৰাম্ভতে এক তাৰিখটোত এই দিৱস পালন কৰা হৈছিল যদিও উক্ত বাৰটো ছুটীৰ দিন অৰ্থাৎ বন্ধৰ দিন নোহোৱাৰ বাবে পৰৱৰ্তী সময়ত দিৱসটো উদ্‌যাপনৰ বাবে আগষ্ট মাহৰ প্ৰথম দেওবাৰটো বাছি লোৱা হয়। কিয়নো দেওবাৰটো সমগ্ৰ বিশ্বতে বন্ধ বা অৱসৰ দিন। সেয়েহে পহিলা দুই তাৰিখটো বন্ধবাৰ নহ'লেও প্ৰথম দেওবাৰটোত ইয়াক উদ্‌যাপন কৰা হয়।

বিভিন্ন সময়ত, বিভিন্ন কাৰণত, বিভিন্ন মাধ্যমেৰে একোজন ব্যক্তিৰ আন একোজনৰ সৈতে বন্ধুত্ব গঢ়ি উঠে। এই বন্ধুত্ব গঢ়ি উঠিব পাৰে ল'ৰালিৰ লগৰীয়া, কৰ্মক্ষেত্ৰৰ সহকৰ্মী অথবা অকস্মাতে লগ পোৱা দূৰ-দূৰণিৰ কোনোবা এজনৰ লগত। ইয়াৰ ভিতৰত পত্ৰবন্ধু, কিতাপৰ সৈতে হোৱা বন্ধুত্ব, প্ৰকৃতিৰ সৈতে হোৱা বন্ধুত্বও এটি বিশেষ বন্ধুত্ব।

**পত্ৰবন্ধু ঃ** পত্ৰৰ দ্বাৰাও বিভিন্ন ভৌগলিক পৰিৱেশ, বিভিন্ন ভাষা-ভাষী, বিভিন্ন দেশৰ পুৰুষ-মহিলাৰ মাজত বন্ধুত্ব গঢ় লৈ উঠে। এনে ধৰণৰ বন্ধুৰ পৰা বিভিন্ন ক'লা-সংস্কৃতি, ভাষা, বিভিন্ন ঠাই আৰু বিভিন্ন জনৰ বিষয়ে জানিব পাৰি। পত্ৰবন্ধুৰ দ্বাৰা কিতাপ পঢ়া, চিঠি লিখা, প্ৰবন্ধ-পাতি লিখা, ভ্ৰমণ কৰা আদি অভ্যাসবোৰ গঢ় লৈ উঠে।

**কিতাপৰ সৈতে বন্ধুত্ব ঃ** কিতাপ হৈছে এটি মহৎ তথা শ্ৰেষ্ঠ বন্ধু। কিতাপৰ লগত থকা বন্ধুত্বই জীৱনৰ বিয়লিবেলাত একোজন ব্যক্তিক যথেষ্ট পৰিমাণে সহায় কৰিব পাৰে। কিতাপে দিব পাৰে ব্যক্তি এজনক জীয়াই থকাৰ অমল প্ৰেৰণা। কিতাপ, যাক কোৱা হয় জ্ঞানৰ এক অপূৰ্ব ভাণ্ডাৰ, যিয়ে এজন ব্যক্তিৰ চিন্তা-চৰ্চাক লৈ যাব পাৰে উচ্চৰ পৰা উচ্চতম পৰ্যায়লৈ। কিতাপেই হৈছে একমাত্ৰ বন্ধু যি কেতিয়াও প্ৰতাৰণা নকৰে। নিঃসংগতাৰ দৰে কিছুমান সমস্যা মহৎ গ্ৰন্থ অধ্যয়নৰ দ্বাৰা সমাধান কৰিব পাৰি।

**প্ৰকৃতিৰ সৈতে বন্ধুত্ব ঃ** প্ৰকৃতিও হ'ব পাৰে এজন ভাল বন্ধু। প্ৰতৃতিয়ে কেতিয়াও বিশ্বাসঘাটকতা নকৰে। নিজৰ নিয়মেৰে ধাৰমান প্ৰকৃতি। প্ৰকৃতিৰ সতে নিবিড়ভাৱে সময় পাৰ কৰি মনপ্ৰাণ সবল কৰিব পাৰি। প্ৰকৃতিৰ সৌন্দৰ্যৰে নিজৰ সৃষ্টিকৰ্মক সবল কৰিব পাৰি। তদুপৰি জীৱ-জন্তুৰ সৈতে বন্ধুত্ব পাতি সিহঁতক মৰম আদৰ কৰাত পোৱা যায় পৰম

আনন্দ।

সাধাৰণতে গভীৰ বন্ধুত্ব সেইজনৰ সৈতেহে সম্ভৱ, যিজনে সুখ-দুখ উভয় সময়তে সহায় কৰে। সুখৰ সময়ত হাঁহি-হাঁহি সুখৰ ভাগ লোৱা আৰু দুখৰ সময়ত দুখৰ সমভাগী হৈ সমবেদনা জনোৱাজনহে প্ৰকৃত বন্ধু। বন্ধুত্বত স্বাৰ্থ জড়িত নহয়। বন্ধুত্ব স্বাৰ্থলৈ পৰ্যবসিত হ'লেই বন্ধুৰ সম্পৰ্ক সলনি হৈ যাব। গতিকে নিঃস্বাৰ্থ বন্ধুত্বৰ প্ৰতি সদা সচেতন হোৱা উচিত।

প্ৰকৃত বন্ধুত্বৰ বিষয়ে চাণক্যৰ শ্লোকত সেই কবিতাফাঁকিত কোৱা হৈছে —

'উৎসৱে ব্যসনে চৈৱ, দুৰ্ভিক্ষ্য ৰাষ্ট্ৰবিপ্লৱে।

ৰাজাদ্বাৰে শ্মশানে চয়ঃ তিষ্ঠিতি সঃ বান্ধৱঃ।। অৰ্থাৎ উৎসৱ আনন্দ, আপদ-বিপদ, দুৰ্ভিক্ষ, ৰাষ্ট্ৰ বিপ্লৱ, ৰজাৰ ঘৰ আৰু শ্মশানতো যিজন লগত থাকে, তেওঁহে প্ৰকৃত বন্ধু। অৱশ্যে বন্ধু লাভৰ বাবে নিজেই এজন প্ৰকৃত বন্ধু হ'ব পাৰিব লাগিব। কিন্তু প্ৰকৃত বন্ধু নিৰ্বাচনৰ ক্ষেত্ৰত সদায় সাৱধান হোৱা প্ৰয়োজনীয়। বেঞ্জামিন ফ্ৰেংকলিনে কৈছে — 'Be slow in choosing a friend, slower in changing.' এটা কথা মনত ৰখা প্ৰয়োজন যে বেয়া বন্ধুতকৈ বা নিঃসংগ হৈ থকাটো বা এখন মহৎ গ্ৰন্থ অধ্যয়ন কৰাটো হেজাৰ গুণে ভাল।

প্ৰকৃত বন্ধুজনে নিজৰ বন্ধুৰে কেতিয়াও ভুল কৰাটো নিবিচাৰে। জীৱনৰ সংকটময়কাল, হতাশা আৰু নিৰাশাই চাৰিওফালে আগুৰি ধৰাৰ সময়তে প্ৰকৃত বন্ধুজনে উৎসাহ দিয়ে, ধৈৰ্য ধৰিবলৈ শিকায়, জীৱনটোক নতুনকৈ চাবলৈ শিকায়। গতিকে প্ৰকৃত বন্ধুত্বৰ সান্নিধ্য পোৱা জন সঁচাকৈয়ে পৰম ভাগ্যশালী। বন্ধুত্বই নামানে কোনো ভাষা, বয়স অথবা ভৌগোলিক দূৰত্ব। বন্ধুত্বৰ মাজৰ ঠিক তেনেকৈ ধনী দুখীয়া অন্তৰায় হ'ব নোৱাৰে। উদাহৰণস্বৰূপে শ্ৰীকৃষ্ণ আৰু দুখীয়া বিপ্ৰ দামোদৰলৈ আঙুলিয়াব পাৰি। স্থানান্তৰত মহান গ্ৰীক দাৰ্শনিক এৰিষ্টটলে প্ৰকৃত বন্ধুত্বৰ বিষয়ে কৈছে — 'বন্ধুত্ব হ'ল দুটা দেহত বাস কৰা এটা আত্মা।' (বন্ধুত্ব অকল মানসিক স্বাস্থ্য বিকাশৰ কাৰণেই নহয়, বন্ধুত্বই কিছুমান দোষ-গুণ আঙুলিয়াই দিব পাৰে বাবে বন্ধুত্বৰ জৰিয়তে বিষয় এটা বুজি পোৱাৰ সহায়ক হয়। প্ৰকৃত বন্ধু দাপোনৰ দৰে।) 'The best mirror is a free friend.'

পঞ্চতন্ত্ৰৰ মতে, বন্ধুহীনজনৰ বহুতো গুণ থাকিলেও তেওঁৰ সকলো গুণেই বৃথা। কাৰণ তেওঁ নিজ কৰ্মৰ স্বীকৃতি অবিহনেই মৰিব লাগিব আৰু এই স্বীকৃতি আহে তেওঁৰ শুভাকাংক্ষী বন্ধুসকলৰ পৰা। আনৰ পৰা লাভ কৰা উপদেশতকৈ প্ৰকৃত বন্ধু এজনৰ পৰা লাভ কৰা উপদেশ বেছি বিশ্বাসযোগ্য আৰু ই জীৱনৰ গতিধাৰাই সলাই দিব পাৰে। সেয়েহে কোনোবা এজন মহান মণিষীয়ে কৈ গৈছে — Your can't choose your relatives ....... but you can choose your friends!'

আচলতে বন্ধুত্বৰ বিশেষত্ব কি? বাইৰেণে তেওঁৰ বন্ধু হ'ব চাউৰ প্ৰতি কৰা মন্তব্য প্ৰণিধানযোগ্য। তেওঁ কৈছিল — 'To one whom I have know long, and accompained for, whom I have found wakeful over sorrow, glad in my prosperity and firm in my advertisity true in caunsel and trusted in peril - to a friend after tried and never found wanting.'

বৌদ্ধ ধৰ্মত ছয় প্ৰকাৰৰ উৎকৰ্ষৰ বিষয়ে উল্লেখ কৰা হৈছে — কৰুণা, দক্ষিণা, ন্যায়নিষ্ঠ, সজাগতা, জ্ঞান আৰু ধৈৰ্য। বন্ধুৰ সৈতে ভাৱৰ বিনিময় কৰাৰ সময়ত এই গুণবোৰ সদায়ে পৰিলক্ষিত হয়। এই গুণবোৰ ক্ৰমাগতভাৱে গভীৰ হৈ আহিলে বন্ধুত্বৰ এনাজৰীডাল অধিক পৰিপক্ক হয়।

স্পষ্টতঃ বন্ধুত্ব হৈছে বিশ্বাস আৰু আস্থাৰ মাজত গঢ় লৈ উঠা অতি কোমল, আৱেগিক সম্পৰ্ক। এক অৰ্থত পবিত্ৰ হৃদয়ৰ বন্ধুত্ব মানেই হৈছে — 'ফ্ৰেইণ্ড, ফিল'ছফাৰ এণ্ড গাইড' (friend, philosopher and guide)। বন্ধুত্বই যুক্তি নামানে, যুক্তি বেছি হ'লেও ই টুটি আহিব। গতিকে বিশ্বাস, আস্থা, আবেগ আৰু সততাৰ মাজেৰে বন্ধুত্ব বজাই ৰখাহে প্ৰকৃত বন্ধুৰ কৰ্তব্য। বন্ধুত্বৰ অবিহনে মানুহৰ জীৱনটো অসম্পূৰ্ণ। গতিকে জীৱনত বন্ধুৰ সংখ্যা কম হ'লেও কিন্তু স্থায়ী, প্ৰকৃত বন্ধুত্ব গঢ়াটো প্ৰয়োজন।

সামৰণিত ক'ব পাৰি যে — 'Make new friends, but keep the old, one is silver and the other gold.'ঃঃঃ

# শ্ৰেণীকোঠা বনাম কলেজীয়া শিক্ষাৰ্থী

**ৰ'দালি চেতিয়া**
স্নাতক দ্বিতীয় ষান্মাষিক, অসমীয়া বিভাগ

"Students are the future of tomorrow's nation."-- অৰ্থাৎ ছাত্ৰ-ছাত্ৰীসকলেই হৈছে এখন দেশৰ ভৱিষ্যতৰ কৰ্ণধাৰ অথবা জাতিৰ মেৰুদণ্ড। এনেধৰণৰ ছাত্ৰ সম্পৰ্কীয় বহুতো মন্তব্য সততে শুনিবলৈ পোৱা যায়। কিন্তু "দেশৰ ভৱিষ্যত" হ'ব পৰাকৈ ছাত্ৰ-ছাত্ৰীসকলে নিজকে কিদৰে গঢ়ি তুলিছে অথবা তেওঁলোকক ভৱিষ্যতৰ নাগৰিক ৰূপে প্ৰতিষ্ঠিত কৰাবলৈ আমাৰ জ্যেষ্ঠাসকলে কিদৰে অৱদান আগবঢ়াইছে? কোন বাটেৰে ধাৱিত বৰ্তমানৰ ছাত্ৰ সমাজ? তেওঁলোকৰ ভৱিষ্যত কোন দিশে? এনে অজস্ৰ প্ৰশ্নৰ সমিধান উলিওৱাটো আজি নিতান্তই আৱশ্যক হৈ পৰিছে।

কোৱা হয়, শিক্ষানুষ্ঠানসমূহ বিদ্যাৰ্থীৰ তীৰ্থক্ষেত্ৰ আৰু জ্ঞানৰ মন্দিৰ। য'ত ছাত্ৰ-ছাত্ৰীসকলে জীৱনৰ ৰঙীন স্বপ্নবোৰ বুকুত বান্ধি সোণালী ভৱিষ্যতৰ বুনিয়াদ গঢ়ি তুলিব পাৰে। কিন্তু এনে এক পবিত্ৰ স্থানক তেওঁলোকে অৱহেলা কৰাৰ দৰে পৰিতাপৰ বিষয় আন একো হ'ব নোৱাৰে। যিহেতু ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাদান কৰাৰ উদ্দেশ্যৰেই একোখন বিদ্যালয় বা কলেজ গঢ়ি তোলা হয়। গতিকে তেওঁলোকৰ অনুপস্থিতিয়ে শিক্ষানুষ্ঠানৰ পূৰ্ণতা প্ৰাপ্তিত বাধা প্ৰদান কৰে। কেৱল সেয়াই নহয় ছাত্ৰ-ছাত্ৰীৰ অনুপস্থিতিয়ে বিদ্যালয় অথবা কলেজৰ বিভিন্ন ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলাব পাৰে। উদাহৰণস্বৰূপে, শ্ৰেণীকোঠাত শিক্ষাৰ্থীৰ নগণ্য সংখ্যাই হয়তো কাৰোবাৰ মনত এনেধৰণৰ ভাবো উদ্ৰেক কৰিব পাৰে যে, সেই শিক্ষানুষ্ঠানৰ শিক্ষাদানৰ মান সঠিক নহয় বা শিক্ষকসকল উপযুক্ত ধৰণে শিক্ষা প্ৰদান কৰিবৰ বাবে অসমৰ্থ। এনে ধাৰণাই এখন বিদ্যালয় বা কলেজৰ সুনাম হ্ৰাস কৰাত যথেষ্ট পৰিমাণে অৰিহণা যোগাব পাৰে। শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ অনুপস্থিতি এক সাধাৰণ তথা স্বাভাৱিক ঘটনা, কিয়নো কোমল বয়সীয়া বহু ছাত্ৰ-ছাত্ৰীকে শ্ৰেণীকোঠাতকৈ বাহিৰৰ জগতখনৰ ৰং-চং বোৰেহে বেছিকৈ আকৰ্ষণ কৰে। সেয়ে হ'লেও ইয়াৰ কুফল ছাত্ৰ, শিক্ষক তথা শিক্ষানুষ্ঠান উভয়ে ভোগ কৰিবলগীয়া হয়।

এগৰাকী কলেজীয়া ছাত্ৰী হিচাপে মই ক'ব বিচাৰো যে শ্ৰেণীত ছাত্ৰ-ছাত্ৰীসকলৰ অনুপস্থিতি তেওঁলোকৰ মানসিকতাৰ ওপৰত নিৰ্ভৰ কৰে। কিয়নো কোনো এজন ছাত্ৰ বাবে শ্ৰেণীত শিক্ষকৰ পৰা পাঠদান কৰাটো অপৰিহাৰ্য হোৱাৰ বিপৰীতে আন এজনৰ বাবে হ'ব পাৰে সময়ৰ অপচয়।

*শিক্ষাদানৰ দৰে এক পবিত্ৰ কৰ্ম পবিত্ৰ অন্তৰেৰে পালন কৰা শিক্ষাগুৰুসকলৰ বিপৰীতে নিজ কৰ্মত গাফিলতি কৰা কৃত্ৰিম শিক্ষকো আমাৰ মাজত নাই বুলি ক'ব নোৱাৰি। গতিকে তেনে এজন শিক্ষকৰ পাঠ গ্ৰহণ কৰাৰ পৰা কোনো এজন শিক্ষাৰ্থী বিৰত থকাটো স্বাভাৱিক কথা। কেৱল সেয়ে নহয়, ছাত্ৰ বিশেষৰ কিছুমান বিশেষ বিষয়ৰ প্ৰতি থকা অনীহাৰ বাবেও সেই বিষয়ৰ ক্লাচ নকৰাটো অভ্যাসত পৰিণত হয়। আকৌ এনে কিছুমান ছাত্ৰ-ছাত্ৰীও আছে যিয়ে শ্ৰেণীত অনুপস্থিতি থকাটো গৌৰৱৰ বিষয় বুলি ভাৱে।*

আকৌ, কোনো এজন হ'ব পাৰে ঘৰতে নিজে অধ্যয়ন কৰাৰ পক্ষপাতী নতুবা অন্য এজনৰ বাবে শ্ৰেণীত (বহু সংখ্যক ছাত্ৰ-ছাত্ৰীৰ মাজত), কোনো এটা বিষয় বুজি পোৱাটো অসম্ভৱ হ'ব পাৰে। যাৰবাবে তেওঁলোক শ্ৰেণীত উপস্থিত থকাৰ পৰা বিৰত থাকে। কিন্তু এইবোৰৰ উপৰিও এনে অনেক কাৰণ আছে, যাৰবাবে কেতিয়াবা শিক্ষকেও উদং শ্ৰেণীকোঠা দেখি দুৱাৰমুখৰ পৰাই বিনা পাঠদানেৰে উভতিবলগীয়া হয়।

বিদ্যালয় পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলক এই বিষয়টোৰ সৈতে সাঙুৰি লোৱাটো উচিত বুলি মোৰ মনে নধৰে। কাৰণ এই পৰ্যায়লৈকে ছাত্ৰ-ছাত্ৰীসকলক কঠোৰ শাসনৰ বাঘজৰীৰে বান্ধি ৰখা হয়। তেওঁলোক কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ দৰে মুক্ত পখী হ'ব নোৱাৰে। গতিকে শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতহীনতাৰ চৰম পৰ্যায়ৰ ছবিখন কলেজতহে বেছিকৈ সুলভ।

ছাত্ৰ জীৱনৰ আটাইতকৈ সুন্দৰ তথা বৰ্ণিল সপোনৰ সমাহাৰেৰে বৈচিত্ৰ্যময় সময়ছোৱাই হৈছে কলেজীয়া জীৱন। "কলেজ"- সুন্দৰ জীৱন গঢ়াৰ মহা-আশ্ৰম। কিন্তু দুখৰ বিষয়, কলেজত ভৰি দিয়েই বহু ছাত্ৰ-ছাত্ৰীয়ে পাহৰি যায় শৈশৱৰ পৰা বুকুত বান্ধি ৰখা স্বপ্নবোৰ, পাহৰি যায় নিজৰ মহৎ উদ্দেশ্যবোৰ আৰু পাহৰি যায় নিজকো। কেৱল ৰং তামাচাৰ উত্তাল সাগৰত নিজকে বিলীন কৰি দিব বিচৰা বহু ছাত্ৰ-ছাত্ৰীৰ বাবে কলেজ হৈ পৰে মাথো উপভোগৰ স্থলী। যাৰবাবে তেওঁলোকে শ্ৰেণীকোঠা পৰিহাৰ কৰি আড্ডা (অৰ্থপূৰ্ণ অথবা অনৰ্থক) জমাবৰ বাবে বাচি লয় কলেজৰ বাৰান্দা, কৰিডৰ, কেণ্টিন, হোটেল অথবা তেনে কোনো সুবিধাজনক স্থান। তেওঁলোকৰ বাবে কলেজৰ শ্ৰেণীৰ পাঠদানৰ কোনো মূল্যই নাই। যাৰবাবে তেওঁলোকে শ্ৰেণীত উপস্থিত থকাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰে।

শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ অনুপস্থিতিৰ বাবে কোন দায়ী সেই কথা সঠিককৈ নিৰ্ণয় কৰাটো মুঠেই সহজ নহয়। কাৰণ সকলো ক্ষেত্ৰতে ছাত্ৰ-ছাত্ৰীসকলো দায়ী নহয়। হয়তো কোনো এজন শিক্ষকৰ পাঠদানৰ প্ৰণালী কোনো এজন ছাত্ৰ-ছাত্ৰীৰ বাবে মনঃপুত নহ'বও পাৰে, যাৰবাবে সেই বিশেষ শিক্ষকজনৰ ক্লাচটো বিৰক্তিকৰ হৈ পৰে, ফলত শ্ৰেণীত উপস্থিত থকাৰ উৎসাহো বহু ছাত্ৰই হেৰুৱাই পেলাব পাৰে। শিক্ষাদানৰ দৰে এক পবিত্ৰ কৰ্ম পবিত্ৰ অন্তৰেৰে পালন কৰা শিক্ষাগুৰুসকলৰ বিপৰীতে নিজ কৰ্মত গাফিলতি কৰা কৃত্ৰিম শিক্ষকো আমাৰ মাজত নাই বুলি ক'ব নোৱাৰি। গতিকে তেনে এজন শিক্ষকৰ পাঠ গ্ৰহণ কৰাৰ পৰা কোনো এজন শিক্ষাৰ্থী বিৰত থকাটো স্বাভাৱিক কথা। কেৱল সেয়ে নহয়, ছাত্ৰ বিশেষৰ কিছুমান বিশেষ বিষয়ৰ প্ৰতি থকা অনীহাৰ বাবেও সেই বিষয়ৰ ক্লাচ নকৰাটো অভ্যাসত পৰিণত হয়। আকৌ এনে কিছুমান ছাত্ৰ-ছাত্ৰীও আছে যিয়ে শ্ৰেণীত অনুপস্থিতি থকাটো গৌৰৱৰ বিষয় বুলি ভাৱে। এদিনত দুই তিনিটা ক্লাচ 'Bunk' মৰাটো তেওঁলোকৰ আনন্দৰ বিষয়। তদুপৰি এচামৰ বন্ধুবৰ্গই 'Proxy' মাৰি সহায়ৰ হাত আগবঢ়ায়। যাৰবাবে তেওঁলোকৰ শ্ৰেণীত উপস্থিত থকাৰ কোনো আৱশ্যকেই নপৰে। আন এক গুৰুত্বপূৰ্ণ কথা এয়ে যে কেৱল

'Attendance'ৰ বাবে কলেজলৈ অহা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট বেছি। যিসকলৰ অহা ৭৫ শতাংশ উপস্থিতি হৈ যোৱাৰ পিছত ক্লাছ কৰাটো ভাবিব নোৱাৰা কথা। আনকি এনে ছাত্ৰও আছে যিয়ে 'Roll Call' কৰা হৈ যোৱাৰ পিছত শিক্ষক শ্ৰেণীত থাকোতেই তেওঁৰ অমনোযোগিতাৰ সুযোগ লৈ পলায়ন কৰে........ এয়া মোৰ স্বচক্ষে দেখা অভিজ্ঞতা।

'টিউশ্যন'। হয়। বৰ্তমান এক ফেশ্বন হৈ পৰা 'টিউশ্যনে' শ্ৰেণীত ছাত্ৰ-ছাত্ৰীৰ অনুপস্থিতিৰ মাত্ৰা বৃদ্ধি কৰাত আটাইতকৈ বেছি অৱদান আগবঢ়াইছে। টিউশ্যন অবিহনে যেন শিক্ষা আধৰুৱা, এই মনোভাৱ আধুনিক যুগৰ পিতৃ-মাতৃ, ছাত্ৰ অথবা শিক্ষক সকলোৱে পুহি ৰাখে। নিজৰ আভিজাত্যৰ পৰিচয় দিবৰ বাবে টিউশ্যন এক উত্তম মাধ্যম। বৃহৎ পৰিমাণৰ ধন সন্তানৰ টিউশ্যনৰ নামত ব্যয় কৰাটো বহু পিতৃ-মাতৃৰ বাবে গৌৰৱৰ বিষয়। যিহেতু অধিকাংশ ছাত্ৰ-ছাত্ৰীৰেই সকলো বিষয়তে এটাকৈ বা একাধিক টিউশ্যন থাকেই, গতিকে বাটকুৰি বাই আহি তেওঁলোকে কলেজত ক্লাচ কৰাৰ দৰকাৰেই বা ক'ত? কিয়নো তেওঁলোকৰ বহুতৰে কলেজত নতুনকৈ শ্ৰেণী আৰম্ভ হোৱাৰ বহু পূৰ্বেই 'Course complete' হৈ থাকে। টিউশ্যনক ব্যৱসায়ৰূপে গ্ৰহণ কৰা এচাম শিক্ষক আছে, যিসকলে শিক্ষানুষ্ঠানত ভালদৰে পাঠদান দিয়াটো জৰুৰী বুলি নেভাৱে, অন্যথা তেওঁলোকৰ 'টিউশ্যন'ৰ মূল্যই নাথাকিব। এন মনোভাৱৰ ছাত্ৰ আৰু শিক্ষকৰ বাবে আন এচাম ছাত্ৰ-ছাত্ৰীৰ বহু ক্ষতি হয়। যিসকলে কেৱল কলেজৰ ক্লাচ কেইটাৰ ওপৰতে ভৰসা কৰি পঢ়া-শুনা কৰে।

এটা কথা সত্য যে, ক্লাচ কৰিবলৈ একেবাৰে কলেজলৈ নহা ছাত্ৰ-ছাত্ৰীতকৈ, কলেজলৈ আহি শ্ৰেণীকোঠাত ভৰি নিদি অনাই বনাই ঘূৰি ফুৰা সকলৰ সংখ্যাহে অধিক। যিসকলৰ বিশৃংখল কাৰ্য-কলাপে শিক্ষানুষ্ঠানৰ পৰিবেশ বিনষ্ট কৰে। কলেজৰ চৌপাশে জুম পাতি কথা পতা অথবা হাই-উৰুমি আদিয়ে সঁচাকৈ এক দৃষ্টিকুট পৰিবেশৰ সৃষ্টি কৰে। প্ৰকৃতাৰ্থত শ্ৰেণীকোঠাসমূহ শূণ্যপ্ৰায় হৈ পৰাৰ আটাইতকৈ দুখলগা কাৰণটো হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শৃংখলাবোধৰ অভাৱ নিজকে আধুনিক (অথবা অত্যাধুনিক) যুৱক-যুৱতী বুলি পৰিচয় দিব খোজা ছাত্ৰ-ছাত্ৰীসকলৰ ছাত্ৰ জীৱন বৰ্তমান সীমাবদ্ধ হৈ পৰিছে নিত্য নতুন ফেশ্বনৰ সাজপাৰ, দামী বাইক, ম'বাইল ফোন ইত্যাদিৰ মাজত তেওঁলোকে কলেজীয়া জীৱনৰ মাধুৰ্য্য শ্ৰেণীকোঠাত বিচাৰি নাপায়, বৰঞ্চ তেওঁলোকৰ বাবে ৰম্যপুৰী হৈ পৰিছে নগৰৰ দামী ৰেষ্টোৰা, চিনেমা হল অথবা পাৰ্ক।

শেষত, এই কথা স্বীকাৰ কৰিবই লাগিব যে শ্ৰেণীত শিক্ষাৰ্থীৰ অনুপস্থিতিয়ে কেৱল তেওঁলোকৰ ব্যক্তিগত শিক্ষা জীৱনতহে প্ৰভাৱ নেপেলায়, প্ৰকৃততে তেওঁলোকৰ এনে কাৰ্যই শিক্ষানুষ্ঠানৰ পৰিবেশ তথা সামাজিক ক্ষেত্ৰতহে কু-প্ৰভাৱ বিস্তাৰ কৰে। কাৰণ শ্ৰেণীত অনুপস্থিত থাকি বেছিভাগ ছাত্ৰ-ছাত্ৰী অবাঞ্চিত কাৰ্য-কলাপত লিপ্ত হয়। উদাহৰণস্বৰূপে, কলেজৰ সাজপাৰ পৰিধান কৰিয়েই কিছুমান ছাত্ৰই কলেজৰ আশে-পাশে বা ৰাষ্টাই ঘাটে মুক্ত মনেৰে ছিগাৰেটৰ ধোঁৱা উৰুৱাই অশ্লীল ভাষাৰে চিঞৰি কথা পাতি থকা দৃশ্য আমাৰ চহৰতো বিৰল নহয়।

সকলো সজাগ হ'বৰ হ'ল। তাৰবাবে আটাইতকৈ দৰকাৰী কথাটো হ'ল শিক্ষাৰ্থী আৰু শিক্ষকৰ মাজত মধুৰ সম্পৰ্ক স্থাপন, যাতে ছাত্ৰ-ছাত্ৰীয়ে বাহিৰৰ ক'লা জগতখনতকৈ কলেজৰ শ্ৰেণী কোঠাত মনোনিৱেশ কৰাতহে আকৰ্ষণ অনুভৱ কৰে। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলো সচেতন হোৱাৰ সময় আহি পৰিছে। এটি সুন্দৰ শৈক্ষিক পৰিবেশেৰে কলেজ এখনক জ্ঞানৰ পবিত্ৰ মন্দিৰ হিচাপে গঢ়ি তোলাৰ দায়িত্ব শিক্ষক আৰু শিক্ষাৰ্থী উভয়ৰে।

সৰ্বশেষত, এগৰাকী ছাত্ৰী হিচাপে এক কাতৰ প্ৰাৰ্থনা........ "ছাত্ৰ-ছাত্ৰীসকলে যেন ছাত্ৰ জীৱনৰ এই মূল্যবান সময়বোৰৰ সদ্ ব্যৱহাৰ কৰে" আৰু এটি অনুৰোধ ছাত্ৰ বন্ধু তথা ভাতৃসকললৈ তেওঁলোকে যেন নিজৰ ফুলকুমলীয়া হাতৰ আঙুলিৰ ফাঁকত ছিগাৰেটৰ সলনি ঠাই দিয়ে একোটি কলমক........... যাতে তেওঁলোকৰ মাজৰ পৰাই ভৱিষ্যতে জন্ম হয় হীৰুদাৰ দৰে একোজন কবি, যাৰ কলম পৰা নিগৰি অহা শব্দই জগাই তুলিব পাৰে মানুহৰ হৃদয়ৰ সুপ্ত অনুভূতি.......... মামণি ৰয়ছমৰ দৰে কোনো সাহিত্যিক, যাৰ সাহিত্যই এটা জাতিক কৰি তুলিব পাৰে সমৃদ্ধিশালী............. অথবা একোজন সাংবাদিক, পৰাগ দাস বা অনাদি পাঠকৰ দৰে.................. যাৰ বলিষ্ঠ লিখনিয়ে মানৱতাৰ হকে যুঁজিব পাৰে নিৰ্ভয়ে........... নিস্বাৰ্থে............ ।ঃঃ

# স্নাতক শাখাত ছেমিষ্টাৰ পদ্ধতিৰ প্ৰয়োগত উদ্ভাৱিত সমস্যাৰ সমাধান বিচাৰি

**মৃদুস্মিতা ফুকন**
স্নাতক তৃতীয় ষান্মাষিক

সাম্প্ৰতিক সময়ত ডিব্ৰুগড় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অন্তৰ্গত মহাবিদ্যালয়সমূহত স্নাতক শাখাত ছেমিষ্টাৰ বা ষান্মাষিক পদ্ধতিৰ প্ৰয়োগ কৰা হৈছে। এই (ষান্মাষিক) পদ্ধতিৰ প্ৰয়োগৰ উপকাৰিতা তথা অপকাৰিতা সম্বন্ধে বা পদ্ধতিৰ সমালোচনাত্মক আলোচনা বিভিন্ন বাতৰি কাকত বা নিউজ চেনেলত বিদ্বৎ মহলে আগবঢ়োৱা ব্যক্তিগত মন্তব্য আমি পঢ়িবলৈ আৰু দেখিবলৈ পাইছোঁ। "ছাত্ৰানাং অধ্যয়নং তপঃ" অৰ্থাৎ ছাত্ৰৰ মূল বক্তব্য আমি পঢ়িবলৈ আৰু দেখিবলৈ মন পোন প্ৰথমে উনুকিয়াব খোজোঁ যে এই পদ্ধতিয়ে আমাক অধ্যয়নৰ লগত অধিক সময় জড়িত কৰোৱাই ৰাখে। প্ৰত্যেক মুদ্ৰাৰ দুটা পিঠি থাকে। তাৰে এটা ইতিবাচক আৰু আনটো নেতিবাচক। সেয়েয়ে স্নাতক শাখাত ছেমিষ্টাৰ পদ্ধতিৰ প্ৰয়োগৰ ক্ষেত্ৰত উপৰোক্ত দুয়োটাদিশ পৰিলক্ষিত হোৱাটো স্বাভাৱিক। অৱশ্যে মোৰ এই ক্ষুদ্ৰ বিৱৰণখনিৰ মূল্য উদ্দেশ্য ষান্মাষিক পদ্ধতিৰ প্ৰয়োগৰ ইতিবাচক আৰু নেতিবাচক দিশৰ সামগ্ৰিকভাৱে অধ্যয়ন কৰাটো নহয় যদিও এই ক্ষেত্ৰত মই ব্যক্তিগতভাৱে সন্মুখীন হোৱা মাত্ৰ কেইটামান অসুবিধাহে দাঙি ধৰিব খোঁজো। লগতে বিদ্বত মহললৈ মোৰ এই অসুবিধাৰ পৰা পৰিত্ৰাণ পাবলৈ প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়াবলৈ আন্তৰিক অনুৰোধ জনালোঁ।

মই এগৰাকী ৰাষ্ট্ৰীয় পৰ্যায়ৰ বেডমিণ্টন খেলুৱৈ। চতুৰ্থ শ্ৰেণীৰ পৰা উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱালৈকে খেল আৰু অধ্যয়ন দুয়োটাতে সমানেই আগুৱাই যোৱা বা দুয়োটা বিষয় সমান্তৰালভাৱে ৰখাত মোৰ কোনো ধৰণৰ অসুবিধা হোৱা নাছিল। কিন্তু বৰ্তমান সময়ত স্নাতক শাখাত শিক্ষা বিভাগত অৰ্নাচ লৈ ছেমিষ্টাৰ পদ্ধতিৰ অন্তৰ্গত হৈ অধ্যয়ন কৰাৰ লগতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ বেডমিণ্টন প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰাটো আৰু নিয়মীয়া অনুশীলন অব্যাহত ৰখাৰ ক্ষেত্ৰত মই যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছো। মোৰ সামান্য জ্ঞানেৰে মই ক'ব বিচাৰোঁ যে আজিৰ যুগত এজন ব্যক্তিক বা এটি শিশুক সমাজৰ প্ৰচলিত অপসংস্কৃতিৰ পৰা আঁতৰাই ৰাখিবৰ বাবে, ব্যক্তিত্বৰ সুস্থ গঠন তথা বিকাশৰ বাবে অধ্যয়নৰ লগতে অন্যান্য আনুষংগিক কাৰ্যসমূহ যেনে- খেলা, গান গোৱা, ছবি অঁকা ইত্যাদিৰ সৈতে পৰিচয় কৰি দিয়াটো অত্যন্ত প্ৰয়োজনীয়। কিন্তু স্নাতক শাখাত এই পদ্ধতিৰ প্ৰয়োগে আমাক, শিক্ষাৰ্থীসকলক কেৱল পঢ়াৰ লগতে জড়িত কৰি ৰখাত মগজুৰ লগতে (ব্যক্তিৰ) ব্যক্তিত্বৰ বিকাশত বাধা আহি পৰে যাৰ পৰিণতিত আমি এক কথা নিজকে পংগু হৈ পৰা যেন অনুভৱ কৰোঁ।

ছেমিষ্টাৰ পদ্ধতিত পাঠ্যক্ৰমৰ সময়সীমা যদিও ৬ মাহ নিৰ্দ্ধাৰণ কৰা হয় বা হৈছে তাৰ পৰিৱৰ্তে বাস্তৱ ক্ষেত্ৰত ৪ মাহহে (সম্পূৰ্ণকৈ নহয়) শ্ৰেণীকক্ষত পাঠদান কৰা হয়। আমাৰ ১ম, ৩য় আৰু ৫ম ছেমিষ্টাৰৰ পাঠদান জুলাইৰ পৰা অক্টোবৰ মাহলৈকে হোৱাৰ বিপৰীতে ২য়, ৪ৰ্থ আৰু ৬ষ্ঠ ছেমিষ্টাৰৰ পাঠদান জানুৱাৰীৰ পৰা এপ্ৰিল মাহলৈকে অনুষ্ঠিত হয়। ইয়াৰ লগে লগে সৰ্বভাৰতীয় তথা ৰাজ্যিক প্ৰতিযোগিতাসমূহ জুলাই মাহৰ পৰা আৰম্ভ হৈ জানুৱাৰী মাহলৈকে অব্যাহত থাকে। উল্লেখনীয় যে গোটেইজুলাই মাহ ধৰি অনুষ্ঠিত হোৱা আন্তঃৰাজ্যিক ৰেংকিং বেডমিণ্টন প্ৰতিযোগিতা সমূহত লাভ কৰা পণ্টৰ অনুসৰিহে ৰাষ্ট্ৰীয় পৰ্যায়ত অংশগ্ৰহণ কৰিবলগীয়া 'অসম' দলটো ঘোষণা কৰা হয়। যিহেতু আমাৰ পাঠদান জুলাই মাহৰ পৰা আৰম্ভ হয়, সেইবাবে প্ৰত্যেকখন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাটো সম্ভৱপৰ নহয়। যাৰফলস্বৰূপে 'অসম' দলত স্থান নিশ্চিত

কৰিবলৈ মোৰ যথেষ্ট অসুবিধা হয়। এই ক্ষেত্ৰত মই উদাহৰণস্বৰূপে ক'ব বিচৰোঁ যে যোৱা ১ম ছেমিষ্টাৰ ৪ মহীয়া পাঠদানৰ পাঠদানৰ সময়ছোৱাত মই অসম দলৰ হৈ ত্ৰিপুৰাত অনুষ্ঠিত হোৱা North East Zone Badminton Tournamentত খেলিবলৈ সুবিধা পাইছিলো। এই প্ৰতিযোগিতাৰ সংক্ৰান্তত আমাক (মোৰ লগতে দলৰ অন্যান্য খেলুৱৈ সকলক) ছেপ্তেম্বৰ মাহৰ ১৫।০৯।২০১১ৰ পৰা ১৫ অক্টোবৰলৈ সম্পূৰ্ণ এমাহ প্ৰশিক্ষণ দিয়াৰ লগতে প্ৰায় এসপ্তাহ প্ৰতিযোগিতাৰ বাবে মুঠ ৩৭ দিন মই মহাবিদ্যালয়ত উপস্থিত থাকিব নোৱাৰাত প্ৰত্যেকটো পাঠ পুংখানুপুংখভাৱে ব্যক্তিগত চেষ্টাৰে আয়ত্ব কৰাত যথেষ্ট অসুবিধা হৈছিল।

ইয়াৰ উপৰিও ছেমিষ্টাৰ পদ্ধতিত ২০ নম্বৰ (১০০ ৮০ ২০)ৰ পৰা দিয়া হয়। এই নম্বৰ লাভ কৰিবলৈ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা প্ৰত্যেকখন বা অন্যান্য প্ৰায়োগিক কাৰ্য্যসমূহত উপস্থিত থকাটো প্ৰয়োজনীয়। যিটো মোৰ কাৰণে সম্ভৱপৰ নহয়। সেয়েহে মোৰ ১ম ছেমিষ্টাৰৰ পৰীক্ষাত মুঠ নম্বৰ যথেষ্টখিনি কমি যোৱা পৰিলক্ষিত হৈছে। অসমৰ বাদে ভাৰতৰ অন্যান্য ৰাজ্য সমূহত খেলুৱৈ সকলৰ অধ্যয়নৰ সুবিধাৰ্থে গ্ৰেছ মাৰ্কৰ ব্যৱস্থা কৰা হয়। কিন্তু অসমৰ কোনো এখন বিশ্ববিদ্যালয়তে এই গ্ৰেছ মাৰ্কৰ সুবিধা নথকাৰ লগতে বৰ্তমান সময়ত এই যান্মাষিক পদ্ধতিৰ প্ৰয়োগে বৰঞ্চ অধ্যয়ন আৰু খেল এই দুয়োটাৰে কোনো এটা নিৰ্বাচন কৰা অৱস্থা আহি পৰিছে। ৪ মহীয়া পাঠদানৰ সময়ত হোৱা অসম বন্ধ বা অন্যান্য বন্ধ সমূহ বাদ দি যি কেইদিন শ্ৰেণীত পাঠদান হয় তাৰে অধিকাংশ সময় অনুষ্ঠিত হয়। সেয়েহে সাধাৰণ অৰ্থত প্ৰায় প্ৰত্যেক দিনাই অনুষ্ঠিত হোৱা এই পৰীক্ষা সমূহৰ বাবে সম্পূৰ্ণ মনোযোগ দি দৈনিক অনুশীলন কৰাটোও কষ্ট সাধ্য।

ওপৰত উল্লেখিত অসুবিধা সমূহৰ সম্পৰ্কে জ্ঞাত হৈ কোনোও হয়তু মোৰ ক'ব পাৰে সময় চলা বা খেল আৰু পঢ়া দুয়োটা সমানভাৱে চলাই নিয়াটো সম্পূৰ্ণ নিজৰ ওপৰত নিৰ্ভৰ কৰে। এই কথা ময়ো একমত যদিও এই পদ্ধতিত শ্ৰেণীকক্ষৰ পাঠদানত উপস্থিত থকাটো বাধ্যতামূলক বুলি ক'ব পাৰি। গতিকে পাঠদানৰ অধিকাংশ সময় মই শ্ৰেণীকক্ষত উপস্থিত থাকিব নোৱাৰাৰ বাবে পৰীক্ষাৰ ফলাফলত শতাংশৰ হিচাপত মোৰ নম্বৰ আন ছাত্ৰীসকলতকৈ কম হোৱা পৰিলক্ষিত হৈছে। উচ্চতৰ পৰীক্ষাত এটা ভাল ফলাফল (৮১, মোৰ বাবে) লাভ কৰি ১ম ছেমিষ্টাৰৰ পৰক্ষাত উচ্চতৰ মাধ্যমিকৰ তুলনাত (এনে পদ্ধতিৰ প্ৰয়োগৰ বাবে) কম নম্বৰ পোৱাৰ বাবে মই মানসিক ভাৱে ভাগি পৰিছিলো। সেই সময়ত আমাৰ মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ প্ৰত্যেক গৰাকী শিক্ষক-শিক্ষয়িত্ৰী, মোৰ বান্ধৱী তথা মোৰ মা-দেউতাই মোক সাহস, উৎসাহ নোযোগুৱা হ'লে ২য় ছেমিষ্টাৰৰ বাবে নিজকে হয়তু সাজু কৰিব নোৱাৰিলোহেঁতেন। সেয়েহে এই ছেগতে সদৌটিলৈ মোৰ আন্তৰিক কৃতজ্ঞতা তথা ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত পাঠক সমাজলৈ মোৰ এটি অনুৰোধ থাকিলে মোৰ প্ৰধান সমস্যা ছেমিষ্টাৰ প্ৰয়োগত অধ্যয়ন আৰু ক্ৰীড়া দুয়োটা সমান্তৰালভাৱে আগুৱাই নিয়াটো কেনেদৰে সম্ভৱপৰ হ'ব, অধ্যয়ন তথা ক্ৰীড়া দুয়োটাই মই কেনেদৰে সু-ফল লাভ কৰিব পাৰো সেই সম্বন্ধে মোৰ যথাৰ্থ উপদেশ আগবঢ়াই মোৰ এই সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ সহায় কৰে যেন। তদুপৰি সংবাদ পত্ৰ, নিউজ চেনেলসমূহলৈ মোৰ এটা বিনম্ৰ অনুৰোধ থাকিল যেন তেওঁলোকে আমাৰ সমাজৰ শ্ৰদ্ধাৰ বিশিষ্ট ব্যক্তি সকলৰ লগতে বৰ্তমান স্নাতক শাখাত অধ্যয়নৰ ছাত্ৰ সমাজক এই ষান্মিষিক পদ্ধতিৰ প্ৰয়োগৰ সুফল বা ইয়াৰ অসুবিধাৰ সম্পৰ্কে প্ৰশ্ন কৰক। কিয়নো যোৱা প্ৰথম আৰু দ্বিতীয় ছেমিষ্টাৰৰ সময়ত পাঠদানৰ ক্ষেত্ৰত প্ৰয়োজনীয় কিতাপৰ অভাৱত পৰীক্ষাৰ প্ৰশ্নকাকতৰ বিসংগতিৰ বাবে (আমাৰ) বিশেষকৈ ডিব্ৰুগড় বিশ্বাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট দুৰ্ভোগ ভুগিবলগীয়া হৈছে। এই সমস্যাসমূহৰ সন্দৰ্ভত আপোনালোকৰ এই জনসংযোগ মাধ্যমসমূহৰ বাহিৰে অন্য কোনো মাধ্যম নাই যাৰ জৰিয়তে বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষক আমি অৱগত কৰিব পাৰো।

সৰ্বশেষত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগতে অসমৰ মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক আমাৰ এই সমস্যাসমূহ অতি শীঘ্ৰে সমাধান কৰিবলৈ আৰু আমাৰ দৰে খেলুৱৈ সকলৰ বাবে গ্ৰেছ মাৰ্কৰ সুবিধা কৰিবলৈ অনুৰোধ জনালো। অন্যথা স্নাতক শাখাত অধ্যয়ন কৰাটো মোৰ দৰে ছাত্ৰ-ছাত্ৰীৰ বাবে অসম্ভৱ হৈ পৰিব।

ঃঃঃঃঃঃঃ

**শ্ৰেণীকোঠাত বহুতো সময় ধৰি মানসিক কামত নিয়োজিত হৈ থকাৰ অন্তত মুকলি বতাহত অংগ-প্ৰত্যংগ সঞ্চালনৰ ব্যৱস্থা নকৰিলে তেওঁলোকৰ মানসিক অৱসাদ দূৰ নহয়। এইদৰে ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য ৰক্ষা আৰু শাৰীৰিক বিকাশত খেল-ধেমালিয়ে সহায় কৰে।**

# শিক্ষাৰ অঙ্গ হিচাপে খেল-ধেমালি

**দীপা বৰুৱা**
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

মানুহ, জীৱ-জন্তু সকলোৱেই খেল-ধেমালি ভাল পাই। মেকুৰী, কুকুৰৰ পোৱালী, ছাগলীৰ পোৱালী আদিয়ে মাকৰ লগত ধেমালি কৰি ভাল পায়। আনকি বাঘ-সিংহ আদিৰ পোৱালীয়েও ধেমালি কৰে। কেচুঁৱা ল'ৰা-ছোৱালীয়ে ভৰি-হাত মাৰি বা মিচিকিয়াই হাঁহি ধেমালি কৰে। কুকুৰ, মেকুৰী আদিয়ে মানুহৰ লগত খেল-ধেমালি কৰে। স্বৰূপাৰ্থত খেল-ধেমালি ভবিষ্যত জীৱনৰ প্ৰস্তুতি মাথো।

পৌৰাণিক কালৰ গুৰুকুল শিক্ষা ব্যৱস্থাত কাম আৰু ধেমালিৰ মাজত সম্পৰ্ক স্থাপিত হোৱা নাছিল। অৰ্থাৎ কাম আৰু ধেমালিৰ মাজত সম্বন্ধ স্থাপন কৰিবলৈ প্ৰয়াস কৰা হোৱা নাছিল। সেইকাৰণে কোৱা হৈছে —

"কামৰ সময়ত তুমি কৰিবা কাম।
ধেমালিৰ সময়ত তুমি কৰিবা ধেমালি।।"

বৰ্তমান কাম আৰু ধেমালিৰ মাজত সম্পৰ্ক স্থাপিত হৈছে, অৰ্থাৎ ধেমালিৰ ছলেৰে কাম শিকাটোহে আজি কালিৰ নীতি। সেই কাৰণে কোৱা হয়-

"কামৰ সময়ত তুমি কৰিবা ধেমালি।
ধেমালিৰ সময়ত তুমি কৰিবা কৰম।।"

ইংৰাজীতো এষাৰ কথা আছে--

"Work while you play
Play while you work."

ধেমালিৰ ছলেৰে কাম শিকোৱাৰ নিচিনাকৈ খেল-ধেমালিৰ ছলেৰে ল'ৰা-ছোৱালীক নীতি শিক্ষাৰে পৰা আৰম্ভ কৰি পাঠ্য-পুথিগত বিষয়ৰ শিক্ষাদান কৰিব পাৰি। খেল-ধেমালিৰ জৰিয়তে শিক্ষা দি কৃতকাৰ্য্যতা লাভ কৰা শিক্ষাবিদ সকলৰ ভিতৰত বিষ্ণু শৰ্মা অন্যতম। পাৰ চৰাইৰ প্ৰতি অনুৰক্ত বিদেহ ৰজাৰ ৰাজপুত্ৰ সকলক শিক্ষা দিবলৈ পণ্ডিত সকল অসমৰ্থ হ'ল। তেতিয়া ৰজাই বিষ্ণু শৰ্মাক

ৰাজপুত্ৰ সকলক পঢ়াবৰ বাবে শিক্ষক নিয়োগ কৰিলে। বিষ্ণু শৰ্মাই পাৰ চৰাই সংখ্যা বৃদ্ধি কৰি সেইবোৰৰ জড়িয়তে ৰাজকোঁৱৰ সকলক ৰাজনীতি, সমাজনীতি আৰু নীতি বিষয়ক শিক্ষা দান কৰি কৃতকাৰ্য্যতা লাভ কৰিছিল। গতিকে শিক্ষাদানৰ প্ৰসংগত যে খেল-ধেমালিৰ ভূমিকা অত্যন্ত গভীৰ



তাত মুঠেই সন্দেহ নাই।

স্বাস্থ্য ৰক্ষা আৰু শাৰীৰিক বিকাশৰ বাবে ল'ৰা-ছোৱালীৰ কাৰণে খেল-ধেমালি অতিকে প্ৰয়োজনীয়। শ্ৰেণীকোঠাত বহুতো সময় ধৰি মানসিক কামত নিয়োজিত হৈ থকাৰ অন্তত মুকলি বতাহত অংগ-প্ৰত্যংগ সঞ্চালনৰ ব্যৱস্থা নকৰিলে তেওঁলোকৰ মানসিক অৱসাদ দূৰ নহয়। এইদৰে ছাত্ৰ-ছাত্ৰীৰ স্বাস্থ্য ৰক্ষা আৰু শাৰীৰিক বিকাশত খেল-ধেমালিয়ে সহায় কৰে। শিক্ষাৰ উদ্দেশ্য সমূহৰ ভিতৰত নেতৃত্ব মানি নিৰ্দিষ্ট সময়ৰ ভিতৰত কোনো এটা কাম সম্পন্ন কৰিবৰ বাবে অভ্যাস গঠন, কৰ্ম বা কামৰ সুকীয়া উদ্দেশ্য আছে অথবা কোনো অভাৱ দূৰ কৰিবৰ বাবে কাম কৰা হয়, কিন্তু খেল-ধেমালিৰ মুখ্য উদ্দেশ্য আনন্দ লাভ।

প্ৰকৃত শিক্ষাই ছাত্ৰ-ছাত্ৰীক সহযোগিতা আৰু প্ৰতিযোগিতাৰ ভাবৰ শিক্ষা দিব পাৰিব লাগিব। খেল-ধেমালিৰ জড়িয়তে ছাত্ৰ-ছাত্ৰীৰ অন্তৰত সহযোগিতা আৰু প্ৰতিযোগিতাৰ ভাবৰ সৃষ্টি কৰিব পাৰি। জীৱন যুঁজত জয়-পৰাজয় সহজ ভাৱে গ্ৰহণ কৰিব পৰাৰ শিক্ষা লাভ কৰিব পাৰি খেল-ধেমালিৰ জড়িয়তে। খেল-ধেমালিৰ জয়লাভৰ বাবে খেলুৱৈয়ে যথাশক্তি চেষ্টা কৰা স্বাভাৱিক, কিন্তু জয় বা পৰাজয়ত অধীৰ বা হতাশ নহৈ অথবা জয়লাভৰ বাবে কোনো ধৰণৰ অসৎ উপায় অৱলম্বন নকৰি খেল-ধেমালি কৰিবলৈ সদা-দৰ্বদাই প্ৰস্তুত থকাৰ নামেই খেলুৱৈ মনোভাৱ।

খেল আনন্দদায়ক, কিন্তু ব্যায়াম আনন্দদায়ক নহয়। সেই বাবে ল'ৰা-ছোৱালীয়ে খেলিবলৈ ভাল পায়। কিন্তু ব্যায়াম কৰিবলৈ ভাল নাপায়। খেল-ধেমালিৰ জৰিয়তে শৰীৰ চৰ্চা হয়। ইয়াৰ পৰিণতিত ছাত্ৰ-ছাত্ৰীসকলে সুস্বাস্থ্য লাভ কৰিবলৈ সক্ষম হয়। দ্বিতীয়তে, খেল-ধেমালিৰ জৰিয়তে মানসিক চৰ্চা হোৱাৰ উপৰিও জন্মগত প্ৰবৃত্তিবোৰৰ উৎকৰ্ষ সাধন কৰিব পাৰি। তৃতীয়তে, খেল-ধেমালিৰ মাধ্যমেৰে নেতৃত্ব দিয়াৰ কৌশল আৰু ইয়াৰ প্ৰয়োজনীয়তা আদিৰো প্ৰশিক্ষণ লাভ কৰে। চতুৰ্থতে, খেল-ধেমালিৰ জৰিয়তে ল'ৰা-ছোৱালীয়ে শৈশৱ কালৰে পৰা সামাজিকতা, একতা, ভ্ৰাতৃত্ব, সংহতি আদিৰো শিক্ষা পায়। পঞ্চমতে, খেল-ধেমালিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ অৱসাদ আঁতৰ কৰি নীৰস বিষয়তো অনুৰাগৰ সৃষ্টি কৰিব পাৰি।

পুথিগত বিষয়ৰে শিক্ষা দিব নোৱাৰা অনেক বিষয়ৰ শিক্ষা খেল-ধেমালিৰ ওপৰত দক্ষতা লাভ কৰি ছাত্ৰ-ছাত্ৰীয়ে ভবিষ্যত জীৱনত ইয়াৰ জৰিয়তেই জীৱিকা নিৰ্বাহৰ পথ সুগম কৰি ল'ব পাৰে। কলেজ-বিশ্ববিদ্যালয় আদিতো খেল-ধেমালিৰ ওপৰত প্ৰাধান্য দিছে। শিক্ষাৰ পৰিপূৰ্ণতাৰ বাবে খেল-ধেমালি অতিকে প্ৰয়োজনীয়। খেলা-ধূলাৰ জৰিয়তে ভৱিষ্যত জীৱনৰ প্ৰস্তুতি চলাব পাৰে, আনকি জীৱিকা নিৰ্বাহিৰ পথ সুগম কৰি দিয়াতো খেল-ধেমালিয়ে অৰ্থপূৰ্ণ সমল আগবঢ়াব পাৰে। সেইবাবে খেল-ধেমালিক শিক্ষাৰ অংগ ৰূপে স্বীকাৰ কৰা হৈছে।ঃঃ

# ২০১০ বৰ্ষৰ বিশ্বকাপ ফুটবলৰ শুভংকৰ আৰু বলটো

**জয়ালক্ষী বড়ো**
স্নাতক প্ৰথম বৰ্ষ, গাৰ্হস্থ্য বিজ্ঞান বিভাগ

**শুভংকৰ ঃ জাকুমি**

২০১০ বৰ্ষৰ ফিফা বিশ্বকাপৰ শুভংকৰ হ'ল জাকুমি। সেউজীয়া চুলিৰে জাকুমি দেখাত এক মানৰ সদৃশ নাহৰফুটুকী

বাঘ। কিন্তু দক্ষিণ আফ্ৰিকাৰ এক নিবিড় সম্পৰ্ক আছে। ২০০৮ চনৰ ২২ চেপ্তেম্বৰত হৈছিল। দক্ষিণ আফ্ৰিকাৰ জেড (ZA) আৰু কেইবাটাও (Kumi)ৰ অৰ্থ হ'ল 'দহ'। দেশখনৰ 'প্লেয়িং ষ্ট্ৰীপ' হালধীয়া কৰে। উল্লেখযোগ্য যে ১৬ জুনৰ দিৱস' হিচাপে উদ্‌যাপন কৰা জাকুমিৰ জন্ম হৈছিল ১৯৯৪ আফ্ৰিকাত প্ৰথম বাৰলৈ দেশজুৰি হৈছিল। জাকুমিৰ চৰিত্ৰটো সৃষ্টি এড্ৰিয়েছ আইডনডালে। জাকুমিৰ। মটো হ'ল ফেয়াৰ প্লে।




ৰক্তাক্ত ইতিহাসৰ সৈতে জাকুমিৰ বিশ্বকাপৰ শুভংকৰ হিচাপে জাকুমিক প্ৰথম উপস্থাপন কৰা আন্তঃৰাষ্ট্ৰীয় সংক্ষিপ্ত ৰূপ হ'ল আফ্ৰিকান ভাষাত 'কুমি' শুভংকৰ ৰঙে আয়োজক আৰু সেউজীয়াক প্ৰতিফলিত দিনটো দক্ষিণ আফ্ৰিকাত 'যুৱ হয় আৰু ১৫ জাকুমিৰ জন্মদিন। চনত আৰু এই বছৰটোতে দক্ষিণ বৰ্ণ বৈষম্যহীন নিৰ্বাচন অনুষ্ঠিত কৰিছিল কেপটাউনৰ জনৈক

**বল ঃ জাবুলানি**

জাবুলানিৰ জুলু ভাষাৰ অৰ্থ হ'ল সকলোৰে বাবে আনন্দ কঢ়িয়াই অনা। বিখ্যাত এডিডাছ কোম্পানিয়ে ২০১০ৰ বিশ্বকাপৰ বলটো জাবুলানিৰ নামেৰে নামাকৰণ কৰিছে। বিশ্বকাপৰ ইতিহাসত জাৰ্মানৰ বিখ্যাত কোম্পানীটোৱে ৰৰ নম্বৰ বল জাবুলানিৰ ৰূপত উপহাৰ দিছে। ইয়াত আছে এই বলটো সংযুক্ত আৰৱ এমিৰেটছত অনুষ্ঠিত ২০১০ৰ আফ্ৰিকান কাপ অব্ নেচনছতো এই বলটো। এডিডাছৰ দ্বাৰা উদ্ভাৱন কৰা গ্ৰিপ কৰা হৈছে। বলটো নিৰ্মান কৰোতে বুটেইনৰ গ্ৰহণ কৰা হৈছিল। ভাৰতৰ নিৰ্মিত লেটেক্স আৰু চীনৰ ইথাইলিন ভিনিছ এচিটেট, চিয়াঁহীৰ সংমিশ্ৰণ ঘটাই বলটো নিৰ্মান কৰা




এঘাৰটা ৰং। প্ৰতিজন ফুটবলাৰৰ বাবে এটাকৈ ৰং। বিশ্ব ক্লাৱ কাপত ব্যৱহাৰ হৈছিল। একেদৰে ব্যৱহাৰ হৈছিল। এক বিশেষ আৰ্হিৰে নিৰ্মিত এণ্ড গ্ৰুভ পদ্ধতিৰে জাবুলানি বলটো নিৰ্মান ল'বৰ বিশ্ববিদ্যালয়ৰ গৱেষক সকলৰ সহায় ব্লাডাৰ, টাইক্লানৰ থৰ্মোপ্লাষ্টিক পলিউৰেথেন আইছ'ট্ৰেপিক পলিষ্টাৰ কটন ফেব্ৰিক, গ্লু আৰু হয় চীনত।ঃঃঃ

# অনুভৱৰ
# কৰণি



# ভালপোৱা.......... মাথো এটি বিষাদৰ নাম

**কাব্যশ্ৰী কোঁৱৰ**
স্নাতক তৃতীয় বৰ্ষ, ৰসায়ন বিজ্ঞান

ৰাতিপুৱা বেলিটোও আজি বহু দেৰিলৈকে ওলোৱা নাই। আকাশখনো কলীয়া ডাৱৰে আৱৰি ধৰিছে। হয়তো এজাক বৰষুণ আহিব তথাপি মনটো ডাঠ কৰি নীলাঞ্জনাই নিজৰ কাম কেইটা কৰি ল'লে। আজি আক' নীলিমক লগ কৰাৰ কথা আছে। কালি ফোনতে ক'লে লগ কৰাৰ কথা। বতৰ ভাল হওক, আপোনজনতকৈ এইবোৰ একো ডাঙৰ হ'ব নোৱাৰে নীলাঞ্জনাৰ বাবে। নীলিমক পাৰ্কতে লগ কৰাৰ কথা আছে। নীলিমৰ যে কি অভিমান, দেৰি হ'লে লাগিবই লেঠা।

'তোমাৰ অপেক্ষাতে
ৰৈ আছো অকলে, নিৰৱে,
বহু হেপাহেৰে...........
এই সেউজীয়াৰ মাজত.............

নীলাই নীলিমতকৈ আগতেই পাৰ্ক পালেহি। নীলা-নীলিমে মৰমতে মতা নাম তাইৰ। নীলিমে সদায় এটা কথা কৈছিল- লগ কৰাৰ ঠাইত যিজন আগত উপস্থিত হয় সিয়ে বেছি ভাল পায়। আনকালে নীলিম সদায় আগতে উপস্থিত হয়। কিন্তু আজি ব্যতিক্ৰম। যি নীলিমে এইটো কথা লৈয়ে নীলাৰ আগত অভিমান কৰে, সেই নীলিম আজি ইমান দেৰিলৈকে আহি পোৱাই নাই। কিমান দিনৰ মূৰত যে তাই লগ পাব নীলিমক। চাকৰিৰ বাবে বংগালোৰলৈ যোৱাৰ পিছৰ পৰা যে আজিহে নীলিমক লগ পাব সুদীৰ্ঘ এক বছৰৰ মূৰত। কেনেকুৱা বা হ'ল নীলিমটো আগতে লগ কৰিবলৈ আহোতে যে পাৰপল্ কালাৰৰ চাৰ্টটো আৰু ব্লেক জিন্সটো পিন্ধি আহে, বৰ ধুনীয়া দেখি তাক। ঘড়ীটোলৈ আকৌ চালে তাই, সময় বহুত হ'ল। এতিয়াও আহি পোৱাহি নাই নীলিম। তাই এটা ফ'নকে কৰো বুলি ভাবিলে তালৈ।

তুমি একোৱা জীয়া জুই
আৰু মই ঘি
গলি গলি শেষ হৈ যাও
তোমাৰ কাষতে থাকি........

নীলিমৰ ম'বাইলৰ পৰা ভাঁহি আহিল এযাৰি কবিতা। মনটো ভালো লাগিল কবিতাটো শুনি। সঁচাকৈয়ে আপোনজনৰ সানিধ্যই যে সকলো পাহৰাই দিয়ে। আপোনজনৰ স্পৰ্শত সাৰ পাই উঠে হৃদয়ৰ নিভৃত কোণত জাগি উঠা প্ৰেম। বহুত দেৰি ৰিং হ'ল কিন্তু নীলিমে ফ'ন ৰিচিভ নকৰিলে। তাই ভাবিলে হয়তো সি বাইকত আহি আছে। অলপ দেৰিকৈ কৰিম বুলি ম'বাইলটো হাততে লৈ থাকিল।

কাৰোবাৰ কাৰণে অপেক্ষাত থকাটো বৰ আমনিদায়ক........ তথাপি নীলিমক লগ পোৱাৰ আশাই তাইক এই কথাটো অনুভৱ কৰিবলৈ দিয়া নাই। মাথো তাই নীলিমক লগ পাব বিচাৰে। তাৰ কাষত বহি প্ৰেমৰ বাৰ্তালাপ কৰিব বিচাৰে। তাৰ দুচকুত দুচকু থৈ বহু কথাই ক'ব বিচাৰে তাই, মুকলি আকাশৰ তলত বহি। তাই মনত পৰে সি যে সুধিছিল- ভালপোৱাৰ সংজ্ঞা থাকেনে? তেতিয়া যে তাই মাইনী মহন্তৰ উপন্যাসৰ নায়িকা মেঘালীৰ দৰে কৈছিল- তোমাৰ চকুত চকু থলে হৃদয়ত উপচি পৰে যি। তেতিয়া যে নীলিমে ধেমালি কৰি কৈছিল- বাঃ মোৰ নীলাজনীয়ে বৰ ধুনীয়া কথা ক'ব পৰা হ'ল দেই। সেই বুলি কৈয়ে গালত চুমা আঁকি দিছিল। লাজতে নীলা ৰঙা পৰি গৈছিল। বহুত মনত পৰে তাইৰ এইবোৰ।

হঠাৎ নীলাৰ ফ'নটো বাজি উঠিল। চাই দেখিলে নীলিমৰ ফোন। মনটো ভাল লাগি আহিল তাইৰ যদিও নীলিমলৈ বাট চাই ভাগৰি পৰিছিল। ফোনটো ৰিচিভ কৰিলে।

- হেল্ল' নীলা।
- অ' কোৱা।

নীলাই নীলিমক আপত্তি কৰিব লৈছিলহে মাথোন, তেনেকুৱাতে নীলিমে নীলাক বাধা দি ক'লে-

- শুনা, মই এটা বিশেষ কামত বাংগালোৰ আহিব লগা হ'ল। ৰাতিপুৱাই আহিলো। তোমাক জনাবলৈ সময়েই নহ'ল।

আজি এটা বিশেষ কথাৰ কাৰণেহে তোমাক লগ কৰিম বুলি ভাবিছিলো। কথাটো কোৱাই নহ'ল। গতিকে ফ'নতে কওঁ। ক'বটো লাগিবই। নক'লে যে মোৰ উপায় নাই। নীলিমে নীলাঞ্জনাক একো ক'বলৈ সুবিধা নিদি মাথো কৈ গ'ল- শুনি থাকিলে নীলাই মাথো এটা যন্ত্ৰৰ দৰে।

এটা কথা কি জানা নীলা। মই গম নোপোৱাকৈয়ে এটা বৰ ডাঙৰ ভুল কৰি পেলালো। মোৰ জীয়াই থকাৰ প্ৰেৰণা মাথো তুমি আছিলা নীলা। মাথো তুমি। কিন্তু চাকৰিত জইন কৰিলো, একে ডিপাৰ্টমেন্টৰে এজনী ছোৱালী লগ পালো। প্ৰথম অৱস্থাত মাথো বন্ধুত্বই আছিল। কিন্তু যিমানেই তাইৰ লগত এটা সু-সম্পৰ্ক হৈ আহিল সিমানেই মই যেন তাইৰ প্ৰতি দুৰ্বল হৈ যাব ধৰিলো। তাই মোৰ প্ৰতি দেখুওৱা সহানুভূতিবোৰ আৰু মোৰ প্ৰতি লোৱা যতনবোৰ যেন মোক দুৰ্বল কৰি পেলালে। মই একো ভাবিব নোৱাৰা হৈ পৰিলো। দুখন নাঁৱত দুভৰিৰ দৰে হ'ল মোৰ। হঠাৎ কি হ'ল নাজানো মইও তাইক লাহে লাহে ভাল পাবলৈ ধৰিলো। বহুবাৰ চেষ্টা কৰিলো তোমাক কথাটো ক'বলৈ কিন্তু মোৰ সাহস হোৱা নাছিল। কাৰণ, মই যে তোমাৰ ওচৰত অপৰাধী, পাপী। এতিয়া মাথো ক্ষমা বিচাৰিছো তোমাৰ ওচৰত। আমি বহুদূৰ আগবাঢ়ি গ'লো। অহা মাহত আমাৰ বিয়া। তুমি মোক পাহৰি যোৱা নীলা। পাহৰি যোৱা।

অনুমতিহীন ভাবেই সোমাই আহিল
মোৰ জীৱনলৈ অমানিশা
চৌদিশৰ পৰা
আক্ৰমণাত্মক ভাবে
সোমাই অহা
বতাহজাকে চিৰাচিৰ কৰি পেলালে
মোৰ শৰীৰ।

কথাবোৰ শুনি নীলাঞ্জনাৰ মূৰৰ ওপৰত সৰগখন ভাগি পৰা যে অনুভৱ হ'ল। যাক লৈ এটা দিন আৰম্ভ হৈছিল আৰু যাৰ কথা ভাবি এটা ৰাতি পাৰ হৈছিল সেই নীলিমৰ আজি এয়া কি ৰূপ কি পাপৰ ভোগ এয়া? যাৰ অবিহনে নীলিমৰ নীলাঞ্জনা অসম্পূৰ্ণ আছিল, সেই নীলিম আজি নীলাঞ্জনাৰ পৰা বহুত দূৰৈত। নীলাঞ্জনাৰ বুকুৰ ভিতৰত এটা শোকে খুন্দা মাৰি ধৰিলে। চকু পানীও নাই ওলোৱা। কোনোবাই কোৱা এটা কথা তাইৰ মনত পৰিছে আজি- যেতিয়া মানুহৰ অন্তৰে দুখ পায় তেতিয়া চকুপানীও নোলোৱা হয়। বিদায় পৰত নীলাৰ মুখেৰে মাথো এটা কথাই স্বতঃস্ফূতভাবে বাগৰি আহিল- তুমি সুখী হোৱা নীল। কৈয়ে ফ'নৰ লাইনটো কাটি দিলে নীলাই। "ভালপোৱা এনেকুৱা এটা বস্তু নহয়, যাক টানি আজুৰি ল'ব পাৰি। ভালপোৱা মাথো স্বতঃস্ফূত। নীলিমৰ ভালপোৱাকো টানি আজুৰি ল'ব নুখুজিলে নীলাঞ্জনাই।

কিয় এনেকৈ মৰমবোৰ অভিমানী হৈ যায়
কিয় এনেকৈ আপোনজন অচিনাকী হৈ যায়।
কিয় এনেকৈ জীৱন হেৰাই যায়
সময়ৰ প্ৰতিটো খোজত

নীলাঞ্জনাৰ আজি গোটেই পৃথিৱীখন আৰু এই মানুহবোৰ, সকলোবোৰ অচিনাকী যেন লাগিল। ক'ত হেৰাই গ'ল তাইৰ নীলিম। তাইক সপোন দেখুওৱা, আকাশ চাবলৈ শিকোৱা, সাগৰৰ গভীৰতা অনুভৱ কৰিবলৈ শিকোৱা সেই নীলিমটো ক'ত হেৰাই গ'ল। কিয় বুকুৰ আপোনজন অচিনাকী হৈ যায়, কিয় পাহৰি যায় কাৰোবাৰ অনাবিল মৰম কি? জীৱনটো যে শেষ হৈ গ'ল নীলাৰ। কেৱল নীলিমেৰে ভৰি থকা তাই হৃদয়খন ভাগি চুৰমাৰ হৈ গ'ল। কিয় হয় কাৰোবাৰ প্ৰতি অসীম ভালপোৱা, যাৰ অবিহনে জীয়াই থাকিবলৈ কষ্ট হয়। কেৱল ভালপোৱাজনেহে বুজিব বিচ্ছেদৰ দুখ কিমান। কিয় হয় এই বিচ্ছেদ কেনেকৈ পাহৰো তোমাক (নীল), তুমি যে মোৰ হিয়াৰ এমুঠি জোনাক। মোৰ বুকুৰ এই কেঁচা ঘাঁ ডোখৰ জীৱনত কেতিয়াও নুশুকায় জানা নীল- কথাবোৰ ভাবি ভাবি নীলা কেতিয়া হোষ্টেল পালিহি গমেই নাপালে। হোষ্টেললৈ সোমাই যোৱা ৰাস্তাৰ ষ্ট্ৰীট লাইট কেইটাও জ্বলি উঠিল। আকাশত এটি দুটি তৰা ওলাও নোলাও কৰিছে। আজি যেন জোনবাইটোও নীলাৰ দুখত দুখী হৈছে

বুকুৰ বিষটো লাহে লাহে কমি আহিবলৈ ধৰিলে নীলাৰ। মনটো সহজ কৰিবলৈ বহু চেষ্টা কৰিলে তাই। কিন্তু মনৰ মাজত, হৃদয়ত বাজি থাকিল এটাই মাথো নাম- নীলিম-নীলিম-নীলিম......

এয়াই কিজানি ভালপোৱা
প্ৰত্যাখানৰ পাছতো
তোমাৰ চৰণতেই
মোৰ মন আৰু হিয়া।ঃঃ

# আশাৰ সফলতাৰ আঁৰত অনুভৱৰ শিহৰণ......

**পাপৰি গগৈ**
শিক্ষা বিভাগ
স্নাতক তৃতীয় বৰ্ষ

মোৰ জীৱনত এটা বহুদিনীয়া আশা আছিল যে এখন ঠাণ্ডা তুষাৰ পৰি থকা তথা পাহাৰীয়া ঠাইলৈ পৰ্যটক হিচাপে যোৱাৰ। সেই আশা পূৰণ হৈছিল NCC (National Cadet Crops)ৰ যোগেদি ২০০৯ চনৰ ১৩ অক্টেবৰত অফিছুৰ চুবেদাৰ ছাৰে ফোন কৰি কৈছিল যে-Tracking Camp এটা কৰিবলৈ যাবা নেকি মই সুধিলো ক'ত.... তেওঁ ক'লে যে ছিকিমত......। মই মা-দেউতাক নোসোধাকৈ একেযাৰে যাম বুলি কৈ দিলো। ফোনটো কটাৰ পাছতহে কথাটো অনুভৱ কৰিছিলো যে- মই কাকো নোসোধাকৈ যাম বুলি কৈ দিলো। কিন্তু মা-দেউতাই মোক যাবলৈ দিব জানো সেইটো কথা ভবাই নহ'ল। শেষত মা-দেউতাৰ পৰা যোৱাৰ সন্মতি পালো। কিমান যে ফুৰ্তি অনুভৱ কৰিছিলো। সেইটো মই কৈ বা লিখি প্ৰকাশ কৰিব নোৱাৰো।

১৫ অক্টোবৰৰ দিনা আমি প্ৰকৃতিৰ নগৰী ছিকিমলৈ বুলি যাত্ৰা কৰিছিলো। ডিব্ৰগড় Groupৰ পৰা আমি ১৭ গৰাকী Cdt. গৈছিলো। তাৰে পাঁচ গৰাকী আছিল অৰুণাচল প্ৰদেশৰ, আৰু আমাৰ Groupৰ ফালৰ পৰা মোক Senior পদটো যাচিছিল কিন্তু মই সেই পদ লৈ যাবলৈ বিচৰা নাছিলো আৰু তেতিয়া Senior হৈ যাব পৰা যোগ্যতাও মোৰ নাছিল। এই পদটো থাকিল মনে বিচৰাকৈ ফুৰ্তি কৰিব নোৱাৰিম, বুলিয়েই আৰু বহুত ধৰণৰ দায়িত্ব দিয়াৰ বাবেই হয়তু মই ল'ব বিচৰা নাছিলো। Senior বুলি ক'লে সদায় নিজৰ Quality Best হ'ব লাগিব অৰ্থাৎ গুণ থাকিব লাগিব। কিন্তু মই লগৰ বিলাকৰ লগত ফুৰ্তি কৰি থাকিয়ে ভাল পাইছিলো।

আমি Train য়েৰে গৈ জালুকবাৰী ষ্টেচনত নামিছিলো। আমাৰ লগৰ এগৰাকী ANO Madam গৈছিল। তাত পোৱাৰ লগে লগেই আমি আমাৰ Luggage সমূহ এঠাইত গোটাই আমাৰ গন্তব্য স্থানলৈ নিবলৈ কোন আহিছে তাকে জানিবলৈ মই আৰু মোৰ এজনীৰ সৈতে গোটই ষ্টেচনটোত চালো। অৱশেষত

গৈ দেখিলো যে এটা কোণত টেবুল এখন লৈ তাৰে দুজন ছাৰে Receptionist কাম কৰি আছে। প্ৰথমতে আমি আমাৰ পৰিচয় দি আমাৰ তথ্য সম্পূৰ্ণভাৱে লৈ Luggage সমূহ আনিবলৈ কৈছিল। আকৌ আগৰ ঠাইলৈ গৈ লগৰ বিলাকক লগত লৈ ছাৰসকল থকা ঠাই পাইছিলোহি। তাত Madamয়ে কথা পাতিলে আৰু গম পালে যে ন-মান বজাত গাড়ী (Kenter) আহিব আমাক নিব। আমি চাহ খাই অলপ - আৰু অতি উৎসাহেৰে ছাৰহঁতক ঠাই টুকুৰাৰ বিষয়ে সুধিবলৈ আৰম্ভ কৰি দিছিলো আৰু ছাৰহঁতে সোধাৰ মতে উত্তৰ দি গৈছিল। তাতে আমি অলপ ঠাণ্ডা ঠাণ্ডা অনুভৱ কৰিছিলো তথাপিতো গৰম কাপোৰ পিন্ধা নাছিলো কাৰণ সেই পৰিবেশৰ ঠাণ্ডাৰ আমেজ ল'বলৈ হয়তু মই মনে বিচাৰিছিলো। অলপ সময়ৰ পাছতে গাড়ী আহিছিল। আমি উঠিছিলো আৰু একো দুখ-ভাগৰ অনুভৱ নকৰাকৈয়ে চিঞৰি চিঞৰি গান গাই Siliguri পাইছিলোগৈ। অতি আন্ধাৰ আছিল যদিও ঠাই টুকুৰাৰ দেখাৰ আশাৰে বাহিৰৰ ফালে চাই চাই আহিছিলো।

আমাক থাকিবলৈ দিয়া ঠাইখন আছিল পৰ্যটক থকাৰ ঠাই। একে ধৰণৰ Squar typeত ৪৫ টা Cottage আছিল। তেতিয়ালৈকে ঠাই ডোখৰ ভালদৰে দেখা পোৱা নাছিলো। পুৱালৈ দেখিম বুলি অতি উৎসাহেৰে বাট চাইছিলো। আমাক Gateৰে সোমাই আহি ৫নং Cottage টোত থাকিবলৈ দিছিল। Cottage ওপৰৰ মহলাত আমাক আৰু তলৰ মহলাত Uttar Pradeshৰ Cdt সমূহক থাকিবলৈ দিছিল। বহু দিনৰ পৰা এই Camp টো হৈয়ে আছিল আৰু আমি আছিলো ৩নং Best আৰু Camp টোৰ নাম আছিল Sikkim Tracking Camp। তাৰ পাছতেই আমাক Dinner বাবে মাতিছিল। Dinner কৰি আহোতে এটা হাঁহি উঠা ঘটনা ঘটিছিল। আমি আমাৰ Barek বুলি ২টা Barek আগতেই থকা এটা Barek সোমাই গৈছিলো। সকলোকে অচিনাকী লাগিছিল যদিও নিজকে স্বাভাৱিক কৰি লৈ ক্ৰমেন্বয়ে চিৰিয়ে ওপৰলৈ উঠি গৈছিলো। কিন্তু দুৱাৰখন বন্ধ পাই তললৈ গুচি আহিলো। তেতিয়া লগৰ বিলাকক ক'লে যে এইটো আমাৰ Barek নহয়। মনতে অলপ ভয়ো লাগিছিল, অচিনাকী ঠাই; কি কৰো, কেনেকৈ বিচাৰো, কেনেকৈ চিনি পাম আদি চিন্তাৰে আগুৰি ধৰিছিল। অৱশেষত বিচাৰি পালো। Madamয়ে আমাক তাত পালন কৰিবলগীয়া Role সমূহ বুজাই দিছিল। ১১ বজাত Light off কৰি শুবৰ বাবে Siti মাৰিছিল কিন্তু আমি সময়তে শুব পৰা নাছিলো। প্ৰথম দিনৰ বাবে হয়তু আমাক গালি বা শাস্তি দিয়া নাছিলে। ৰাতিপুৱা উঠিয়েই ক্ৰমান্বয়ে PT Pared, চাহ, Breakfast, lunch, rest অংশগ্ৰহণ কৰাৰ কথা আলোচনা কৰিলো। প্ৰত্যেক Groupৰ পৰা এটা Group Song, Group Dance, Sole Song, Solo Dance অংশ গ্ৰহণ কৰাটো বাধ্যতামূলক আছিল। আমি সেই অনুসৰি সকলোৰে মিলি সকলোখিনি আয়োজন কৰিছিলো।

তাৰ পাছদিনাই আমি 'Tadong' নামৰ ঠাই টুকুৰালৈ যাত্ৰা কৰিছিলো। ৰাতিপুৱা ৬ মান বজাত যাত্ৰা আৰম্ভ কৰি ৩-৩০ বজাত আমি তাত পাইছিলোগৈ। যাওঁতে আমি বহুতো enjoy কৰিছিলো। জীৱনত প্ৰথম বাৰ যোৱাৰ বাবে হয়তু অলপ ভয় লাগিছিল। ইমান ওখ পাহাৰলৈ আমি ক্ৰমান্বয়ে উঠি গৈ আছিলো, ৰাস্তাৰ এটা Side লগতে লাগি আছিল পাহাৰসমূহ আৰু আনটো Side আছিল ওপৰৰ পৰা জোৰেৰে শব্দ কৰি বৈ অহা নদীখন। Tadongত আমাক এখন স্কুলত থাকিবলৈ দিছিল। স্কুলখনলৈ ৰাস্তাৰ পৰা কিঃমিঃ মান উঠি যাব লগা হৈছিল আৰু Lunch, Breakfast, Dinner কৰিবলৈ তাৰ পৰা আকৌ আধা কিঃমিঃ ওপৰলৈ উঠিব লগা হৈছিল। গধুলি সময়ত তাৰে মানুহ এগৰাকীয়ে Momo আৰু তেওঁলোকৰ পৰম্পৰাগত কিছুমান খাদ্য টেকেলীত ভৰাই চাকি এটা লৈ বিক্ৰী কৰিব আহিছিল আৰু তাত থকা কেইদিন খুওব সেই খাদ্যসমূহ খাইছিলো। তাত থাকোতে আমাক River side ফালে অতি কমেও ২৫ কিঃমিঃ মান খোজ কঢ়াই লৈ গৈছিল। কিন্তু আমি ভাগৰি পৰাৰ পৰিবৰ্তে খুওব আনন্দ লভিছিলো। Flower Garden এখনলৈ এদিন গৈছিল।

তাৰ পাছত আমি North Sikkim খোজ কাঢ়ি গৈছিলো আৰু আমাৰ Luggage সমূহ গাড়ীৰে নিছিল। আমি সকলো দুখ-ভাগৰ পাহৰি ছিকিম নগৰৰ মনোৰম দৃশ্য সমূহ উপভোগ কৰি গান গাই নাচি আমাক থাকিবলৈ দিয়া ঠাই টুকুৰা পাইছিলোগৈ। তাত বিৰাট ডাঙৰ College এখনত আমাক থাকিবলৈ দিছিল। সেইদিনা Rest লৈ গৈ আমি পিছদিনাই পুৱাই ফুৰিবলৈ গৈছিলো। পৃথিৱীৰ দ্বিতীয় উচ্চতম শৃংগ 'কাঞ্চনজংঘা'ৰ ওচৰৰে আমি আগুৱাই গৈছিলো।

যাওঁতে ৰাস্তাত Sikkim Manipal University খনত পাই গৈছিলো। তাৰ পাছতে আমি বৌদ্ধ সকলৰ মন্দিৰলৈ গৈছিলো। তেওঁলোকক ইমান ওচৰত পাই তেওঁলোকৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ দেখি চীন দেশত থকাৰ দৰে অনুভৱ কৰিছিলো। আমাৰ পৃথিৱীত বাস কৰা এই শুদ্ধ তথা বৌদ্ধধৰ্মালম্বী লোক সকলক ওচৰত পাই বহুতো ভাল লাগিছিল। তাৰ পাছতেই আমি Roplglay গৈছিলো। তাত পাইয়ে যেন জাপ মাৰি ওপৰলৈ উঠি যাম যেন লাগিছিল। তাত উঠিবলৈ হ'লে Ticket কাটি Lift ওপৰলৈ Box (অৰ্থাৎ বৈদ্যুতিক যন্ত্ৰ/গাড়ী)ৰ ওচৰলৈ লৈ গৈছিল। তাত গৈ আমি ক্ৰমান্বয়ে লানি পাতি উঠি গৈছিলো। মনত ভয় লাগিছিল যদিও সপোন বাস্তৱত পৰিণত হোৱাৰ আশাৰে উঠি গৈছিলো। যেতিয়া গৈ সোঁমাজ পাইছিলো তেতিয়া ঘৰৰ মানুহ সকলোকে যেন চিঞৰি এই মনোৰম মনোমোহা দৃশ্যবোৰৰ কথা কম। উপায়হীন হৈ Roplglay টোৰ ভিতৰত বহুত চিঞৰিছিলো। তাৰ পাছত আমি যাদুঘৰ, সমাধিস্থান, View Point (ৰাজ্যখনৰ প্ৰায়ভাগ ঠাই দেখা পোৱা স্থান) আৰু বিভিন্ন স্থান দৰ্শন কৰি ক্ৰমান্বয়ে থকা ঠাইলৈ ঘুৰি আহিছিলো।

তাৰ পাছত আমাক বেলেগ এডোখৰ ঠাইলৈ লৈ গৈছিল। তাত আমাক Conference Hall Type কোঠা এটাত থাকিবলৈ দিছিল। পিছদিনাই আমাক বজাৰ কৰিবলৈ MG নামৰ Market খনলৈ লৈ গৈছিল। Market খন কেইমহলীয়া আছিল হিচাপ কৰিবলৈ নহ'ল। যিটো ৰাস্তাইদি মহলাত সোমাইছিলো তাৰ ওপৰত আৰু সকলোতে বজাৰ আছিল। জীৱনত প্ৰথম বাৰৰ বাবে এনেকুৱা এখন Market দেখিবলৈ পাইছিলো। Market খন থকা ঠাই টুকুৰা থাকোতে মই এখন বিদেশী ৰাষ্ট্ৰত থকাৰ দৰে অনুভৱ হৈছিল। নাই কোনো হুলস্থূল, গাড়ীৰ হৰ্ণ, ৰাস্তাটো মাৰ্বল পাথৰৰ, সকলোৱে নিজৰ নিজৰ কামত ব্যস্ত। ৰাস্তাৰ মাজত ফুলৰ বাগিছা, দুয়োকাষে আছে বহিবলৈ Chair। নাই চিগাৰেটৰ ধোঁৱা, নাই লেতেৰা, নাই এটুকুৰা পৰি থকা কাগজৰ টুকুৰা। ৰাস্তাৰ দাঁতিত কিতাপ পঢ়াই পঢ়িছে, কথা পতাই পাতিছে, বিভিন্ন দেশৰ পৰ্যটকৰ সৈতে এটা ব্যস্ততাময় পৰিবেশ। আমাৰ ভাৰতবৰ্ষত এনেকুৱা এখন প্ৰকৃতিৰ ৰাজ্যৰ উপস্থিতিয়ে আমাক গৌৰান্বিত কৰে। সেইদিনা আমি থকাৰ ঠাইলৈ যাওঁতে প্ৰায় গধূলি হৈছিল। আকৌ পিছদিনাখনেই আমি Siliguri বুলি যাত্ৰা কৰিছিলো। Siliguri পাই আমি আগতে থকা Cottage টোতে থাকিছিলো। তাতো বহুতো ঠাই ফুৰিছিলো। শেষৰ দিনা Group Song আৰু Group Danceত ক্ৰমান্বয়ে 2nd and 1st Prize পাইছিলো। এটা কথা সঁচা যে আমি অসমীয়া সংস্কৃতিক লৈ সঁচাকৈয়ে গৌৰান্বিত। য'তেই নহওঁক কিয় কোনো আন সংস্কৃতিৰ নাচ বা অন্যান্য দিশসমূহত ৰস বা ফুৰ্তি নাপালেও আমাৰ যেতিয়া 'বিহু' আৰম্ভ হয় উপভোগকাৰী কোনেও দেহৰ এটা অংগ নলৰোৱাকৈ বহি থাকিব নোৱাৰে। ইমান ৰস... ইমান উদ্যম..., ইমান স্ফুৰ্তি... লগা সুখেৰে ভৰা আমাৰ চেনেহৰ সংস্কৃতি সঁচাকৈয়ে আমি ইয়াৰ বাবে সদায় আমাৰ মুৰ ওপৰমুৱা হৈ থাকিব। Siliguriত চাৰি নিশা কটাই আমি ঘৰমুৱা হওঁ। যিমান ফুৰ্তিৰে Camp Attend কৰিবলৈ যাওঁ সিমান দুখেৰে বিভিন্ন ৰাজ্যৰ বিভিন্ন ঠাইৰ বান্ধৱী সকলক এৰি স্মৃতি স্বৰূপে লৈ ঘৰৰ দিশে আগবাঢ়ো।:::

# মোৰ খেলুৱৈ জীৱনত এভুমুকি.....

**মৃদুস্মিতা ফুকন**
তৃতীয় ষাণ্মাষিক, শিক্ষা বিভাগ

মানৰ জীৱনৰ উৎকৰ্ষ সাধনত ক্ৰীড়াৰ ভূমিকা অপৰিসীম। ছাত্ৰ-ছাত্ৰীৰ মানসিক আৰু বৌদ্ধিক বিকাশ কেৱল অধ্যয়নৰ দ্বাৰাই সম্ভৱ নহয়। এইক্ষেত্ৰত ক্ৰীড়াৰ গুৰুত্বতা আটাইতকৈ বেছি। ই আমাক শৃংখলাবদ্ধতা, মিলা-প্ৰীতি, সচেতনতা, কৰ্তব্যবোধ, দায়িত্ববোধ ইত্যাদি গুণ আয়ত্ব কৰাত সহায় কৰাৰ লগতে এক সৎ আৰু সুস্থ সামাজিক ব্যক্তি হিচাপে নিজকে গঢ়ি তোলাত সহায় আগবঢ়ায়।

"বেডমিণ্টন"— এই খেলবিধৰ প্ৰতি মোৰ আকৰ্ষণ সৰুৰে পৰাই আছিল। খেল বিধৰ প্ৰতি থকা আকৃষ্টতা তথা মোৰ দেউতা খেলুৱৈ হোৱাৰ বাবেই হয়তু নিজকে খেলুৱৈ হিচাপে গঢ়ি তোলাৰ হাবিয়াসক বাস্তৱত পৰিণত কৰিবৰ বাবেই ২০০৩ চনৰ মাৰ্চ মাহৰ কোনোবা এটা দিনত মোৰ দেউতা শ্ৰীযুত ভূপেন ফুকনৰ ওচৰত বেডমিণ্টনৰ আদি পাঠ গ্ৰহণ কৰি মই, মোৰ খেলুৱৈ জীৱনৰ আৰম্ভণি কৰোঁ।

আৰম্ভণি যদিও, ২০০৩ চনতে হৈছিল, তথাপিও ৰাষ্ট্ৰীয় পৰ্যায়ত খেলাৰ সুবিধা মই ২০০৬ চনতহে লাভ কৰো। পণ্ডিচেৰীত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় মিনি আৰু ছাব জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাত পোন প্ৰথম বাৰৰ বাবে "অসম" দলক প্ৰতিনিধিত্ব কৰি ২০১১ চনলৈকে অসমৰ হৈ ভাৰতৰ বিভিন্ন ৰাজ্যত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাসমূহত মই "অসম" দলৰ হৈ অংশ গ্ৰহণ কৰি আহিছো।

*সাম্প্ৰতিক সময়ত স'ততে অভিভাৱকসকলৰ মনত উদ্ভৱ হোৱা এটি ধাৰণা হৈছে যে খেলিলে ল'ৰা-ছোৱালীৰ পঢ়া-শুনা বেয়া হয়। কিন্তু এই ক্ষেত্ৰত মই ক'ব বিচাৰো যে এই ধাৰণা সম্পূৰ্ণ ভুল। বৰঞ্চ যিকোনো ধৰণৰ খেল খেলিলে শিশুৰ বা ব্যক্তিৰ দেহ মানসিক উন্নয়নৰ লগতে মনোযোগ, স্মৃতি শক্তি বৃদ্ধি পায়, যাৰ বাবে তেওঁলোকে পঢ়া-শুনাত অধিক মনোযোগ দি পঢ়িবলৈ আগ্ৰহ প্ৰকাশ কৰে।*

মানুহৰ জীৱনটো হৈছে অভিজ্ঞতাৰে পৰিপূৰ্ণ। জীৱনৰ প্ৰতিটো পল অনুপলত লাভ কৰা অভিজ্ঞতাই ব্যক্তিক পৰিপক্ক কৰি তোলে। মোৰ খেলুৱৈ জীৱনটো, বৰ্তমানলৈকে মই বহু অভিজ্ঞতাৰ গৰাকী হৈছো যদিও তাৰে এটা উল্লেখ কৰি কওঁ যে মানুহে কেতিয়াও কোনো কথা বা বিষয়তে নেতিবাচক মনোভাৱ পোষণ কৰিব নালাগে। সদায় ধৈৰ্যৰে, সুস্থিৰে, সাহসেৰে, আত্মবিশ্বাসী হৈ প্ৰত্যেকটো পৰিস্থিতিৰ সন্মুখীন হ'ব লাগে। সাম্প্ৰতিক সময়ত স'ততে অভিভাৱকসকলৰ মনত উদ্ভৱ হোৱা এটি ধাৰণা হৈছে যে খেলিলে ল'ৰা-ছোৱালীৰ পঢ়া-শুনা বেয়া হয়। কিন্তু এই ক্ষেত্ৰত মই ক'ব বিচাৰো যে এই ধাৰণা সম্পূৰ্ণ ভুল। বৰঞ্চ যিকোনো ধৰণৰ খেল খেলিলে শিশুৰ বা ব্যক্তিৰ দেহ মানসিক

উন্নয়নৰ লগতে মনোযোগ, স্মৃতি শক্তি বৃদ্ধি পায়, যাৰ বাবে তেওঁলোকে পঢ়া-শুনাত অধিক মনোযোগ দি পঢ়িবলৈ আগ্ৰহ প্ৰকাশ কৰে। উদাহৰণস্বৰূপে, মই অসমৰ অলিম্পিক খেলুৱৈ শ্বাটলাৰ দীপাংকৰ ভট্টাচাৰ্যৰ কথাকে ক'ব বিচাৰো। তেখেতে দুবাৰকৈ অলিম্পিকত ভাৰতীয় বেডমিণ্টন দলৰ হৈ প্ৰতিনিধিত্ব আগবঢ়োৱাৰ লগতে শৈক্ষিক দিশতো সমান পাৰদৰ্শিতাৰে অভিযান্ত্ৰিক শিক্ষা সমাপ্ত কৰি বৰ্তমান জামছেদপুৰস্থিত ইণ্ডিয়ান অইলত সুদক্ষ অভিযন্তা হিচাবে কৰ্মৰত। সেয়েহে অসমীয়া ভাষাত থকা আপ্তবাক্য 'মন কৰিলেই হয়'ৰ সত্যতা প্ৰতিটো কাম বা কথাতে অনুভৱ হয়।

২০০৩ চনৰ পৰা ২০১২ চনৰ আজিৰ দিনটোলৈকে মোৰ খেলুৱৈ জীৱনত মোৰ মা শ্ৰীযুতা ৰঞ্জুমণি ফুকন আৰু মোৰ দেউতা শ্ৰীযুত ভূপেন ফুকনৰ গুৰত্ব সৰ্বাধিক। মা-দেউতাৰ কষ্ট, অনুপ্ৰেৰণা তথা ধৈৰ্যৰ অবিহনে মই কেতিয়াও এই পৰ্যায়ত উপনীত হোৱাটো সম্ভৱ নহ'লহেঁতেন। বৰ্তমানলৈকে মই কেইবাজনো ৰাষ্ট্ৰীয় তথা আন্তঃ ৰাষ্ট্ৰীয় প্ৰশিক্ষকৰ পৰা প্ৰশিক্ষণ গ্ৰহণ কৰি যদিও মোৰ দেউতাই সদায় মোৰ প্ৰশিক্ষক হিচাপে মোক প্ৰশিক্ষণ দি আহিছে। কেৱল খেলৰ দিশতে নহয় শৈক্ষিক দিশতো যাতে মই সমানেই আগবাঢ়ি যাব পাৰোঁ, সেই ক্ষেত্ৰটো মা-দেউতাই সদায় সহায়, উৎসাহ জগাই আহিছে। অৱশ্যে বৰ্তমান সময়ত তিনিবছৰীয়া পাঠ্যক্ৰমত (স্নাতক শাখাত) ছেমিষ্টাৰ পদ্ধতিৰ প্ৰয়োগে মোৰ তথা অন্যান্য খেলুৱৈসকলৰ লগতে বিভিন্ন সাংস্কৃতিক দিশৰ লগত জড়িত ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক সাংস্কৃতিক বা শৈক্ষিক ক্ৰীড়া এই দুয়োটা দিশত সমানেই আগবাঢ়ি যোৱাত যথেষ্ট কষ্ট হৈছে। কিয়নো নিৰ্দ্ধাৰিত পাঠ্যক্ৰমৰ ৬ মাহৰ অধিকাংশ সময় প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰিবলগীয়া হোৱাত শ্ৰেণীকক্ষত নিয়মীয়াকৈ পাঠ গ্ৰহণ কৰাত যথেষ্ট অসুবিধা হয়, যাৰ ফলস্বৰূপে মূল পৰীক্ষাত নম্বৰ গোটোৱাটো কষ্টকৰ হৈ পৰে। তদুপৰি বাহিৰৰ ৰাজ্যসমূহত ৰাষ্ট্ৰীয় তথা আন্তঃ ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈসকলৰ বাবে গ্ৰেছ মাৰ্কৰ সুবিধা আছে যদিও আমাৰ বিশ্ববিদ্যালয়সমূহত তেনে কোনো ধৰণৰ ব্যৱস্থা বৰ্তমানলৈকে কৰা হোৱা নাই।

যি কি নহওক, ছেমিষ্টাৰ পদ্ধতিৰ প্ৰয়োগৰ সমালোচনাত্মক আলোচনা মোৰ এই সামান্য লেখাটোত দাঙি ধৰাটো মোৰ উদ্দেশ্য নহয় যদিও মই ব্যক্তিগতভাৱে খেলুৱৈ হিচাবে সন্মুখীন হোৱা দুই এটা অসুবিধাৰ কথাহে অৱগত কৰিছো। এই অসুবিধাসমূহৰ বাবে প্ৰত্যেকখন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা বা খেলিবলৈ যোৱাটো মোৰ বাবে টান হৈ পৰিছে যদিও পঢ়া আৰু খেলা দুয়োটা বিষয়ত সমানেই আগুৱাই যোৱাৰ ক্ষেত্ৰত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰত্যেকগৰাকী শিক্ষক-শিক্ষয়িত্ৰী, বিশেষকৈ শিক্ষা বিভাগৰ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, মোৰ বান্ধৱীসকল তথা আমাৰ মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ে মোক সদায় অনুপ্ৰেৰণা যোগাই আহিছে। সেয়েহে মই মোৰ শ্ৰদ্ধাৰ ছাৰ-বাইদেউ আৰু বান্ধৱীসকলক অনুৰোধ জনাওঁ যেন তেওঁলোকে ভৱিষ্যতেও মোক নিজকে এগৰাকী সুশিক্ষিত ব্যক্তি তথা এগৰাকী সুদক্ষ খেলুৱৈ হিচাপে গঢ়ি উঠাত সহায় আগবঢ়ায় যেন।

সৰ্বশেষত, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰৱক্তা কাকলি বাইদেউ আৰু শিক্ষা বিভাগৰ প্ৰৱক্তা ৰণ্টু ছাৰলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। কিয়নো তেওঁলোকৰ সহায়ৰ অবিহনে মোৰ এই সামান্য লেখাটি আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'প্ৰৱাহিনী'ত প্ৰকাশ হোৱাটো সম্ভৱপৰ নহ'লহেঁতেন।ঃঃ

2010 :- i) Team Event Champion on North East Zone Badminton Tournament, Kohima.

ii) Bronze Medal on School Games U-19 Girls Singles, Pune

2011:-i) Champion on North East Badminton Championship, women, Tripura.

ii) Bronze, School Games, Chandigarh.

iii) Team Event, U- 19 Girls doubles champion on N.E. Zone Badminton Tournament, Tripura.

iv) Champion on Women's Team Event, Women's double on NE Sports Festival at Arunachal Pradesh.

# ৰংপুৰ ছাত্ৰী নিবাস আৰু দুটোপালমান অনুভৱৰ বৰষুণ......

**সুস্মিতা মহন**
স্নাতক তৃতীয় বৰ্ষ, শিক্ষা বিভাগ

খিৰিকীখন মেলি দিলো আৰু বাহিৰলৈ চালো। বাহিৰৰ বৰষুণজাকে নষ্টালজিক কৰি তুলিছে মনটো......... বাৰে বাৰে মনত পৰিছে তোমাক লগ পোৱা সেই আবেলিটোৰ কথা.........

২০১০ চনৰ ৩ আগষ্টৰ এটি সেউজীয়া আবেলি পাহৰিব নোৱাৰা কেতিয়াও এই দিনটো। কাৰণ এই দিনটোতে এজাক সপোন পিয়াসী পক্ষীৰ মাজত ময়ো আহি ভিৰ কৰিছিলো 'ৰংপুৰ ছাত্ৰী নিবাস' চমুকৈ 'RCN'। মা-দেউতা তথা জ্যেষ্ঠজনৰ আৰ্শীবাদ শিৰত লৈ আৰম্ভ কৰিছিলো মোৰ প্ৰথম হোষ্টেলীয়া জীৱন।

'ৰংপুৰ ছাত্ৰী নিবাস' মানেইটো সেউজীয়া......য'ত খেলা কৰে ৰামধেনুৰ সাতো ৰঙে...............

লাহে লাহে হোষ্টেলৰ প্ৰতিখন অনুভৱী হৃদয়ৰ স'তে মিলি পৰিছিলো। বিচাৰি পাইছিলো হৃদয়ে বিচৰা সুখ ঠিকনা.....

প্ৰতিটো সন্ধ্যাৰ চাহৰ আড্ডা, ব্যস্ততাৰে ভৰা দেওবাৰৰ পুৱা, ষ্টাডি আৱাৰ মেইনটেইন কৰা, বাথৰুমৰ ছিট লোৱা আদিৰ মাজতো আছে এক সুকীয়া আমেজ। দেওবাৰৰ দিনটোত বৰ হেপাঁহেৰে বাট চাই ৰওঁ ভিজিটৰলৈ। কিজানিবা পাওঁৱেই মাৰ হাতৰ সেই উমাল পৰশ, ঔটেঙা ঢেঁকীয়াৰ সৈতে ৰন্ধা মাছৰ আঞ্জাৰ সোৱাদ....... নাইবা নাৰিকলৰ লাডু।

হোষ্টেলত প্ৰতিটো উৎসৱেই যেনে ঃ নৱাগতা আদৰণী সভা, জন্মাষ্টমী, ফ্ৰেণ্ডছিপ ডে', সৰস্বতী পূজা, বিদায় সম্বৰ্দ্ধনা সভা, ৩১ ডিচেম্বৰ আদি সকলোতেই বৰ উল্লাহেৰে আগভাগ লওঁ। য'ত নিহিত হৈ থাকে হোষ্টেলৰ প্ৰত্যেকজনী ছোৱালীৰ আন্তৰিকতা...। ৰংপুৰ ছাত্ৰী নিবাস মানেই কৃষ্ণচূড়াৰ বলিয়া বতাহজাক......কত দিন, কত নিশা যে উপভোগ কৰিলো এই বতাহজাক। কিমান যে উপভোগ কৰিলো কাঞ্চনজোপাৰ স'তে একাত্ম হোৱা আবেলিবোৰ.......

চাওঁতে চাওঁতে দুটা বছৰনো কেনেকৈ পাৰ হ'ল গমকে নাপালো। এইবাৰ হোষ্টলত শেষ বছৰ........উস্ ভাবিবকে নোৱাৰি। সেয়েহে কেতিয়াবা নিষ্ঠুৰ সময়ৰ ওপৰত অভিমানী হৈ পৰো। অভিমানী হৈ পৰো সময়ৰ উদ্দাম গতিৰ ওপৰত.........ইমান যে বেগেৰে সলাই নিজৰ গতিবেগ।

পাহৰিব নোৱাৰি 'RCN'ৰ বালিঘৰত একেলগে কৰা মৰম লগা নিদোৰ্ষ ধেমালিবোৰ.......হয়তু আৰু কেইটামান দিনৰ পাছত এইবোৰ স্মৃতি হৈ ধৰা দিব আমাৰ মানসপটত। কিন্তু সোঁৱৰণি হ'ব দিব নোৱাৰি এই মূহুৰ্তবোৰ........ এই ৰঙীন মূহুৰ্তবোৰ লগত লৈয়ে আমি আগবাঢ়িব লাগিব ভৱিষ্যতৰ পথত।

আঁউসীৰ জোনটো চাম বুলি বহি ৰওঁ জোনাকৰ চোতালত.... গীত ৰচো সেউজীয়া অনুভৱৰ...............

"তোমাক ভালপাওঁ বাবেই আজি গান গান মোৰ অযুত ভাষা'........'RCN'ৰ বুকুত কত যে সপোন দেখো প্ৰাপ্তিৰ.......চুব খোজো আকাশৰ নীলাখিনি........

'ৰংপুৰ ছাত্ৰী নিবাস' মানেইটো ঢোল, পেঁপা, বাঁহীৰ মাত.........নাচনী খোপাত আবেলি গোন্ধ.........কলেজ উইকত হোষ্টেলৰ হুঁচৰি যোৱা নহ'লে যেন উকা হৈ ৰয়।

কলেজ উইকৰ দিনকেইটা কিছু মস্তি কৰো হোষ্টেলত। নাচ-গানৰ আখৰা, বিয়ানাম, দিহানাম, কোৰাচৰ আখৰা......কি যে এক উৎসৱমুখৰ পৰিবেশ। কলেজ উইকৰ পিছৰে পৰা আকৌ ব্যস্ততা পঢ়াৰ, কাৰণ পৰীক্ষা সকলোৰে সমাগত।

"সময় কাৰোৰে বাবে বৈ নাথাকে
বৈ নাথাকে জীৱন
সময়ৰ লগত বৈ যাম আমি ই গতানুগতিক
একে গতিৰে ব্যস্ত পথিক।"

হোষ্টেলত থকা অভিজ্ঞতাৰে মই কওঁ যে "হোষ্টেলীয়া জীৱনৰ অবিহনে পঢ়া জীৱন আধৰুৱা হৈ ৰয়।" যিজনে হোষ্টেলীয়া জীৱনৰ মানকতা পোৱা নাই তেওঁৰ জীৱনটো অসম্পূৰ্ণ হৈ ৰ'ব।

হয়তু আৰু কেইটামান দিন.......তাৰ পাছত সকলো নিজৰ গন্তব্য স্থানলৈ আগবাঢ়িব। হেৰুৱাব লাগিব আপোনজনক........

"তোমাক এৰি অহাৰ পৰত দুচকুত সজলতাই বৰকৈ আমনি কৰিব মোক"।

'বিদায়' এই মৌন নিথৰ মূৰ্হুতত
মাথো কামনা কৰো
এই যেন উভতি যাও
এবাৰ অতীতলৈ..............ঃঃ



# সাক্ষাৎকাৰ

**দুৰ্লভ বড়া**
উত্তৰণ যাদুঘৰ, জয়সাগৰ

১। প্ৰশ্ন ঃ আপুনি এনেধৰণৰ এটা ব্যতিক্ৰমী কাম কৰাৰ প্ৰেৰণা কাৰ পৰা লাভ কৰিলে?

উত্তৰ ঃ যাদুঘৰ বিষয়টো ব্যতিক্ৰমী বুলি নাভাবো। কাৰণ পূৰ্বেও বহুলোকে এই বিষয়টো সাকাৰ ৰূপ দিছে। যাদুঘৰ ব্যৱস্থাটো থকা বাবেই মোৰ মনলৈ বিষয়টো আহি পৰিল, ই মোৰ মৌলিক চিন্তা নহয়। যাদুঘৰ নিৰ্মাণৰ কামলৈ অগ্ৰসৰ হওঁতে কথাশিল্পী ইমৰাণ শ্বাহ চাৰে তেওঁৰ ভাষণত "একক প্ৰচেষ্টাৰে এইটোৱেই উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথম যাদুঘৰ হ'ব" কথাষাৰে মোক উৎসাহিত কৰে। যাদুঘৰ ধাৰণাটো মোৰ মনত বহুত আগৰ পৰাই আছিল। যাক সমাজ ব্যৱস্থাৰ দায়িত্ব ৰূপে দাঙি ধৰিব বিচাৰো। প্ৰকৃততে উত্তৰণ যাদুঘৰ নিৰ্মাণৰ মূলতে সামাজিক দায়িত্ব বুলি ভাবো আৰু তাৰ ভিত্তিতেই এই কামত অগ্ৰসৰ হওঁ। বিশ্ব প্ৰকৃতি আৰু সমাজৰ পৰাই মই প্ৰেৰণা লাভ কৰিছো।

২। প্ৰশ্ন ঃ ব্যতিক্ৰমী কাম হ'লেও আপুনি যাদুঘৰ প্ৰতিষ্ঠা কৰাটোকে কিয় বাচি ল'লে?

উত্তৰ ঃ ব্যতিক্ৰমী কথাটো পুনৰ উল্লেখিত হৈছে। সাধাৰণতে কথাটো সম্পূৰ্ণ নুই কৰিব নোৱাৰি। পৃথিৱীত জন্ম লাভ কৰা বহুলোক ব্যতিক্ৰমী হিচাবে জন্ম লাভ কৰে। যাক আজন্ম বোলা হয়। কিছুমান সামাজিক, প্ৰাকৃতিক পটভূমিত তেনেলোকৰ চিন্তা আৰু কৰ্মৰাজিবোৰ সমাজ পৰিচালনা আৰু প্ৰগতিয়ে সভ্যতাৰ সোপান ৰূপে বিবেচিত হয়। হয়তো মোৰ মনৰ অৱচেতন অৱস্থাটোৱে তেনে এটা ভাৱ কঢ়িয়াই আনে। সেইবাবেই বিষয়টো বাচি ল'লো।

৩। প্ৰশ্ন ঃ যিহেতু দেখা যায় যাদুঘৰ সমূহ কোনো সংগঠনৰ দ্বাৰাহে প্ৰতিষ্ঠা কৰা হয়। আপোনাৰ লগতো তেনে ধৰণৰ কোনো সংগঠন জড়িত আছে নেকি?

উত্তৰ ঃ সাধাৰণতে যাদুঘৰ ব্যক্তিগত হিচাবে গঢ় দিয়া দেখা যায় যদিও এটা সীমিত পৰিসৰৰ মাজত। কিন্তু বহল পৰিসৰত ৰূপ দিয়াটো এজন মানুহৰ বাবে দুঃসাধ্য কাম। তেনে ক্ষেত্ৰত ৰাইজৰ পৰা সদিচ্ছা, সদভাৱ, উদগণি আদায় কৰিব পৰাটো নিৰ্মাতাৰ নিজৰ কৃতিত্ব আৰু সেইদৰেই আগবঢ়া হৈছে। বিশেষ কোনো সংগঠন নাই। কিন্তু উত্তৰণৰ এখন পৰিচালনা সমিতি আছে। যাৰ যোগেদি বিষয়টোক জনমুখী কৰাৰ বাবে সহায়ক হ'ব।

৪। প্ৰশ্ন ঃ ব্যক্তিগত ভাৱে যাদুঘৰ প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে আপুনি কেনেধৰণৰ সমস্যাৰ সন্মুখীন হৈছে?

উত্তৰ ঃ যাদুঘৰ নিৰ্মাণৰ ক্ষেত্ৰত কোনো সমস্যাৰ সৃষ্টি হোৱা নাই। কাৰণ সকলোবোৰ কাম মোৰ নিজৰ হাতত। ঘৰৰ ডিজাইনৰ পৰা আৰম্ভ কৰি শিল ধোৱা, বালি চলাইলৈকে সকলোবোৰ কাম কৰিব পাৰো। পেচাত যি নহ'লেও মই মিষ্ত্ৰি বুলি নিজকে কৈ ভাল পাওঁ। সি মোৰ বাবে শুভ লক্ষণ। মাজে মাজে আৰ্থিক সমস্যাই দেখা দিয়ে। কিন্তু তাক অতিক্ৰম কৰা চেষ্টা কৰো। সংঘাত, সমস্যাবোৰ মানুহৰ জীৱনৰ লগৰী। তাৰ মাজেদিয়েই সময়বোৰ অতিবাহিত হৈ থাকিব। সৃষ্টিশীল মনৰ মাজত সেইবিলাকে সোণত সুৱগা চৰায়। সমস্যাবোৰ সহজভাৱে ল'ব পাৰিলে উদ্দেশ্যত সফল হ'ব পাৰি।

৫। প্ৰশ্ন ঃ কোনো চৰকাৰী বা বেচৰকাৰী সংগঠনৰ পৰা আপুনি আৰ্থিক সাহাৰ্য লাভ কৰিছে নেকি? যদি নাই কৰা তেনেহ'লে এই সমস্যাটো আপুনি কেনেদৰে সমাধান কৰিছে?

উত্তৰ ঃ শিৱসাগৰ জিলা তদানীন্তন জিলা উপায়ুক্ত ড° কে কে দ্বিবেদীৰ নিজা কোষৰ ৫০,০০০/- (পঞ্চাশ হাজাৰ) আৰু মঃ নবাব মামুদ হুছেইনৰ দিনত ডি আৰ ডি এৰ পৰা ১,০০,০০০/- (এক লাখ) মুঠ ডেৰ লাখ টকা অনুদান হিচাপে লাভ কৰিছো। বাকী চাকৰিৰ দৰমহা, LIC, GPF আদিৰ ঋণ। শুভাকাঙ্খীসকলৰ পৰাও কিছু পুঁজি দান, বৰঙণি হিচাবে পাইছো। যাদুঘৰ ৰাইজৰ বাবে মুকলি কৰাৰ পাছত প্ৰবেশ মাচুল হিচাবে সংগৃহীত ধনেৰে কিছু সকাহ পাইছো।

৬। প্ৰশ্ন ঃ এই আপুৰুগীয়া সম্পদসমূহ সংগ্ৰহ আৰু সংৰক্ষণ কৰোতে আপুনি কেনেধৰণৰ অসুবিধা বা সমস্যাৰ

সন্মুখীন হৈছে?

উত্তৰ ঃ আপুৰুগীয়া সম্পদ সমূহেই যাদুঘৰৰ সম্পত্তি। যাৰ অবিহনে যাদুঘৰ শব্দটো সম্পূৰ্ণ নহয়। এই ক্ষেত্ৰত বহুতো অসুবিধা আছে। বস্তুখিনি হানি-বিঘিনি নোহোৱাকৈ ৰখাটো আটাইতকৈ জটিল কাম। যাৰ বাবে কিছু কষ্ট কৰিব লগা হয়। গোটেই কথাখিনি লিখনিৰে প্ৰকাশ কৰাটো টান। কৰোতাজনৰ বাবে ডাঙৰ অভিজ্ঞতা। অভিজ্ঞতা পুষ্ট জ্ঞানৰ যোগেদি মানুহৰ জীৱনটো সমল ব্যক্তিলৈ পৰিণত কৰিব পাৰি তাৰ উমান পোৱা যায়।

৭। প্ৰশ্ন ঃ কোনো ব্যক্তিয়ে স্ব-ইচ্ছাই আপোনাক এনেধৰণৰ আপুৰুগীয়া সম্পদ দান দিছে নেকি?

উত্তৰ ঃ পোনপটীয়া প্ৰশ্ন কৰিছে। তেখেতসকলে ভাবে এইডোখৰেই উপযুক্ত ঠাই য'ত আমাৰ আপুৰুগীয়া সম্পদ সমূহ বাচি থাকিব। আৰু দাতা হিচাবে তেওঁলোকো থাকি যাব।

৮। প্ৰশ্ন ঃ আপুনি এই যাদুঘৰটোক 'উত্তৰণ যাদুঘৰ' হিচাবে নামাকৰণ কৰাৰ কিবা বিশেষ কাৰণ বা অৰ্থ আছে নেকি?

উত্তৰ ঃ উত্তৰণ নামাকৰণৰ নিশ্চয় তাৎপৰ্য্য আছে। সমাজ একে ঠাইতে ৰৈ নাথাকে। পৃথিৱীখনেই গতিশীল। গতিকে পৃথিৱীৰ কোনো বস্তু বিষয়েই স্থবিৰ নহয়। মানুহ প্ৰকৃতিৰ অঙ্গ। মানুহৰ মগজু বিকাশৰ লগে লগে সমাজ জীৱনৰ পৰিবৰ্তন সাধন হৈ আহিছে। পৰিবৰ্তনে সমাজ ব্যৱস্থাক নতুন নতুন ৰূপত গঢ়ি তুলিছে। আদিম সমাজৰ পৰা আজি পৰ্যন্ত আগুৱাই অহা ব্যৱস্থাবোৰ উত্তৰিত পৰ্যায়ৰ একো একোটা ঢাপ। আজিৰ সমাজ ব্যৱস্থা আকৌ নতুন ব্যৱস্থালৈ উত্তৰিত হ'ব। মানৱ সৃষ্ট আদিম সম্পদ সমূহৰ ব্যৱহাৰিক প্ৰাসঙ্গিকতা হেৰাই যায়। ভৱিষ্যতৰ বাবে অতীতলৈ ঘূৰি চোৱাৰ প্ৰয়োজন আছে। মানুহৰ মৌলিক প্ৰয়োজনবোৰ একেই; ভোগ-পিয়াহ, আবেগ-অনুভূতিবোৰ পৃথিৱীত মানুহ থাকে মানে থাকিব। তাৰ মাজত বিভিন্ন দিশৰ ব্যৱস্থাৱলীৰ পৰিবৰ্তন ঘটে। সেই পৰিবৰ্তনে উত্তৰিত অৱস্থাটোৰ বাবে ল'ব লগা ব্যৱস্থাখিনি অনুভৱ কৰাটো বাঞ্চনীয়। অতীতক বুজি পালে নতুন পৰিকল্পনা সম্ভৱ। সেই অৰ্থত উত্তৰণ নামাকৰণ কৰা হৈছে।

৯। প্ৰশ্ন ঃ যাদুঘৰটো প্ৰতিষ্ঠা হোৱাৰ পিছত আপুনি ৰাইজৰ পৰা কেনেধৰণৰ সহায় সহযোগিতা লাভ কৰিছে?

উত্তৰ ঃ যাদুঘৰ প্ৰতিষ্ঠাই ৰাইজৰ মনত প্ৰবোধ জন্মাব পাৰিছে। ইয়াৰ মূল কাৰণ হ'ল বিষয়টো আগবঢ়াই নিয়াৰ ক্ষেত্ৰত কেতিয়াও আওকাণ হোৱা নাই। হয়তো তাৰ নিশ্চয়তা ৰাইজে বুজি পাইছে। যাৰফলত বিভিন্ন প্ৰকাৰে সহায়ৰ হাত আগবঢ়াইছে। সমল সংগ্ৰহৰ ক্ষেত্ৰত সুবিধাখিনি আহি পৰিছে। দৰ্শনাৰ্থীৰ সংখ্যা বাঢ়িছে। বিষয়টো প্ৰচাৰৰ ক্ষেত্ৰত ৰাইজেই মাধ্যম হৈ পৰিছে।

১০। প্ৰশ্ন ঃ চৰকাৰীভাৱে কিবা স্বীকৃতি বা বঁটা আপুনি লাভ কৰিছে নেকি?

উত্তৰ ঃ চৰকাৰীভাৱে গণতন্ত্ৰ দিৱসত সম্বৰ্দ্ধনা পাইছো। যাক চৰকাৰী স্বীকৃতি বুলি ধৰি লৈছো। বিভিন্ন ঠাইত ৰাজহুৱাভাৱে মোলৈ মৰম যাচিছে। সিমানেই। এটা কথা উল্লেখ কৰিব বিচাৰো মই কোনো দিনেই পুৰস্কৃত হোৱাৰ কথা নাভাবো। বঁটা বাহনৰ প্ৰতি মোৰ হেঁপাহ নাই। উত্তৰণ যাদুঘৰ সৃষ্টিয়ে যিখিনি দিলে তাতকৈ ডাঙৰ উপহাৰ মোৰ বাবে একোৱেই নাই। তাৰ মাজতে ৰাইজৰ মৰম বুটলিব পৰাটো মোৰ বাবে উপহাৰ বুলি বিবেচিত হয়।

১১। প্ৰশ্ন ঃ আপোনাৰ ভৱিষ্যত পৰিকল্পনা কি?

উত্তৰ ঃ কল্পনা আৰু ভৱিষ্যত পৰিকল্পনা দুটা ধাৰণা বেলেগ। চিন্তাক সাকাৰ ৰূপ দিয়াৰ বাবে যিখিনি কৰি আছো সেইখিনি পূৰ্ণ প্ৰাপ্তি অবিহনে কল্পনা বুলিব লাগিব। জীৱনৰ সমাপ্তি ঘটে কিন্তু কৰ্ম সমাপ্তি নঘটে। মানুহৰ স্বাৰ্থৰ হকে সৎ আৰু সঠিক কামবোৰ মৃত্যুৰ বহু দূৰলৈ আগুৱাই যাব। সেয়েই মোৰ পৰিকল্পনা।

১২। প্ৰশ্ন ঃ নতুন প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আপুনি বিশেষ কিবা বক্তব্য আগবঢ়াব খোজে নেকি?

উত্তৰ ঃ শিক্ষাই 'জীৱন'ৰ মান উন্নত কৰে। বিদ্যায়তনিক শিক্ষাৰ বেলিকা জ্ঞান আহৰণত বাস্তৱ পৃথিৱীখন বৰ দৰকাৰ। মানৱ সভ্যতাৰ বিশ্বৰ বৰেণ্য ব্যক্তিসকলে থৈ যোৱা ন্যায় আৰু সততাখিনি নৱ প্ৰজন্মৰ কাম্য হওঁক। বিশ্ব প্ৰকৃতি আৰু মানৱ সমাজৰ সম্বন্ধে পৃথিৱীখন বহু দূৰলৈ সুন্দৰ হৈ যাওঁক। নৱ প্ৰজন্মই জীৱনৰ দীঘ-বাণী ৰচনা কৰোঁতে কেতিয়াও যাতে আউল নালাগে তাৰ প্ৰতি সজাগ হওঁক। সময় বাগৰি যাব নতুন পুৰণি হ'ব। নতুন পুনৰ পুনৰ সমাজৰ বুকুলৈ আহিয়েই থাকিব। বিৱৰ্তিত ৰূপত নব্য চিন্তাৰ উন্মেষ ঘটিব। পুৰণি আঁতৰি গ'লেও ইয়াৰ সফলতাখিনি ইতিহাসৰ পৰা বুটলিব লাগিব। ইয়েই হ'ব সফলতাৰ মাপকাঠি।ঃঃঃ

# কবিতাৰ আকাশ



# জীৱন, বিচ্ছেদ আৰু আশা

**দেৱীকা ফুকন**, শিক্ষা বিভাগ
শিৱসাগৰ ছোৱালী মহাবিদ্যালয়

নতুন আশাৰ তাগিদাত
ধাৱমান হৈছিলো-
এখন উমাল আকাশৰ পৰা,
এখন নিৰ্জন আকাশলৈ,
নতুনত্বৰ সোৱাদ চেলেকি
বিচ্ছেদৰ চকুলো টুকি—
আৰু এতিয়া?
আইৰ চাদৰৰ চিনাকি গোন্ধ বিচাৰি,
উজাগৰি নিশা কটাইছো-
বিদায়ৰ আগৰাতি
চকুলো তিৰবিৰাইছিল,
জোনৰ পোহৰত
তোমাৰ হাতৰ পৰশো
চেঁচা চেঁচা লাগিছিল,
চকুলোৰ দৰে।
ভেটা ভাঙি কেতিয়াও পানী বাগৰা
দেখা নাছিলো,
কিন্তু সেইৰাতি অনুভৱ কৰিছিলো,
বুকু ভাঙি ওলাই আহিব খোজা চকুলোৰ হেঁচা।
আইৰ পৰা
মাইলজুৰি আঁতৰি থাকিলেও
এতিয়াও আহে তেনে নিশাবোৰ,
য'ত অনুভৱ কৰো অনুপস্থিতি,
আইৰ চাদৰৰ মিঠা গোন্ধ,
আৰু উমাল হাতৰ পৰশ—
কেৱল, অলপমান নিৰাপত্তাৰ আশাত।



# বাট খেপিয়াই ফুৰা দুখবোৰৰ সিপাৰে

**প্ৰীতিশ্ৰী নেওগ**
স্নাতক তয় ষান্মাসিক
অসমীয়া বিভাগ

বুকুৰেদি উজাই আহে দুখবোৰ
সিহতে খেপিয়াই ফুৰে বাট,
অশ্ৰু হৈ বৈ যায়
তুষাৰ যেন দুখবোৰ।
অতদিনে বন্দী হৈ আছিল সিহঁতবোৰ
আজি ইচ্ছা জাগিছে মুকলি কৰি দিয়াৰ
এটি দুটিকৈ বুটলিছো শব্দৰ টুকুৰাবোৰ
যিদৰে বুটলো শেৱালীৰ পাহি।
শব্দৰ সন্ধানত ভাগৰুৱা মই
শব্দবোৰ যে মোৰ অবাধ্য
সিহঁতি অস্বীকাৰ কৰে মোৰ অধীন হ'বলৈ
তথাপিও-
সিহঁতক সজালো পৰালো
লাহেকৈ সিহঁতে এটি দুটিকৈ ৰূপ লয় বাক্যৰ
অবুজ মনৰ অবুজ ভাষা
ফুটি উঠে পদুমৰ কলিৰ দৰে
এইদৰেই হয়তো জন্ম হয় কবিতাৰ.............।

# এমুঠি জোনাক কোমল মৰমৰ বাবে

**প্ৰীতিস্মতা গগৈ**, অৰ্থনীতি বিভাগ

দূৰ দিগন্তত উৰি আছে তাইৰ মন
পৰি দিছে আবেলিৰ বলুকাত
দুখত দলিচা
স্বপ্নৰ জ্যোতিৰে জিকমিক কৰিছে
মৰমলগা মুখখন
পাহৰি গৈছে তাই যে এতিয়া
সাগৰৰ উৰ্মিৰ বুকুত
বলুকাহীন তাইৰ হৃদয়
দুয়োপাৰ পানীৰে ভৰপূৰ
"তৃপ্তি মল্লিকা"ৰে গৌৰান্বিত তাই
মাতৃত্বৰ সুখত
এৰি দিছে নাওখন প্ৰচণ্ড সোঁতত।
আৰু কিমান সময়?
পল-অনুপল কৰি সমাগত সময়
সৃষ্টি সুখত সুখী তাই।
কোমল সেউজীয়াৰে ভৰপূৰ
হৃদয় দলিচা।
কৈশোৰৰ সেই প্ৰাচীন সপোনটো
'অজন্তা'ৰ শিল্পৰ দৰে



আজি মাত্ৰ পূৰাবলৈ কেইটামান সময়।
দূৰত বাজিছে এটি 'সান্ত্বনা'ৰ সুৰ
যি সুৰে তাইক দিছে অভয়বাণী।
সাগৰৰ 'উৎপলা'ৰ দৰে
তাইৰ মনৰ জোৱাৰ ভাটা,
আৰু কিছু সময়ৰ পিছতেই
আপোন চকুৰে প্ৰত্যক্ষ
কৰিব তাইৰ হেপাহঁক।
সেই মৰমৰ 'কাকলি'ৰে মুখৰিত
হ'ব তাই ঘৰ,
চৌদিশ কৰিব 'কুসুম' কোমল।
বৈ যাব এটি সুখৰ 'জুৰি'
'অসমী'ৰ পৰা অসমীলৈ,
মিঠা অনুভূতিৰ 'ৰশ্মি'য়ে 'ৰঞ্জিত'
কৰিব তাইৰ বুকু।
লহ-পহকৈ বাঢ়ি আহিব তাইৰ চকুৰ
আগতেই এটি সুন্দৰ ভৱিষ্যত।
তাই ভাবিছে, সেই ভৱিষ্যতৰ 'দীপশিখা'ই
উজলাই পেলাব তাইৰ জীৱন।
হঠাতে যেন পাকঘূৰণি খোৱা চাকনৈয়াটোৰে
'পাৰিব জানো তোমাৰ কষ্টৰ বিপৰীতে,
তোমাৰ সেই শিল্পই এমুঠি জোনাক
কোমল মৰম দিব?'

# হয়তু এনেকৈয়ে হয় প্ৰেম

**সুস্মিতা মহন**
স্নাতক তৃতীয় বৰ্ষ, শিক্ষা বিভাগ

হয়তু এনেকৈয়ে হয় প্ৰেম
দুখনি হৃদয়ৰ মিলন
চকুৱে চকুৰ ভাষা
বুজাৰ দৰে
হৃদয়েও বিচাৰি পাইছিল সিদিনা
অন্য এখন হৃদয়ৰ ঠিকনা
উৰিয়ামঘাটৰ এসন্ধ্যাত..............
প্ৰেমাস্পন্দন হৃদয়ত
বাজি উঠিছিল বসন্তৰ গুণ-গুণ
আন্ধাৰৰ সেওঁতা ফালি
পোহৰৰ বুকুত উমনি দিছিল
এজাক সেন্দুৰীয়া চৰাইয়ে।
হৃদয়ৰ একুৰিয়ামত নাচিছিল দৰিকণাবোৰে..........
সূৰ্যাস্তৰ হেঙুলীয়া আভাত
ৰামধেনুৰ সাতো ৰঙে
খেলা কৰিছিল সিদিনা অতি গোপনে.........
জোনাকৰ বৰষুণ ভালপোৱা বুলি জানি
সপোন পিয়াসী মনে সিঁচি দিব খুজিছিল
তোমাৰ দুচকুত টোপাল টোপাল বৰষুণ
স্নিগ্ধ মলয়াৰ সুবাসে
দিছিল প্ৰেমৰ সঁহাৰি
হয়তু এনেকৈয়ে হয় প্ৰেম
নিবিড়ভাৱে...... গোপনে।।



# প্ৰতিবাদ বুলিলেই

**নিৰ্মালী ডাৰিগ**
স্নাতক তৃতীয় বৰ্ষ, অৰ্থনীতি বিভাগ

প্ৰতিবাদ বুলেই শিৰাই শিৰাই তেজ
মৌনতাৰে এতিয়া আৰু জীৱন নচলে
অব্যক্ত কথাবোৰ সেয়ে কৈ দিয়া ভাল,
লিখি দিয়াই ভাল বিদ্ৰোহৰ ভাষাবোৰো।
স্থবিৰতাতকৈ এতিয়া গতি কৰাই ভাল
যি দেশেই নহওঁক, চোৰা ভাল সন্মুখলৈ
বতৰ ডাৱৰীয়া
তাতেই বা ক্ষতি কি?
ৰাতিপুৱা বুলিলেইতো
এটা নতুন দিনৰ আৰম্ভণি।

# যাত্ৰাপথৰ অভিনয়

**প্ৰিয়ংকা কাকতী**
প্ৰথম ষান্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ

আকাশৰ পৰা তেজাল কৃষ্ণচূড়াৰ পাহিবোৰ
খহি-খহি, বাটতো উপচি পৰিছে।
এজাৰৰ বেঙুনীয়া বিষাদৰ দিন আজি নাই,
নাই মেঘমল্লাৰ ৰাগিনীত খহি পৰা চকুলো।
এয়া মোৰ স্বপ্ন, য'ত মই আগবাঢ়ি গৈ আছো,
সূৰুজমুখী মোৰ জীৱন, সৰা পাহিবোৰে বুজিছে,
স্বৰ্গ অভিমুখে মোৰ যাত্ৰা..........
প্ৰকৃততে মোৰ ভাল লগা আৰু ভালপোৱাবোৰৰ পৰা
বৰ্তমান মই বহু দূৰৈত..........
জীৱনটো আগবাঢ়ি গৈ আছে, ময়ো গৈ আছো লগত........
মাথো গৈ আছো......... লগতে আছে
কেতিয়াও শেষ হ'ব নিবিচৰা আশাবোৰ.........
ই মোক বান্ধি ৰাখে, পুনৰ মোহত পৰো জীৱনৰ.........
অন্ধকাৰ গহ্বৰৰ পৰা ওলাই যাব বিচাৰো ৰৌদ্ৰোজ্জ্বল পাহাৰ খনলৈ,
য'ত নিশা জোনাক উবুৰি খাই পৰে সেউজীয়া ঘাঁহত..........
জীৱনটো যদি এনেকুৱাই হ'লহেঁতেন,
সোণাৰুফুলা সপোনৰ জীৱন, কৃষ্ণচূড়াৰে ৰাঙলী জীৱন,
এটা আধালিখা ধুনীয়া কবিতাৰ দৰে সুগন্ধি জীৱন।।.........
প্ৰকৃততে অপ্ৰাপ্তিৰ মিছিলত সকলোৱেই অতৃপ্ত পথিক,
সুখী হোৱা কছৰৎ সকলোৱেইতো কৰে.........নহয় জানো??
মই দেখিছো, এখন হাঁহিৰ মুখা আপুনিও পিন্ধিছে..........
অবিকল মোৰ দৰেই, জোনাকত নাইবা বৰষুণত তিতিছে অকলে,
সুদূৰৰ দৃষ্টি নিবদ্ধ কৰি বিচৰণ কৰিছে স্বপ্ন জগতত........
অবিকল মোৰ দৰেই.............



# যাত্ৰা

**ৰাজুমণি ফুকন**
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

অশান্ত সাগৰৰ গভীৰ বাধাৰ
প্ৰাচীৰ নেউচি
পোৱা নোপোৱাৰ অলেখ সপোন দেখি
আমি বহু সহযাত্ৰী
আহিছো আগবাঢ়ি
এখন শিক্ষিত সমাজ
গঢ়াৰ মানসেৰে।।
নাজানো এই আপ্ৰাণ চেষ্টা
কিমান দূৰ সফল হওঁ,
মায়াময় প্ৰদেশলৈ
যোৱাৰ স্বপ্ন দেখি
বিভোৰ হওঁ,
(আশাৰ) আমিও এই নিৰ্ভীক সাহসেৰে
ঐক্যবদ্ধ হৈ আগবাঢ়ি যাওঁ,
বহুতো হেপাঁহেৰে
বহুতো আকাংক্ষাৰে,
বহুতো উদ্যমেৰে..........।।

# সম্পৰ্ক

**অশ্লেষা চেতিয়া**
স্নাতক ৩য় বৰ্ষ, অসমীয়া বিভাগ

ক'ব নোৱাৰাকৈ
এদিন তোমাৰ স'তে
মোৰ বুজা-পৰা হৈ গৈছিল।
তুমি নীলা ভালপোৱা
মইও পাওঁ।
তোমাৰ দুচকুত
এসাগৰ নীলা
হয়তোবা তোমাক ভাল লগাৰ
ইও এটা কাৰণ।
কেতিয়া যে তুমি মোৰ
বুকুৰ এফাল হৈ গ'লা
কাঢ়ি ল'লো
নিসংগ সময়বোৰ।
নৈ পাৰৰ আবেলিটো
সেউজীয়া হয়,
ক'ব নোৱাৰাকৈ সপোনবোৰ বাঢ়ি আহে।
ক'ব নোৱাৰাকৈ-
পদূলিৰ বকুলজোপা ফুলিছিল, সৰিছিল
মোৰ খবৰেই নাছিল।
তুমি আহিলা-
নাকত বকুলৰ গন্ধ লাগিল
শাওনৰ বৰষুণতো
ফাগুণে খিলখিলাই হাঁহিলে।



ক'ব নোৱাৰাকৈ
বহুদূৰ গ'লো
উভতি চাবৰ নহ'ল
প্ৰয়োজনো নাছিল।
তোমাৰ ওঁঠৰ বিন্যাসত
উঠি যাওঁতে
ভাবিবৰ নহ'ল
কিমান কোমল হ'লে
সম্পৰ্কবোৰ ভাঙি যায়।
ক'ব নোৱাৰাকৈ-
স্মৃতি এলবামটো
ভৰি আহিল
অথচ বহু কথাই থাকি গ'ল।
ক'ব নোৱাৰাকৈ
অনুভূতিবোৰ গোট মাৰি
কলিজাত এটুকুৰা ঘাঁ
উঠি আহিছে
এটা সম্পৰ্কৰ সাক্ষী হৈ।

# সেইবাৰেই তোমালোক প্ৰেমিক

**মৌচুমী বৰুৱা**
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

এয়া বাৰু কিহৰ আলোড়ন
হৃদয়ৰ ৰক্ত সঞ্চানলৰ এয়া বাৰু কিহৰ স্পন্দন?
হয়তো তোমালোকক অসমী আইক ভালপোৱা
এয়াই সুপ্ত প্ৰকাশ.........
ভাবিছিলো সকলোৰে অহংকাৰৰ
বান্ধোন চিঙি
তোমালোকৰ আদৰ্শৰ গোলাপফুল চিঙি
সজাল সমাজৰ মনত ফুলদানি
সকলোৰে হৃদয়ৰ উকা চাদৰত
সানি দিম ৰামধেনুৰ সাতোটি ৰং
দিম সকলোকে হোলিৰ ৰঙীন আবিৰ
শুকান হৃদয়ো কৰি তুলিম শস্য শ্যামলী.....
কিন্তুঃ গুচি গ'লা তোমালোক বহু দূৰলৈ
সমস্ত নীলা আৰু ৰঙাবোৰ বুকুত সামৰি
যিদৰে চৰাইবোৰ উৰি যায় নীলিমালৈ
যিদৰে নদী বৈ যায় সাগৰলৈ..........
সুখৰ ৰাগমল্লিকা তুমি
জ্ঞানৰ বিজুলী শক্তিৰে অমানিশাৰ
প্ৰহেলিকা ঠেলি নৱ প্ৰজন্মৰ মনত
সৃষ্টি কৰিলা জ্ঞানৰ সঞ্জীৱনী সত্ত্বা............
আৰু তুমি সংগীতৰ ৰাগবাহাৰ
পৰ্বতে ভৈয়ামে একাকাৰ কৰি
সকলোৰে মনত দি গ'লা
সংগীতৰ আশাৱলী..........
কিন্তু! আমি তোমালোকক কি দিলো?
ইমান সোনকালে ইমান দূৰলৈ যাবা বুলি জনা হ'লে
ৰুলোহেঁতেন পদূলিত এজুপি নিশিগন্ধা
মাহ, হালধি চন্দনেৰে উপবিষ্ট
কৰি তুলিলোহেঁতেন জীৱন্ত শৰীৰ..........
আৰু তোমাক! অ' আমাৰ ৰঙৰ ৰাণী
জ্ঞানৰ হংসগামিণী সুখৰ মন্দাকিনী
নোৱালোহেঁতেন তোমাক আবেলিৰ বোলেৰে
দুহাত কৰি দিলোহেঁতেন জেতুকাবুলীয়া
দুটি ওঁঠত বুলালোহেঁতেন বৰহমথুৰীৰ থোৰ
কাণত পিন্ধালোহেঁতেন দুটি কেতেকী ফুল
কপালত সদায় জিলিকাই ৰাখিলোহেঁতেন
ৰাতিপুৱাৰ বেলি..............
আৰু তোমালোকে আমাৰ মন পদূলিত
এখুজি দুখুজিকৈ খোজ পেলাবা
আমি এতিয়া দুখতো হাঁহিম সুখতো কান্দিম
আনন্দৰ চকুপানী নিগৰাই............
কাৰণ আমি থাকিম তেতিয়া
সুখৰ ইন্দ্ৰপুৰীত..........

# জীৱন

**নমিতা শইকীয়া**
স্নাতক দ্বিতীয় বৰ্ষ, ৰসায়ন বিভাগ

কুঁহেলিকাৰে ভৰা নাটঘৰত
জীৱন নামৰ নাটক
মঞ্চস্থ প্ৰতিনিয়ত-
আইৰ পিতাইৰ আকুলতাত
সৃষ্টি হয় জীৱন
মোৰ দৰে হাজাৰজনৰ
বকুল তলৰ ধুলিৰে দেউল সাজি
আগবাঢ়ি যায় ক্ৰমশঃ.........
সময় নদীত উটিভাঁহি এদিন
যৌৱনা হয় প্ৰতিটো জীৱন
প্ৰাচুৰ্য্যৰ স'তে খেলা হয়
সীমাৰ বাহিৰলে হয়তো
গুচি যায় কেতিয়াবা
ফুল, তৰা, গানৰ পৃথিৱীলৈ জন্ম হয়
তথাপিও নষ্ট হয়
সপোনৰ হাজাৰ বসন্ত
কোনোবাজনে চুমি আহে আকাশ
হয়তো কোনোজনে সাঁতুৰি চায়
অটল সমুদ্ৰ!!!
এদিন হেমন্ত আহে
জীৱন নাটৰ আঁৰ কাপোৰ টানি
শান্তিৰ প্ৰতিশ্ৰুতিৰে
স্থাপত্য, ভাস্কৰ্য্য
ভিন্ন বিশেষণেৰে বিভূষিত হয় জীৱন



*(যুটীয়াভাৱে 'বাৰ্ষিক কলেজ সপ্তাহত ৩য় স্থান প্ৰাপ্ত কবিতা)*

# তৃপ্তিৰ কোলাত আত্মাৰ চিৰশান্তি

**প্ৰিয়ংকা ভূঞা**
স্নাতক দ্বিতীয় বৰ্ষ

পুৱাৰ পক্ষীকুলৰ কাকলিত
কি বাৰ্তা পাওঁ?
কিমান অকৃত্ৰিম সিহঁত
ডেউকা কোবাই জনাই যায়
এক নিৰ্ভেজাল পৃথিৱীৰ বতৰা
কিন্তু, সিহঁতৰ এই কাকলিৰ থৰ
হ'ব নোৱাৰে মোৰ জীৱন.........
পোৱা নোপোৱা হা-হুমুনিয়াহে কৰে
মোৰ সমগ্ৰ শৰীৰ
জীৱনৰ সংজ্ঞা বিচাৰি নিতৌ লুটিয়াইছো
জীৱনৰ পাত।
তৃপ্তিৰ চৰণত নিজকে সঁপি দিয়াৰ
আপ্ৰাণ চেষ্টা চলাই যাওঁ
বাৰে বাৰে হৈ পৰা বিফল
মোৰ তৃপ্তি
নিউট্ৰন, ইলেকট্ৰনবোৰৰ আতিশৰ্য্যত
জীৱনত প্ৰকট হৈ পৰে
অতৃপ্ত চেঁকা
নাই আজি বুজিব পৰা নাই মই
জীৱনৰ মহাপতা।
এৰা, এই সুন্দৰ জীৱন কালক দিব পৰা নাই
ইয়াৰ যথোচিত সন্মান
এয়া, মৃত্যুৰ শেতেলিয়ে মোকে বুজাই দিছে..........
বুজিব পাৰিছো 'জীৱন' নামৰ ৰথৰ চকৰি
ইয়াক পুনঃ জীপাল কৰাৰ সুবিধা আৰু নাই
পুনৰবাৰ জন্মি জীৱনক জয়ী কৰাৰ মানসেৰে
মই লৈ আছো এতিয়া ৰাম নাম
কেৱল ৰাম নাম..............।

*('বাৰ্ষিক কলেজ সপ্তাহ'ত প্ৰথম স্থান প্ৰাপ্ত কবিতা।)*

# জীৱনৰ বৰ্ষাসিক্ত অনুভৱ

**নীহাৰীকা ফুকন**
স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ

সময়ৰ কল্লোল প্ৰৱাহত
প্ৰহেলিকাময় এক নিঃস্ব হৃদয়,
এটোপ সেউজীয়া, দুটোপ হালধীয়া
আৰু কাঁইটৰ বুকুত অংকুৰিত
ৰঙা গোলাপৰ মধুৰতা।
মৰিচীকাৰ ছয়াময়া আৱেশত
প্ৰাপ্তি অপ্ৰাপ্তিৰ নৃত্যৰতা,
উত্তাল বৰদৈচিলাৰ তাণ্ডৱত বিধস্ত
সপোনবোৰক জীপাল কৰে মলয়াই,
স্বপ্ন, বাস্তৱৰ অৰিয়াঅৰিত
ধূসৰ আকাশৰ জোন তৰা,
অম্লান, অবিচলিত মাথো
চিৰ উজ্জ্বল 'ভোটাতৰা'
প্ৰভাতী সূৰুজৰ ৰেঙনিত উদ্ভাসিত নিঃস্ব হৃদয়
সন্ধিয়াৰ আকাশতো এই হৃদয়ে
ৰামধেনুৰ ফাকু খেলে 'ভোটাতৰা'ৰ আগমনত।

*(বাৰ্ষিক কলেজ সপ্তাহত ২য় স্থান প্ৰাপ্ত কবিতা)*



# জীৱনৰ এটি কবিতা

**সুস্মিতা বড়া**
স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ

জীৱন মানে কি??.........
মই কওঁ শুনা...........
জীৱন এটি শিল্প,
জীৱন এটি স্বপ্ন,
শেষ হৈও শেষ নোহোৱা বাসনা অতৃপ্ত।
জীৱন এক তৃষ্ণা,
পৰিভ্ৰমী আত্মাৰ অন্তহীন প্ৰত্যাশা।
জীৱন এক সূৰ্য্য,
বোৱাৰী পুৱাতে উদয় হৈ
তিমিৰক সম্ভাষণ জনাই
পশ্চিমৰ অন্তহীন ব্যোমত হোৱা অস্ত।

*(বাৰ্ষিক কলেজ সপ্তাহ'ত যুটীয়াভাৱে ৩য় স্থান প্ৰাপ্ত কবিতা)*

# ক্ৰমশঃ মই হেৰাই গৈছোঁ আকাশৰ বিশালতাত

**ভাগ্যশ্ৰী নেওগ**
স্নাতক দ্বিতীয় বৰ্ষ,
অৰ্থনীতি বিজ্ঞান বিভাগ



জোনাক গলা ৰাতিটোত
দুৰণিৰ পৰা ভাঁহি আহিছে
বুকু আকুঁহি নিয়া
কেতেকীৰ হিয়াভঙা কান্দোনৰ সুৰ
মনটো উৰি গৈছে শৈশৱৰ চোতাললৈ
আইতাৰ সাধু শুনি শুনি
মুকলি আকাশৰ তলৰ পৰা
তৰা লেখা দিনবোৰৰ কথা
জোনবাইৰ স'তে কথা পতা দিনাবোৰৰ কথা
লাহে লাহে প্ৰেমত পৰিলো আকাশৰ
গঢ়ি উঠিল এক নিবিড় আত্মীয়তা
কিন্তু চলমান সময়ৰ বুকুত
সকলোৰে গতি লোৱাৰ দৰে
গতি ল'লে মোৰ স্বপ্নাতুৰ জীৱনেও
আৰম্ভ কৰিলে সংগ্ৰাম,
সাধনা আৰু প্ৰতিযোগিতাত মহাযজ্ঞ
লাহে লাহে যেন মই বন্দী হৈ পৰিলো
কঠিন বাস্তৱৰ লৌহ কাৰাগাৰত
মুক্তি কামনাৰে জীৱনে ডেউকা কোবায়
কিন্তু বাস্তৱৰ পিঞ্জৰাত আঘাত লাগিল ডেউকা ভাগে
জীৱন হৈ পৰে অশ্ৰুসিক্ত
সন্মুখত ধৰা দিয়ে ছাঁ-পোহৰৰ এক
ধুৱলী কুঁৱলীময় ছবিয়ে,
মূৰ তুলি দেখো এক বিশাল আবৰণ ডাৱৰৰ
তাত আছে মাথো
হিংস্ৰতাৰ ভয়াবহতা, বেদনাৰ গভীৰতা
আশাভংগৰ বিষন্নতা আৰু..........
ক'ত ভুল হৈ গ'ল বুজি নোপোৱাকৈয়ে
দুই আঁঠুত মুখ গুজি উচুপি উঠিলো
মূৰ তুলি দেখো ডাৱৰবোৰ আতঁৰি গ'ল
মুঠি মুঠি তৰাৰে ভৰি পৰিল আকাশখন
মোৰ শৈশৱৰ চিনাকী আকাশখনৰ দৰেই
বুজিলো আকাশে কাকো প্ৰতাৰণা নকৰে
উল্লাসিত হৈ উঠিলো আকাশৰ সঁচা ভালপোৱাত
হেৰাই যাব বিচাৰিলো
তৰাই দীপাৱলী পতা আকাশৰ বিশালতাত।

# সময় সেউজীয়া নহয়

**বিভা বৰগোঁহাই**
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

আজি বতাহে গান নাগায়
জোনাটোৱেও সাধু কথা নকয়
ৰ' লাগি থাকে
আকাশ বতাহ..........
জোন গলা জোনাকতো
হিয়া শীতল নহয়
কলিজাত যে উত্তাল
একুৰা জ্বলা জুই,
ফুলনিত ফুলৰ নাই হাঁহি
গোলাপৰ পাহিবোৰ তেজেৰে
লুতুৰি পুতুৰি..........
বাৰুদৰ শব্দত
বুকু দুৰু দুৰু কঁপে
বাতৰি কাকতৰ সেমেকা পৃষ্ঠাত
হাঁহিবোৰ মৰে
সময় সেউজীয়া নহয়
তেজাল গোলাপতকৈও ৰক্তিম সময়
অমানুহৰ হাতৰ হেংদাঙ কাঢ়ি তাৰে
নাঙলৰ ফালে গঢ়ি
মানুহৰ হাতত দিম
সময়ক সেউজীয়া কৰি তুলিয়েই
আহিনৰ সজাল ধৰা
পথাৰৰ দৰে.............



# জীৱন সমুদ্ৰ

**ৰঞ্জুমণি বড়ো**
স্নাতক তৃতীয় ষান্মাষিক, অসমীয়া বিভাগ

হে জীৱন, তোমাক ভালপাওঁ বাবেই
মোৰ জীয়াই থকাৰ অদম্য হেঁপাহ
ভটিনীৰ দৰেই প্ৰবাহমান
বিশাল আৰু উদাৰ
মোৰ উপত্যকা।
তোমাক ৰঙীন কৰি তুমিবৰ বাবেই
মোৰ চৌদিশৰ আকাশখন নীলিম,
ধৰিত্ৰী চিৰ সেউজীয়া
লগতে সমুদ্ৰ বিলাকো গভীৰ
আৰু শান্ত।
তোমাক ভালপাওঁ বাবেইতো
মই জীয়াই আছো
দুখৰ আবেষ্টনীত
মাজে মাজে হাঁহিব খোজো প্ৰাণখুলি...........(?)
মই যাপন কৰিছো
প্ৰকৃতিৰ এই জীৱন
মোৰ সময়বোৰ,
এতিয়া মোৰ দুনয়নত সুষম আৰু দুখৰ।

# অনুভৱত ৰংপুৰ ছাত্ৰী নিবাস

**ভাগ্যশ্ৰী নেওগ**
স্নাতক তৃতীয় বৰ্ষ

২০০৮ চনৰ কোনোবা এটা ৰৌদ্ৰোজ্জ্বল পুৱা
বহুতো আশা বুকুত বান্ধি
ভৰি দিছিলোহি ৰংপুৰ ছাত্ৰী নিবাসত
সুদীৰ্ঘ পাঁচোটা বছৰ এতিয়া মাথো
এখিলা সৰাপাত হৈ পৰিছে চকুৰ সন্মুখত
আপোনত্বৰ চাকনৈয়াত বন্দী হোৱাৰ সময়তে
সময়ে টানি আজুৰি লৈ যাব বিচাৰিছে
এই সম্পৰ্কবোৰৰ মাজৰ পৰা
বিদায়- আশা আৰু বেদনাৰ এই মধুৰ প্ৰহৰত
সময় যেন বন্ধ্যা হৈ পৰিছে
চকুৰ আগত ভাহি উঠিছে
পাচোটা বছৰৰ বিভিন্ন মূহুৰ্ত
সুখ দুখৰ বহুতো ঘটনা
পাহৰিবতো নোৱাৰি কেতিয়াও -
তিতা মিঠা বহুতো অভিজ্ঞতা
মানেই এজাক যৌৱনৰ অলিখিত ইতিহাস
জীৱন, জীৱিকা আৰু স্বপ্নৰ সন্ধানত
সকলো গুচি যাব ইয়াৰ পৰা
পুনৰ এজাক নতুন যৌৱন আহিব
সকলো সলনি হ'ব, কিন্তু সলনি নহয়
- মাটি, আকাশ, বতাহ.........
এইবোৰে ৰাখি যাব সকলো হিচাপ সংগোপনে
সাবটি ৰাখিব জাকে জাকে গাভৰুৰ খিলখিল হাঁহিবোৰ,
চঞ্চল, চপল খোজবোৰ, গোপন আড্ডাৰ মধুৰ
গুঞ্জনবোৰ, আনন্দ বিষাদৰ ক্ষণবোৰ
সেয়ে কিছু কিছু ক্ষেত্ৰত ৰৈ যোৱা
বহু আক্ষেপৰ পাছতো
এইবোৰৰ প্ৰতি ৰৈ যায়
আমৃত্যু হেঁপাহ...........।
কাল অতিক্ৰম আগুৱাই যাওঁতে প্ৰতিমূহুৰ্ততে
যিবোৰ থাকিব সাহস হৈ, প্ৰেৰণা হৈ
হৃদয়ত এক প্ৰশান্তিৰ প্ৰতীক হৈ।

# ব্যস্ত বাট ব্যস্ত অবাট

**কিশোৰ কুমাৰ দেউৰী**

বিৰামহীন চহৰ
বিৰামহীন বাট-পথ
ব্যস্ত তিনি আলি ব্যস্ত চাৰিআলি
ব্যস্ত আপুনি ব্যস্ত মই

ব্যস্ততাৰে ৰিক্সা চলে
ব্যস্ততাৰে বিলাসী বাহন চলে
উজনিলৈ গৈছে কোনোবা
নামনিলৈ গৈছে কোনোবা
ছাইড প্লিজ ছাইড প্লিজ

চৰৈবতী
চৰৈবতী

পাহাৰ ভৈয়াম সকলো ব্যস্ত
পাহাৰ মেৰিওৱা বাটটো চলে গাড়ী
ওপৰলৈ উঠে চকা তললৈ নামে চকা
পিচে কাৰো সময় নাই
বাটত এবাৰ ৰৈ যাবলৈ
পাইনৰ পাত এবাৰ চুই চাবলৈ

নৈৰ পাৰলৈ যাবলৈও
এই গাড়ীবোৰৰ সময় নাই
মৌ চাপৰি যাবলৈ
নিয়ৰসনা ফুলৰ টাববোৰ কঢ়িয়াবলৈ
সময় নাই এই ব্যস্ত চকাবোৰৰ

ব্যস্ত চহৰত ব্যস্ত চকা
ৰাতি ঘূৰিছে চকা
দিনত ঘূৰিছে চকা
ব্যস্ততাৰে ঘূৰিছে অসহায় সুদৰ্শন
বাট হেৰুৱাই অবাটত ঘূৰিছে সুদৰ্শন চক্ৰ
এইদৰে ব্যস্ত পৃথিৱীত ব্যস্ত চকা
ব্যস্ত আমাৰ বাট
ব্যস্ত আমাৰ অবাট

# অনুভৱ! এক ৰক্তাক্ত সাগৰৰ

প্ৰতিভা দেৱী
পৰিকলন বিভাগ

সুকোমল এটি ৰাতিপুৱাই থৰ হৈ
চাই আছিল আকাশখনক
বেলিটিয়ে লুকা-ভাকু খেলিছিল
ডাৱৰৰ সতে
তেতিয়া কিক্ কিক্ কৰি থকা চৰাইবোৰ
ক'ত আছিল জানো।
বুকুৰ ইপাৰৰ পৰা সিপাৰলৈ শূণ্যতা
সময়ৰ বুকুত থকা ৰংবোৰ
উৰি শেষ হৈ গৈছে
সুখৰ মালাধাৰিও যেন
ছিগো-ছিগো।
বুকু ভৰি ধাৰাসাৰ ক'লা বৰযুণৰ
আগমন,
সেউজীয়া সুন্দৰ পৃথিৱীখনে
পিন্ধি ল'লে ক'লা বসন
এক ৰক্তাক্ত গুণগুণনি
অহৰহ।
লক্ষ্যহীন, অন্তহীন বৰযুণজাক
'মমম' শব্দটো এতিয়া
ভৰিৰ তলত
বিষাদগ্ৰস্ত গ্ৰহবোৰে ঢাকি ৰাখিছে
জাতিষ্কাৰক
উসঃ ভয়ংকৰ
পলে পলে
এক দীঘল উচুপনিৰ
অনুভৱ!
এক ৰক্তাক্ত সাগৰৰ........।।



# এপলক

কাকলি সোণোৱাল
সহঃ অধ্যাপিকা

জীৱন পৰিক্ৰমাত
হেঁপাহৰ লহৰত
পাৰ হ'ল এছোৱা
ৰ'দালী সপোন।
দুখৰ ভাগৰৰ নিহালীত
আকাশ ৰঙচুৱা হ'ল,
এপলক এপলক কৰি
খামোছ মাৰি ধৰে
স্মৃতিয়েও
মাথো কিছু আঁক-বাঁক
হেঙুল বৰণীয়া।
অপৰাজেয় প্ৰেৰণাৰ সন্ধানত
জীৱন দিক্‌ভ্ৰান্ত আজি
ঠিক যেন ভাগৰুৱা পথিক।

# বাৰুদৰ ফাকুৱা

**বিজয়লক্ষ্মী দাস**
অসমীয়া বিভাগ

ফাগুনৰ ফাকুৱাৰ ৰং বহুৰঙী
কিন্তু বাৰুদৰ ফাকুৱা???
বাৰুদৰ ফাকুৱাও আছে কেঁচা তেজৰ কেচেমা গোন্ধ
মাজনিশা........... হঠাৎ
গুৰুম্‌কৈ উঠা শব্দত আটাইৰে টোপনি ভাঙিল,
বুকুখন চিৰিংকৈ গ'ল
বাৰীৰ সিপাৰত ফেঁচাৰ নিউ নিউ চিঞৰ
শৰীৰ পুতলাৰ দৰে জঠৰ আৰু নিস্প্ৰাণ।
চৌদিশে আজি কেৱল প্ৰতিশোধৰ দাবানল
সন্ধিয়াৰ আন্ধাৰে আহি বুকুত আচুৰি দিলে
বুকুৰ মাজত বাৰিষাৰ মেঘৰ গৰ্জনি।
টোপনি নাই আজি গাৱঁৰ-চহৰৰ-নগৰৰ
হিংসাৰ জুইয়ে জ্বলাইছে মানৱাত্মা
আশা ভৰা জোনৰ হাঁহিৰে সন্ধানত
আউসীৰ - আন্ধাৰে বাট কৰিছে গ্ৰাস
আৰু
মানৱৰ নিষ্ঠুৰতাই নিজকে কৰিছে উপহাস।
ক্ষোভৰ তাড়নাত বলি হৈছে আজি বহু দেৱশিশু
যি জীৱনৰ অৰ্থ বুজি উঠা নাই
পিতৃ-মাতৃৰ সেউজীয়া সপোনক
চুৰমাৰ কৰি সংগ্ৰামী ডেকাহঁতে
দিছে বৰ্বৰতা আৰু নৃশংসতাৰ পৰিচয়।
আজিকালি-
পুৱাৰ খবৰবোৰত নাথাকে কোনো আশাৰ বাতৰি
কঢ়িয়াই আনে মাথো
ৰঙীন তুলিকাৰে ভৰা কেঁচা মঙহৰ চিনাকী গোন্ধ।
হয়তু- এইয়ে জীৱন নাটৰ যৱনিকা
য'ত, বাৰিষাৰ গোমা আকাশত বাৰুদৰ ফাকুৱাই
মানৱৰ নিসহায়তা, প্ৰতিহিংসাই মৃত্যুৰ হাতবাউলী মাতে।।



# ৰোমন্থন

**চিন্ময়ী মহন,**
প্ৰথম বাৰ্ষিক দ্বিতীয়া ষাণ্মাষিক
অসমীয়া বিভাগ

খিৰিকীৰ সিপাৰে অন্য এক
বৈচিত্ৰ্যময় অচিনাকী ৰূপ
নাই তাৰ কোনো সীমান্ত মাথোঁ
ৰুণজুন শব্দ বৈ আহে অৰ্ন্তভেদী
পুৰতি তৰাই ও উভাস জ্বলাই
উদ্বেলিত মনৰ উত্ৰাৱলক
বিহংগৰ দৰে উৰি ফুৰা কৈশোৰ
জীপাল কৰিলে অকৃত্ৰিম মৰমে
আমোল মূল হ'ল পবিত্ৰ ধুপৰ
সুগন্ধে হৃদয়ৰ চৌপাশ
কোমলীয়া দিনবোৰক আজুৰি কঁপি উঠে
অংগজা স্পন্দন মূহুৰ্তৰ বাবে।

# বাট

**ড° ৰণ্টু গোহাঁই**
সহকাৰী অধ্যাপক, শিক্ষা বিভাগ
শিৱসাগৰ ছোৱালী কলেজ



বিচাৰিলে বাট
বাটে হাত বাউলি মাতে
অথচ
সকলো বাটে সকলোকে নামাতে

বাটৰ অলেখ কথা-কাহিনী আছে ঃ
বাটবোৰ কেতিয়াবা বাট- কেতিয়াবা অবাট
বাটবোৰ সৰু আৰু বৰ
বাটবোৰ মিহি আৰু খহটা
বাটবোৰ চিধা
বাটবোৰ বেঁকা-অকোঁৱা-পকোৱা
বাটবোৰ কাঁইটীয়া
বাটবোৰ ৰঙা দলিচা পৰা

কিছুমান বাটেৰে গ'লে গৈ থাকিব পাৰি
গৈ গৈ শেষ নোহোৱা অথচ গৈ থাকিবৰ মন যোৱা
কিছুমানৰ বাটৰ আদিতে ভাল- পিছত কাল
ঘূৰিব খুজিও ঘূৰিব নোৱাৰা- এন্ধাৰ আৰু অমানিশা

বাটৰ পৰাই সৃষ্টি হয় বহু বাট
বাটে বাটে গান আছে
বাটে বাটে ধান আছে
বাটে বাটৰুৱাক অক্সিজেন দিয়ে
দিয়ে ছাঁ আৰু পোহৰ

কোন বাটেৰে কোন যায়
সেয়া বাটবোৰে গম পায়
তথাপি বহুতো বাটৰুৱাই গমকে নেপায়

বাটবোৰে কয় ঃ
তোমাৰ বাট তোমাৰ
তেওঁৰ বাট তেওঁৰ
তেওঁৰ বাট তোমাৰ নহয়!

আয়ে কয়ঃ
জীৱনৰ বাটত ক'লা মেঘ আছে- সেই বাটে নাযাবা
বোপায়ে কয় ঃ
জীৱনৰ বাটত ৰামধেনু আছে- সেই বাটে যাবা

আই আৰু বোপায়ে শিকোৱা
জীৱনৰ বাটেৰে আমি বাট বুলিব লাগে
কাৰণ
এনে বাটত আহুকাল নাথাকে।



# পত্র শিল্প

# প্ৰিয় কবি, হীৰুদালৈ

**চুমী চুতীয়া**
স্নাতক প্ৰথম যান্মাসিক, ইংৰাজী বিভাগ

হীৰুদা,

হৃদিক উমেৰে জীপাল এসাগৰ শাব্দিক অনুভৱ আপোনালৈ।

হীৰুদা, অনুভৱ কি নজনা বয়সতে পৰিচয় ঘটিছিল আপোনাৰ অনুভৱৰ পৃথিৱী সৈতে। পঢ়িবলৈ আৰম্ভ কৰিছিলো আপোনাৰ কবিতা। প্ৰেমত পৰিছিলো আপোনাৰ শব্দ আৰু সত্বাৰ। উদাৰ আবেলিবোৰ ভগাই লৈছিলো। আপোনাৰ অনুভৱৰ সৈতে। নিজকে বিচাৰি পাইছিলো আপোনাৰ কবিতাৰ মাজত। কিন্তু আপোনাৰ ঐশ্বৰ্যময় জোনাকত সম্পূৰ্ণকৈ বুৰ যাবলৈ নাপাওঁতেই আপুনি হৈ পৰিল এক নিৰ্লোভ ভাস্কৰ্য।

'মোৰ মৰিবৰ মন গৈছে পাৰিলে এতিয়াই
তিনিকুৰি বছৰ ল'লে মোৰ কবিতাই
সলনিত মোক টনকিয়াল কৰি গ'ল শব্দৰে
জীৱন শব্দটো সূৰ্যৰ চৌপাশে ঘূৰে
পোহৰাবলৈ মনৰ বেগেৰে
আটায়ে জয়ধ্বনি দে
শুনো জীৱনৰ গান, তঁহতৰ মুখত।'

সঁচাকৈয়ে, আপুনি শুচি গ'ল কোৱাৰ দৰেই। সামান্য এক অজুহাততে গুচি গ'ল আপুনি, বিপুল জয়ধ্বনিৰ মাজেৰে, জীৱনৰ গান শুনি। কিন্তু কেনেকৈ মানি লওঁ এই সত্য। ইমান যন্ত্ৰণাদায়ক! আপোনাৰ মৃত্যুত জৰ্জৰিত, বিচলিত মই, মোৰ দৰে আৰু বহুতো হৃদয়। কিন্তু আপুনি যে কৈ গ'ল-

'ইমান অলপতে বিচলিত হ'লে
তোমাৰ বাৰু কেনেকৈ চলে
শিলোৱা এন্ধাৰে আহি মোক ক'লে
ব্যৰ্থতাৰ এন্ধাৰে মাথো মোক সত্যক
সহজে ল'বলৈ শিকালে।'

আপুনি কোৱাৰ বাবেই মই আকোঁৱালি লৈছো সত্যক। হীৰুদা, আপোনাৰ কায়া আজি আমাৰ মাজত নাই সঁচা, কিন্তু আকাশে-বতাহে, গীত-কবিতাৰ লহৰে লহৰে, প্ৰতিজন অনুভৱী ব্যক্তিৰ হৃদয়ন্দ্ৰীৰ কোঁহে কোঁহে নিনাদিত হৈ আছে আপুনি। আপোনাৰ সৃষ্টিৰ 'সুগন্ধি পখিলা'ই কবিতাৰ ৰ'দত 'তোমাৰ বাঁহী'ৰ সুৰেৰে মোৰ দেশৰ 'শইচৰ পথাৰ মানুহ'ৰ বুকুত গুজি দিছে 'ৰৌদ্ৰ কামনা'। আপোনাৰ



শব্দেৰে আজিও সজীৱ যৌৱনৰ তেজী ঘোঁৰা স্বৰূপ তৰুণ তেজ-

'যাৰ তেজত তিৰবিৰাইছিল তৰালি
বুকুত গুণগুণাইছিল মৌ-মাখি
সি নিজানে নিতালে শুই আছে
শিতানত তাৰ তেজে ধোৱা মাটি।'

হীৰুদা, ভাল পাওঁ আপোনাক, ভাল পায় আপোনাৰ দৰে আৰু অসংখ্যজনে কাৰণ 'ভালপোৱাতকৈ সেউজীয়া আৰু একো নাই।' অনুসৰণ কৰিব খোজো আপোনাৰ মনৰ তেজী ঘোঁৰা। হীৰুদা,

'মোকো তোমাৰ প্ৰেমিক কৰি লোৱা
কাতৰ দেহত খেলক বসন্ত বতাহ
প্ৰিয় শব্দ আহি খুন্দা খাওক কলিজাত।'

আপোনাৰ কবিতাৰ শব্দ-বৰ্ণৰে আঁতৰাৰ খোজো মোৰ দেশৰ, মোৰ আপোন মানুহৰ মালিতা। 'মোৰ প্ৰাণবো প্ৰাণৰ, মোৰ গানৰ গানৰ মোৰ দেশ।' মানুহৰ সাহৰ্যৰ বিচাৰি আপুনি যিদৰে ঘূৰি ফুৰে দিহিঙে, আপোনাৰ শব্দ বৰ্ণ ফাঁকে-ফাঁকে মইওঁ ঘূৰি ফুৰো অনুভৱৰ বিশাল পথাৰৰ বঁকিয়াইদি ঐয়াঙে-দৈয়াঙে। মই হেৰাই যাওঁ অনুভৱ-অনুভূতিৰ এখন অনন্য পৃথিৱীত-

'আমলখি হাবিত
যেনেকৈ হৰিণ-হৰিণীচৰে
ময়ো গুচি যাওঁ
ঐয়াঙে-দৈয়াঙে কৰবালৈ...........।'

'জুনুক কৰি বাজিল জুনুকা
চেনিমৰা বাগিচাৰ চিঠি লৈ
কোবাল খোজেৰে গুচি গ'ল ডাকোৱাল
গছে-গছে হেপাঁহ ৰঙীন ৰুমাল।'

হীৰুদা আপোনাৰ কবিতাৰ স্তৱক অবিহনে চেনিমৰা বাগিচাৰ চিঠি লৈ কেনেকৈ আহিব ডাকোৱাল, কোনে আঁৰিব হেপাঁহৰ ৰঙীন ৰুমাল?

হীৰুদা, হৃদয়ত হাজাৰ প্ৰেমৰ উত্তাল ঢৌ তুলি অনন্ত তৃষ্ণাৰে জীৱন যুঁজত জয়ী হ'বলৈ চেষ্টা কৰিছিলো আপোনাৰ প্ৰেৰণা লৈ। আপোনাৰ কবিতাৰেই প্ৰথম শুনিছিলো প্ৰেমৰ কথা, দেশ আৰু জাতিৰ কথা, জীৱন আৰু যৌৱনৰ কথা। অনুভৱ কৰিছিলো আপোনাৰ কবিতাৰ শব্দ সত্যৰূপ। আপোনাৰ কবিতাৰ মাজেৰে,

'উজাগৰী ৰাতি
সপোন দেখিছো মই ফুল আলসুৱা তোমাৰ মুখৰ
শইচ সোণোৱালী হাঁহি।
অযুত তৰাৰ ঘুমটি ভাঙি
যেন সূৰ্য আহিছে নামি।'

হীৰুদা, আপোনাক হেৰুৱাই বিষন্ন আজি ফুল, তৰা, জোনাক আৰু পখীৰ কাকলি। নিস্তেজ আজি জীৱন, যৌৱন, প্ৰেম আৰু দেশৰ শব্দৰে চহকী পদূলি।

'বিষন্ন হৃদয় দিক্‌হাৰা অন্ধকাৰে
তোমাক যেতিয়া বিচাৰি ফুৰে
ৰাতিৰ প্ৰান্তৰে প্ৰন্তেৰে
জোনাকৰ চকুপানী তেতিয়া
গছৰ পাতে পাতে সৰে।'ঃঃ

মৰমৰ

ভাস্বতী, তাৰিখ ঃ ৩।১২।২০১১

চিঠিৰ আৰম্ভণিতে তোমালৈ জনালো মোৰ অজস্ৰ মৰম আৰু শুভকামনা। আশাকৰোঁ তোমাৰ লগতে তোমালোকৰ ঘৰৰ সকলোৱে ভালেই। আমাৰ ঘৰতো বৰ্তমান ভালেই।

ঘৰত ভাল হ'লেও কিন্তু সমগ্ৰ অসমৰ বাবেই এতিয়া খুব দুখৰ দিন নহয়নে? এই কেইদিনতে আমাৰ মাজৰপৰা আঁতৰি গ'ল অসম নালাগে সমগ্ৰ বিশ্বৰ গৌৰৱ সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু জ্ঞানপীঠ বঁটা বিজয়ী সাহিত্যিক মামণি ৰয়ছম গোস্বামী। অসমৰ সাহিত্য সংস্কৃতিৰ ভঁৰালৰ দুটি লাইখুটা খহি পৰিল। মামণি ৰয়ছম গোস্বামীৰ লিখনিৰ পৰা মই নিজৰ জীৱনৰ বহুতো ক্ষেত্ৰতে অনুপ্ৰেৰণা লাভ কৰিছো। ভূপেন হাজৰিকাৰ কেঁচা মাটিৰ গোন্ধ থকা গীতবোৰৰ পৰাও জীৱনটোক নতুনকৈ সজাবৰ যথেষ্টখিনি অনুপ্ৰেৰণা পাইছো। মই প্ৰায় সকলো ধৰণৰ কিতাপ পঢ়ি ভাল পাওঁ যদিও মামণি ৰয়ছম গোস্বামীৰ কিতাপে মোক জীৱনৰ প্ৰতি খোজতে বিশেষভাৱে অনুপ্ৰেৰণা যোগাই আহিছে। ঘৰত থাকোতে মা-দেউতাৰ মৰমৰ আবুৰত থাকি বহুতো সমস্যাৰ মুখামুখি নোহোৱাকৈ আছিলো। কিন্তু হোষ্টেললৈ আহি নানা ধৰণৰ সুখৰ-দুখৰ অভিজ্ঞতা হৈছে। বহুতো সমস্যাৰ সন্মুখীন হৈ ভাগি পৰিব খোজোতে মামণি বাইদেউৰ কিতাপৰ কিছুমান কথাই বিশেষভাৱে মোক অনুপ্ৰেৰণা যোগায়। তেখেতৰ এযাৰ কথাই মোক সদায় প্ৰেৰণা যোগায়। এদিন তেখেতে এটি অনুষ্ঠানত কৈছিল- "আনক উত্তৰণৰ পথ দেখুৱাবলৈ নিজে বন্দী হ'বই লাগিব, কিবা এটা পাবলৈ কষ্ট কৰিবই লাগিব কিন্তু সকলোৰে উৰ্ধত থাকে নিজৰ আত্মসন্মান।" তেখেতে লিখা প্ৰতিখন গ্ৰন্থই কেঁচা মাটিৰ পৰশেৰে জীপাল। প্ৰতিখন গ্ৰন্থই মোৰ দৰে হাজাৰ হাজাৰ লোকক জীৱনৰ প্ৰতি খোজতে অনুপ্ৰেৰণা যোগাইছে। মামৰে ধৰা তৰোৱাল, নীলকণ্ঠী ব্ৰজ, আধালিখা দস্তাবেজ আদি প্ৰায়বোৰ গ্ৰন্থৰে প্ৰতিটো চৰিত্ৰৰ মাজতে প্ৰায়বোৰ মানুহে নিজক বিচাৰি পায়। সেয়ে তেখেতৰ গ্ৰন্থই জনমানসত ইমান সমাদৰ, জনপ্ৰিয়তা লাভ কৰে।

তেখেতৰ গ্ৰন্থৰ উপৰিও তেখেতৰ ব্যক্তিগত জীৱনটোৰ বিষয়েও যিখিনি জানিব পাৰিছো সেইখিনিয়ে মোক নিজৰ জীৱনটো বিভিন্ন অভিজ্ঞতাৰ মুখামুখি হবলৈ যথেষ্ট প্ৰেৰণা যোগায়। শৈশৱতে ঘৰৰ মানুহে দেখিবলৈ অদ্ভূত বুলি কাটি ব্ৰহ্মপুত্ৰত উটুৱাই দিবলৈ লোৱা মামণি গোস্বামীৰ পৰা জ্ঞানপীঠ বঁটা লাভ কৰি সমগ্ৰ অসমলৈ গৌৰৱৰ বন্যা বোৱাই অনালৈকে তেখেতৰ যি কষ্ট, পৰিশ্ৰম কৰিবলগীয়া হৈছিল সেইখিনিয়ে আমাক সদায় অনুপ্ৰাণিত কৰিব। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই জ্ঞানপীঠ বঁটা লাভ কৰাৰ সুদীৰ্ঘ বাইছ (২২) বছৰৰ মূৰত মামণি ৰয়ছম গোস্বামীয়ে এই বঁটা লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই আনিছিল। জানিব পৰা মতে তেখেতৰ জীৱনত ইটোৰ পাছত সিটো ধুমুহাৰ অন্ত নাই। জাকে জাকে অহা ধুমুহাইও তেওঁক বিধ্বস্ত কৰিব নোৱাৰিলে। তেওঁ হৈ থাকিল স্থিতপ্ৰজ্ঞ। জীৱন সম্পৰ্কীয় তেখেতৰ এনে ধাৰণাই মোক বহুত অনুপ্ৰাণিত কৰে সমস্যাৰ সন্মুখত হাৰ নামানিবলৈ। বিবাহৰ কিছুদিনৰ পাছতেই হেৰুৱাইছিল স্বামী মাধবেন ৰয়ছম আয়েঙ্গাৰক। সেই তেতিয়াৰে পৰা এটা অকলশৰীয়া জীৱন কটাই জ্ঞানৰ সাধনাকে জীৱনৰ ব্ৰত হিচাবে লোৱা মামণি ৰয়ছম গোস্বামীয়ে সৌ-সিদিনা ২৯ তাৰিখে চিৰদিনৰ বাবে চকু মুদিলে। তেখেতৰ নশ্বৰ দেহ আমাৰ মাজত নাই যদিও তেখেতৰ লিখনিৰ মাজত মানুহে তেখেতক সদায়ে বিচাৰি পাব। বহুতৰে বাবে অনুপ্ৰেৰণাৰ প্ৰতীক হৈ থাকিব তেখেত। তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক এতিয়া আমাৰ সেয়াই কামনা।

জীৱনত মা-দেউতাৰ ধৰি আন বহুতৰে পৰা জীৱন পথত আগুৱাই যাবলৈ অনুপ্ৰেৰণা পাইছো যদিও মামণি ৰয়ছম গোস্বামীৰ লিখনিৰ মাজত মই অধিক অনুপ্ৰেৰণা

বিচাৰি পাইছো।

ভাস্বতী তোমাক মই আজি মোক অনুপ্ৰেৰণা যোগোৱা মানুহগৰাকীৰ বিষয়ে বহুত কথাই ক'লো। বহুত ক'বলৈ থাকিও গ'ল। আচলতে জ্ঞানৰ ওৰে জীৱন সাধনা কৰা মামণি ৰয়ছম গোস্বামীৰ বিষয়ে লিখি শেষ কৰিব নোৱাৰি। তোমালোক সপৰিয়ালে এদিন আমাৰ ঘৰলৈ আহিবাচোন। আজিলৈ আৰু নিলিখো। শেষত তোমালৈ বহুত মৰমেৰে–

তোমাৰ বান্ধৱী

**শ্ৰী ভাগ্যশ্ৰী নেওগ**

ঠিকনা ঃ

**শ্ৰী ভাস্বতী দত্ত**

মাৰফৎ ঃ প্ৰবীন দত্ত

দিছিয়াল গাওঁ, গৌৰীসাগৰ,

ডাকঘৰ- গৌৰীসাগৰ, পিন- ৭৮৫৬৬৪

**শ্ৰী ভাগ্যশ্ৰী নেওগ**

স্নাতক তৃতীয় বৰ্ষ

অৰ্থনীতি বিজ্ঞান বিভাগ

---

# জানিবলগীয়া কেইটামান আন্তৰ্জাতিক সীমান্ত ৰেখা

১০ ডিগ্ৰী চেনেল- আন্দামান আৰু নিকোবৰ।
১৬ তম পেৰেলেল লাইন- নামিবিয়া আৰু এংগোলা।
১৭ তম পেৰেলেল লাইন- উত্তৰ ভিয়েটনাম আৰু দক্ষিণ ভিয়েটনাম।
২৪ তম পেৰেলেল লাইন- ভাৰত আৰু পাকিস্তান।
২৮ তম পেৰেলেল লাইন- ভাৰতীয় কাশ্মীৰ আৰু পাক অধিকৃত কাশ্মীৰ।
৩৮ তম পেৰেলেল লাইন- উত্তৰ কোৰিয়া আৰু দক্ষিণ কোৰিয়া।
ডানকান পেকেজ- গ্ৰেট আন্দামান আৰু লিটল আন্দামান।
ডুৰাণ্ড লাইন- পাক অধিকৃত কাশ্মীৰ আৰু আফগানিস্তান।
৯ ডিগ্ৰী চেনেল- লাক্ষাদ্বীপ আৰু মিনিকয়।
মেকমোহন লাইন- ভাৰত আৰু চীন।
ৰেডক্লিফ লাইন- ভাৰত আৰু পাকিস্তান।
LOC (লাইন অব্ কন্ট্ৰোল)- ভাৰত কাশ্মীৰ আৰু পাক অধিকৃত কাশ্মীৰ।
ছাত-এল-আৰব- ইৰাক আৰু ইৰাণ।
মেজিনেট লাইন- জাৰ্মানি আৰু ফ্ৰান্স।
হিণ্ডেনবাৰ্গ লাইন- জাৰ্মানী আৰু পোলেণ্ড।
ছিগফ্ৰিডলাইন- জাৰ্মানী আৰু ফ্ৰান্স।

("প্ৰান্তিক"ৰ সহায় লৈ)

## মোৰ ভ্ৰমণ অভিজ্ঞতা

# মোৰ দাৰ্জিলিং, গেংটক ভ্ৰমণৰ অভিজ্ঞতা

**জয়শ্ৰী বড়া**
স্নাতক তৃতীয় বৰ্ষ, শিক্ষা বিভাগ

'ভ্ৰমণ' এক আনন্দদায়ক, আমেজভৰা অভিজ্ঞতা, লাগিলে এই ভ্ৰমণ দূৰ ভ্ৰমণেই হওক বা ওচৰ ভ্ৰমণেই হওঁক। বৰ্তমানৰ আধুনিকতা, ব্যস্ততাপূৰ্ণ আৰু যান্ত্ৰিকতাই চান মাৰি ধৰা আমাৰ জীৱনত অলপমান সময় উলিয়াই কেইমুহূৰ্তমানৰ কাৰণে কৰা এনে ভ্ৰমণে আমাৰ জীৱনটোক প্ৰাচুৰ্য্যময় কৰি তোলে।

২০১১ চনৰ চেপ্তেম্বৰ মাহৰ ২৪ তাৰিখ। সেই সময়ত মই স্নাতক দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰী, এটা শিক্ষামূলক দূৰ ভ্ৰমণৰ প্ৰতি মোৰ মনত সৰুৰে পৰা এটা অদম্য হেঁপাহ জাগি আছিল। অৱশেষত মোৰ এই হেঁপাহ পূৰ্ণ হোৱাৰ দিন আহিল আৰু এই হেঁপাহ পূৰ্ণ হ'ল ঐতিহ্যমণ্ডিত শিৱদৌলৰ গাতে লাগি থকা 'শিৱসাগৰ ছোৱালী মহাবিদ্যালয়'ৰ শিক্ষা বিভাগৰ ছাত্ৰী হিচাপে। আমি শিক্ষা বিভাগৰ পৰা যাত্ৰা কৰিছিলো ছিকিম, দাৰ্জিলিং আৰু গেংটক অভিমুখে। শিক্ষা বিভাগৰ ৰণ্টু গোহাঁই ছাৰৰ কৃপাত মোৰ এই ভ্ৰমণৰ সৌভাগ্য ঘটিছিল। মই এই 'প্ৰবাহিনী' জৰিয়তে ছাৰক ধন্যবাদ জ্ঞাপন কৰিছো মোক এই সুন্দৰ ভ্ৰমণৰ অভিজ্ঞতা আৰু এই ভ্ৰমণৰ অংশীদাৰী হ'বলৈ সুবিধা প্ৰদান কৰাৰ বাবে। দাৰ্জিলিং চোৱাৰ ইচ্ছা মোৰ সৰুৰে পৰা আছিল আৰু মোৰ এই ইচ্ছা ভগৱানে পূৰণ কৰাত সঁচায়ে বহুত আনন্দ লাগিছিল।

শাৰদীয় পূজাৰ আগমনৰ প্ৰস্তুতি চলি থকা বতৰতে আমি আমাৰ যাত্ৰা আৰম্ভ কৰিছিলো ছিকিম অভিমুখে। আগতে ছাৰে দি থোৱা সময় অনুসৰি প্ৰায় আবেলি ৫.৩০ মান বজাত আমি ২৫ জনীয়া দলটো কলেজত লগ হৈছিলো। আমাৰ লগত তিনিগৰাকী বুৰঞ্জী বিভাগৰ ছাত্ৰী গৈছিল। শিক্ষা বিভাগৰ ৰণ্টু গোহাঁই ছাৰ, বিপ্লৱ দা, শান্তনু দা আৰু গাইড দাদা দুজন সকলো আহি সময়মতে উপস্থিত হৈছিলহি। সকলো গোট খোৱাৰ পাছত এটা সময়ত বাছ আহিল। আমি সকলোৱে ঘৰৰ পৰা বিদায় লৈ বাছত উঠিলো। প্ৰায় ৬ মান বজাত বাছ ষ্টাৰ্ট হ'ল।

গাড়ী আগবাঢ়িল, আমি বাছেৰে কলেজৰ পৰা শিমলুগুৰি ৰেল ষ্টেচনলৈ গৈছিলো। আমি সকলোৱে নিজৰ নিজৰ চিটৰ পৰা চিঞৰি চিঞৰি কথা পাতিছিলো। কোনোবাই ম'বাইলত গান শুনিছিল। কিন্তু এই ক্ষেত্ৰত মোৰ কিছু ব্যতিক্ৰম ঘটিছিল। কিয়নো এই যাত্ৰাত আমি ৩ গৰাকী দ্বিতীয় বাৰ্ষিকৰ ছাত্ৰীৰ বাদে সকলো তৃতীয় বাৰ্ষিকৰ ছাত্ৰী আছিল। প্ৰথমতে মোৰ মনত এক ভয়ভাৱ জাগি উঠিছিল যে আমি লগৰ বিলাকৰ লগত যিমান মুক্ত মনেৰে ধেমালি কৰিব পাৰে। কিজানি বাহঁতৰ লগত এনেদৰে কৰিব নোৱাৰিম। কিন্তু মোৰ এই ধাৰণা সম্পূৰ্ণ ভুল আছিল, আমাক বাহঁতে যথেষ্ঠ মৰম কৰিছিল।

ঠিক ৬.৪৫ বজাত আমি শিমলুগুৰি ৰেল ষ্টেচন পালোগৈ। বাছৰ পৰা নামিয়ে আমি সকলোৱে নিজৰ নিজৰ বেগ লৈ ৰেল ষ্টেচনৰ ভিতৰ ভাগলৈ আগবাঢ়িলো। ৭.১৫ বজাত আছিল আমাৰ গুৱাহাটী অভিমুখী Intercity (ইণ্টাৰচিটি)খন। আমি ৰেলখন অহাৰ সময়লৈ অপেক্ষা কৰিলো। ঠিক নিৰ্দিষ্ট সময়ত ইণ্টাৰচিটিখন আহি শিমলুগুৰি ৰেল ষ্টেচন পালেহি। ছাৰ আৰু গাইড দাদাজনে কোৱাৰ দৰে আমি নিৰ্দিষ্ট চিটত বহিলো, আমি সকলোৱে ভালদৰে বহিবলৈ পাইছো নাই, আমাৰ বেগবোৰ ওপৰলৈ তুলি দিয়া

এইসকলোবোৰ ক্ষেত্ৰত ছাৰে আমাক যথেষ্ট সহায় কৰিছিল। পিচদিনা ৰাতিপুৱা অৰ্থাৎ ২৯।০৯।২০১১ তাৰিখে ৫ বজাত আমি গুৱাহাটী পালোগৈ। তাতেই কিছুসময় জিৰণি লৈ ৭.৩০ বজাত থকা নিউ জলপাইগুৰি অভিমুখী চিকন্দৰবাদ এক্সপ্ৰেছৰ কাৰণে অপেক্ষা কৰিলো। ৭.৩০ বজাত পুনৰ আমি নিউ জলপাইগুৰিলৈ যাত্ৰা কৰিলো। আবেলি ৩ বজাত নিউ জলপাইগুৰি ৰেল ষ্টেচনত এক্সপ্ৰেছখন ৰ'লগৈ। এক্সপ্ৰেছখনৰ পৰা নামিয়ে ষ্টেচনটো লক্ষ্য কৰিছিলো। নিউ জলপাইগুৰি ৰেল ষ্টেচনটো যথেষ্ট ধুনীয়া আছিল। ৰেল ষ্টেচনটোৰ সন্মুখতেই আছিল ছিকিম অভিমুখী চুম'গাড়ীৰ ষ্টেণ্ড। গাইড দাদাজনে আগৰ পৰাই ঠিক কৰি থোৱা নিৰ্দিষ্ট চুম'গাড়ী কেইখনত আমাৰ বেগসমূহ তুলি ভালদৰে বান্ধিলৈ ওচৰতে থকা হোটেলখনত আবেলি আহাৰ গ্ৰহণ কৰিবলৈ লৈ গ'ল। আবেলি আহাৰ গ্ৰহণ কৰি আমি ছিকিম যাত্ৰাৰ বাবে প্ৰস্তুত হ'লো।

আমি সকলো গাড়ীত উঠিলো ঠিক ৪.৩০ মান বজাত আমি ছিকিমৰ অভিমুখে আগবাঢ়িলো। একা-বেকা ৰাস্তাৰে আৰম্ভ হৈছিল আমাৰ যাত্ৰা। ওখ ওখ পাহাৰৰ পিনে আমি আগবাঢ়ি গৈছিলো। মনত এক বৰ্ণনা কৰিব নোৱাৰা ভয় লাগিছিল যে আমি ক'লৈ গৈ আছো? গাড়ীখনেদি জুমি চাই দেখিলো আমি এতিয়া সমতলৰ পৰা বহুত ওপৰত। লাহে লাহে ৰাতি হৈ আহিছিল; ৰাতি পাহাৰৰ এঢলীয়া ঠাইত বনোৱা ঘৰবিলাকত যেতিয়া লাইটবোৰ জ্বলি আছিল তেতিয়া এনে লাগিছিল যে সেইয়া আকাত তৰাব তিৰ্‌বিৰণি। ৰাতি ৯ মান বজাত আমি গেংটকত ভৰি দিলো। গাড়ীৰ পৰা নামিয়ে আমি হোটেল "The Lhonard deisure" পিনে আগবাঢ়িলো। হোটেলখনৰ 4 নম্বৰ মহলাৰ 402 নং কোঠাত মই আৰু মোৰ দুগৰাকী বান্ধৱী দেৱশ্ৰী আৰু নিৰ্মিতা থকাৰ সুবিধা কৰি দিছিল। ৰুমটোত সোমায়ে মই খিৰিকী পিনে লক্ষ্য কৰিলো; দূৰৰ পাহাৰৰ ঘৰবোৰ লাইটৰ পোহৰত তেতিয়াও জিলিকি আছিল। ৰাতিয়ে ছিকিমখন দেখি অনুভৱ কৰিলো যে ছিকিমখন কিমান মনোৰম! ৰাতি ১০.৩০ বজাত আহাৰ গ্ৰহণ কৰি আমি শুই পৰিলো।

৩০।৯।২০১১ তাৰিখে পুৱাই আমি ছিকিমৰ "Flower Point" নামেৰে এখন ফুলনি বাগিছা চাবলৈ গ'লো, এই ফুলনি বাগিছাখনত নানা ধৰণৰ ফুল সংৰক্ষণ কৰা আছিল। ছিকিমত ৰ'দৰ পৰিমাণ কম কাৰণে বাগিছাখনত কৃত্ৰিম গ্ৰীণ হাউচ ছাতিৰ ব্যৱহাৰ কৰি ফুল সংৰক্ষণ কৰা হৈছিল। বাগিছাখন চাই আমি ছিকিমৰ ৩০০ বছৰ পুৰণি এটা বৌদ্ধ বিহাৰলৈ (Buddhist Monestry) গ'লো। এই বুদ্ধ বিহাৰটিত এটা সোণৰ মূৰ্ত্তি দেখিবলৈ পাইছিলো। তাৰ উপৰিও দালাই লামাৰ শৈশৱ কৈশোৰৰ বিভিন্ন ফটো সংৰক্ষণ কৰা আছিল। দিনটোৰ অন্ততঃ আমি হোটেললৈ ঘূৰি আহিলো। সকলোৱে একেলগে বহি হাঁহি ধেমালি কৰা, ছাৰৰ ৰুমত গৈ টি.ভি. চোৱা, উৰ্মিবাই কৰি দেখুওৱা লোকৰ অভিনয়বোৰ সঁচায়ে কেতিয়াও পাহৰিব নোৱাৰো। ৰাতি ১০.৩০ বজাত আমি ৰাতি আহাৰ গ্ৰহণ কৰি আমি ছিকিমৰ গণেশ টক্ লৈ গ'লো। গণেশটক্‌ৰ গণেশ মন্দিৰ পৰিদৰ্শন কৰাৰ পাছত মন্দিৰৰ পৰা অলপ দূৰত থকা "Suicide Point" নামেৰে আমি এটা ভয়ানক আত্মহত্যাৰ কেন্দ্ৰস্থল চাবলৈ গ'লো। Suicide Pointৰ পৰা ঘূৰি আহোঁতে ৰাস্তাৰ কাষত থকা এটা বৃহৎ



জলপ্ৰপাত দেখিবলৈ পালো। কোনো দিনেই দেখা নোপোৱা পাহাৰৰ পৰা অনগল কুলুকুলু কৈ বৈ অহা জলপ্ৰপাতটো চাই বিস্মৃত হ'লো। আমি তাৰ পাছত "The view point of Sikkim" লৈ বুলি পুনৰ যাত্ৰা কৰিলো। "The view point of Sikkim" হৈছে ছিকিমৰ কেন্দ্ৰস্থল য'ৰ পৰা সম্পূৰ্ণ ছিকিমখন পৰিদৰ্শন কৰিব পাৰি। ছিকিমখন ভালদৰে চোৱাত এনে লাগিছিল যেন মানুহবোৰে ইয়াত কেনেদৰে বাস কৰে? ইমান ওখ ওখ পাহাৰত এওঁলোকে কেনেকৈ ঠাই উলিয়াই

ঘৰ সাজিছে? ভালদৰে ওপৰৰ পৰা লক্ষ্য কৰাত দেখিলো ইয়াৰ ঘৰবোৰ যথেষ্ট সেৰেঙা; কোনো এডোখৰ ঠাইত ৪ টা মানহে ঘৰ আছিল। কোনোবা এঠাইত আকৌ ২০ টাতকৈ অধিক। সদা ব্যস্ততাপূৰ্ণ ছিকিমৰ সেই সৰু সৰু গলি সদৃশ ৰাস্তা কেইটা মই পাহৰিব নোৱাৰিম। দিনটোৰ অন্তত আমি সকলোৱে যথেষ্ট ভাগৰ অনুভৱ কৰিছিলো, কিয়নো "The view point of Sikkim" চাবলৈ যাওঁতে আমি পাহাৰৰ ওপৰলৈ উঠিব লগা হৈছিল। আমি পুণৰ হোটেললৈ আহি পৰিষ্কাৰ হৈ পুনৰ কথা পতাত লাগি গ'লো। সকলোৱে বহি কথা পতাৰ মাজেৰে নিজৰ নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিলে। কোনোবাই কৈছে- "মোৰ আৰু ঘৰলৈ যাবলৈ মন যোৱা নাই, ছিকিমখন ইমান ভাল লাগিছে ইয়াতেই থাকিম।" কোনোবা এগৰাকীয়ে আকৌ কৈছে "ইয়াত এমাহ মান থাকি যাব পৰা হ'লে" এনেদৰে কথা পাতি থকা সময়তে হোটেলৰে এজন ল'ৰাই আমাক ৰাতি আহাৰ গ্ৰহণ কৰিবলৈ মাতিলেহি। সকলোৱে আহাৰ গ্ৰহণ কৰি নিজৰ নিজৰ ৰুমত সোমাই পৰিলে। পুৱাই আকৌ আমি শুই উঠি চাহ খাই হোটেলৰ ওচৰতে থকা "Rope Way" লৈ গ'লো। ছিকিমত ভৰি দিয়াৰ পৰাই আমি কেইগৰাকীমানে ভাবি আছিলো। "ছাৰে আমাক কেতিয়া Rope Wayত উঠোৱাবলৈ নিব।" ৰাতিপুৱাই যেতিয়া শুনিলো আমি আজি Rope Way যাম মই ল'ৰালৰিকৈ শুই উঠি চাহ খাই সাজু হ'লো। আমি সকলো Rope Wayত উঠিলো। সম্পূৰ্ণ ছিকিম চহৰখন আকৌ এবাৰ ওপৰৰ পৰা দেখিলো। এনেদৰে তাতেই অলপ সময় থকাৰ পিচত পুনৰ হোটেললৈ উভতি আহিলো আৰু ৰাতিপুৱাৰ লঘু আহাৰ খালো। সেইদিনা সেইদিনা মনটো যথেষ্ট বেয়া লাগিছিল, কাৰণ সেইদিনাই অৰ্থাৎ ২।১০।২০১১ তাৰিখে আবেলি আমি দাৰ্জিলিং লৈ বুলি যাত্ৰা কৰিম। আহাৰ গ্ৰহণ কৰি পুনৰ 'Rom Tag" লৈ গ'লো। Rom Tag লৈ যোৱাৰ আগত আমি সকলোৱে নিজৰ বস্তু বেগত ভৰাই সাজু কৰি থৈ গৈছিলো। কিয়নো তাৰ পৰা আহিয়ে আমি দাৰ্জিলিং লৈ যাম, মোৰ মনত ছিকিমক বিদায় দিয়া সময় আহি পৰাত দুখ লাগিছিল, কিন্তু দাৰ্জিলিংৰ নাম শুনা লগে লগেই ভালো লাগিছিল। কিয়নো দাৰ্জিলিং চোৱাৰ হেঁপাহ মোৰ সৰুৰে পৰা আছিল।

সদা ব্যস্ততাপূৰ্ণ ছিকিমৰ সেই সৰু সৰু গলি সদৃশ ৰাস্তা কেইটা মই পাহৰিব নোৱাৰিম। দিনটোৰ অন্তত আমি সকলোৱে যথেষ্ট ভাগৰ অনুভৱ কৰিছিলো, কিয়নো "The view point of Sikkim" চাবলৈ যাওঁতে আমি পাহাৰৰ ওপৰলৈ উঠিব লগা হৈছিল। আমি পুণৰ হোটেললৈ আহি পৰিষ্কাৰ হৈ পুনৰ কথা পতাত লাগি গ'লো। সকলোৱে বহি কথা পতাৰ মাজেৰে নিজৰ নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিলে। কোনোবাই কৈছে- "মোৰ আৰু ঘৰলৈ যাবলৈ মন যোৱা নাই, ছিকিমখন ইমান ভাল লাগিছে ইয়াতেই থাকিম।"

আগৰে পৰা নিৰ্দ্ধাৰণ কৰি থোৱা সময় অনুযায়ী আমি দাৰ্জিলিঙলৈ বুলি যাত্ৰা কৰিলো। দাৰ্জিলিঙৰ ৰাস্তা ছিকিমতকৈ যথেষ্ট ভাল আছিল। দাৰ্জিলিং খন আছিল একেবাৰে পাহাৰৰ ওপৰত। লাহে লাহে আমাৰ গাড়ী ওপৰলৈ উঠি যোৱাৰ দৰে অনুভৱ হ'ল। লাহে লাহে আন্ধাৰ হৈ অহাত দিনটোত কৰা দৌৰা দৌৰিৰ বাবে সকলোৱে ভাগৰ লগাত শুই পৰিলো। এনেতে সকলোৱে টোপনি ভংগ কৰি গাড়ীৰ ভিতৰতে এক ৰসাল পৰিৱেশৰ সৃষ্টি কৰে বিপ্লৱদাই। এনেদৰে আমি স্ফুৰ্তি কৰি কেতিয়ানো দাৰ্জিলিং পালোগৈ গমেই নাপালো। ৰাতি ৯ মান বজাত দাৰ্জিলিং পালোহি। দাৰ্জিলিঙত তেতিয়া যথেষ্ট ঠাণ্ডা অনুভৱ কৰিছিলো। দাৰ্জিলিঙৰ "Averest Glowry" নামেৰে হোষ্টেলত আমাৰ থকাৰ ব্যৱস্থা কৰা

হৈছিল। হোটেলত সোমাই আমি যেতিয়া ভৰি হাত ধুবৰ বাবে পানী চুইছিলো, তেতিয়া বৰফ সদৃশ ঠাণ্ডা পানীবোৰ লাগি আমাৰ হাত ভৰিবোৰ থৰ লাগি গৈছিল। দাৰ্জিলিঙৰ হোটেলত মই ভৰিবোৰ থৰ লাগি গৈছিল। দাৰ্জিলিঙৰ হোটেলত মই, পল্লৱী বা, কৰবী বা, বৰষা বা হঁতৰ লগত একেটা ৰুমতে আছিলো। আমি ছিকিমতকৈও দাৰ্জিলিঙত বেছি স্ফূৰ্তি কৰিছিলো। হোটেলৰ ৰুমত সোমাইয়ে ৰাতি বহুত দেৰিলৈকে টি.ভি. চাই আছিলো। ৩ তাৰিখে ৰাতিপুৱা আমি দাৰ্জিলিংত থকা "Japanis Temple" চাবলৈ গৈছিলো। এই Japanis Temple টোত ৩ টা সোণৰ বুদ্ধদেৱৰ মূৰ্ত্তি আছিল Templeটো চোৱাৰ পাছতে আমি দাৰ্জিলিঙৰ অতি ধুনীয়া "Rock



Garden" লৈ গৈছিলো। Rock Gardenত দুটা জলপ্ৰপাত আছিল। ইমান বৃহৎ জলপ্ৰপাত আগতে কেতিয়াও দেখা নাছিলো। ঘূৰি আহোঁতে আমি "St. Pol School"ত সোমাইছিলো। St. Pol School খন বিখ্যাত বলিউডৰ বাদশ্বাহ Shahrukh Khan অভিনীত "Main hoon Na" চিনেমাখনৰ বাবে। পিছদিনা আমি "Geological Park" লৈ গ'লো। Park পৰিদৰ্শন কৰি আমি "Tanjing Norway Museum" লৈ গ'লো। তাত টেনজিং নৰবেই এভাৰেষ্ট আৰোহন কৰাৰ সময়ত যি ব্যৱহাৰ কৰিছিল, যেনে তেওঁৰ জোতা মোৰ, জেকেটটো সকলো সংৰক্ষণ কৰি থোৱা আছে। Museumৰ পৰা উভতি আহি Museum লগতে থকা zoo খনলৈ গ'লো। Zoo খন বনৰীয়া পহু, বাঘ, পানডা, লাজুকী বান্দৰ দেখা পালো। পুনৰ দিনটোৰ অন্তত হোটেললৈ ঘূৰি আহিলো। আমি সেইদিনা ৰাতি সোনকালে শুলো। কিয়নো আমি পিছদিনা Sunrise চাবলৈ যোৱাৰ কথা। বতৰটো ভাল হৈ থকাত আমাক গাইড দাদাজনে পিচদিনা Sun rise দেখা পাম বুলি ক'লে। ৰাতি ২.৩০ বজাতেই উঠি আমি Sunrise চাবলৈ গ'লো। তেতিয়া বাহিৰত হাৰ কঁপোৱা ঠাণ্ডা। গাড়ীৰ ভিতৰত সকলো গ্লাচ বন্ধ কৰি কাপোৰেৰে ভালদৰে নিজকে মেৰিয়াই Sunrise চাবৰ বাবে গ'লো। নিৰ্দিষ্ট ঠাইত গাড়ী ৰ'লগৈ ঠিক ৩.৩০ মান বজাত। টিকটৰ কাৰণে তাত মানুহৰ ঠেলা হেঁচা দেখি আচৰিত হ'লো। Sun riseৰ নিৰ্দিষ্ট ঠাইডোখৰ পাবলৈ আমি ২ কিলোমিটাৰ মান খোজ কাঢ়ি পাহাৰলৈ উঠি যাব লগা হৈছিল। ঈশ্বৰৰ কৃপাত আমি ৪.৩০ মান বজাত Sun rise দেখা পালো। সূৰ্য্যৰ প্ৰথম কিৰণ কাঞ্চনজংঘাত পৰিছিল আৰু এই দৃশ্য দেখি মই উৎফুল্লিত হৈ পৰিছিলো। পুনৰ আমি নামি আহি গাড়ীত উঠিলোহি। সকলো ৰাতিতেই উঠাৰ বাবে পুনৰ গাড়ীত শুবলৈ ধৰিলে। ৰাস্তাতেই এডোখৰ ঠাইত আমাৰ গাড়ীখন ৰ'ল। গাড়ীৰ পৰা মই, স্বৰ্ণালী বা, ছাৰ আৰু শান্তনুদা নামি গ'লো। তাতেই আমি চাহ খালো। দূৰবীক্ষণ যন্ত্ৰৰ সহায়ত আমি কাঞ্চনজংঘা, চিকিম আদি ঠাইবোৰ চালো। সেইদিনা ৰাতিয়ে আমি বজাৰ কৰিলো। আৰু পিছদিনা পুৱাই ঘৰলৈ বুলি যাত্ৰা কৰিলো।

ঘূৰাৰ পৰত আমি নেপালৰ Pasupati Marketত নিজৰ প্ৰয়োজনীয় বজাৰ কৰিলো। নিউ জলপাইগুৰিৰ পৰা কাঞ্চনজংঘা এক্সপ্ৰেছত আমি গুৱাহাটীলৈ আহিলো। গুৱাহাটীৰ পৰা ভ্ৰমণ Intercityত ৭ তাৰিখৰ দিনা আবেলি ৩ বজাত শিৱসাগৰ পালোহি।

এই শিক্ষামূলক ভ্ৰমণটোৰ পৰা আমি বহুতো জ্ঞান অৰ্জন কৰিবলৈ সুযোগ পালো। এই ভ্ৰমণে বহু নজনা কথা শিকালে। চাবলৈ নোপোৱা বস্তু দেখুৱালে। সৰ্বশেষত মই প্ৰবাহিনীৰ জৰিয়তে আমাৰ শিক্ষাবিভাগৰ তৃতীয় বাৰ্ষিকৰ ছাত্ৰী স্বৰ্ণালী বাক ধন্যবাদ জ্ঞাপন কৰিছো। বাই সম্পূৰ্ণ ভ্ৰমণটোত আমাক বহুত বহুত care লৈছিল। বা আৰু মই সম্পূৰ্ণ ভ্ৰমণটোত সকলো ঠাই একেলগে পৰিদৰ্শন কৰিলো। এই ভ্ৰমণটি মনৰ দাপোনত চিৰদিন সজীৱ হৈ ৰ'ব।ঃঃঃ


নাট্য সাহিত্য
Scriptwriting
Daily Deviations
Contacts

# ধুমুহাৰ শেষত

**ৰাজশ্ৰী বড়া**
স্নাতক তৃতীয় ষান্মাষিক, অসমীয়া বিভাগ

**পাত্ৰৰ পৰিচয়**

দেৱযানী ঃ বয়সত ২৮ বছৰীয়া এগৰাকী বোৱাৰী।
ৰাজেন ঃ বয়সত ৪৮ বছৰীয়া। ওচৰ চুবুৰীয়া
লতা ঃ বয়সত ১৮ বছৰীয়া। দেৱযানীৰ একমাত্ৰ ননদ।
বলীন ঃ বয়সত ৩০ বছৰীয়া। দেৱযানীৰ স্বামী। পেছাত ব্যৱসায়ী।

**১ম দৃশ্য**

(এখন ডাঙৰ চোতাল, চোতালৰ মূৰত এটি ভঁৰাল। নঙলা মুখত দুফালে দুজোপা বকুল গছ। সন্ধিয়াৰ সময়। তুলসীৰ তলত চাকি জ্বলাই দেৱযানীয়ে প্ৰাৰ্থনা কৰি থাকোতেই ৰাজেন সোমাই আহে)

দেৱযানীঃ কিমতে ভকতি কৰিবো তোমাত হৰি এ
..........................................................
..........................................................

দিয়া মোক তোৰা পদ ছায়া তলে ঠাই ৰাম ৰাম।
হে প্ৰভূ কিমান আৰু আমাক আলি দোমোজাত ৰাখিবা। তোমাৰ পৰীক্ষাৰ অন্ত আৰু নপৰিবনে? দুখৰ তমসা ৰাতিৰ ওৰ পেলোৱা প্ৰভু।

ৰাজেন ঃ বোৱাৰী......... অ' বোৱাৰী।

দেৱযানীঃ দেউতা আপুনি! আহক, আহক। হঠাতে যে! (বহিবলৈ চকীখন দিয়ে)

ৰাজেন ঃ কি ক'বা হে, আমাৰ যে ৰীমা, এই লতাৰ লগত একেলগে বিহু নাচিছিলে, নাটক কৰিছিল, মনত পৰিছেনে?

দেৱযানীঃ কিয় নাথাকিব দেউতা, লতাৰ লগত সকলো ল'ৰা-ছোৱালীকে চিনি পাওঁ নহয় মই।

ৰাজেন ঃ অ' নাটক কৰি কৰি ৰীমাই আমাৰ অঞ্চলৰ দেউনা পাৰ হৈ একেবাৰে গুৱাহাটী পালেগৈ। তাতে দুই এজন পৰিচালকৰ লগত চিনাকিয়ো হ'ল। তেনেকৈ তাই নাটকৰ পৰা গৈ চিনেমা পালেগৈ বুজিছানে?

দেৱযানীঃ বৰ ভাল হৈছে। আমাৰ অঞ্চলৰ ছোৱালীয়ে গৈ যে এনে কৰিছে বৰ ভাল হৈছে। তাই অকল আপোনাৰ নামেই উজ্জ্বল কৰা নাই। আমাৰ গোটেই অঞ্চলৰে নাম উজ্জ্বলাইছে, দেউতা।

ৰাজেন ঃ সকলো ভগৱানৰ কৃপা বুজিছা। (তেনেতে লতাই চাহ লৈ আহে ৰাজেনলৈ)

লতা ঃ বৰদেউতা চাহ খাব

ৰাজেন ঃ অ' লতাই দেখোন চাহেই আনিলি। বনাব পাৰিলি জানো?

লতা ঃ আজিকালি বনাই বনাই অভ্যাস হৈ গ'ল বৰদেউতা।

দেৱযানীঃ চাহ খাই লওঁক দেউতা, ঠাণ্ডাই হ'ব। (লতা সোমাই যায়, ৰাজেন চাহ খাই উঠি কয়)

ৰাজেন ঃ বোৱাৰী, কথা পাতি নাথাকো বুজিছা বটাটো আনা।

দেৱযানীঃ পিছে দেউতা, কিহবাৰ নিমন্ত্ৰণ দিবলৈ আহিছে।

ৰাজেন ঃ অ' দেখিছা, কথা পাতোতে পাতোতে আচল কথাটোকে কোৱা হোৱাগৈ নাই। আমাৰ ৰীমাৰ বিয়া। পৰিচালক অজয় দত্তৰ লগত। বিয়া ব'হাগৰ ১০ তাৰিখে। যাবলৈ নাপাহৰিবা কিন্তু..................

দেৱযানীঃ কিয় নাযাম দেউতা, যাম যাম। (ৰাজেন যাবলৈ ওলাই ভিতৰলৈ চাই লতাক মাত লগায়)

ৰাজেন ঃ লতা, মই আহিলো অ'। নবৌয়েৰাৰ লগত আমাৰ ঘৰলৈ বিয়াৰ আগতে পাক এটা মাৰিবি। (লতাই চাহৰ বাতিটো নিবলৈ আহে)

দেৱযানীঃ লতা, কালিলৈ ৰীমাহঁতৰ ঘৰৰ পৰাই আহিম ওলাবা।

লতা ঃ বৌ, ময়ো নাচিছিলো, নাটক কৰিছিলো। কিন্তু সময়ে........

দেৱযানীঃ সময়! তুমি ভাগি পৰিছা লতা, সময়ে একো কৰা নাই।

লতা ঃ বৌ, মই উৰিবলৈ সাজো হওঁতেই পাখি ভাগি গ'ল।

দেৱযানীঃ লতা, চোৱা...... যি হ'ল হৈ গ'ল। সেইবোৰ বাদ দিয়া। এতিয়া কেৱল আগলৈ চোৱা আৰু আগবাঢ়ি যোৱা।

লতা ঃ এতিয়াও তুমি মোক তেনেকৈ কৈছা বৌ।

দেৱযানীঃ তেনেকৈ নকম কিয়? অ' পাহৰিছিলোৱে তোমাক ক'বলৈ, কালিলৈ আমাৰ উদয়ন যুৱ সংঘই গাঁৱৰ সকলোকে নামঘৰলৈ মাতিছে বিহুৰ হুঁচৰিৰ বাবে। আৰু মই ভাবো আমাৰ গাঁৱৰ হুঁচৰিয়ে নাম কৰক বাহিৰত। তুমি কি ভাবা?

লতা ঃ ময়ো তাকে ভাবো। কিন্তু বৌ...........

দেৱযানীঃ কোনো কিন্তু নাই, কালিলৈ আবেলি আখৰা কৰিবাগৈ নামঘৰত। মই আজিয়েই তোমালৈ কাপোৰ এযোৰ উলিয়াই থম।

লতা ঃ .................

দেৱযানীঃ এতিয়া একো ভবা চিন্তা কৰিব নালাগে, ব'লা ৰাতিলৈ ভাত বনাওঁ গৈ।

অতিকৈ চেনেহৰ মূগাৰে মহুৰা
তাতোতকৈ চেনেহৰ মাকো,

(দেৱযানীয়ে গান গায় গায় লতা ভিতৰলৈ সোমাই যায়)

## ২য় দৃশ্য

(এটা কোঠা, য'ত এখন বিচনা আৰু এযোৰ কাঠৰ চোফা থাকিব। চোফাত বলীনে বহি ফাইল এটা পঢ়ি থাকিব। তেনেতে দেৱযানীয়ে চাহ একাপ লৈ আহিব।)

দেৱযানীঃ কিমাননো আৰু ফাইলবোৰৰ মাজত সোমাই থাকা। কেতিয়াবা ঘৰলৈয়ো সময় উলিয়াবাচোন।

বলীন ঃ বৰ চিঞৰ বাখৰখন কৰি থাকাহে তোমালোকে। হিচাপটোকে খেলি মেলি কৰি দিলা।

দেৱযানীঃ তোমাৰ হিচাপ পিছপৰে ঠিক হ'ব। আগতে চাহ কাপ খায় লোৱা।

বলীন ঃ দিয়া দিয়া, তোমাৰ হাতৰ চাহকাপ খালে মনতো এনেয়ে ভাল লাগে।

দেৱযানীঃ হ'ব হ'ব থোৱা, তেল মাৰিব নালাগে। (লতাই মেখেলা চাদৰ পিন্ধি সোমাই আহে ভিতৰৰ পৰা)

লতা ঃ বৌ, মই যাওঁ।

বলীন ঃ ক'লৈ যাব' ইমান সাজি কাচি?

লতা ঃ নামঘৰলৈ।

বলীন ঃ কিয়?

লতা ঃ হুঁচৰি আখৰা কৰিবলৈ।

দেৱযানীঃ হ'ব আৰু তুমি থোৱা এই পুলিচৰ জেৰা। লতা, তুমি যোৱা। ভালকৈ নাচিবা কিন্তু। (লতা নামঘৰলৈ যায়।)

বলীন ঃ দেৱ, লতাক কিয় পঠালা নামঘৰলৈ?

দেৱযানীঃ কিয়? লগৰ ছোৱালীবোৰো দেখোন গৈছে।

বলীন ঃ লতা এইবোৰ ছোৱালীৰ সৈতে নিমিলে।

দেৱযানীঃ কিয় নিমিলে? তাইৰো হাত দুখন, ভৰি দুটা, চকু দুটা।

বলীন ঃ কিন্তু তাইৰ কথা তুমি ভালকৈয়ে জানা। তাই যদি নামঘৰৰ মানুহৰ পৰা কথা শুনে তেতিয়া কি হ'ব? তাই

দুখ পালে মোৰ সহ্য নহয়। তাই চকুলো ওলালে দায়ী তুমি হ'বা দেৰ।

দেৱযানীঃ কিমান আৰু তাইক ঘৰৰ ভিতৰতে সোমোৱাই ৰাখিবা? কিমান নিজকে ধৰ্ষিতা বুলি প্ৰমাণ দিব তাই। এবাৰলৈ ভাবি চাইছানে তাইৰ মনৰ অৱস্থা কেনেকুৱা? এনেকৈয়ে ভিতৰত সোমাই থকাতো ভাল কথা নহয় বলীন। ঈশ্বৰে নকৰক কিবা যদি অথন্তৰ হৈ যায় তেতিয়া তুমি কি কৰিবা? আৰু শুনা বলীন, লতাৰ চকুৰ পানী দেখিলে মোৰো কলিজা ফাটে। বিয়াৰ পিছৰে পৰা লতাক ননদ দৰে নহয়, নিজৰ সন্তান বুলিয়ে ভাবি আহিছো। আমাৰ সংসাৰৰ তৃতীয় জন ব্যক্তি মোৰ গৰ্ভৰ নহ'ল কিয় আমাৰ তেজৰেতো হয়।

বলীন ঃ মই বুজি পাওঁ লতা তোমাৰ কি? কিন্তু চোৱা কথাটো বৰ ভাল নাই অ' দেৱ।

দেৱযানীঃ আকৌ তুমি একেটা কথাতে লাগি আছা। গাঁৱৰ মানুহ তাইৰ লগত আছে। দেখা নাছিলানে, তাইৰ বিপদৰ সময়ত কেনেকৈ মানুহবোৰ আগবাঢ়ি আহিছিল তাইৰ ন্যায়ৰ বাবে।

বলীন ঃ ন্যায় পালে জানো তাই? তুমি যিবোৰ মানুহ তাইৰ লগত আছে বুলি কৈছা সেইবোৰ মানুহেই তাইৰ পিঠিৰ পিছপিনে বৈ তাইক হাঁহে। আৰু এই সত্য জানিলে স্বীকাৰ কৰিব পাৰিব? সামৰ্থ্য আছে তাইৰ মানুহৰ এই দুমুখীয়া ৰূপৰ সন্মুখীন হ'বৰ?

দেৱযানীঃ তথাপিও এনেকৈয়ে থাকিলেইতো নহ'ব। আগবাঢ়ি গ'লেহে সময়ৰ লগত নিজকে খাপ খুৱাব পাৰিব। লতাক সাহস দিব লাগিব আমি। গোটেই জীৱনটো এনেকৈয়ে লোকৰ ভুলৰ কাৰণে তাই নিজকে নিঃশেষ কৰিব নোৱাৰে নহয়। মই ভাবিছো এইবাৰ তাইক কলেজতো নামভৰ্ত্তি কৰাই দিম। পঢ়ি শুনি তাই নিজৰ ভৰিত নিজে থিয় দিলে কোনেও হাঁহিব নোৱাৰে তাইৰ পিঠিৰ পিছপিনে। তাই নিজকে কামৰ মাজেদি ব্যস্ত ৰাখিব পাৰিব।

বলীন ঃ যি ভাল দেখা কৰা। কিন্তু যিকোনো কাম কৰাৰ আগতে এবাৰ ভালকৈ ভাবি চাবা। (বলীন সোমাই যায়, বলীন যোৱালৈ দেৱযানীয়ে চাই থাকে আৰু আঁৰ কাপোৰ পৰে।)

### ৩য় দৃশ্য

(এখন মুকলি ঠাই, তাতে ল'ৰা-ছোৱালীবোৰে বিহুৰ আখৰা কৰি থাকিব, কিছুমানে জুম বান্ধি কথা পাতিব, দুটামানে পেপাঁটো ঠিক আছে নাই চাব। মঞ্চৰ পৰা — ঢোলৰ চাপৰ আৰু ছোৱালীবোৰৰ হাঁহিৰ খিলখিলনি আদি ভাঁহি আহিব।)

### ৪ৰ্থ দৃশ্য

(এটা শুৱনি কোঠা, পোহৰ কম, বিচনা এখন টেবুল এখন আৰু আলনা, এখন কাঠৰ চকী থাকিব। টেবুলৰ ওপৰত কিতাপ, পানী বটল এটাৰ লগতে লেম্প এটা - থাকিব। লতা বিচনাখনতে শুই থাকিব। তেনেতে দেৱযানী সোমাই আহিব।)

দেৱযানীঃ লতা কি হ'ল? ইমান সন্ধিয়াতে শুলা যে মোক ভাত ৰন্ধাতো সহায় কৰাগৈ নাই। কি হ'ল, গা বেয়া নেকি?

লতা ঃ এনেয়ে শুই আছো। ভাগৰ লাগিছে।

দেৱযানীঃ এদিনতে ভাগৰ লাগিলে কেনেকৈ হ'ব? কোৱা আকৌ কি কি হ'ল আখৰাত।

লতা ঃ বিশেষ একো নাই। আজি ভালকৈ নহ'ল। কাইলৈৰ পৰা হ'ব আখৰা।

দেৱযানীঃ অ' হয় নেকি?

লতা ঃ বৌ, মোৰ তালৈ গৈ বৰ ভাল লগা নাই। নিজকে বৰ সৰু সৰু যেন লাগে। মানুহে কথাবোৰ যেনেকৈ সোধে, মোলৈ যেন - তেনেকুৱা অনুভৱ হয় বৌ।

দেৱযানীঃ কোনেও তোমাক - নাভাবে। সকলোৱে তোমাক ভাল পাই, মৰম কৰে। লোকৰ মৰমক পুতৌ বুলি কোৱাতো উচিত।

লতা ঃ কিয় জানা মোৰ মানুহ - লগ পালে চিঞৰি চিঞৰি কান্দিবলৈ মন যায়। সঁচাকৈয়ে লতাৰ কোনো নিজস্বতা নাই। ই -

দেৱযানীঃ তুমি এইবোৰ কি কৈ - মানুহৰ জীৱনৰ বাটতো এনেকুৱাই, ওখোৱা মোখোৱা। প্ৰত্যেকেই জীৱনৰ সংগ্ৰাম কৰি এই বাটেদি আগুৱাই গৈছে। তুমিও যাব লাগিব মইও যাব লাগিব। ইয়াৰ কোনো ব্যতিক্ৰম নহয়। কেৱল মাত্ৰ সাহসৰ প্ৰয়োজন। আৰু মই ভাবো তোমাৰ এই সাহস আছে।

সাহসেৰে আগুৱাই গ'লে জীৱনৰ সকলো - পিছপৰি যাব। (দেৱযানীয়ে লেম্পৰ পোহৰ বঢ়াই দিয়ে। মঞ্চখন উজ্জ্বল হৈ পৰে।)

লতা ঃ কিন্তু মই যে অক্ষম।

দেৱযানীঃ অক্ষম? কিহৰ অক্ষম? অক্ষম নহয় দুৰ্বল হৈ পৰিছা তুমি। কাৰোবাৰ অনিয়ন্ত্ৰিত মানসিকতাৰ বাবে তুমি নিজৰ মানসিকতাৰ নিয়ন্ত্ৰণ কিয় হেৰুৱাইছা। তুমি তোমাৰ মনটোক স্থিৰ কৰি নতুন উদ্দমেৰে আগুৱাই যোৱা, দেখুৱাই দিয়া নাৰী অবলা নহয়।

লতা ঃ এইটো মোৰ বাবে সহজ নহয় বৌ।

দেৱযানীঃ এইয়া কাৰোবাবেই সহজ নহয়। ইয়াক সহজ কৰি তুলিব লাগিব কাৰণ আমি জীয়াই থাকিব লাগিব। আমাৰ নাৰী সত্ত্বাৰ মাজতেই সমাজৰ নতুন বীজ অংকুৰিত হ'ব। মই ভাবো আমি নাৰীবোৰ সবল হ'লেহে আমাৰ সমাজৰ উত্তৰ - সবল হ'ব আৰু তেতিয়াই সমাজৰ পৰা কু-ব্যাধিবোৰ আঁতৰি যাব। এবাৰ চেষ্টা কৰাচোন জীৱনটোক ভাল পাবলৈ, জীয়াই থাকিবলৈ।

লতা ঃ বৌ তোমাৰ কথাৰ মাজত নিজকে এবাৰ ঘূৰাই পোৱা যেন লাগিছে।

দেৱযানীঃ লতা, জীৱনলৈ এনেকৈয়ে বহুতো ধুমুহা আহিব আৰু গুচি যাব। কিন্তু ধুমুহাৰ শেষত পশ্চিম আকাশখন চাবাচোন কিমান হেঙুলীয়া হৈ পৰে......................।

(আঁৰ কাপোৰ পৰে)

সমাপ্ত

# মহৎলোকৰ বাণী

তুমি তোমাৰ লক্ষ্যত উপনীত হ'বলৈ হৃদয়ক সাহসী কৰি তোলা, তেতিয়া তুমি দেখিবা কেতিয়াও অকৃতকাৰ্য নোহোৱা।

— *শ্বেক্সপীয়েৰ।*

সৃষ্টিৰ আটাইতকৈ সুন্দৰ বস্তুটো হ'ল ফুল। কিন্তু তাৰো শিপাডাল থাকে মাটি আৰু গোবৰত।

— *ডি, এইচ, লৰেন্স।*

তুমি যিটো কাম কৰিব পাৰিম বুলি স্বপ্ন দেখা সেই কামটো আৰম্ভ কৰি দিয়া। সাহসৰ মাজতেই নিহিত হৈ থাকে প্ৰতিভা, শক্তি আৰু যাদু।

— *গ্যেটে।*

**মঞ্জুশ্ৰী দত্ত**
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

# English Section



# The Role of College Teacher in Promoting Academic Environment

**Kritanjali Konwar**
Assistant Professor, English Department

**Introduction:**

A college is the institutional set-up meant for the threefold actions of teaching, learning and research'. Not only students but also teachers as well as other members of the college family play important roles in creating healthy academic environment. Any higher educational institute is like a laboratory for the teacher who plans and practices on different points, especially on teaching methodology. An efficient teacher has to develop techniques and to practice them repeatedly for all-round development of the students. Teachers while teaching try to know the difficulties of students and in course of further time try to remove them.

A college teacher has to diagnose the problems of the students first and later he/she should try to give remedies. Mere the role of the teacher becomes like a doctor who does his best for the fast recover of his patients. The teacher applies innovative methods of teaching in classroom situation. Interaction between teacher and student which is the main objective of the democratic pattern of teaching during recent time. It is said that teaching is such a process where students and teachers play equal role. In this process the achievement levels of the students is also taken into consideration. During teaching in class several methods of teaching are employed such as— explanation, demonstration, illustration, synthesis, deductive and inductive reasoning, project method, problem solving, storytelling etc. Such methods help the students to face the challenges in life. The continuous phase of teaching, learning and evaluation are interrelated in the setup of teaching-learning process. Along with it the teacher has to generate healthy practices within institutional network and many out of the institution.

The development of Indian higher education since independence has in many respects, been impressive. UGC played a great role in higher education by assistance and grants for development of colleges, universities and institutions. Despite the criticism of the over expansion of higher education the provision of post-secondary education to more than five million students and the expansion of post-secondary education from the cities to a much wider geographical area in developing society is a commendable achievement and one which has considerable societal support over the years.

But though India can be proud of having developed system of higher education which is capable of the human resource needs of our country in all disciplines, yet the most prominent issue in higher education, for all of us is its quality and standard as well as its relevancy. If we glance at the recent trend of higher education in most of the institutions of our country the following problems can be observed—

- We are producing a large number of educated unemployed youths who are unemployed too as we

have certain jobs for which suitable candidates are not available.

- The steady decline in the attendance in the classes which in turn indicate the indirect rejection of the system.
- The mushroom growth of coaching class which can be regarded as the parallel system of education outside our original system.
- These institutions are producing a large number of unruly youths who are suffering from moral degradation. They involve themselves in different anti social activities like -drug addiction, sex scandal, ragging, rape, murder, kidnapping etc.,

These four indicators clearly showed that the members of the system of higher educational organizations actually could not do their best to produce suitable products to meet the developmental needs of our country. So, now during twenty first century teaching in higher education level is becoming a challenging job having lot of responsibilities on one's shoulder.

The teacher can play a vital role in creating a healthy academic environment to curb such problems in higher education. But while doing so his psycho-physical condition and moral ethics will get prime importance. The ethical demands on the academic profession have always been very high, This is rightly so because the society has entrusted its most precious resources, the youths, to this profession for imparting a higher level of intellectual training in specialized areas of knowledge and for developing the social and moral personality of its future citizens. This important task demands a higher level of ethical commitment and conduct from academics in their professional, personal and social conduct. This is why teaching has been called a noble profession.

A man in the teaching profession has to face a multi-phased personality. The challenge of the teachers are manifold. He has to broaden his outlook at a galloping speed. His literacy not merely an acquaintance with letters, but with inventions in every field, with industrial power, with medical science, with mass media and with highly developed scientific knowledge. Men and women who are in the teaching profession or are wanting to join in the teaching field need to do in depth searching in respect of—

Ø Their aspirations;

Ø Capabilities to meet new economic, political and intellectual situations both national and international;

Ø "The background that might have been a constant battle against deprivation of all kinds

Ø Their confidence and an iron will to usher in a change for the better.

**ROLE OF COLLEGE TEACHER;**

The role of college teacher can be broadly differentiated into five separate types in terms of their professional behavior—

- Teaching
- Research and Counseling
- Administration
- Management

**Teaching:**

The quality of learning depends on the quality of teaching which in turn depends on the quality of teachers. The teacher is the only one who can associate himself closely with the students, he can know their aims, ambitions and psychology of learning. He can create academic ambitions in his students and provide strong motive for the same. Education is becoming a man-machine system. For effective classroom orientation the college teacher can use leaching aids like -projector, computer, television, tape-recorder etc. Effective classroom interactions will attract the demotivated students towards the main stream of the educational process.

A college teacher can teach the students to learn for themselves since the students will also be learning throughout their lives. For such reasons now-a-days, the teaching of the effective use of library and laboratory has assumed greater importance. The seminar, problem

solving and project methods are also fruitful for effective teaching learning environment. The main principle of true teaching in college level is that nothing can be taught.. The college teacher is not an instructor or a task -master, he is a helper and a guide. His business is to suggest and to improve. He shows his students how to perfect the instrument of knowledge and helps and encourages the students in this process.

Along with teaching and learning, evaluation is also a major component of an effective education system. Generally a teacher in the college level attempts to evaluate the students through examination. Generally examination can have the following objectives :

(a) To evaluate the performance of students and to form judgment about their academic achievements.

(b) To inform the student about their progress so that they may adjust their teaching programmes accordingly.

(c) To inform the teachers the progress of students so that they can adjust their teaching programmes.

(d) To provide the motivation for continuous improvement of teaching by the teachers.

(e) To provide motivation for hard and continuous work by the students.

(0 To provide useful and reliable information to prospective employers about the potentialities of the candidates as revealed by the examinations.

But the fruitful disposal of all the objectives of teaching, learning and evaluation can only be possible through activities of the teacher. Thus a teacher plays vital role in the teaching-learning condition in the college level, thereby helping to promote a healthy academic environment.

**Research:**

The second role of a college teacher is that of a researcher. In the role of a researcher the teacher gives priority in his professional actions to manuscript writing and research, reading papers at national meetings, attending workshops and using secretarial help for research purposes. In order to curb out the problems arising at higher education level and to modify and solve such problems systematic research should be carried out by those people engaged in teaching. Quality teaching can only be possible through up to date knowledge of the teacher for which involvement with research oriented activities is very much essential. UGC is also encouraging the lectures by providing funds under FIP,MRP etc. to promote research activities. Such activities provide a positive atmosphere in the academic institution.

**Counseling:**

Student counseling is great responsibility of the college teacher. A teacher can help In confidence building, personality development, career selection etc. by his effective counseling. Being a friend, philosopher and guide to his students a college teacher can advice the demotivated youths to return to their normal lives. Likewise he can show proper guidelines to the youths for selection of careers as well as in future strategy planning.

**Management:**

Every teacher has to deal with the groups in a classroom situation like the manager who deal with different groups in any industrial setup. But managing students are totally different from each other hut even so teacher must he competent to manage the students in the classroom as well as in outside situation. Educational organizations have to operate within the framework of objectives given *by* Central or State government which is totally different from the industrial organization but even so, every teacher has a powerful role to play in educational organization.

Every teacher as a member of a college level institution has to organize and manipulate [lie resources which are essential in carrying out the functions of educational organization. Though there are different types of

resources available for the organization of any academic programme in higher education level, but the main resources which are considered for the purpose in modern era are as follows-

1. Human
2. Physical facilities
3. Monetary facilities
4. Time
5. Environment

Obviously there is also the environmental condition outside the classroom upon which the teacher has actually no control. The role of a teacher as an educational organizer has to manipulate, mobilize and utilize the above mentioned resources in such a way so that, suitable products can be brought out at the end of any educational process.

**Administration:**

Last but not the least, role of the college teacher is that of an administrator. Administration involves in lot of activities like -working in committees, office management, clerical tasks and dealing with departmental policies. A college teacher can provide useful advices to the administrative body in solving different academic and environmental problems.

**Conclusion:**

A teacher is the primary factor in the smooth functioning of a college. An efficient teacher can lead, motivate and guide the students in a proper way. He can enhance the quality of teaching through his research based innovative techniques. Likewise he can even help in the smooth functioning of the administrative activities. A college teacher can play vital role in promoting academic environment by successfully accomplishing the multiple tasks and responsibilities bestowed upon him.❑

**REFERENCES:**

1. Chitnis.Stima ***A study of Teachers Role in College System.*** PhD Thesis, Tata Institute of Social Science.Bombay. I ;-)73.

2. Mishra. Sharda. UGC *and Higher Education System in India.Book* Enclave. New Delhi.2006,Ist Edition.

3. Kapur.J.N. ***Current Issues in Higher Education in India.*** Chads and Company, New Delhi. 1977.Ist Edition.

4. ***Journal of Education***. Dept. of education . Gauhati University(1996).

# Global food Security and role of women

**Dr. Rajashree Phukon**
Asst. Prof., Dept. of Home Science

Food security depends not only on production but also on policies and institutions that translate production into food availability, access and utilization by the population.

Women are the principal food producers and preparers for the family. They play a key role in food and nutrition security at family level. Women constitute nearly half of the human resource in the country of which 77% belong to rural areas with agriculture as the minor occupation. In fact, there is hardly any activity in which women are not actively involved.

Agriculture in developing countries heavily depend on manual labour and the major contribution is from women. Mostly in rice cultivation, there is heavy dependence on women. Women have been putting in more labour not only in terms of physical output but also in terms of quality and efficiency. Women can play a significant role in improving the production efficiency and profitability. Hence special efforts should be made to recognize the role and potential of women in food security.

An e- database is an organized collection of information, of a particular subject or multidisciplinary subject areas. The information of an e- database can be searched and retrieved electronically. Contents of e- database include journal articles, newspaper, articles, book reviews and conference proceedings, etc. It usually updated on a daily, weekly, monthly or quarterly basis. Types of e-databases may be full-text or bibliographic. Full- text databases contain the whole of an article such as citation information, text, illustrations, diagrams and tables. Bibliographic databases only contain citation information of an article, such as author name, journal title, publication date and page numbers.

***CD- ROM***

CD-ROM is Non volatile optical data storage medium using the same physical format as audio compact discs, readable by a computer with a CD-ROM drive.

**Application of e-resources in Academic libraries**

The electronic resources that are available in libraries are and outcome of the advances in both computer technologies, including information storage and delivery mechanism, and Software providing user friendly interfaces. In most of the libraries. Online Public Access Catalogues (OPAC) have almost replaced card catalogues, offering enhanced search capabilities for accessing the collection of library. Many libraries also provide a web interface to their library and information system, often including direct links of electronic journals, books and internet resources (Cholin, 2005).

**Role of UGC on promoting of e-resources in Academic libraries**

The University Grant Commission has contributed substantially towards facilitating access to scholars and faculty members of college and universities of India by introducing the N-List and UGC-INFONET project. These projects envisage bringing about the qualitative change in the infrastructure of Indian college and Universities. The research communities of these college and universities can now have timely and easy access to journals and other electronic resources.

**N-LIST**

The Project entitled "National Library and Information Services Infrastructure for Scholarly Content (N-LIST)", being jointly executed by the UGC-

INFONET Digital library Consortium. The N-LIST project provides access to e-resources to students, researchers and faculty from colleges and other beneficiary institutions through server(S) installed at the INFLBNET Centre. The authorized users from colleges can now access e-resources and download articles required by them directly from the publisher's website once they are duly authenticated as authorized users through servers deployed at the INFLIBNET Centre. for authorijation the colleges must have registered under the N-LIST programme.

**E-resources available through N-LIST**

The Consortium subscribes to the following resources for the colleges. All electronic resources subscribed under N-LIST Programme are available from the publisher's web site.

**E-Journals (fulltext)**

American Institute of Physics (18 titles)
http://journals. aip. org/
American Physical Society (10 titles)
http://publish. aps. org/ browse. html
Annual Reviews (33 titles)
http://arjournals. annualreviews. org/
Cambridge University press (224 titles)
http://journals.cambridge.org/
Economic and Political Weekly (EPW) (1titles)
http://WWW.epw.in/
Indian journals (150 titles)
http://www.indianjournals.com/
Institute of Physics (46 titles)
http://www.iop. org/ EJ/
Oxford University Press (206titles)
http://www.oxfordjournals. org
Royal Society of Chemistry (29 titles)
http://www. rsc.org/ Publishing/ Journals/
H.W.Wilson (1420 titles) http: // vnweb.hwwilsonweb.com/ hww/ jumpstart.jhtml

**E-Books**

Cambridge books online (1000+titles)
http://ebooks.cambridge.org
E-brary (70000+titles)
http://site.ebrary.com/lib/ inflibnet
EBSCoHost-Net Library (936 titles)
http://www. netlibrary. com/
Hindustan Book Agency (65+ titles)
http://hindustan.igpublish.com
Institute of South East Asian Studies (ISEAS) books (382+titles)

http://iseas.igpublish.com
Oxford Scholarship (902 titles)
http://www.oxfordscholarship.com.
Springer ebooks (1500+titles)
http://www.springerlink.com.
Taylor Francis ebooks (1000+ titles)
http://inflibnet.etailer.dpsl.net.

Myilibrary-MeGraw Hill(1124 titles)
http://lib.myilibrary.com/

**Bibliographic Database**

MathSciNet
http://www.ams.org/mathscinet/
E-Resources for UniversitiesWeb of Science
http://isisknowledge.com

**E-Resources for Technical Institutions (IITs, IISc, IISERs and NITs)**

Annual Reviews
http://arjournals.annualreviews.org/
Project Muse
http://muse.jhu.edu/
Nature
http://www.nature.com/

**Current Status :** As on Mar 19 2012, a total number of 2373 colleges have registered themselves with the N-LIST programme including 2171 Govt.-aided colleges covered under the section 12 B/2F of UGC Act as well as Non-Aided colleges. Log-

in ID and password for accessing e-resources has been sent to the authorized users from these 2171 colleges. All e-resources subscribed for colleges under the N-LIST Project are now accessible to these 2171 colleges through the N-LIST website (http://nlist.inflibnet.ac.in)

**UGC-INFONET**

University Grants Commission has launched an ambitious programme to bring about a qualitative change

in the academic infrastructure, especially for higher education. Under this initiative UGC is modernizing the university campuses with state-of-the-art campus wide networks and setting up its own nation wide communication network named UGC-Infonet. INLFIBNET is responsible for execution and monitoring the entire project w.e.f Jan, 2003

UGC-Infonet will become a vehicle for distance learning to facilitate spread of quality education all over the country. It will be a tool distributes education material and journals to the remotest of areas. UGC-Infonet will be a resource for researchers and scholars for tapping the most up-to-date information and will form a medium for collaboration among teachers and students, not only within the country but all over the world.

Universities covered under 12B Act of the UGC that are already benefiting from the scheme need not apply. Their connectivity and Internet bandwidth is renewed annually by the INFLIBNET Centre through funding from the UGC automatically. However, they are requested to report the status of their connectivity and issues, Ifany, to the INFLIBNET Centre on regular intervals. Universities are also requested to produce bandwidth utilization certificate on quarterly basis.

New universities covered under the 12B Act of the UGC, desirous of joining the UGC-INFONET Connectivity Programme, may apply in prescribed Application Form with formal covering note addressed to the Director, INFLIBNET with a copy of the letter from the UGC regarding its 12B status. On receipt of application, 4 copies of MoU are sent to the University for its Signature.

**E-Resources available at UGC-Infonet Digital Library Consortium**

The UGC-Infonet Digital Library Consortium subscribes to the following resources for its mamber institutions. All electronic resources subscribed are available from the publisher's Web site. Following is the list of E-Resources with link to their brief introduction.

**e-journals-Subject Wise**

**Full-Text E-Resources**

American Chemical Society
http://www.pubs.acs.org/
American Institute of Physics
http://journals.aip.org/
American Physical Society
http:// publish. aps. org/browse.php
Annual Reviews
http://arjournals.annualreviews.org/
Wiley-Blackwell Publishing
http://www3.interscience.wiley.com/
Cambridge University Press
http://journals.cambridge.org/
Elsever Science
http://www.sciencedirect.com/
Emerald
http://www.emeraldinsight.com
Economic & Political Weekly (EPW)
http://www.epw.in
Hein Online
http://home.heinonline.org/
Institute of Physics
http://www.iop.org/ EJ/

J-STOR
http://www.jstor.org/
Manupatra
http://www.manupatra.com/
Nature
http://www.nature.com/nature/
Oxford University Press
http://www.oxfordjournals.org
Portland Press
http://www.portlandpress.com/pp/journals/default.htm
Project Euclid
http://projecteuclid.org/
Royal Society of Chemistry
http://www.rsc.org/Publishing/ Journals/
SIAM
http://epubs.siam.org/
Springer Link
http://www.springerlink.com/
Taulor and Francis
http://www.informaworld.com/
Westlaw India
http://www.westlawindia.com/

**Bibliographic Databases**

SciFinder Scholar
http://www.cas.org/SCIFINDER/SCHOLAR/index.html
MathSciNet
http://www.ams.org/mathscinet/
Royal Society of Chemistry (6 databases)
http://wwwrsc.org/Publishing/CurrentAwareness/index.asp
ISID
http://isid.org.in/
JCCC
http://jccc-ugcinfonet.in or www.jccc-ugcinfonet.in

**Open Acccess Resourses**

About Open Access
oaeresources. php
Open Access E-Journals
oaeresources. php#ejournals
Open Access Directories
oaeresources. php#directories
IRs @member Institutions
oaeresources. php#IRs

**Conclusion**

The emergence of electronic information and communication environment has provided the academic communities of the University and colleges with wide opportunities to satisfy their information needs. We understand that the libraries of Universities and Colleges are switching over to electronic sources at an accellerated pace. Printed sources are supplemented by Electronic Datase, E-Journals and variety of other media. To enhance the use of e-resources more awareness programmers should be organized to acquaint about the facilities and benefits obtainable from electronic format as compared to print. A well defined and proper infrastructure remains to be an encouraging factor for the use of E-Resources.❑

**Reference**


1. http:/www.inflibnet.ac.in
2. Bhatt J and Joshi N, Impact of UGC infonet Digital Library consortium to academic community: A case study of the maharaja Sayajirao University of Baroda, proceedings of 7 International CALIBER 2009. February 25-27, 2009.
3. Raza M and Upadhyay A.K, Usage of E-Journals by researchers in Aligarh Muslim University: A Study, The international Information Library revieu (38) 2006, 170-179.
4. Rasul G and Sahu A K, Use of IT and Its Impact on Service Quality in an Academic Library, Library Philosophy and Practice 2011.
5. Vishala B.K and Bhandi M.K, Avilability of Library and Information Science electronic Journals through UGC Infonet Project, Annals of Library and Information studies: vol 53, June 2006, pp, 65-69
6. http:// unllib.unl.edu/ LPP/

## Someone Broke Your Heart

**Kabita Borah**
T.D.C. 3rd Semester,
English Department

And you shan't love anymore
So you turn men down and reject
All who approach you on the subject
Saying you know all men are liars
Seeking merely to satisfy their desires
But you not only break more hearts in the end
You also deny heart a chance to mend
I am, myself, already so in love with you
But since you say No, my heart is broken too
Because you won't accept me and I wonder why
And when I ask I get the same reply
'Someone broke your heart before
And you shan't love anymore.'
You wouldn't tell, would you?
A love that isn't and that that's trus?

## My Funny Dream

**Shweta Sur**
T.D.C. 3rd Semester,
English Department

Once I was
Rooming in a car.
Going to some pace.
Some where really very far.
I reached a place
Which was called 'No Sun',
I called on the people there
And asked them,
'Where is the Sun?'
They said it had been stolen,
And taken far away,
To a place called 'Earth',
And the 'Earthians' are having their say
I felt sorry for them.
But, I knew we had not done it at all.............
So, I asked them to cool down,
But, they started beating me,
Upside down.
Suddenly when I woke up,
I started laughing,
On my very funny dream,
Believe it or not.

# Definition of My Pride

**Mr. Ranjit Ranjan Tamuli**
(Asstt. Professor), Deptt. of Assamese
Sibsagar Girls' College

Literature : What is this?
I quest my Pried
He talks to me straight
That what I compose
In word is Literature

Music : What is this?
I quest my Pride
He talks me straight
That what I compose
In verse and Melody
Is Music.

Fine Arts : What is this?
I quest my pride
He talks to me straight
That what I compose
That what I build
That what I sing
That what I draw
From celestial beauty and nature
From heart to the world's pleasure
It is the fine arts.

Then : I quest my Pride
What is Your definition
He Keeps straight to my eyes

Me : I am you
You are the Pride.



# সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

মোৰ এবছৰীয়া সাধাৰণ সম্পাদিকাৰ কাৰ্যকালৰ চমু বিৱৰণী দাঙি ধৰাৰ আগেয়ে দেশ আৰু জাতিৰ হকে জীৱনৰ বহুমূলীয়া সময় ত্যাগ কৰি যিসকলে প্ৰাণাহুতি দিলে সেই পূণ্যাত্মা সকললৈ অশ্ৰু অঞ্জলি যাচিছো। আৰু যিসকল মহান ব্যক্তিয়ে অহৰহ ভাৱে জাতীয় জীৱন সংবৰ্দ্ধনৰ অৰ্থে নিৰলস প্ৰচেষ্টা চলাই আছে সেই সকললৈ শত সহস্ৰ প্ৰণাম যাচিছো।

আন দহজনী ছোৱালীৰ দৰে মনত অজুত সপোন লৈ শিৱসাগৰ ছোৱালী কলেজত আনুষ্ঠানিক শিক্ষাৰ অৰ্থে ভৰি দিছিলো। কলেজখনক সম্পূৰ্ণ ভাৱে বুজি উঠাৰ আগতেই অকস্মাতে মোৰ অৱচেতনে মোক এনে এক প্ৰান্তলৈ লৈ গ'ল যে এদিন মই নিজকে আৱিষ্কাৰ কৰিলো শিৱসাগৰ ছোৱালী কলেজৰ সাধাৰণ সম্পাদিকাৰূপত। এই আপাহতে মোৰ শুভাকাংশীৰ ৰূপত থকা সমূহ ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীলৈ হিয়াভৰা অভিনন্দন তথা কৃতজ্ঞতা যাচিছো। সাধাৰণ সম্পাদিকাৰ গুৰু দায়িত্ব বহন কৰাটো যথেষ্ট কঠিন যদিও ছাত্ৰী একতা সভাৰ সমুহীয়া প্ৰচেষ্টাৰে কলেজৰ সৰ্বাংগীন উন্নতিত আমি ব্ৰতী হৈ পৰিছিলো। সফলতা আৰু বিফলতা আপোনালোকৰ বিচাৰ্য।

২০১১-১২ চনৰ ছাত্ৰী একতা সভা গঠন কৰিয়েই অধ্যক্ষকে প্ৰমুখ্য কৰি অন্যান্য শিক্ষক উপদেষ্টা সকলৰ লগত বহি বাৰ্ষিক কাৰ্যসূচী সম্পৰ্কে এক আৰ্হি তৈয়াৰ কৰি লোৱা হৈছিল। কলেজ এখনৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ উৎসৱটি হ'ল বাৰ্ষিক কলেজ সপ্তাহ। সকলোৰে সহযোগত বাৰ্ষিক কলেজ সপ্তাহ সুকলমে অনুষ্ঠিত হৈ যায়। সংস্কৃতি এটা জাতিৰ মেৰুদণ্ডস্বৰূপ, সাহিত্য মানুহৰ জীৱনৰ ছন্দোময় ধাৰা আৰু ক্ৰীড়া হৈছে মানৱ সভ্যতাৰ বিচিত্ৰ চানেকী। ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাৰ বিকাশ মঞ্চ হৈছে বাৰ্ষিক কলেজ সপ্তাহ।

ইয়াৰ পিছৰ পদক্ষেপ আছিল ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় উৎসৱত আমাৰ কলেজৰ অংশ গ্ৰহণ। শিক্ষক তত্বাৱধায়কৰ নেতৃত্বত যোৱা আমাৰ ছাত্ৰী দলটিয়ে যথেষ্ট নিয়মানুবৰ্তিতাৰে অংশ গ্ৰহণ কৰি কেইবাটাও পদক লাভ কৰিবলৈ সক্ষম হৈছিল।

২০১২ চনৰ সৰস্বতী পূজা। প্ৰত্যেক বছৰৰ দৰে এই বছৰো আমাৰ অতিকৈ আদৰৰ 'শ্ৰীশ্ৰী সৰস্বতী পূজা' ভাগি আহি পৰিছিল। কলেজৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰীসকলৰ উদ্যোগত বিগত বছৰ কেইটিৰ দৰে এইবাৰো অতি আনন্দ উল্লাসেৰে সৰস্বতী পূজা উদ্যাপন কৰা হয়। পূজাৰ কাম সুকলমে সমাপন কৰাৰ বাবে মই ছাত্ৰী একতা সভাৰ সমূহ সদস্যাৰ লগতে উৎসৱ ও সাংস্কৃতিক বিভাগৰ সম্পাদিকালৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

ইয়াৰ পাছতেই ছাত্ৰী একতা সভাই অনুষ্ঠিত কৰা অন্য এটা কাৰ্যসূচী হৈছে নৱাগতা আদৰণি সভা, যাৰ মাধ্যমেৰে নৱাগতা সকলক আনুষ্ঠানিক ভাৱে আদৰণি জনোৱা হয়।

ছাত্ৰী সকলৰ মানসিক উৎকৰ্ষ সাধন কৰিবৰ বাবে বিভিন্ন কাৰ্যসূচী যেনে, কুইজ, তৰ্ক, বক্তৃতা ইত্যাদি সময়ে সময়ে অনুষ্ঠিত কৰি থকাৰ বাবে মই তৰ্ক বিভাগৰ সম্পাদিকা আৰু বিভাগীয় উপদেষ্টালৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

এই বছৰটিত অসমৰ জনসাধাৰণ বাৰুকৈ বান সমস্যাৰ

সন্মুখীন হ'ব লগা হয়। এইবাৰ ছাত্ৰী একতা সভাৰ প্ৰচেষ্টাত ছাত্ৰীসকলৰ সামৰ্থ্য অনুযায়ী এক বান সাহাৰ্য পুঁজি সংগ্ৰহ কৰি দিচাংমুখলৈ এক বান সাহাৰ্য প্ৰদান কৰা হয়।

আমাৰ মহাবিদ্যালয়খনি পূৰ্বৰে পৰা বহু দিশত আগবঢ়া। ইয়াতেই শিক্ষা গ্ৰহণ কৰা ছাত্ৰী হৈছে সু-সাহিত্যিক, সু-কবি, সু-খেলুৱৈ আৰু বহুতো। আশা ৰাখিছো অদূৰ ভৱিষ্যতেও যাতে এনে সুনামৰ ধাৰা অব্যাহত থাকে। যাৰ নাম বিশ্ব বুৰঞ্জীত সোণালী আখৰেৰে খোদিত কৰিব পৰা যাব।

শেষত মোৰ কাৰ্যকালত জ্ঞাতে-অজ্ঞাতে অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছো আৰু মহাবিদ্যালয়খনিৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় মোৰ চমু প্ৰতিবেদন সামৰণি মাৰিছো।

জয়তু শিৱসাগৰ ছোৱালী কলেজ
জয়তু ছাত্ৰী একতা সভা

**নৱনীতা সন্দিকৈ**
সাধাৰণ সম্পাদিকা
ছাত্ৰী একতা সভা
শিৱসাগৰ ছোৱালী কলেজ



# তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

ঐতিহাসিক শিৱসাগৰ নগৰৰ মাজমজিয়াত অৱস্থিত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়। এমুঠিমান শিক্ষানুৰাগী দূৰদৰ্শী সমাজ কাণ্ডাৰীৰ ঐকান্তিক প্ৰচেষ্টা আৰু সীমাহীন ত্যাগৰ বিনিময়ত ১৯৬৪ চনত এই জ্ঞানৰূপী বটবৃক্ষৰ পুলিটি অংকুৰিত হৈছিল। প্ৰতিবেদনৰ আৰম্ভনিতে মই শত সহস্ৰ প্ৰণাম জনাইছো সেইসকল মহানুভৱ জ্ঞান তপস্বীলৈ যিসকলৰ ঐকান্তিক প্ৰচেষ্টাত জন্ম হ'ল এই জ্ঞান বৃক্ষৰ।

এনে এক ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ত বিনা প্ৰতিদ্বন্দিতাৰে ছাত্ৰী একতা সভাৰ সদস্যা হ'বলৈ পোৱাটো মোৰ বাবে অতি গুৰুত্বপূৰ্ণ কথা। ইয়াৰ দ্বাৰা বিচাৰি পালো মানুহৰ আস্থা, বিশ্বাস আৰু নেতৃত্বৰ মাদকতা। মই এইখিনিতে সেইসকল সতীৰ্থলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। যাৰ স্বাৰ্থবিহীন সহযোগিতাৰ ফলত মই ২০১১-১২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকা হৈ মহাবিদ্যালয়ৰ বাবে মোৰ কিঞ্চিত সেৱা আগবঢ়াবলৈ সুবিধা পালো।

কাম-কাজৰ খতিয়ানঃ- কাৰ্যভাৰ গ্ৰহণ কৰিয়েই বহু কিবাকিবি কৰাৰ পৰিকল্পনা কৰিছিলো। এই পৰিকল্পনাসমূহ বাস্তৱায়িত কৰাত কিমান সফল হ'লো সেয়া বিচাৰ কৰাৰ দায়িত্ব আপোনালোকক অৰ্পণ কৰিলো।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতে আমি অনুষ্ঠিত কৰিছিলো বাৰ্ষিক কলেজ সপ্তাহ। বাৰ্ষিক কলেজ সপ্তাহৰ দ্বিতীয় দিনাই আমি অনুষ্ঠিত কৰিছিলো তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ বিভিন্ন প্ৰতিযোগিতা সমূহ। কিন্তু দুখৰ বিষয় ইমান এখন ডাঙৰ কলেজ এই প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যা তেনেই তাকৰ।

ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ বাবে তৰ্ক, বক্তৃতা, কুইজ, আলোচনা চক্ৰ আদিৰ অতি প্ৰয়োজন। সাম্প্ৰতিক প্ৰেক্ষাপটত এই প্ৰতিযোগিতাসমূহৰ গুৰুত্বতা উপলব্ধি কৰিয়েই আমাৰ মহাবিদ্যালয়ত এইবছৰ প্ৰথমবাৰৰ বাবে সদৌ অসমভিত্তিত এখনি তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ মানস কৰিলো। আশা আগতে নোহোৱা এনে এখন প্ৰতিযোগিতাৰ দ্বাৰা ছাত্ৰীসকলে তৰ্ক সম্পৰ্কীয় বহুতো কথা জানিব পাৰিব। মহাবিদ্যালয়ত পোন প্ৰথমবাৰৰ বাবে অনুষ্ঠিত এনে এখন মান্যতাপূৰ্ণ প্ৰতিযোগিতাৰ সম্পাদিকা হিচাপে মই অতি গৌৰৱান্বিত আৰু ইয়াৰ এটি চমু খতিয়ান দাঙি ধৰাৰ প্ৰয়াস কৰিছো–

মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু অধ্যাপিকাৰ আলোচনা আৰু সৰ্বসন্মতি মৰ্মে নিৰ্ধাৰণ কৰা সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ বিষয়টো হ'ল-

"উত্তৰ পূৰ্বাঞ্চলৰ অৰ্থনৈতিক উন্নয়ণৰ বাবে নদীবান্ধৰ প্ৰয়োজনীয়তা আছে।" —

উক্ত প্ৰতিযোগিতাখনিৰ অসমৰ বিভিন্ন প্ৰান্তত কেইবাখনো কলেজে যোগদান কৰে। এই আকৰ্ষণীয় প্ৰতিযোগিতা খনিত প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেষ্ঠ দল হয় ক্ৰমে ডি.আৰ.কলেজ, শিৱসাগৰ ছোৱালী কলেজ আৰু জাজী হেমনাথ শৰ্মা কলেজ। শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে পৰী ফুকনে। সমূহ বিজয়ী প্ৰতিযোগীকে নগদ ধন প্ৰদান কৰা

হয়।

মোৰ কাৰ্যকালত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে অসমৰ ভিন্ন প্ৰান্তত অনুষ্ঠিত কেইবাখনো প্ৰতিযোগিতাত কৃতিত্ব অৰ্জন কৰি মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ১।১২।২০১১ তাৰিখে শিৱসাগৰ অসামৰিক হস্পিতালত অনুষ্ঠিত কুইজ প্ৰতিযোগিতাত আমাৰ কলেজৰ ছাত্ৰী ময়ুৰী পাতৰ আৰু পল্লৱী বড়াই প্ৰথম, সম্প্ৰীতি শৰ্মা আৰু জিন্টী হাজৰিকাই দ্বিতীয় আৰু মই আৰু শিল্পীকা খনিকৰে চতুৰ্থ স্থান লাভ কৰিবলৈ সক্ষম হওঁ।

১৪।৪।২০১২ তাৰিখে জে.বি. কলেজত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত আমাৰ কলেজৰ ছাত্ৰী মেঘালী বৰুৱা আৰু চিমী কোঁৱৰে তৃতীয় শ্ৰেষ্ঠ দলৰ পুৰস্কাৰ লাভ কৰে।

১৫।৯।২০১২ তাৰিখে গড়গাও কলেজত অনুষ্ঠিত তনু কোঁৱৰ সোৱৰণী তৰ্ক প্ৰতিযোগিতাত আমাৰ কলেজৰ ছাত্ৰী মৃদুস্মিতা ফুকন আৰু মেঘালী বৰুৱাই দ্বিতীয় শ্ৰেষ্ঠ দলৰ পুৰস্কাৰ লাভ কৰাৰ লগতে মৃদুস্মিতা ফুকনে এককভাৱে তৃতীয় শ্ৰেষ্ঠ তাৰ্কিকৰ সন্মান লাভ কৰে।

২৯।৯।২০১২ তাৰিখে দুলীয়াজান কলেজত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত আমাৰ কলেজৰ ছাত্ৰী মেঘালী বৰুৱা আৰু চিমী কোঁৱৰে প্ৰথম শ্ৰেষ্ঠ দলৰ পুৰস্কাৰ লাভ কৰে।

এই আপাহতে বিভিন্ন স্থানত অনুষ্ঠিত প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কৰি মহাবিদ্যালয়লৈ সুনাম বুটলি অনা সকলো ছাত্ৰীলৈকে আন্তৰিক অভিনন্দন আৰু অবিনাশী শুভকামনা জনাইছো।

**কৃতজ্ঞতা স্বীকাৰ** ঃ- এই এবছৰীয়া কাৰ্যকালত মোক যিসকলে উৎসাহ দিলে, যিসকলে মোক পৰামৰ্শ দিলে, মোক সহায় কৰিলে সকলোৰে ওচৰত মই চিৰকৃতজ্ঞ। সৰ্ব প্ৰথমে মই কৃতজ্ঞতা জনাইছো অধ্যক্ষ ড হেমন্ত কুমাৰ ফুকন দেৱলৈ আৰু উপাধ্যক্ষা কুসুম ফুকন বাইদেউলৈ। কৃতজ্ঞতা জনাইছো মোক দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱা বিভাগীয় উপদেষ্টা ড জিমলী বৰা বাইদেউ আৰু নিবেদিতা বৰুৱা বাইদেউলৈ। নানা কামত সহায়ৰ হাত আগবঢ়োৱা ৰন্টু গোহাই ছাৰ, জাকিৰ হুছেইন ছাৰ, কিশোৰ কুমাৰ দেউৰী ছাৰ মহান ৰঞ্জন দত্ত ছাৰ, কৃতাঞ্জলী কোঁৱৰ বাইদেউ, সঞ্জয় দাস ছাৰ, শিৱপ্ৰসাদ মিলি ছাৰ তথা মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুলৈ কৃতজ্ঞতা জনাইছো।

মোৰ কাৰ্যকালত বিভিন্ন সময়ত সহায়ৰ হাত আগবঢ়োৱা মোৰ সতীৰ্থ নিৰ্মালী, পল্লৱী সম্প্ৰীতি, কাব্যশ্ৰী, প্ৰজ্ঞা, ৰশ্মি, জিন্টী, মানসী, ডিম্পী, শিল্পীকা, ভন্টি শিল্পী, জুপিতৰা, প্ৰতিশ্ৰী, সঙ্গীতা, ৰশ্মি আৰু অজন্তালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সামৰণি ঃ- মোৰ কাৰ্যকালত অজানিতে ৰৈ যোৱা ভুল ক্ৰুটি সমূহৰ বাবে সকলোৰে ওচৰত মই ক্ষমা বিচাৰিছো। পোহৰ বিচাৰি শিৱসাগৰ ছোৱালী কলেজত সমবেত হোৱা প্ৰতি গৰাকী আলোক সন্ধানী সহযাত্ৰী নিজস্ব গৰিমাৰে মধ্যাহ্ন সুৰুজৰ দৰে দিপ্তীমান হৈ কলেজৰ সুনাম অক্ষুন্ন ৰাখক তাকেই আন্তৰিকতাৰে কামনা কৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

**ভাগ্যশ্ৰী নেওগ**

তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকা।

# সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ২০১১-২০১২ বৰ্ষৰ সংগীত সম্পাদিকাৰ বছৰেকীয়া প্ৰতিবেদন লিখাৰ আগমুহূৰ্তত মই সেইসকল চিৰ নমস্য ব্যক্তিলৈ মোৰ সশ্ৰদ্ধা প্ৰণিপাত জনাইছো, যিসকল বৰেণ্য ব্যক্তিৰ মহান ত্যাগ, কষ্ট আৰু সাধনাৰ ফলত ঐতিহ্যপূৰ্ণ নগৰ শিৱসাগৰৰ মাজ-মজিয়াতে থকা শিৱসাগৰ পুখুৰী আৰু শিৱদৌল নিচেই কাষতে অৱস্থিত এই ছোৱালী মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি আজিৰ অৱস্থাত উপনীত কৰিছে। এইখিনিতে মহান মহাবিদ্যালয়ৰে এক গুৰুত্বপূৰ্ণ অংগ "ছাত্ৰী একতা সভা"ৰ সংগীত সম্পাদিকা হিচপে মোক নিৰ্বাচিত কৰাৰ বাবে মই মোৰ অনুজ, অগ্ৰজ তথা, সতীৰ্থ সমূহ ছাত্ৰীলৈকে আন্তৰিক কৃতকাৰ্যতা আৰু ধন্যবাদ জনাইছো।

প্ৰথমে মই মহাবিদ্যালয়ত ভৰি দিয়াৰ দিনাৰ পৰাই মই বহু সপোন ৰচিছিলো। এনে ভাৱ আছিল যে মই এই মহাবিদ্যালয়খন লৈ কি কৰিব পাৰো, কিন্তু মই যিয়েই নকৰো কিয়, মই এই মহাবিদ্যালয়খনৰ অন্যতম সদস্য হ'ব লাগিব। তেতিয়াহে মই সপোন ৰচিব পাৰিম। অৱশেষত মোৰ এই সপোন বাস্তৱত পৰিণত হোৱাত মোৰ এনে অনুভৱ হ'ল যেন এক বুজাব নোৱাৰা অনুভূতি ইয়াৰ আঁৰত আছিল মোৰ বান্ধৱীসকল আৰু মোৰ অভিভাৱক সকল। তেওঁলোকৰ অনুৰোধত প্ৰতিদ্বন্দ্বিতাত আগবাঢ়িলো। তথাপিও মোৰ প্ৰথমে ভয় ভাব আহিছিল। কিন্তু এই ভয় মই পাহৰি প্ৰতিদ্বন্দ্বিতাত আগবাঢ়িলো আৰু বৃহৎ ভোটৰ ব্যৱধানত বিজয়ী প্ৰাৰ্থী হিচাপে নিৰ্বাচিত হ'লো।

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ দৰে অসমৰ আগশাৰীৰ এখন শিক্ষানুষ্ঠানৰ 'ছাত্ৰী একতা সভা'ৰ সংগীত বিভাগৰ সম্পাদিকা পদত নিৰ্বাচিত হৈ মনত যথেষ্ট সাহস পালো আৰু দৃঢ় সংকল্প কৰিলো যে, যিমান পাৰো সিমান সংগীতৰ দিশটো আগুৱাই নিম। মহাবিদ্যালয়ৰ সকলো আগ্ৰহী ছাত্ৰীয়ে যাতে প্ৰয়োজনীয় আটাইবোৰ সা-সুবিধা লাভ কৰি নিজৰ প্ৰতিভা যাতে বিকাশ কৰিবলৈ সক্ষম হয় তাৰ বাবে পাৰ্যমানে চেষ্টা কৰিম।

সংগীত ......!!! সংগীত হৈছে ভাৰতীয় শাস্ত্ৰীয় বা ৰাগ সংগীত পৃথিৱীৰ প্ৰাচীনতম সংগীত ধাৰাসমূহৰ অন্যতম। মানুহে হোনো গীত গাব, বাদ্য বজাব আৰু নাচিবলৈ শিকিছিল ক'বলৈ শিকাৰ বহুত আগতে। প্ৰাক্ ঐতিহাসিক যুগৰ অন্ধাৰময় ইতিহাসৰ পম খেদি আদিম মানৱ জাতিৰ এই সংগীতৰ ধাৰা কেনে আছিল সেই বিষয়ে সঠিকভাৱে জনাটো হয়তো এতিয়া আমাৰ পক্ষে সহজ নহয়। কিন্তু এই কথা নিঃসন্দেহে ক'ব পাৰি যে সৃষ্টিৰ পাতনিৰে পৰা মানৱ জাতিয়ে অন্তৰৰ আবেগ-অনুভূতি হৰ্ষ-বিষাদ আদি প্ৰকাশৰ এটি প্ৰধান মাধ্যম হিচাপে গীত, বাদ্য আৰু নৃত্যক ব্যৱহাৰ কৰি আহিছে। নৃত্য-গীত বা একে আখৰতে ক'বলৈ গ'লে সংগীতে আমাৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ এটি বুজন অংশ আধিকাৰ কৰি আছে বুলি ক'লেও অত্যুক্তি কৰা নহয়। আমাৰ দেশত কেচুঁৱা টোপনি যায় গীত শুনি শুনি, বুঢ়াসকলে কীৰ্তন-ভাগৱত পাঠ কৰে সুৰ ধৰি, কৃষক মজদুৰসকলে দিনটোৰ হাড়ভঙা খাটনি লাঘৱ কৰিবলৈ বিচাৰে সুৰ আৰু ছন্দৰ

মাজেৰে। আমাৰ দেশৰ মন্দিৰত সংগীত, পথাৰত সংগীত, হাবিত সংগীত, বননিত সংগীত। সংগীতে কেৱল যে শ্ৰৱণেন্দ্ৰিয়কে তৃপ্তি দান কৰে এনে নহয়, সকলো চিন্তা-ভাৱনা দূৰ কৰি মানৱ মনক সতেজ আৰু প্ৰফুল্লিত কৰি তোলাৰ ক্ষেত্ৰতো ভালেখিনি সহায় কৰে। সেয়ে মানৱ চৰিত্ৰৰ কঠোৰতা দূৰ কৰি ভদ্ৰ, সদাচাৰী আৰু বিনম্ৰ হোৱাত সংগীতে আমাক ভালেখিনি সহায় কৰিব পাৰে, সেই কথাত সন্দেহৰ অৱকাশ নাই। এই গুণৰ কথা উপলব্ধি কৰিয়েই আমাৰ প্ৰাচীন শাস্ত্ৰকাৰ সকলে 'ন ছি বিদ্যা সংগীতাৎ পৰা' বুলি সংগীতক সকলো কলা তথা বিদ্যাৰ আগশাৰীত স্থান দিছিল। সংগীত অবিহনে মানৱ সমাজ অসম্পূৰ্ণ আৰু সেইবাবে মানৱ সমাজে কোনোদিনেই তাক অবহেলাৰ চকুৰে চাব নোৱাৰে। এটা জাতিৰ সাংস্কৃতিক বিকাশ আৰু ৰুচিবোধৰ চৰম নিদৰ্শন হিচাপে সংগীত কলাকে গ্ৰহণ কৰা হয় আৰু সেয়েহে সংগীতক এটা জাতিৰ দাপোন বুলি ক'লেও অত্যুক্তি কৰা নহয়। মোৰ কাৰ্যকালত হোৱা বিভিন্ন কাৰ্যক্ৰমনিকা ঃ- শিৱসাগৰ ছোৱালী মহাবিদ্যালয় ২০১১-২০১২ চনৰ যি কাৰ্য্যভাৰ সেই কাৰ্য্যভাৰ আমি আনুষ্ঠানিকভাৱে গ্ৰহণ কৰি ছাত্ৰী একতা সভাৰ সকলো সম্পাদিকাই নিজৰ নিজৰ কামত ব্যস্ত হৈ পৰিছিল, সকলোৱে আশাৰে বাট চাই থকা আকৰ্ষণীয় অনুষ্ঠান "বাৰ্ষিক কলেজ সপ্তাহ" ৫-১২-২০১১ৰ পৰা ১০-১২-২০১১ লৈকে ধাৰ্য্য কৰা হৈছে। এই বাৰ্ষিক কলেজ সপ্তাহটি সকলোৰে সহযোগত সুকলমে আৰু অতি সুন্দৰকৈ অনুষ্ঠিত হৈ যায়। ছাত্ৰীসকলৰ নিজৰ প্ৰতিভা বিকাশ কৰাৰ অন্যতম সুবিধা পাইছিল এই "কলেজ সপ্তাহ"টিত। এওঁলোকৰ লগতে মই নিজেও এই ধৰণৰ সুবিধা মোৰ বিভাগীয় শিক্ষাগুৰু সকলৰ পৰা পাইছিলো। এইবাৰ বাৰ্ষিক কলেজ সপ্তাহৰ সংগীতানুষ্ঠান সমূহত অংশ গ্ৰহণকাৰীৰ সংখ্যা অধিক হোৱাৰ লগতে অতি সুন্দৰ আৰু শৃংখলাবদ্ধ হৈছিল।

ইয়াৰ পিছতে সকলোৱে আদৰৰ সকলোৰে শ্ৰদ্ধাৰ আন উল্লেখনীয় অনুষ্ঠান হৈছে- শ্ৰী শ্ৰী সৰস্বতী পূজা। এই সৰস্বতী পূজা আনন্দ উৎসাহৰ মাজেৰে অধ্যক্ষ মহোদয় তথা সকলো শিক্ষাগুৰু আৰু কৰ্মচাৰী বৃন্দ সহায় সহযোগত পৰম্পৰাগত ভাৱে পালন কৰা হ'ল। ৮ জুলাই দিনা শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ত প্ৰতিবছৰৰ দৰে এইবাৰো প্ৰতিষ্ঠা দিৱস সকলোৱে অতি শান্তিৰে পালন কৰো।

ইয়াৰ পিছতে উল্লেখ কৰিব লাগিব ২-৪-২০১২ তাৰিখে অনুষ্ঠিত হোৱা "নৱাগত আদৰণি সভা" আনুষ্ঠিত কৰা হয়। প্ৰকৃতিয়ে যেনেদৰে গছ-লতিকাৰ পুৰণি পাত সলনি, নতুন কুঁহিপাতৰ আগমন জনাই ঠিক তেনেদৰে নৱাগতসকলক আমি আনুষ্ঠানিক ভাৱে আমাৰ পৰিয়ালৰ সদস্যৰূপে আদৰণি জনাওঁ আৰু তেওঁলোকৰ বাবে বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হয়। আৰু তেওঁলোকৰ মাজত কৃতি ছাত্ৰীসকলক সবৰ্দ্ধনা জনোৱা হয়।

মোৰ এই এবছৰেকীয়া কাৰ্য্যকালত বিভিন্ন দিহা পৰামৰ্শ আগবঢ়োৱা, সহায় সহযোগৰ লগতে উৎসাহ আৰু অনুপ্ৰেৰণা যোগোৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় আৰু অধ্যক্ষ মহোদয়াৰ লগতে মোৰ বিভাগীয় উপদেষ্টা শ্ৰীযুক্তা অজন্তা বড়ো, দীপজোনালী ভূঞা বাইদেউলৈ আন্তৰিক শ্ৰদ্ধা, লগতে মোৰ সহকাৰী সম্পাদিকা, লগতে মোৰ বান্ধৱীসকলৰ মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ এই এবছৰীয়া কাৰ্যকালত অজানিতে বৈ যোৱা ভূল ক্ৰতিৰ বাবে পুনৰবাৰ ক্ষমা খুজি, শিৱসাগৰ ছোৱালী মহাবিদ্যালয়খন সৰ্বাংগীন উন্নতি আৰু উজ্বল ভৱিষ্যত কামনা কৰি মোৰ বিভাগীয় প্ৰতিবেদন ইমানতেই সামৰণি মাৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"
জয়তু ছাত্ৰী একতা সভা"

# সংগীত বিভাগৰ সহকাৰী সম্পাদিকাৰ প্ৰতিবেদন

২০১১-২০১২ বৰ্ষৰ সংগীতৰ সহকাৰী সম্পাদিকাৰ বছেৰেকীয়া প্ৰতিবেদন লিখাৰ প্ৰাক্ মুহূৰ্তত সেইসকল ব্যক্তিলৈ চিৰ নমস্য আগবঢ়াইছো, যিসকল ব্যক্তিৰ সাধনাৰ ফলত শিৱসাগৰ ছোৱালী মহাবিদ্যালয় প্ৰতিষ্ঠা হৈ উঠিছিল।

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ২০১১-১২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সংগীতৰ সহকাৰী সম্পাদিকাৰ পদটোত কাৰ্যভাৰ দাঙি ধৰিবলৈ এটা সুযোগ দিয়াৰ বাবে মোৰ মৰমৰ শিক্ষা গুৰুসকল আৰু সকলো ছাত্ৰীলৈকে কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো।

২০১১-১২ বৰ্ষৰ যি কাৰ্যভাৰ আহি আমাৰ হাতত পৰিছিলহি সেই সকলো কাৰ্যভাৰ আমি সকলোৰে মিলি আনুষ্ঠানিকভাৱে গ্ৰহণ কৰিছিলো। চাওঁতে চাওঁতে 'বাৰ্ষিক কলেজ সপ্তাহ' চমু চাপিলেহি। এই বাৰ্ষিক কলেজ সপ্তাহ ৫।১২।২০১১ তাৰিখৰ পৰা ১০।১২।২০১১ তাৰিখলৈকে দিন ধাৰ্য কৰা হৈছিল। শিক্ষা গুৰুসকল আৰু সমূহ ছাত্ৰ-ছাত্ৰীৰ সহযোগত এই "বাৰ্ষিক কলেজ সপ্তাহ"ৰ দিনকেইটা অতি সুন্দৰভাৱে অনুষ্ঠিত হৈ যায়। ছাত্ৰীসকল পিছ পৰি নাথাকি নিজৰ প্ৰতিভা বিকাশ কৰিবলৈ সকলো প্ৰতিযোগিতাতে অংশগ্ৰহণ কৰিছিল। কলেজ সপ্তাহৰ সংগীতানুষ্ঠানত অংশগ্ৰহণকাৰীৰ প্ৰতিভা বিকাশ পোৱাৰ লগতে অতি শৃংখলাবদ্ধভাৱে পৰিচালিত হৈছিল।

বিগত বৰ্ষৰ দৰে এইবাৰো আমাৰ মহাবিদ্যালয়ত সৰস্বতী পূজা অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু সম্পাদিকা সকলৰ সহায় সহযোগত এই অনুষ্ঠান পালন কৰা হৈছিল। এইখিনিতে আৰু এটা কথা উল্লেখ কৰিব লাগিব যিটো হৈছে শিৱসাগৰ মহাবিদ্যালয়ত প্ৰত্যেক বছৰৰ দৰে ৮ জুলাই দিনটোত এইবাৰো প্ৰতিষ্ঠা দিৱস পালন কৰা হৈছিল।

ইয়াৰ মাজতেই ২।৮।২০১২ তাৰিখে "নৱাগতা আদৰণি সভা" খন অনুষ্ঠিত কৰা হয়। নৱাগতা সকলক ছাত্ৰী একতা সভাৰ তৰফৰ পৰা আদৰণি জনোৱাৰ লগতে কৃতি ছাত্ৰীসকলক সম্বৰ্দ্ধনা জনোৱা হৈছিল।

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ মোৰ এই এবছৰীয়া কাৰ্যকালত সহায়-সহযোগিতা, পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় আৰু অধ্যক্ষা মহোদয়ালৈ অশেষ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। লগতে মোৰ অতি মৰমৰ শ্ৰীযুক্তা অজন্তা বড়া বাইদেউ আৰু দীপজোনালী ভুঞা বাইদেউলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। তাৰোপৰি মোক সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা মোৰ মৰমৰ বান্ধৱী সকল- ৰঞ্জু, মিতালী, পূবালী, কৰিশ্মা, মানসী, মৌচুমী, সাধনা, ক্ৰিতিষা, বিজয়া, চিমি আৰু মোৰ সকলো সহপাঠীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

মোৰ এই কাৰ্যকালত যদি ভুল ক্ৰটি ৰৈ গৈছে তাৰবাবে ক্ষমা খুজি, শিৱসাগৰ ছোৱালী কলেজ উন্নতিৰ শিখৰত পদাপৰ্ণ কৰাৰ আশাৰে সংগীতৰ সহকাৰী সম্পাদিকাৰ প্ৰতিবেদন সামৰণি মাৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

"জয়তু ছাত্ৰী একতা সভা"

**দেবযানী ৰাজকোঁৱৰ**

সংগীতৰ সহকাৰী সম্পাদিকা।



# ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

তুমি তোমাৰ লক্ষ্যত উপনীত হ'বলৈ হৃদয়ক সাহসী কৰি তোলা, তেতিয়া দেখিবা যে তুমি কেতিয়াও অকৃতকাৰ্য নোহোৱা।

— উইলিয়াম শ্বেক্সপীয়েৰ

এই কথাষাৰ মোৰ জীৱনৰ লক্ষ্যত আগুৱাই যাব পৰা এক সাহস। এইবাবে প্ৰতিবেদন লেখাৰ আগতে উইলিয়াম শ্বেক্সপীয়েৰে লিখা এই কথাষাৰ লিপিবদ্ধ কৰিলো।

শিৱসাগৰ! উজনি অসমৰ বুৰঞ্জী প্ৰসিদ্ধ নগৰ। শিৱসাগৰৰ নগৰৰ মাজমজিয়াতে আছে শিৱসাগৰ পুখুৰী আৰু শিৱদ'ল। এই শিৱদ'লৰ কাষতে উজনি অসমৰ এখন আগশাৰীৰ প্ৰথমখন ছোৱালী কলেজ। এই মহান মহাবিদ্যালয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা 'ছাত্ৰীৰ একতা সভা'ৰ ২০১১-১২ বৰ্ষৰ ক্ৰীড়া বিভাগৰ সম্পাদিকা মোক নিৰ্বাচিত ভোটদান কৰি বিজয়ী কৰাৰ বাবে সমূহ ছাত্ৰীবৃন্দলৈ মোৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছো।

২০১১-১২ বৰ্ষৰ ক্ৰীড়া বিভাগৰ প্ৰতিবেদনৰ লিখাৰ আগতে এই মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়া, শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, সমূহ কৰ্মচাৰীবৃন্দ সকলোলৈকে আমাৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

ক্ৰীড়া ..........

সকলোৰে জীৱনৰ লগত জড়িত এক আনন্দৰ, মনোৰঞ্জন ভৰা এক পৃথিৱী, য'ত মানুহ ব্যস্ততাৰে ভৰা জীৱনৰ ক্ষন্তেক সময়ৰ কাৰণে খেলৰ মাজতে বিচাৰি পোৱা যায় জীৱনৰ সুখ। ক্ৰীড়া আমাৰ শৰীৰ, মন, সুস্থ-সবল কৰি ৰখাৰ বাবে খেল খুবেই প্ৰয়োজন। খেলে আমাৰ সকলোৰে মনলৈ সমাজৰ আৰু দেশলৈ কঢ়িয়াই আনে অনাবিল গৌৰৱ, সন্মান আৰু আনন্দৰ। খেল-ধেমালিয়ে আমাৰ শৃংখলাবদ্ধতাৰে মাজত থাকি কাম কৰিবলে সফল হ'ব পাৰি। খেল মাধ্যম হিচাপে লৈ নিজৰ লগতে দেশৰো নাম উজ্জ্বল কৰিব পৰা যায়।

ক্ৰীড়া মানে জয়ী হোৱাটোৱেই অকল উদ্দেশ্য নহয়। ক্ৰীড়াত কিছুমান নীতি-নিয়ম মানি চলাটো খুবেই প্ৰয়োজন। এতিয়া আহো ২০১১-১২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ কাৰ্যকাললৈ। কাৰ্যভাৰ লোৱাৰ সময়ত এটা কথা মনলৈ আহিছিল মোক দিয়া এই দায়িত্ব মই যেন ভালদৰে চলাই নিব পাৰো। শিৱসাগৰ ছোৱালী কলেজৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ ছাত্ৰীসকলে অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি থাকে। প্ৰতিবাৰৰ দৰে এই বাৰো অতি উৎসাহেৰে কলেজ সপ্তাহ আয়োজন কৰা হৈছিল। খেল বিভাগৰ সম্পাদিকাৰ দায়িত্বটো লৈ কলেজ সপ্তাহত মোৰ বিভাগৰ কাম-কাজবোৰ আগবঢ়াই নিছিলো খেল বিভাগৰ সহকাৰী সাধাৰণ সম্পাদিকা কৰিশ্মা আৰু উপদেষ্টাদ্বয় ৰঞ্জন ছাৰ সহযোগত। এই ক্ষেত্ৰত প্ৰিঞ্চিপাল ছাৰৰ সহায় সহযোগত আমি কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হ'ব লগীয়া হোৱা নাছিল। কিন্তু প্ৰিঞ্চিপাল ছাৰে আমাক খেলৰ আৰম্ভণী দিনা মাৰ্চ-পাৰ্চ আয়োজন কৰিবলৈ কৈছিল, আমি ক্ষমা প্ৰাৰ্থনা বিচাৰিছো, কাৰণ অন্ত পৰাত প্ৰায়ভাগ শিক্ষাৰ্থী নিজৰ ঘৰলৈ যোৱাত এই কাৰ্যক্ৰম কৰিবলৈ

আমি সক্ষম নহ'লো। খেল-ধেমালি আৰম্ভ হোৱাৰ আগদিনাৰ পৰাই আমাক আমাৰ উপদেষ্টাদ্বয় ৰঞ্জন ছাৰে আমাক খুব সহায় কৰিলে।

এদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা খেল শিতানত প্ৰতিযোগিতাসমূহৰ আৰম্ভণি মাৰ্চ-পাৰ্চ আশা কৰামতে কৰিব নোৱাৰিলো। তাৰ পিছত আমাৰ আয়োন অনুযায়ি ১০০ মিটাৰ দৌৰ প্ৰতিযোগিতা, ২০০ মিটাৰ, ৪০০ মিটাৰ দৌৰ, শ্বৰ্ট পুট, ডিচকাচ থ্ৰ', জেভেলিন থ্ৰ', লং জাম্প, হাই জাম্প, ক্ৰিকেট আনন্দ উল্লাহেৰে আমি পোন প্ৰথমতে ছাৰ সকলৰ দৌ প্ৰতিযোগিতা আৰম্ভণি কৰিলো। আমি সময়ৰ অসুবিধাৰ বাবে বহুতো খেলৰ অনুষ্ঠান পাতিব নোৱাৰিলো। তাৰ বাবে মই ছাত্ৰীসকলৰ ওচৰত ক্ষমা বিচাৰিছো। খেলৰ প্ৰতিযোগিতাসমূহ আগবঢ়াই নিয়াত আমাক সহায় কৰা মিলি ছাৰ, ৰণ্টু ছাৰ, মাউত ছাৰ তেওঁলোকলৈ মই অশেষ ধন্যবাদ জনাইছো। অধ্যাপক-অধ্যাপিকা, অফিচ কৰ্মচাৰী আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীবৃন্দ সকলোৰে যথেষ্ট উৎসাহেৰে যোগদান কৰিছিল। খেল পথাৰত আমি আশা কৰা মতেই যোগদানকাৰী আছিল। কলেজ সপ্তাহৰ দিন কেইটা খুব ব্যস্ততা আৰু আনন্দৰ মাজেৰে পাৰ হৈ গৈছিল। মোৰ শিতানৰ প্ৰতিযোগিতাসমূহ শেষ হোৱাৰ পাছত আন শিতানবোৰৰ কামতো সহায়ৰ হাত আগবঢ়োৱাৰ সুবিধা পালো। এইদৰেই এই বছৰৰ আমাৰ মহাবিদ্যালয়ৰ 'কলেজ সপ্তাহ'ৰ দিন কেইটা মোৰ জীৱনৰ বাবে চিৰস্মৰণীয় হৈ ৰ'ল। কলেজ সপ্তাহৰ পাছত কলেজত আয়োজন কৰা সৰস্বতী পূজা, নৱাগতা আদৰণি সভা অনুষ্ঠানবোৰতো সহায়ৰ হাত আগবঢ়াইছো।

সদৌ শেষত অজানিতে বহুতো ভুল হ'ব পাৰে। তাৰ বাবে ভুল-ক্ৰুটিবোৰৰ বাবে পুণৰ বাৰ ক্ষমা খুজি শিৱসাগৰ ছোৱালী কলেজৰ উন্নতি আৰু উজ্জ্বল ভৱিষ্যতৰ কামনাৰে মোৰ এবছৰীয়া কাৰ্যকালৰ প্ৰতিবেদন সামৰণি মাৰিলো।

ধন্যবাদেৰে —

'জয়তু শিৱসাগৰ ছোৱালী কলেজ'

জয়তু ছাত্ৰী একতা সভা

নীপা বৰা

ক্ৰীড়া বিভাগৰ সম্পাদিকা

২০১১-১২ বৰ্ষ

শিৱসাগৰ ছোৱালী কলেজ

# ক্ৰীড়া বিভাগৰ সহকাৰী সম্পাদিকাৰ প্ৰতিবেদন

সম্পাদকীয় প্ৰতিবেদনৰ প্ৰাৰম্ভণিতেই যিসকল ব্যক্তিৰ অশেষ প্ৰচেষ্টাত আমাৰ এই জ্ঞানৰ মন্দিৰ নাৰী শিক্ষাৰ উচ্চ শিক্ষানুষ্ঠান "শিৱসাগৰ ছোৱালী কলেজ" আলোকিত হৈ উঠিছে সেইসকল মহান ব্যক্তিক লিখনিৰ আপাততে সশ্ৰদ্ধ প্ৰণাম জনাইছো। লগতে মই মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষা মহোদয়া, পূজনীয় শিক্ষাগুৰুসকল, মহাবিদ্যালয়ৰ কৰ্মচাৰীবৃন্দ আৰু সমূহ ছাত্ৰী বান্ধৱীলৈকে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছো।

ইতিহাসে গৰকা বুৰঞ্জী প্ৰসিদ্ধ শিৱসাগৰৰ মাজমজিয়াতে তথা শিৱসাগৰৰ বৰপুখুৰী, শিৱসাগৰৰ শিৱ দৌলৰ সমীপতে অৱস্থিত নাৰী শিক্ষাৰ এখন আগশাৰীৰ মহাবিদ্যালয় "শিৱসাগৰ ছোৱালী কলেজ"। সৰুৰে পৰা খেলৰ প্ৰতি ধাউতি থকাৰ বাবে এই মহাবিদ্যালয়ৰ ২০১১-২০১২ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনত "ক্ৰীড়া বিভাগৰ সহকাৰী সম্পাদিকা" পদটোৰ বাবে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো আৰু বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়যুক্ত হৈছিলো। আৰু যিসকল মোৰ অগ্ৰজ-অনুজ তথা সতীৰ্থই মোক উপযুক্ত বুলি ভাৱি কলেজৰ প্ৰতি সেৱা আগবঢ়াবলৈ এইকন সুবিধা প্ৰদান কৰিলে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ। মোৰ এই এবছৰীয়া কাৰ্যকালত কাৰ্যক্ষেত্ৰত কিমানদূৰ সফল হ'লো সেয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। তথাপিতো মই যিমানদূৰ সম্ভৱ চেষ্টা কৰিছিলো।

ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক আৰু মানসিক বিকাশ সাধন কৰিবৰ বাবে যিদৰে অধ্যয়নৰ গুৰুত্ব আছে সেইদৰে ইয়াৰ বাবে ক্ৰীড়াৰ গুৰুত্বও অধিক। মানৱ জাতিৰ উৰ্দ্ধমুখিতা, দেশ তথা জাতিৰ পৰিচয় প্ৰদানৰ ক্ষেত্ৰত ঐক্য, শান্তি, প্ৰগতিৰ বাহক ক্ৰীড়া হৈছে সকলোৰে বাবে প্ৰয়োজনীয়। এই ক্ৰীড়াৰ জৰিয়তেই এজন ব্যক্তিয়ে নিজৰ স্বাস্থ্যৰ উন্নতি ঘটোৱাৰ লগতে বিশ্ব বিশ্ৰুত হৈ উঠিব পাৰে। তাৰোপৰি ই এখন সমাজক প্ৰগতিৰ দিশত আগুৱাই যাবলৈ সহায় কৰে। সেয়েহে ক্ৰীড়াক মানুহৰ ব্যস্ত জীৱনত অগ্ৰাধিকাৰ দিয়া উচিত।

২০১১-২০১২ বৰ্ষৰ ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ কাৰ্যভাৰ গ্ৰহণ কৰিয়েই বিগত বছৰৰ দৰে এইবাৰো ছাত্ৰীসকলৰ অতি হেপাঁহৰ "বাৰ্ষিক ক্ৰীড়া সপ্তাহ"ৰ আয়োজনত ব্যস্ত হৈ পৰিছিলো। বিগত বৰ্ষৰ দৰে এইবাৰো ডিচেম্বৰ মাহৰ ..........তাৰিখৰ পৰা ........... তাৰিখলৈকে "কলেজ সপ্তাহ"ৰ আয়োজন কৰা হৈছিল। আমি এই ক্ৰীড়া সপ্তাহ সুচাৰুৰূপে পালন কৰিবলৈ যত্নৰ ক্ৰুটি কৰা নাছিলো। এই কলেজ সপ্তাহত সকলো প্ৰতিভাৱান ছাত্ৰীয়ে নিজৰ নিজৰ প্ৰতিভা দাঙি ধৰিবলৈ সক্ষম হৈছিল। এই ক্ৰীড়া সপ্তাহত মই মোৰ বিভাগৰ প্ৰতিটো প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ পাৰ্যমানে যত্ন কৰিছিলো আৰু সেইদৰে সুচাৰুৰূপে প্ৰতিযোগিতাবোৰ অনুষ্ঠিত কৰি যোৱাত সক্ষম হৈছিলো। প্ৰতি বছৰৰ দৰে এইবছৰতো মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহত মোৰ দায়িত্বত থকা খেল বিভাগৰ প্ৰতিযোগিতাসমূহ নগৰৰ সমীপৰ পিয়লি ফুকন খেলপথাৰতে অনুষ্ঠিত হয়। কিন্তু ছাত্ৰীসকলে ইয়াৰ বাবে খেলপথাৰলৈ যোৱাত কিছু অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। যাৰফলত মহাবিদ্যালয়ত যে এখন নিৰ্দিষ্ট খেলপথাৰ

থকাটো আৱশ্যক সেইটো মোৰ অনুভৱ হৈছিল। এইখিনিতে উল্লেখ কৰা উচিত যে কলেজৰ এই বাৰ্ষিক ক্ৰীড়া সপ্তাহত যিসকল ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল আৰু নিজৰ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল সেইসমূহ ক্ৰীড়া প্ৰতিযোগীলৈ মোৰ আন্তৰিক ধন্যবাদ আৰু অভিনন্দন যাচিছো। আৰু এই প্ৰতিবেদনৰ জৰিয়তে মই এইটোও ক'ব বিচাৰিছো যে যিসকল ছাত্ৰীৰ নিজৰ প্ৰতিভা থকা স্বত্বেও ক্ৰীড়া প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কৰিবলৈ আগবাঢ়ি অহা দেখা নাযায় সেই ছাত্ৰীসকলক মই অনুৰোধ কৰিছো যাতে তেওঁলোকে ক্ৰীড়া প্ৰতিযোগিতা সমূহত অংশগ্ৰহণ কৰি নিজৰ প্ৰতিভা বিকাশ ঘটাবলৈ যত্ন কৰে যেন।

বিগত বৰ্ষৰ দৰেই এইবাৰো ২৮ জানুৱাৰী তাৰিখে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল, সমূহ কৰ্মচাৰীবৃন্দ, সম্পাদিকা সকল, বিভাগীয় উপদেষ্টা আৰু ছাত্ৰীসকলৰ সহায় সহযোগিতাত অতি আনন্দ-উল্লাহেৰে সৰস্বতী পূজা উদ্‌যাপন কৰা হয়।

মোৰ কাৰ্যকাল সময়ছোৱাত আন এক উল্লেখনীয় দিন হৈছে নৱাগতা আদৰণি সভা। নৱাগতা সকলক আদৰণি জনাবৰ বাবে ছাত্ৰী একতা সভাই এক আটকধুনীয়া সভাৰ আয়োজন কৰা হয়। আমাৰ এই কাৰ্যকালত অনুষ্ঠিত হোৱা আন কিছুমান অনুষ্ঠান আছিল কলেজৰ প্ৰতিষ্ঠা দিৱস, শিক্ষক দিৱস, বিভিন্ন বিষয়ৰ আলোচনা চক্ৰ আদি।

মোৰ এই কাৰ্যকালৰ সময়ত নিজৰ সীমিত সামৰ্থ্যৰে মই মহাবিদ্যালয়খনক কিদৰে সেৱা আগবঢ়াব পাৰিলো সেইয়া আপোনালোকৰ বিচাৰৰ বিষয়। কিন্তু মই কোনোদিনে নিজৰ দায়িত্ব পালন কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিলো। এইদৰে সফলতা-বিফলতা, তিতা-মিঠা কিছু অভিজ্ঞতাৰে আমাৰ ছাত্ৰী একতা সভাৰ ২০১১-২০১২ বৰ্ষৰ কাৰ্যকালৰো অন্ত পৰিছিল। এই কাৰ্যকালৰ ভিতৰত যদি মোৰ অনিচ্ছাকৃতভাৱে ভুল হৈ গৈছে আৰু কৰ্তব্যৰ তাড়নাত পৰি যদি কাৰোবাক কিবা কঠিন বাক্য প্ৰয়োগ কৰিছিলো তাৰ বাবে মই সমূহ ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰিছো।

কৃতজ্ঞতা স্বীকাৰ ঃ- মোৰ এই এবছৰীয়া কাৰ্যকালত সকলো সময়তে কৰ্মৰ প্ৰতি উৎসাহ প্ৰদান কৰা মাননীয় অধ্যক্ষ মহোদয় ড° হেমন্ত কুমাৰ ফুকন আৰু মাননীয় উপাধ্যক্ষা মহোদয়া কুসুম ফুকন বাইদেউলৈ মই আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। আৰু মোৰ দায়িত্ব কালত প্ৰতিটো ক্ষেত্ৰতে পৰামৰ্শ আগবঢ়োৱা মোৰ বিভাগৰ উপদেষ্টা তথা শ্ৰদ্ধেয় শিক্ষাগুৰু ৰঞ্জন দাস ছাৰ আৰু ফণকান্ত মাউট ছাৰলৈ কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো।

তাৰোপৰি মোৰ এই কাৰ্যকালত আৰম্ভণিৰে পৰা সহায়ৰ হাত আগবঢ়োৱা মোৰ বান্ধৱী বাইদেউ ভণ্টিসকল, মৌচুমী, পুনম, তৃষ্ণা, অংকিতা, আৰ্জিনা, ৰিতামণি, মমি, পুষ্পা,ঝৰ্ণা, সুৰভী সকলোলৈ মোৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত শিৱসাগৰ ছোৱালী কলেজৰ উন্নত তথা সুন্দৰ ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

"জয়তু ছাত্ৰী একতা সভা"

**কৰিশ্মা সন্দিকৈ**
ক্ৰীড়া বিভাগৰ সহকাৰী সম্পাদিকা
ৰাজনীতি বিজ্ঞান বিভাগ



# সমাজসেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেইসকল ব্যক্তিলৈ শ্ৰদ্ধা জনাইছো যিসকলৰ অশেষ চেষ্টা আৰু ত্যাগৰ বিনিময়ত এই জ্ঞানৰ মন্দিৰস্বৰূপ শিৱসাগৰ ছোৱালী মহাবিদ্যালয় শিক্ষাৰ যি সোণালী সপোনবোৰ সেয়া আজি বাস্তৱত পৰিণত হৈ উঠিছে।

২০১১-২০১২ বৰ্ষৰ ছাত্ৰীৰ একতা সভাৰ সমাজ সেৱা বিভাগৰ সম্পাদিকা ৰূপে মোক নিৰ্বাচিত কৰি কলিজৰ প্ৰতি সেৱা আগবঢ়াবলৈ যিসকল সতীৰ্থই সহায়-সহযোগিতা প্ৰদান কৰিলে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ।

মই মোৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পিছতে আমাৰ বাৰ্ষিক কলেজ সপ্তাহ আৰম্ভ হয়। এই বাৰ্ষিক কলেজ সপ্তাহৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ চৌহদ চাফা কৰা হয়, আৰু লগতে ৰংগ মঞ্চৰো চাফা কৰা হৈছিল।

এই কলেজ সপ্তাহতে আমাৰ মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী সকলৰ দ্বাৰা এখন ভাওনা প্ৰদৰ্শিত কৰা হৈছিল। একেদৰে মাননীয় অধ্যক্ষ মহোদয় আৰু শ্ৰদ্ধেয় শিক্ষাগুৰু সকলৰ সহযোগত কলেজ সপ্তাহ শেষ হৈ আছে।

ইয়াৰ পিছতে বিগত বৰ্ষৰ দৰে এই বছৰো অধ্যক্ষ মহোদয় তথা শিক্ষাগুৰু সকল আৰু কৰ্মচাৰী তথা ছাত্ৰীবৃন্দৰ সহায় সহযোগত পৰম্পৰাগত ভাৱে শ্ৰীশ্ৰী সৰস্বতী পূজা অতি উলহ-মালহেৰে পালন কৰা হয়।

সৰস্বতী পূজাৰ পাছতে ৮।৭।২০১২ তাৰিখে কলেজ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি এখনি আয়োজন কৰা হয়। ইয়াৰ পাছতে ২।৮।২০১২ তাৰিখে ২০১১-২০১২ বৰ্ষৰ নৱগতা সকলক আনুষ্ঠানিক স্বাগতম জনাবলৈ এখনি সভা আয়োজন কৰা হৈছিল।

আমাৰ কাৰ্য্যকালৰ আন এটা উল্লেখযোগ্যদিন হৈছে ৫ চেপ্তেম্বৰ দিনটো, এই দিনটোত ড° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্ম দিনত শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলক আনুষ্ঠানিকভাৱে শ্ৰদ্ধা জনোৱা হয়।

কৃতজ্ঞতা স্বীকাৰ-

এই এবছৰীয়া কাৰ্য্যকালত সকলো সময়তে মোক সু-দিহাপৰামৰ্শ আৰু সহযোগিতা আগবঢ়োৱা মোৰ বিভাগীয় উপদেষ্টা তথা শ্ৰদ্ধেয় শিক্ষাগুৰু শ্ৰীযুত প্ৰণৱ ভৰালী ছাৰ আৰু ৰশ্মিৰেখা গগৈ বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ, লগতে মাননীয় অধ্যক্ষ মহোদয় ড° হেমন্ত কুমাৰ ফুকন ছাৰ আৰু উপাধ্যক্ষা মহোদয়া শ্ৰীযুক্তা কুসুম ফুকন বাইদেউলৈ তথা মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুলৈ কৃতজ্ঞতা জনাইছো।

তাৰোপৰি মোক সকলো সময়তে সহায়ৰ হাত আগবঢ়োৱা বাইদেউ, ভন্টিসকল আৰু মোৰ বান্ধৱীসকল- গীতামণি, সুৰভী, পুনম, পৰিস্মিতা, কৰিশ্মা, বৰ্ণালী, তৃষ্ণা, বিতুবা, পুষ্পা বা, ঝৰ্ণা বা আৰু মোৰ সহপাঠী সকলোলৈ মোৰ কৃতজ্ঞতা জনাইছো।

সদৌ শেষত মোৰ কাৰ্য্যকালত অজানিতে ৰৈ যোৱা ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰি শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সকলো দিশতে উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছো।

"জয়তু শিৱসাগৰ ছোৱালী কলেজ"

"জয়তু ছাত্ৰী একতা সভা"

শ্ৰীমতী মমী গগৈ

সমাজ সেৱা বিভাগৰ সম্পাদিকা

২০১১-২০১২

# First Class with Distinction & Ranks

| Name of the students | Sub. | Rank |
|---|---|---|
| Anjali Oswal | Eco. | 10th |
| Bhagyashri Changmai | Edu. | 49th |
| Binita Phukan | Edu. | 67th |
| Bornali Boruah | P.Sc. | 18th |
| Chandra Kri Yadav | Edu. | 48th |
| Dipsikha Das | P.Sc. | 12th |
| Junmoni Gogoi | Geog. | 8th |
| Krishna Kalita | Eco. | 26th |
| Lipi Borah | Eco. | 8th |
| Minakshi Changmai | Eco. | 56th |
| Mitali Saikia | Ass. | 51st |
| Monisha Dehingia | Eco. | 24th |
| Munmi Borthakur | Edu. | 65th |
| Munmi Phukan | Eco. | 32nd |
| Nabasmita Borkakoty | Eco. | 1st |
| Nirmali Borkakoty | Eco. | 1st |
| Pallabi Baruah | Edn. | 70th |
| Pallabi Sarmah | P.Sc. | 7th |
| Pinki Baruah | Eco. | 12th |
| Pori Chetia | Edu. | 68th |
| Porismita Mahanta | Eco. | 4th |
| Sehnaz Begum | Edu. | 7th |
| Simi Ahmed | Ass. | 47th |
| Smita Khataniar | Geog. | 6th |
| Swapna Lahon | Edu. | 36th |

**FIRST CLASS WITHOUT DISTINCTION**

| | | |
|---|---|---|
| Gitika Sharma | Edu. | 76th |
| Krishnali Hazarika | P.Sc. | 42nd |
| Madhumita Borah | Geog. | 36th |
| Nasreen Nahar Begum | Eco. | 39th |
| Nibedita Borthakur | Ass. | 33th |
| Pallabi Dutta | Ass. | 43rd |
| Priyanka Gogoi | P.Sc. | 50th |
| Pronami Singha | Geog. | 23rd |
| Purabi Dutta | P.Sc. | 37th |
| Rajashree Changmai | Geog. | 49th |
| Riju Borgohain | P.Sc. | 13th |
| Shradha Goswami | Geog. | 40th |
| Shunmoni Borah | Edu. | 85th |

**(Science) First Class with Distinction & Ranks**

| | | |
|---|---|---|
| Mehzabeen Begum | Bot. | 25th |
| Pallavi Konwer | Phy. | 41st |
| Prarthana Baruah | Bot. | 4th |
| Pronami Mozindar | Phy. | 49th |
| Reshma Ahmed | Bot. | 1st |
| Ritu ara Ahmed | Phy. | 46th |

**(Science) First Class without Distinction**

Aparajita Dutta Phy.51st

**Passed out of ST/SC Students**

| | Arts | Science |
|---|---|---|
| ST (P) | | 03Nil (Regular & Private) |
| SC | 21 | Nil (Regular &Private) |

**H.S. RESULT**

**Result Higher Secondary Final Year Examination- 2011-13**

Total Students Appeared = 118

Total Students Passed = 118

Pass % =100%

**Securing Highest Mark in Biology- 97 Miss Ankita Gogoi**

**Result Hr. Sec. Final Year Examination- 2010-11**

Total No. of Students (Regular) Appeared = 94

No. of Students Passed = 93

Pass % =99%








☞ বাৰ্ষিক কলেজ সপ্তাহৰ একাংশ

☞ অৰ্থনীতি বিভাগে আয়োজন কৰা আলোচনা চক্ৰৰ একাংশ।

☞ ভূ-তথ্য ব্যৱস্থাপনাত অধ্যয়নৰত ছাত্ৰী।

